# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Parikhhit Hajoreeka. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahitya Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1980 | Edition: |
| Size: 23 cms. 3+6+92+8+83+5+56+8+101 pages | Genre: Magazine |
| Volumes: 37 - 4 issues. | Condition of the original: good |
| Remarks: [illegible]. 1st vol. published in the year 1927 and has been contng. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

বছৰ ঊনৈশ শ আশী/একাশী চতুৰ্থ সংখ্যা

সম্পাদক,
ড° পৰীক্ষিত হাজৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : চতুৰ্থ সংখ্যা

## বুৰঞ্জীবিদ বেণুধৰ শৰ্মা সোঁৱৰণী সংখ্যা

সম্পাদক
ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ

চতুৰ্থ সংখ্যা

ডিচেম্বৰ ১৯৮০, জানুৱাৰী, ফেব্ৰুৱাৰী, ১৯৮১

সম্পাদক :

ড° পৰীক্ষিত হাজৰিকা,

ৰেড ক্ৰছ ৰোড,

ডিব্ৰুগড়।

প্ৰকাশক

শ্ৰীনগেন শইকীয়া

প্ৰধান সম্পাদক, অসম সাহিত্য সভা,

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট-১

মূল্য :

তিনি টকা

ছপাশাল

লেখাৰ প্ৰিণ্টিং প্ৰেছ,

ডিব্ৰুগড়।

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : চতুৰ্থ সংখ্যা

এই সংখ্যাত আছে :

সম্পাদকীয় ।। ক ।।

নীৰৱ বেণুধৰ : । শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা । মহাৰাজাধিৰাজ হৰ্জ্জৰদেৱৰ কুকুৰাবাটী সত্ৰৰ (নগাঁও) সদ্যপ্ৰাপ্ত তাম্ৰশাসন । ড° সৰ্বেশ্বৰ চতীয়া । ১ । সংস্কৃত সাহিত্যত অসম প্ৰসঙ্গ । হৰেকৃষ্ণ মিশ্ৰ । ১৫ । শ্ৰীমদ্ভাগৱত পুৰাণ আৰু শ্ৰীকৃষ্ণ । শ্ৰীভৱানীকান্ত শৰ্মা । ১৯ । ৰামায়ণ যুগৰ আহাৰ আৰু আহাৰ্য্য । শ্ৰীসুহাসমণি বৰ্মণ ।। ২৩ । অসমৰ জনজাতি সকলৰ লোক-সংস্কৃতি : অন্ত্যেষ্টিক্ৰিয়া ।। শ্ৰীলোকেশ্বৰ গগৈ ।। ২৬ ।। অসমীয়া কাব্যত জাতীয়তা ।। ড° পূৰ্ণানন্দ শইকীয়া ।। ৩৩ ।। সত্তৰৰ দশকত অসমীয়া বিজ্ঞান-সাহিত্য ড° মহেন্দ্ৰনাথ বৰা ।। ৩৬ ।। অসমীয়া মুদ্ৰালিপিৰ যন্ত্ৰৰ ক্ৰমবিকাশ ।। শ্ৰীপ্ৰমোদ বৰুৱা ।। ৪১ ।। গ্ৰন্থ-সম্পাদন ।। ড° হৰিনাথ শৰ্মাদলৈ ।। ৪৮ ।। সপ্তম দশকত অসমীয়া প্ৰবন্ধ-সাহিত্য ।। শ্ৰীনাৰায়ণ দাস ।। ৫১ ।। অসমৰ টাই-মাহৰ বুৰঞ্জী ।। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ।। ৬১ ।। সত্তৰৰ দশকত অসমীয়া গীতি-সাহিত্য ।। শ্ৰীতফজ্জুল আলি ।। ৬৪ ।। অসমৰ জাতীয় জাগৰণ আৰু সাহিত্যত ইয়াৰ প্ৰতিফলন ।। শ্ৰীকুতুবুদ্দিন আহমেদ ।। ৬৮ ।। দুৰ্গীসিংহ বেণুধৰ শৰ্মাৰ পুণ্য সোঁৱৰণত ।। শ্ৰীডিম্বেশ্বৰ নেওগ শৰ্মা ।। ৭৫ ।। অষ্টম দশকৰ অসমীয়া চুটিগল্প ।। শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা ।। ৮০ ।। সাম্প্ৰতিক আন্দোলন আৰু অসম সাহিত্য সভাই লব পৰা ভূমিকা ।। শ্ৰীহৰীন্দ্ৰ বৰগোহাঞি । ৮৫ ।। সাহিত্য একাডেমী বঁটা বিজয়ী যোগেশ দাস : পৃথিৱীৰ অসুখ (১৯৭৮) ।। ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য ।। ৮৮ ।। পুথি-পৰিচয় ।। ৯০ ।।

# অসম সাহিত্য সভা পত্ৰিকা

## নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা'- অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে হে ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, ৰেড ক্ৰছ ৰোড, ডিব্ৰুগড়'— এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা একে বিধ গ্ৰন্থৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হ'ব।

৫। পত্ৰিকাৰ বৰঙণি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১'— এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙণি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভা সমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে বিল থুজিলে পত্ৰিকাৰ মূল্য মনিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

## পত্ৰিকা সম্পাদনা সমিতি

১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সভাপতি, অসম সাহিত্য সভা

২। শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক, অসম সাহিত্য সভা

৩। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য

৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য

৫। শ্ৰীভিৰেশ্বৰ চলিহা, সদস্য

৬। শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন, সদস্য

৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক।

## সম্পাদকীয়

### বেণুধৰ শৰ্মা

আমাৰ সমাজৰ বিশেষ একোজন মানুহ একো একোটা জাতীয় অনুষ্ঠানৰ নিচিনা। স্বৰ্গীয় বেণুধৰ শৰ্মা তেনেকুৱা এক অনুষ্ঠান স্বৰূপ আছিল। কাঁহি-বাতিৰে, চিনে-উৰণে, খোজে-কাটলে, কামে-কাজে, চিন্তাই-আদৰ্শই তেওঁ এজন হাড়ে-হিমজুৱে নিভাঁজ অসমীয়া আহি পুৰুষ আছিল। জন্ম-ক্ষেত্ৰ দাৰিং হলেও সমগ্ৰ অসমখনেই তেওঁৰ ঘৰ হৈ পৰিছিল, আৰু অসমীয়া মাত্ৰেই তেওঁৰ আপোন ককাই-ভাইৰ দৰে আছিল। নিৰ্ভীক, স্পষ্টবাদী, আৰু যুক্তিনিষ্ঠ বেণুধৰ শৰ্মাক সকলোৱে শ্ৰদ্ধাৰ দৃষ্টিৰে চাইছিল।

পাণ্ডিত্যপূৰ্ণ তথ্যাভিজ্ঞ বেণু শৰ্মাই জীৱিত কালতেই অসমৰ বৌদ্ধিক সমাজৰ পৰা সুসাহিত্যিক, বুৰঞ্জীৱিদ, তন্ত্ৰ-তাত্বিক, গৱেষক, সাংবাদিক হাস্যৰসিক, সমাজ-সংস্কাৰক, জাতীয়তাবাদী, আগশাৰীৰ মুক্তি-যুঁজাৰু আৰু নৱ-পুৰণিৰ সমন্বয়-ৰক্ষক উদাৰ পুৰুষ বুলি আখ্যা পাইছিল। জীৱদ্দশাতে এনে ধৰণৰ স্বতস্ফূৰ্ত সন্মান-সূচক আখ্যা খুব কম সংখ্যক অসমীয়াৰ ভাগ্যতহে মিলিছে।

স্বাধীনচিতীয়া বেণু শৰ্মাৰ স্বাধীনতাৰ সক্ৰিয় ভূমিকা তেওঁৰ সম-সাময়িক লোকে দেখিছে; স্বাধীনতা সংগ্ৰামৰ ৰণুৱা হিচাপে আজিও তেওঁৰ নাম বহুজনে শ্ৰদ্ধাৰে সোঁৱৰে। আনহাতে, দৈহিক অৱসানৰ লগে লগে তেনেকুৱা মহান ব্যক্তিৰ স্মৃতি অসমীয়া জনসাধাৰণৰ মনৰ পৰা আঁতৰি যোৱাৰ দৃষ্টান্তও নোহোৱা নহয়। তথাপি এচাম মুষ্টিমেয় লোকৰ অন্তৰত যে বেণুধৰ শৰ্মা আদৰণীয় তথা বন্দনীয় হৈ ৰ'ব তাত সন্দেহ নাই। ইয়াৰ কাৰণ হ'ল— তেওঁৰ প্ৰতিভাময় সাহিত্যিক অৱদান। শিশু-সাহিত্য, সংবাদ-সাহিত্য, জীৱনী-সাহিত্য, বুৰঞ্জী-সাহিত্য আদিত শৰ্মাদেৱৰ চমৎকাৰ অভিনৱত্ব, ফল্গু সদৃশ প্ৰেৰণা আৰু জাতীয় আদৰ্শ নিহিত হৈ আছে। তেওঁৰ প্ৰকাশিত পুথিৰ সংখ্যা ২৮ খন; এইবোৰৰ প্ৰতিখনেই শৰ্মাদেৱৰ চিন্তাৰ নতুনত্ব আৰু প্ৰকাশ-ভঙ্গীৰ অভিনৱত্ব দাঙি ধৰিছে। পুথিৰ উপৰিও তেওঁৰ অসংখ্য প্ৰবন্ধ স্মৃতি-গ্ৰন্থ আলোচনী, বাতৰি কাকত আদিত সিচঁৰিত হৈ আছে।

প্ৰায় ৮৫ বছৰীয়া জীৱন কালত বেণুধৰ শৰ্মাই অকলশৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সুৰক্ষা আৰু বিকাশৰ বাবে ভালেখিনি অৰিহণা যোগাইছে, অসমৰ নগৰ-চহৰ, গাওঁ-ভূঁই, চুক-কোণ, চলাথ কৰি অসমীয়া জাতিৰ গৌৰৱময় অতীতৰ স্মৃতি জগাই তুলিছে, আৰু তেওঁলোকৰ ভৱিষ্যত কৰ্ম-পন্থা সম্পৰ্কে সঁকিয়াই আহি অসমীয়াৰ জাতীয় সত্বা চিনিবলৈ হলে বেণুধৰ শৰ্মাৰ ৰচনাৱলী পঢ়া উচিত।

সাহিত্যৰ বিভিন্ন দিশত বৰঙণি যোগালেও বেণুধৰ শৰ্মাক বুৰঞ্জীবিদ বুলিহে আমাৰ সমাজত জানে। অথচ গুণাভিৰাম বৰুৱাৰ দৰে অথবা কনকলাল বৰুৱাৰ দৰে নাইবা ড° সূৰ্য কুমাৰ ভূঞাৰ দৰে বেণুধৰ শৰ্মাই অসমৰ বুৰঞ্জী লিখা নাই। কিন্তু অসম বুৰঞ্জীৰ লুপ্তপ্ৰায় অনেক তথ্য তেওঁ বিজ্ঞ ঐতিহাসিকৰ সমানেই উদ্ঘাটন কৰিছে। তেওঁ ৰচিত সাতাৱন ছাল, মণিৰাম দেৱান, গঙ্গাগোবিন্দ ফুকন, দুৰবীন, অৰ্ঘাৱলী, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত, দক্ষিণপাট সত্ৰৰ বুৰঞ্জী, বেজদলৈ ভাণ্ডাৰী বৰুৱাৰ ইতিবৃত্ত আদি বুৰঞ্জীমূলক সাহিত্য। ১৯২৭ চনতে ড° জন পিটাৰ ৱেডৰ 'এন একাউণ্ট অব আসাম' সম্পাদন কৰি তেওঁ বুৰঞ্জী দক্ষতাৰ নিদৰ্শন দাঙি ধৰিছিল। যি কি নহওক 'মণিৰাম দেৱান' তেওঁ সাহিত্যিক জীৱনৰ কীৰ্তি স্তম্ভ। ইয়াত নিপুণ শিল্পীৰ চিকুণ শৈলী, ঐতিহাসিক তথ্য জাতীয় প্ৰেমৰ মহতী আদৰ্শৰ সাৰ্থক সমন্বয় ঘটিছে। 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত নামৰ গ্ৰন্থত যিদৰে স্বাধীনতা-সংগ্ৰামী অসমীয়া জাতিৰ তথ্যপূৰ্ণ ৰূপচিত্ৰ প্ৰতিভাত হৈছে। সেইদৰে তাত অভিনৱ ৰচনা-শৈলীৰ অনিৰ্বচনীয় নিৰ্যাসো প্ৰসাৰিত হৈছে। গ্ৰন্থ খনিত নিভৃতে সাহিত্যৰ প্ৰায় প্ৰধান দিশবোৰৰ মধুৰ সমন্বয় ঘটিছে। ইয়াক নব্য আত্মজীৱনীমূলক ৰচনাৰ এক চানেকি-গ্ৰন্থ বুলি কব পাৰি। 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জীত বৈষ্ণৱপ্ৰাণ বেণুধৰ, বুৰঞ্জীবিদ বেণুধৰ আৰু সাহিত্যিক বেণুধৰৰ ত্ৰিবেণী সংগম হৈছে।

পম খেদি খেদি বুৰঞ্জীৰ সমল গোটাব পৰা, বাছনি কৰা আৰু ব্যৱহাৰ কৰিব পৰা শক্তি দক্ষতা বেণুধৰ শৰ্মাৰ এটি দুৰ্লভ গুণ। তেওঁৰ বুৰঞ্জী স্পৃহা তথ্যানুসন্ধিৎসা আৰু আদৰ্শ-ব্যঞ্জনা নিসন্দেহে ওখ থাপৰ। তদুপৰি তেওঁৰ নিভাঁজ অসমীয়া শব্দ-চয়ন, ঘৰুৱা জতুৱা ঠাঁচৰ গদ্য-শৈলী আৰু আদৰ্শ নিষ্ঠ সাহিত্য সাধনা বহুতৰ বাবে অনুকৰণীয় হৈ ৰ'ব।

বুৰঞ্জীবিদ বেণুধৰ শৰ্মা নিজেই এটি গৱেষণাগাৰ স্বৰূপ। তেওঁৰ ৰচনা-ৰাজি, ব্যক্তিত্ব আৰু আদৰ্শৰ ওপৰত গৱেষণা কৰাৰ প্ৰচুৰ সময় আৰু নিশ্চিত ক্ষেত্ৰ আছে। অসমৰ ভাষা-সাহিত্য-সংস্কৃতি অধ্যয়নৰ প্ৰসঙ্গত বেণুধৰ শৰ্মা এক অপৰিহাৰ্য্য ব্যক্তি। এই গৰাকী অসম-প্ৰাণ মহান ব্যক্তিলৈ আমাৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

# বুৰঞ্জীবিদ বেণুধৰ শৰ্মা



জন্ম—১৮১৬ শকৰ কাতি মাহৰ ৩০ তাৰিখ
মৃত্যু—১৯০২ শকৰ ফাগুন মাহৰ ২৪ তাৰিখ

★ অসমীয়া সাহিত্য অসমীয়া জাতিৰ প্ৰতীক।

★ আধুনিক যুগত জাতিৰ ঐক্য আৰু সংহতি স্থাপনৰ নিমিত্তে গৌৰৱময় অতীতৰ ঘটনাৱাজি প্ৰয়োগ কৰা উচিত।

★ সুণীয়া সঁফুৰা অসম দেশৰ অভূতপূৰ্ব ইতিহাসৰ প্ৰত্যেকটো ঘটনাকে উদীয়মান ছাত্ৰ-শক্তিয়ে নতুন দৃষ্টিভঙ্গীৰে অধ্যয়ন, আলোচনা আৰু গৱেষণা কৰিব লাগিব।

★ কঠোৰ ত্যাগ আৰু একতা নহলে দেশ কেতিয়াও স্বাধীন নহয়।

★ এইখন অসম দেশ, ইয়ালৈ সোমোৱা বিদেশী মাত্ৰৰেই অভিপ্ৰায় মন্দ।

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

## নীৰৱ বেণুৰৱ

বেণুৰৰ চাৰিওৰ সঁফুৰা সোণৰ,
দ্ৰোণাচাৰ্য্য অমৰ তীৰৰ প্ৰখৰ।
পিতামহ নীলমণি গ'ল আগতেই,
গ'ল আজি গুৰু দ্ৰোণো সেই বাটেৰেই।
এৰিলে 'শুৱাগপুৰ' সংসাৰ চৰাই,
সাধক বুৰঞ্জী-ৰত্ন বেণু শৰ্মা নাই।
অনল বহ্নিৰ শিখা নিৰ্বাণ-নিষ্প্ৰাণ,
চলন্ত বুৰঞ্জীখন হ'ল অন্তৰ্দ্ধান।
কাৰ তুলিকাত আছে ভাষা-ইন্দ্ৰজাল,
মনোমোহা তেজৰঙা 'সাতাৰান চাল'।
মণিৰাম দেৱানক নিদ্ৰাভঙ্গ কৰি,
বহুৱালে সসন্মানে বৰপীৰা পাৰি।
"কংগ্ৰেছৰ কাঁচিয়লী ৰ'দ"-কাঁচলিত
বাজিল মোহন বেণু বিপ্লৱ সঙ্গীত।
জিল-মিল 'বাগপতা' ৰূপ খনিকৰে
'দুৰবীণ' হাতত লৈ দিলে ঘৰে ঘৰে।
বৰ্ণা ৰঙালক দিলে চূড়া চাই সোপা,
সন্মিকৈ চাহাবৰ নাই বেণু বোপা।
কাহিনী-ৰাৱলি আৰু পচলা মোকোতা,
বেণু-ভঁৰালত ভৰা সাহিত্যাকুতা।
সুৱৰী অসমী মাত অতুৰ। ঠাঁচত
আগৈ ফুটাদি যাৰ ফুটিল কণ্ঠত।
নন্দনাথ-পানীন্দ্ৰৰ কাণিকী মিলাই,
ভাষাক দিছিল আশা অমিয়া বিলাই।
ৰংঘৰ-কাৰেংঘৰে মেলিলে দুৱাৰ,
প্ৰবেশিলে বেণু বীৰ মুচাই আন্ধাৰ।
পুথি-পাঁজি সাঁচিপাত কৰি পাত পাত,
খুলি চালে ৰৱপেৰা ঔস্থ বহু তাত।
মাকো মৰাদি উঁই ফুৰিলে বিচাৰি,
উকটি পুকটি চাই ক'ত কাৰ গুৰি।
'টোকোৰা পঁজাৰ কুটা' সোণৰ বেজীটো,
বিচাৰিলে তন্ন তন্ন ক'ত আছে কিটো।
মনোলোভা মত-মতা গুক তত্তৰ,
পৰীৰ যাদুৰে কৰ্ম বেণু মধুকৰ।
বাসিচা চহৰ-গাওঁ ভ্ৰমি নিৰন্তৰ,
মৰা অতীতত দিলে জীয়া কণ্ঠস্বৰ।
বিদেশৰ যাদুৰৰ ভাঙো দিলে মাত,
সাঁচতীয়া সোণ আনি পাতি দিলে হাট।
'মজিয়াৰ পৰা মেজ' ৰাখিলে সজাই।
শেন-চকু, শহা-কাণ আছিল সঁচাই।
জননীৰ অপমান পৰিলে কাণত,
তুলিলে কাঁড়-ই ধেনু বেণুৱে হাতত।
কাক লৈ আৱে মোক কৰিব গৌৰৱ,
ৰমনন বেণুৰৰ হ'ল যে নীৰৱ।

---

ড° ধৰ্মেশ্বৰ চুতীয়া

## মহাৰাজাধিৰাজ হৰ্জ্জৰদেৱৰ কুকৰাবাহী সত্ৰৰ ( নগাওঁ ) সদ্যপ্ৰাপ্ত তাম্ৰশাসন

প্ৰায় এবছৰ আগতে নগাওঁ জিলাৰ লঙ্কা অধিবাসী শ্ৰীযুত দিগম্বচন্দ্ৰ গোস্বামীদেৱৰ পৰা বৰা-মোহৰি চাৰ-যুক্ত এটা আঙঠিৰে একেলগ কৰি বন্ধা ছুৰিলা তামৰ পাত আমাৰ হাতত পৰেহি। এই তামৰ পাত ছুৰিলাত এখন ৰাজকীয় অধ্যাদেশ লিপিবদ্ধ হৈছে। এই শাসনখনৰ বিষয়ে আমাক প্ৰথম সম্ভেদ দিয়ে শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ গোস্বামীয়ে আৰু শেষত তেওঁলোকেই ইয়াক আমাৰ হস্তগত কৰায়। এই খিনিতে শ্ৰীযুত দিগম্বচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ গোস্বামী উভয়লৈকে আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শ্ৰীযুত দিগম্বচন্দ্ৰ গোস্বামীদেৱৰ পৰা জানিব পৰামতে এই কলিৰ পৰাকী নগাঁওৰ কুকৰাবাহী সত্ৰৰ শ্ৰীযুত লাকধন গোস্বামী। কেই বছৰমান আগতে সত্ৰৰ নামঘৰ পুনৰ নিৰ্মাণৰ বাবে ভেটি পৰিষ্কাৰ কৰোঁতে শ্ৰীযুত লাকধন গোস্বামীয়ে বৰা-মোহৰি চাৰ লগোৱা আঙঠিৰে গঁথা এই তামৰ পাত ছুখিলা মাটিৰ তলৰ পৰা উদ্ধাৰ কৰে আৰু তাক সযতনে ৰাখে। ইয়াৰে কিছুদিনৰ পিছত শ্ৰীযুত দিগম্বচন্দ্ৰ গোস্বামীৰ পুত্ৰ শ্ৰীমান ৰামচন্দ্ৰ গোস্বামীয়ে জিনিহি মূক অধ্যাপক শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ গোস্বামীক দেখুৱাবৰ বাবে ইয়াক লগাই আনে। অধ্যাপক গোস্বামীয়ে কনোৱা মতে দুবছৰমান আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী পণ্ডিতে বোলে এই কলি আনি ৰাখিছিল, কিন্তু লেখা পঢ়িবলৈ অসমৰ্থ হৈ পুনৰ ইয়াক ঘূৰাই দিয়ে।

আমাৰ হাতত পৰোঁতে পাত ছুখিলাৰ অৱস্থা তেনেই জৰাজীৰ্ণ আছিল। তাৰ ভিতৰতো প্ৰথমখিলা পাতৰ অৱস্থা আছিল আটাইতকৈ শোচনীয়। ধূলি-মাকতিৰে বহুত দিন আবৃত হৈ থকাৰ বাবে মামৰে ধৰাত পাতখিলা মেটুৰা-মেটুৰী হৈ ঠায়ে ঠায়ে উৰলি যোৱাত আখৰবোৰ চেপেটা হৈ অস্পষ্ট হৈ পৰিছে আৰু সেয়ে ইয়াৰ পাঠ নিৰূপণ কৰাটো অতিকৈ কষ্টসাধ্য হৈছে। অনেক কষ্ট আৰু যত্নেৰে প্ৰস্তুত কৰা পাঠৰ পৰা বুজিব পাৰি যে এই শাসন যোগে হৰ্জ্জৰদেৱে এজন পণ্ডিত ব্ৰাহ্মণক ভূ-বৃত্তি দান কৰিছে। এওঁ প্ৰাচীন কামৰূপ ৰাজ্যৰ শালস্তম্ভ বংশৰ অৱস্তন চতুৰ্দশ ৰজা আৰু এওঁৰ ৰাজত্বকাল আনুমানিক ৮২৫—৮৩৫ খ্ৰীষ্টাব্দৰ ভিতৰত ঠাৱৰ কৰা হৈছে।

আলোচ্য শাসনখন হৰ্জ্জৰদেৱৰ এতিয়ালৈকে উদ্ধাৰ হোৱা তৃতীয় শাসন—প্ৰথম দুখন (১) ৫১০ গুপ্তাব্দ/৮৩০ খ্ৰীষ্টাব্দত খোদিত কৰা তেজপুৰ শৈল-শাসন আৰু (২) নগাওঁ জিলাৰ অন্তৰ্গত বৰ্ত্তমান হাবুংথল নামে ঠাইত উদ্ধাৰ হোৱা তাম্ৰশাসনৰ মধ্য ফলক। সদ্যপ্ৰাপ্ত শাসনৰ পাত ছুখিলাৰ জোখ ২৪ চে. মি. ×১৬·৫ চে. মি.। আঙঠিৰে গঁথা পাত ছুখিলাৰ ভিতৰফালে দুয়ো পিঠিত ( প্ৰথম আৰু শেষৰ পিঠিত লেখা নাই ) মুঠতে ৩৩ শাৰী লেখা। ইয়াৰে প্ৰথম

পাতত ১ ১৬ শাৰী আৰু দ্বিতীয় পাতত ১৮ শাৰী পাঠ আছে। প্ৰথমখিলা পাতৰ চাৰিওটা চুক ভগা। শাৰীবোৰৰ দুই মূৰৰ আখৰবোৰ ক্ষয় গৈ প্ৰায় চেপেটা হৈ পৰিছে, গতিকে সুখপাঠ্য নহয়। এইখিলা পাতৰ ১ নং শাৰীৰ প্ৰায় আধা আৰু ১৫ নং শাৰীৰ কেইটামান আখৰৰ বাহিৰে আনবোৰ অপাঠ্য। সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে ১৬ নং শাৰীটোত ( পাতখিলাৰ দৈৰ্ঘ্যৰ প্ৰায় $\frac{১}{৬}$ অংশ ) আখৰৰ চিন মাথোন দেখিবলৈ পোৱা যায়; কোনো আখৰেই পঢ়িব পৰা অৱস্থাত নাই। দ্বিতীয়খিলা পাতৰ বাওঁফালৰ ওপৰৰ চুকটো সামান্যভাৱে আৰু সোঁফালৰ তলৰ চুকটো প্ৰায় ৪·৫ চে. মি. ×০·৫ চে. মি. ক্ষয়প্ৰাপ্ত হৈছে যদিও এইখিলা পাতৰ আখৰ সামগ্ৰিকভাৱে পঠনীয়। দুয়োখিলা পাতৰ বাওঁকাণৰ সোঁ-মাজতে থকা এটা ফুটাৰ মাজেৰে এটা আঙঠিৰে পাত দুখিলা একেলগ কৰি বন্ধা। আঙঠিটোৰ দুয়ো মূৰ একিলা। আহত পাতৰ আকৃতিৰ এটা গধুৰ বজা-মোহৰি চাবৰ লগত সংযুক্ত আৰু ই অভগ্ন অৱস্থাত বৰ্তমান। মোহৰটোৰ ( জোখ ৯·৫ চে. মি. ×৬·৫ চে. মি. ) বুকু খোল আৰু এটা পাতল উঠঙা আঁচে ইয়াক দুভাগত বিভক্ত কৰিছে— ওপৰ ভাগত উপবিষ্ট অৱস্থাত এটা হাতীৰ সমুখৰ ভাগ মুদ্ৰিত ( তুলি কটা ) আৰু তলৰ ভাগত দুই শাৰীত 'প্ৰাগ্-জ্যোতিসা-ধি/পতি-শ্ৰীহৰ্জ্জৰৱ—' এই লেখাটি খোদিত হৈছে। লেখাৰ দ্বিতীয় শাৰীৰ পৰা তলৰ এচিটা টুকুৰি যোৱাত লেখাৰ শেষ অংশ [ সম্ভৱত: '—ৰ্দ্দেৱঃ (—স্য')] লুপ্ত হৈছে।

ওপৰত কোৱা হৈছে যে পাত দুখিলাৰ ভিতৰফালেহে লেখা আছে। কিন্তু চকুত লগা কথা হ'ল এই যে শাসনৰ পাঠ আৰম্ভ হৈছে আঙঠিৰ বন্ধনীৰ ভিতৰৰ দ্বিতীয়খিলা পাতৰ ওপৰৰ বাওঁকোণৰ পৰাহে। আচলতে এই লেখা আৰম্ভ হ'ব লাগিছিল প্ৰথমখিলা পাতৰ বাওঁকোণৰ পৰাহে।[২] এইখিলা পাতৰ আখৰবোৰ প্ৰায় অক্ষয় অৱস্থাত থকাত পাঠ নিৰ্ণয় সিমান জটিল নহয়। অৱশ্যে আৰম্ভণিৰ ৎ-চিনটো ৩ আৰু তাৰ পাছৰ 'স্বস্তি' পদটো লুপ্ত প্ৰায়। একেদৰেই পাতখিলাৰ তল ফালে সোঁফালৰ কোণটো ভাগি যোৱাত ১৭ নং আৰু ১৮ নং শাৰীৰ কেইটামান আখৰ লুপ্ত হৈছে—অৱশ্যে ঐতিহাসিক তাৎপৰ্যপূৰ্ণ কোনো কথাই লুপ্ত হোৱা নাই।

শাসনৰ পাঠ সংস্কৃত। এই জাতীয় আনবোৰ শাসনৰ দৰেই ইয়াৰ লেখাও আংশিক পদ্য আৰু আংশিক গদ্য। দ্বিতীয়খিলা পাতৰ আৰম্ভণিৰ 'স্বস্তি' পদৰ পাছৰ পৰা ১৪ নং শাৰীৰ মাজলৈকে, আকৌ প্ৰথমখিলা পাতৰ ৩ নং শাৰীৰ পৰা ১১ নং শাৰীৰ মাজলৈকে শাসনৰ পাঠ ছন্দোবদ্ধ। বাকী অংশ গদ্যত লিখা। পদ্যাংশত আমি ১৫ টা শ্লোক পাওঁ। ইয়াৰে প্ৰথম শ্লোক মঙ্গলাচৰণ — ইষ্টদেৱতা শিৱৰ বন্দনা। তাৰ পাছৰ ক্ৰমান্বয়ে নটা শ্লোকত দাতা ৰজাৰ বংশ-পৰম্পৰাৰ বৰ্ণনা। আন ৫ টা শ্লোকত দানগ্ৰহীতাৰ বৰ্ণনা। তুলনামূলকভাৱে এই কেইটা শ্লোকৰ ৰচনা-পৰিপাটি সিমান প্ৰশংসনীয় নহয়। আনহাতে প্ৰথম দহোটা শ্লোকৰ ৰচনা অতিকৈ কাব্য-সম্ভাৰ পূৰ্ণ আৰু মনোৰম। ৰচনাৰ অনেক ঠাইত কালিদাসৰ 'ৰঘুবংশ'ৰ ভাৱ আৰু ভাষাৰ প্ৰতিধ্বনি পৰিলক্ষিত হয়।[৪] কিন্তু অতি উল্লেখযোগ্য কথা এই যে এই শাসনৰ প্ৰথম দহোটা শ্লোক মাজে

১। লেখাৰ ক্ৰম অনুযায়ী এইখিলা আচলতে দ্বিতীয় পাতহে—কিয়নো শাসনৰ শেষাংশহে ইয়াত খোদিত হৈছে।

২। সম্ভৱত: পাত দুখিলাত লিখা কৰোঁতে কমাৰৰ ভুলৰ অথবা লিপিকাৰৰ প্ৰমাদ হেতু এনে হবলৈ পালে।

৩। এই চিনটোক 'আঞ্জী' বোলা হৈছে। বিশদ আলোচনাৰ বাবে দ্ৰষ্টব্য; কামৰূপ শাসনাৱলী, পৃ ৫৫; JARS, Vol. I, No. 1, PP. 9ff.



মাজে দুই এটা শব্দৰ বাহিৰে বলবৰ্মাৰ ( ৩য় ) (আনুমানিক ৮৮৫ - ৯১০ খ্ৰী:) এতিয়ালৈকে উদ্ধাৰপ্ৰাপ্ত তিনিখন শাসনৰ ১ নং আৰু ৩-১১নং শ্লোকেৰে অভিন্ন।[৫] আৰু মন কৰিবলগীয়া কথা এই যে এইজন বলবৰ্মাদেৱ হৰ্জ্জৰৰ পৰা অধস্তন ৪ৰ্থ পুৰুষ। এনেহে লাগে যেন বলবৰ্মাদেৱৰ শাসন কেইখনৰ ৰচয়িতাই হৰ্জ্জৰদেৱৰ আলোচ্য শাসনৰ পাঠকে অনুকৰণ কৰিছিল অথবা উল্লিখিত কেউখন ( সদ্যালোচিত শাসনকে ধৰি ) শাসনৰ ৰচয়িতা একেজন লোকেই আছিল। শেষোক্ত অনুমানটো একেবাৰে উলাই কৰিব পৰা বিধৰ নহয়।

নানান কাব্যগুণবিশিষ্ট প্ৰাঞ্জল সংস্কৃত ভাষাত ৰচিত[৫(ক)] গদ্য-পদ্যময়ী এই শাসন এটি অতি আপুৰুগীয়া সম্পদ — অকল ঐতিহাসিক দিশৰ পৰাই নহয়, অসমীয়া লিপিৰ ক্ৰমবিকাশ আৰু ভাষাতত্ত্বৰ দৃষ্টিকোণৰ পৰাও। কলিৰ আখৰ উত্তৰ ভাৰতীয় শৈলীৰ পূৰ্বাঞ্চলীয় গঢ়ৰ—যাক বস্তুত: অসমীয়া লিপিৰ পূৰ্বাভাষ বুলি কব পৰা যায়। আলোচ্য পাত দুখিলাৰ আখৰ এইজনা ৰজাৰে তেজপুৰ শৈল শাসন আৰু হাযুংথল কলিৰ আখৰৰ লগত সাধাৰণ মিল আছে—যদিও বৰ্তমান শাসনৰ আখৰ অধিক কৌণিক, অৰ্থাৎ তুলনামূলক ভাৱে অৰ্বাচীন। অৱশ্যে মোহৰৰ লেখাৰ ক্ষেত্ৰত এই কথা ক'ব নোৱাৰি। নিম্নোক্ত বৰ্ণ-বৈশিষ্ট্যখিনি উল্লেখনীয়:

(১) 'ব' আৰু 'ৱ'ৰ মাজত পাৰ্থক্য ৰক্ষিত হোৱা নাই। এইটো অৱশ্যে উত্তৰ পূৰ্বাঞ্চলৰ সকলো প্ৰাচীন লেখাৰে বৈশিষ্ট্য।

(২) আলোচ্য শাসনত ব্যৱহৃত 'এ' বৰ্ণটো লক্ষণীয়। মধ্যযুগৰ অসমৰ প্ৰস্তৰ/তাম্ৰলেখাবোৰত আৰু সাঁচিপতীয়া পুথিৰ লেখাত বৰ্ণটো এনে ৰূপতে পোৱা গৈছে। (৩) আলোচ্য লেখাত অনুস্বাৰ দুটা ৰূপত পোৱা গৈছে - সংশ্লিষ্ট বৰ্ণৰ শিৰত বিন্দু যুক্ত কৰি অথবা সংশ্লিষ্ট বৰ্ণটোৰ সোঁ-হাতে আধুনিক ধৰণেৰে বিন্দুৰ তলত ওলমি থকা এটা হেলনীয়া চিনৰ সহায়েৰে (ং) ইয়াক ব্যক্ত কৰা হৈছে। (৪) প্ৰথমবাৰৰ বাবে এই লেখাতে অৱগ্ৰহ ( অ' বিলুপ্তি ) চিন ব্যৱহৃত হোৱা দেখিবলৈ পোৱা গৈছে। (৫) দ্বিতীয় পাতখিলাৰ ১৫ নং শাৰীত 'শ্ৰীৱাবাহ' পদৰ 'ৱ' বৰ্ণটোৰ তলত এটা বিন্দু দেখিবলৈ পোৱা গৈছে—আমাৰ সাঁচিপতীয়া পুথিবোৰত 'ৱ' বুজাবলৈ 'ব'ৰ তলত দিয়া বিন্দুটোৰ দৰেই। এইটো যদি প্ৰকৃততে 'ৱ' বুজোৱা বিন্দু হয়, তেনেহলে 'ৱ'ৰ এয়ে প্ৰথম ব্যৱহাৰ।[৬] (৬) ঋ-কাৰৰ ব্যৱহাৰ নাই। (৭) ব্যঞ্জন বুজাবলৈ সংশ্লিষ্ট বৰ্ণৰ তলত হেলনীয়া চিন ( ্ ) ব্যৱহৃত হৈছে।

আলোচ্য শাসনৰ উল্লেখনীয় বানান সম্বন্ধীয় লক্ষণবোৰ এনে ধৰণৰ:

(১) ৰেফৰ পাছৰ বৰ্ণবোৰ দ্বিত্ব হৈছে; (২) সন্ধিৰ বেলিকা 'ন' আৰু 'ঞ'-কাৰ বুজাবলৈ অনুস্বাৰ সূচক বিন্দু চিন ব্যৱহৃত হৈছে; (৩) শব্দৰ শেষৰ অনুস্বাৰ অপৰিৱৰ্তিত ভাৱে ৰক্ষিত হৈছে; (৪) 'শ', 'ষ' আৰু 'স'ৰ মাজত কোনো প্ৰভেদ মনা নাই; (৫) 'জ' আৰু 'য'—কাৰৰ মাজতো কোনো প্ৰভেদ নাই;

৪। এই বিষয়ক আলোচনাৰ বাবে দ্ৰষ্টব্য: কামৰূপ শাসনাৱলী, পৃ. ৭১-৮৮; IAA, PP. 137f.

৫। দ্ৰষ্টব্য: কামৰূপ শাসনাৱলী, পৃ ৭০→ IAA, PP. 126—151, 313—317
অসম সাহিত্য সভা পত্ৰিকা ১৫, ৩, পৃ. ১৮৭—১৯৪; ৩৪. ৪, পৃ. ৫০—৫৭;

৫(ক)। শাসনৰ পাঠ বিশুদ্ধ সংস্কৃত হলেও ইয়াত প্ৰাকৃতৰূপৰ প্ৰয়োগ অতিকৈ চকুত লগা—অকল দেশজ/তদ্ভৱ শব্দৰ ব্যৱহাৰ বুলিয়েই নহয়, বিশুদ্ধ সংস্কৃত শব্দৰ বানান, ব্যাকৰণ আদিৰ ক্ষেত্ৰতো।

৬। ড: প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱে ধনিকৰ গাওঁ শৈললেখতেই 'ৱ'ৰ ব্যৱহাৰৰ কথা উল্লেখ কৰি ব্ৰাহ্মী লিপিয়ে তেতিয়াই স্থানীয় ৰূপত ক্ৰমবিকাশ লাভ কৰা বুলি মন্তব্য কৰিছে।

(৬) সন্ধিৰ নিয়ম ইচ্ছাকৃত ভাৱে উলঙ্ঘা কৰা হৈছে। ইত্যাদি।

বৰ্ত্তমান শাসন যোগে 'শ্ৰীবাহু পৰমেশ্বৰ পৰম-ভট্টাৰক-মহাৰাজাধিৰাজ-শ্ৰীমৎ হৰ্জ্জৰদেৱে' কোনো এক গ্ৰহণৰ দিনত যজ্ঞ কৰাই যজ্ঞপালক ভৱদেৱৰ পুত্ৰ ধাৰেসুত ৭ নামৰ ব্ৰাহ্মণক ভূ-বৃত্তি দান কৰাৰ কথা ঘোষণা কৰা হৈছে। প্ৰদত্ত ভূমি দিজ্জিন্না-বিষয়ৰ অন্তৰ্গত 'ৰ (?ষ) জ্ঞপাল' নামৰ ক্ষেত্ৰত। ২৮ নং শাৰীৰ 'দ্বিপে' পদ যদি 'দ্বীপ'-শব্দৰ অধিকৰণ কাৰকৰ এক বচনৰ ৰূপৰ লিখাৰ ভুল হয় তেনেহলে এনে অনুমান হয় যেন এই ক্ষেত্ৰ বা পথাৰখন কোনো এক দ্বীপত অৱস্থিত আছিল। অথবা ই আছিল বিশেষভাৱে সংৰক্ষিত এক আহুতীয়া ক্ষেত্ৰ[৮]। প্ৰদত্ত ভূমিৰ পৰিমাণ উৎপাদিত ধানৰ জোখেৰে বুজোৱা হৈছে — চাৰি হাজাৰ 'পুটক' (?পুৰা) ধান উৎপাদনক্ষম ভূমি[৯]। উক্ত ভূমি সকলো ৰাজৰ কৰ-কাটল আৰু ৰাজকীয় দায়ৰ পৰা মুক্ত কৰি বিষয়টোৰ সমস্ত কৰ্মচাৰী মুখ্য প্ৰজাবৰ্গক জনোৱা হৈছে — যেন সেইসকল দান-পত্ৰৰ সাক্ষী হয়।

লেখাৰ ৩৩ নং শাৰীৰ পাঠ নিৰ্ণয় সম্ভৱ হোৱা অংশত কোনো এক বিশেষ জোখৰ দুহেজাৰ ধান উৎপাদনক্ষম আন এডোখৰ মাটি দান কৰাৰ ইঙ্গিতো পোৱা গৈছে। কিন্তু এই শাৰীটোৰ সম্পূৰ্ণ পাঠ নিৰূপণ কৰিব নোৱাৰাত আৰু ৩৪ নং শাৰীৰ আখৰ সমূলি মচ খোৱাত এই দানৰ পাত্ৰ তথা প্ৰদত্ত-ভূমিৰ বিৱৰণৰ বিষয়ে খাটাংকৈ একো ক'ব পৰা নাযায়।

দান-গ্ৰহীতা দ্বিজ ধাৰেসুত (?) যজুৰ্বেদৰ কাণ্ব শাখাৰ অনুগামী আৰু কৌণ্ডিণ্য গোত্ৰ আৰু নৈধ্ৰুব প্ৰৱৰ বিশিষ্ট কুমাৰস্বামীৰ পুত্ৰ ভৱদেৱ-আচাৰ্য্যৰ সন্তান। কোনো এক গ্ৰহণৰ দিনত যজ্ঞ-সম্পাদনৰ অন্তত এই ভূ-বৃত্তি দান কৰা হৈছে, আৰু দান-গ্ৰহীতা যজ্ঞপালক নিজে। অনুমান হয় যে প্ৰদত্তভূমি যজ্ঞ-সম্পাদিত হোৱা থলতে আছিল।

আলোচ্য পাঠত শাসন প্ৰদানৰ সময় সম্পৰ্কীয় কোনো ইঙ্গিত নাই। কিন্তু ৫১০ গুপ্তাব্দৰ (৮৩১ খ্ৰীঃ) তেজপুৰ শৈল শাসনৰ ভিত্তিত হৰ্জ্জৰৰ শাসনকাল আনুমানিক ৮১৫-৮৩৫ খ্ৰীঃ বুলি ঠাৱৰ কৰা হৈছে। গতিকে বৰ্ত্তমান শাসনো সেই সময়ৰ ভিতৰতে হ'বই—ই নিশ্চিত, যদি দাতা ৰজাৰ ৰাজত্বৰ আদি নে শেষ ভাগত ই প্ৰদত্ত হৈছিল সেই কথা ক'ব নোৱাৰি। কিন্তু লেখা আখৰৰ গঢ়ৰ ভিত্তিত এই শাসনখন তেজপুৰ শৈল শাসন তথা হায়ুংথল তাম্ৰশাসনতকৈ পাছৰ, আৰু সেয়ে হৰ্জ্জৰৰ ৰাজত্বৰ শেষৰ কালে প্ৰদত্ত হৈছিল বুলি অনুমান কৰিব পাৰি।

প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে বৰ্ত্তমান শাসনৰ মতে নৰক-ভগদত্ত-বজ্ৰদত্তৰ বংশৰ অনেকজন ৰজাৰ শাসন অন্তগত হোৱাৰ পাছত শালস্তম্ভ ৰজা হয়, আৰু

---

৭। 'ধাৰেসুত' নামটো বৰ আচহুৱা। ইয়াৰে কি বুজাইছে কোৱা টান।

৮। দ্বীপ পদৰ আভিধানিক অৰ্থ—(i) an Island, (ii) a plau of refuge, shelter, protection! (iii) a division of terrestrial world, number seven, eight etc, (Apte; V. S. Sanskrit-English Dictionary); সেয়ে আমাৰ অনুমান সঠিক হ'লে 'ৰ (ষ) জ্ঞপাল ভূমি' হয় কোনো দ্বীপত অৱস্থিত আছিল, অথবা ই আছিল যজ্ঞপালৰ বাবে সংৰক্ষিত ক্ষেত্ৰ বিশেষ। প্ৰসঙ্গ বেলেগ হ'লেও দ্বীপ পদে সংৰক্ষিত অঞ্চল বিশেষক সূচীত কৰাৰ উদাহৰণ পোৱা গৈছে গৌড়ৰাজ ধৰ্মপালৰ খালিমপুৰ শাসনত— ম'ত গাৰ্ভৰ সীমান্তত সংৰক্ষিত শ্মশান ভূমিৰ ক্ষেত্ৰত এই শব্দটো প্ৰয়োগ কৰা হৈছে— যথা পৰকৰ্মকৃদ্বীপঃ। গৌড়লেখমালা, পৃঃ ১৫, শা ৪১।

৯। 'পুটক' শব্দৰ ব্যাখ্যা আলোচনাৰ আন ঠাইত দিয়া হৈছে।



'পালক-বিজয়-প্ৰভৃতি'[১০] তেওঁৰ বংশৰ ভালে কেইজন ৰজাৰ শাসন উকলি যোৱাত হৰ্জ্জৰ নামৰ শক্ৰগীড়ক ৰজা হয়। ইয়াত মন কৰিবলগীয়া বিষয় এই যে যি স্থলত হায়ুংথল শাসনত শালস্তম্ভৰ পৰা হৰ্জ্জৰলৈকে এই বংশৰ ৰজাসকলৰ বিস্তৃত নহলেও ক্ৰমাগতভাৱে নামোল্লেখ কৰা হৈছে, বৰ্ত্তমান শাসনত সেইটোৰ অভাৱ লক্ষণীয়। ইয়াত 'পালক-বিজয়-প্ৰভৃতিয়' বুলি সকলোকে সামৰি, আনকি হৰ্জ্জৰ-পিতৃৰ নামো উল্লেখ নকৰাকৈ হৰ্জ্জৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। পদ্মনাথ বিদ্যাবিনোদদেৱে এঠাইত মন্তব্য কৰাৰ দৰে পৰৱৰ্তী শাসনতেই দাতা ৰজাৰ বংশ-পৰিচায়ক বৰ্ণনা বাহুল্য অনাৱশ্যক হোৱা সম্ভাৱনীয়তা বেছি[১১]। এই অনুমান সঠিক হ'লে বৰ্তমান শাসনখন হায়ুংথল শাসনতকৈ পাছৰ বুলি ঠাৱৰ কৰিব লাগিব। এই শ্ৰেণীৰ আন আন শাসনৰ নিচিনাকৈ আলোচ্য শাসনত হৰ্জ্জৰদেৱৰ বংশানুক্ৰমিক ইতিবৃত্ত থাকিলেও শাসনখন কোন ঠাই বা নগৰৰ পৰা প্ৰদত্ত হৈছিল তাৰ কোনো উল্লেখ সাম্প্ৰতিক পাঠত নাই। হৰ্জ্জৰৰ পুত্ৰ বনমাল (আনুমানিক ৮৩৫-৮৬৫ খ্ৰীঃ) আৰু প্ৰ-পৌত্ৰ বলবৰ্মাৰ (৩য়) শাসনবোৰ হটপ্লেশ্বৰ / হড়-প্লেশ্বৰ নগৰৰ পৰা প্ৰদত্ত হৈছিল। তেজপুৰ শৈল-শাসন আৰু হায়ুংথল তাম্ৰশাসনত হৰ্জ্জৰক ক্ৰমে 'হটপ্লেশ্বৰ পুৰাৱাস্থিত' আৰু শ্ৰীমান-হটপ্লেশ্বৰবাসি বোলা হৈছে। ইফালে বনমালৰ তাম্ৰশাসনত হটপ্লেশ্বৰ নগৰৰ সুন্দৰ মনোমোহা বৰ্ণনা আছে। বলবৰ্মাৰ শাসনতো বনমালে এই নগৰখনত শাৰী শাৰী ৰাজপ্ৰাসাদ নিৰ্মাণ কৰাই তাৰ সুবৃহৎ কোঠাবোৰ বিচিত্ৰ আৰু মনোমোহা ছবিৰে সজ্জিত কৰাৰ কথা উল্লেখ আছে। সেয়ে এই হটপ্লেশ্বৰ নগৰ এই বংশৰ ৰজাসকলৰ শাসনৰ থাই কেন্দ্ৰ বা ৰাজধানী হৈ উঠিছিল বুলি ঠাৱৰ কৰিব পাৰি। এনে অনুমান কৰা হৈছে যে এই বংশৰ প্ৰতিষ্ঠাতা শালস্তম্ভই দৈৱগতিৰশতঃ (বিধি-চলনৱশাদেৱ)[১২] প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ অধিকাৰ লাভ কৰাৰ পৰাই কিছুমান অৱশাম্ভাৱি কাৰণত এই হটপ্লেশ্বৰ নগৰতে থাকি তাৰ পৰা শাসনকাৰ্য চলা-বলৈ লৈছিল; কিন্তু হৰ্জ্জৰ-বনমালৰ দিনৰ আগতে তাত স্থায়ীভাৱে নগৰ নিৰ্মাণ হৈ উঠা নাছিল— সেই কাম সম্পূৰ্ণ হৈ উঠিছিল বনমালবৰ্মাদেৱৰ দিনতহে। আৰু সেয়ে হয়তে হায়ুংথল তাম্ৰশাসন আৰু বলবৰ্মাৰ শাসন কিথনত হটপ্লেশ্বৰক ক্ৰমে 'জয়স্কন্ধাবাৰ' আৰু 'পৈতা-মহকটকম্' বোলা হৈছে। অৱশে 'জয়স্কন্ধাবাৰ' আৰু 'কটক' শব্দয়ো ৰাজধানীকে বুজায়।[১৩] কিন্তু হটপ্লেশ্বৰপুৰ ৰাজধানী হলেও ৰাজ্যখন ইয়াৰ পৌৰাণিক নাম 'প্ৰাগ্‌জ্যোতিষ' বুলিয়ে জনাজাত আছিল আৰু পূৰ্বৱৰ্তীয়সকলৰ পদানুসৰণ কৰিয়ে ৰজাসকল 'প্ৰাগ্‌-জ্যোতিষাধিপতি'/'প্ৰাগ্‌জ্যোতিষাশেষ' আদি উপাধিৰে খ্যাত হৈছিল। স্মৰণীয় যে প্ৰাচীন প্ৰাগ্‌জ্যোতিষ্‌ কামৰূপ ৰাজ্যত ক্ৰমান্বয়ে শাসন কৰা ভৌম-ম্লেচ্ছ-পাল এই তিনিওটা ঐতিহাসিক ৰাজবংশৰ গুৰি একেটাই আৰু ইবোৰৰ ৰাজকীয় উপাধি তথা ৰাজকীয় প্ৰতীকো

---

১০। 'পালক-বিজয়-প্ৰভৃতি' বুলি উল্লেখ কৰোঁতে হায়ুংথল শাসনৰ নাম-ক্ৰম ভঙ্গ হৈছে— অৰ্থাৎ যি খনত বিজয়-পালক ক্ৰমে হব লাগিছিল, তাৰ পৰিবৰ্তে 'পালক-বিজয়' লিখা হৈছে। কিন্তু বিজয়-পালক লিখিলে ছন্দ-পতন হোৱাৰ সম্ভাৱনা থকাৰেই 'পালক-বিজয়-প্ৰভৃতিয়্' ৰূপত লিখা হৈছে বুলি পদ্মনাথ বিদ্যাবিনোদে ধাৰণা কৰিছে।
দ্ৰষ্টব্য— কামৰূপশাসনাৱলী, পৃঃ ৪৬।

১১। দ্ৰষ্টব্য— কামৰূপশাসনাৱলী, পৃঃ ১৪৭।

১২। ৰত্নপালৰ বৰগাওঁ তাম্ৰশাসন, শাৰী নং ১৫-১৬।

১৩। দ্ৰষ্টব্য— অসম সাহিত্য সভা পত্ৰিকা, ৩২, ৩, পৃঃ ৩৩-৪৪।

একেই আছিল। ৰজা-মোহৰি চাৰবোৰেই এই কথা প্ৰতিপন্ন কৰে। গতিকে আলোচ্য শাসনত দাতা ৰজাক 'প্ৰাগ্‌জ্যোতিষাধিপতি' বোলোতে এই ঐতিহ্য-পৰম্পৰা ৰক্ষিত হৈছে যেন লাগে। শাসনৰ লগত যুক্ত চাৰ-মোহৰেও তাকেই প্ৰতিপন্ন কৰে।

ধাৰেস্বত (?) ব্ৰাহ্মণক ভূ-বৃত্তি দান কৰা দিজ্জিন্না বিষয়ৰ অৱস্থিতি সম্পৰ্কেও একো কব নোৱাৰি। আলোচ্য শাসনকে ধৰি এতিয়ালৈকে উদ্ধাৰ হোৱা শাসনবোৰত দিজ্জিন্না-বিষয়ৰ তিনিবাৰ উল্লেখ পোৱা গৈছে: (১) হৰ্ষৰ প্ৰপৌত্ৰ বলবৰ্মাৰ নগাওঁ তাম্ৰ শাসনত দিজ্জিন্না বিষয়ৰ অন্তৰ্গত হেণ্ড্‌সিবা নামৰ ক্ষেত্ৰত ভূমি দানৰ উল্লেখ আছে। এইখন শাসনৰ মতে দিজ্জিন্না-বিষয় দক্ষিণ কূলত অৱস্থিত। আকৌ (২) পালবংশী ৰজা ধৰ্মপালৰ (আনুমানিক ১০৯৭-১১২০ খ্ৰী:) সুহুঙ্কৰপাটক[১৩(ক)] শাসনত দিজ্জিন্না বিষয়ৰ অন্তৰ্গত তলিন্দাৰ পৰা খাৰিজ কৰা কাৱয়-ভিট্ৰি কৰ্ম্মিয়াকভিটি সহ সুহুঙ্কপাটক গাওঁ দানৰ উল্লেখ আছে। ইয়াত দিজ্জিন্না-বিষয় উত্তৰ নে দক্ষিণ কূলত তাৰ উল্লেখ নাই— কিন্তু দিজ্জিন্না নামৰ এখন নদীয়ে প্ৰদত্ত ভূমিৰ দক্ষিণ আৰু দক্ষিণ-পশ্চিম সীমা আগুৰি থকা বুলি কোৱা হৈছে।

কিন্তু এই উল্লেখবোৰৰ পৰাও দিজ্জিন্না-বিষয়ৰ অৱস্থিতি থাটাংকৈ নিৰ্ণয় কৰিব পৰা নাযায়। বলবৰ্মাৰ শাসনৰ দক্ষিণ কূল (বনমালৰ পৰ্বতীয়া শাসন, বলবৰ্মাৰ উলুবাৰী শাসন, ৰত্নপালৰ বৰগাওঁ শাসন, ইন্দ্ৰপালৰ গুৱাহাটী আৰু গুৱাকুচি শাসনত উল্লেখিত উত্তৰ কূলৰ বিপৰীতে) পদে ব্ৰহ্মপুত্ৰৰ দক্ষিণ কূল বা পাৰ বুজোৱা বুলি পণ্ডিতসকলে সাধাৰণভাৱে মানি লৈছে। কিন্তু পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে পুৰুষোত্তম সিদ্ধান্ত বাগীশৰ উক্তিৰ ভিত্তিত মত প্ৰকাশ কৰে যে দক্ষিণকূল পদে ব্ৰহ্মপুত্ৰৰ সোঁ-পাৰ অৰ্থাৎ উত্তৰ পাৰ অৰ্থও বুজাব পাৰে। পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদদেৱে এই অনুমান তেনেই উলাই কৰা নাই।[১৪] কিন্তু সম্প্ৰতি ড° মুকুন্দ মাধৱ শৰ্মাদেৱে বিস্তৃত আলোচনাৰ মাজেৰে দেখুৱাইছে যে দক্ষিণকূল পদে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰহে বুজাইছে।[১৫] তেখেতৰ যুক্তিৰ সমৰ্থনত বলবৰ্মাৰ উলুবাৰী তাম্ৰশাসন লৈও আঙুলিয়াব পাৰি; যিজন বলবৰ্মাই নগাওঁ শাসন যোগে দক্ষিণকূলস্থ দিজ্জিন্না বিষয়ত ভূ-বৃত্তি দান কৰিছিল, সেই একেজন বলবৰ্মাই নিজৰ উলুবাৰী শাসন যোগে উত্তৰ কূলস্থ মন্ত্ৰে-বিষয়ত ভূ-বৃত্তি দান কৰিছে[১৬]। গতিকে দক্ষিণকূল পদে যে ব্ৰহ্মপুত্ৰৰ দক্ষিণ-কূল বা পাৰহে বুজাইছে তাক বুজিবলৈ অকণো টান নালাগে।

ড° বাণীকান্ত কাকতিদেৱে 'দিজ্জিন্না' শব্দ বড়োমূলীয় 'দিজ' বা 'দিজো'ৰ পৰা ওলোৱা বুলি দেখুৱাই গৈছে।[১৭] এই 'দিজ' বা 'দিজো' নদীবাচক শব্দ। মন কৰিব লগীয়া কথা যে ধৰ্মপালৰ উল্লিখিত শাসনত 'দিজ্জিন্না' নদীৰ নাম পোৱা গৈছে, সম্ভৱতঃ এই নদী বিধৌত বুলিয়ে নদীৰ নামানুসাৰে বিষয়বো নাম 'দিজ্জিন্না' হৈছে।

১৩(ক)। কামৰূপ শাসনাৱলীত শুভঙ্কৰপাটক নাম গৃহীত হৈছে, আৰু এই 'সুহুঙ্কৰ' পদটো সংস্কৃত 'শুভঙ্কৰ' পদৰ প্ৰাকৃত ৰূপ বুলি দেখুওৱা হৈছে।

দ্ৰষ্টব্য— কামৰূপ শাসনাৱলী, পৃ: ১৬৪

১৪। কামৰূপ শাসনাৱলী, পৃ: ৮৫।

১৫। দ্ৰষ্টব্য— IAA, PP, 148f.

১৬। দ্ৰষ্টব্য— অসম সাহিত্য সভা পত্ৰিকা, ৩৪,৪, পৃ: ৫০—; IAA: PP. 313f.



প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে নগাওঁ জিলাত দিজু (জো) নামৰ এখন সৰু নদী পোৱা যায়। শ্ৰীনগেন্দ্ৰনাথ বৰুৱাই দেখুৱাইছে যে ডিমাছা ভাষাত 'ডিজু'ৰ পৰা 'দিজু'ৰ ব্যুৎপত্তি নিৰ্ণয় কৰা হৈছে, যাৰ অৰ্থ 'ওখ পাহাৰীয়া নৈ'।[১৮] এই দিজু (জো) নদী দক্ষিণৰ কাৰ্বি আংলঙৰ পৰা ওলাই মিছাৰ অনতিদূৰত ৩৭ নং ৰাষ্ট্ৰীয় পথ অতিক্ৰম কৰি কলঙত মিলিছে। এই দিজু (জো) এখন বুৰঞ্জী প্ৰসিদ্ধ নদী। এই নদীত এসময়ত সোণ কমোৱা বুলিও উল্লেখ পোৱা যায়[১৯]। তদুপৰি এই নদীৰ পাৰতে দক্ষিণ কালে থকা এখন প্ৰাচীন গাৱঁৰ নাম 'দিজান' বা 'দিজেন'[২০]। আকৌ সেই অঞ্চলতে এখন ঠাইৰ নাম মহং-দিজোৱা। এই ঠাই খনিজ-নিমখৰ বাবে প্ৰখ্যাত। আনহাতে কাৰ্বি আংলং জিলাৰ ধাই নদী যমুনাক ডিমাছা ভাষাত কোৱা হয় 'ডিজেন' দিজেন' বা 'দিজান', অৰ্থাৎ শীতল পানীৰ নদী[২১]। এই নদী আৰু ঠাইবোৰৰ 'দিজ্জিন্না'ৰ লগত ধ্বনিক সাদৃশ্য তেনেই উলাই কৰিব লগা বিধ নহয়। এনেহে লাগে যেন 'দিজ্জিনা' এই 'দিজেন' বা 'দিজান'ৰে সংস্কৃতীয়াকৰণ। অৱশ্যে থাটাংকৈ একো কব নোৱাৰি। তথাপি দিজ্জিন্না শব্দই ৰূপান্তৰিত হৈ দিনাজপুৰ হোৱা বুলি বঙ্গৰ দিনাজপুৰৰ লগত দিজ্জিনা-বিষয়ৰ চিনাক্তকৰণো[২২] তেনেই সমীচিন নহয় যেন লাগে। এই বিষয়ে বহল আলোচনাৰ থল আছে।

আলোচ্য শাসনত প্ৰদত্ত-ভূমিৰ পৰিমাণ উৎপাদিত ধানৰ জোখেৰে বুজোৱা হৈছে— 'ধান্যচতু সহস্ৰপুটক ···ভূমৌ'[২৩]। এই শ্ৰেণীৰ আন আন শাসনতো দান দিয়া মাটিৰ পৰিমাণ একেদৰেই উৎপাদিত 'সহস্ৰ-ধানৰ জোখেৰে সূচিত হৈছে। কিন্তু এই সহস্ৰ শব্দেৰে সূচিত জোখটোনো কি তাৰ কোনো স্পষ্ট ইংগিত নাই। অৱশ্যে এই উল্লেখিত জোখটো সংস্কৃত 'দ্ৰোণ' (অসমীয়া দোণ) হব পাৰে বুলি অনুমান কৰা হৈছে[২৪]। কিন্তু সংস্কৃত দ্ৰোণৰ পৰিমাণ বিভিন্ন প্ৰকাৰে পোৱা যায়— যেনে ৮০ সেৰ, ৬৪ সেৰ, ৩২ সেৰ, ২০ সেৰ, ১৬ সেৰ ইত্যাদি। অসমত বৰ্ত্তমান প্ৰচলিত দোণৰ পৰিমাণ ধান হ'লে ৩½ সেৰ বা ৩·২১৫০৭ কিলোগ্ৰাম আৰু চাউল বা আন আন শস্যৰ ক্ষেত্ৰত ইয়াৰ পৰিমাণ ৫ সেৰ বা ৪·২৮·৭৩৬ কিলোগ্ৰাম হয়। বলবৰ্মাৰ উত্তৰ-বৰবিল তাম্ৰশাসনৰ আলোচনা প্ৰসঙ্গত ড° প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱে দেখুৱাইছে যে, উক্ত শাসনৰ ২০০০ দোণ ধান উৎপাদনক্ষম মাটিৰ পৰিমাণ প্ৰায় ৫ বিঘা হ'ব[২৫]।

সদ্যালোচিত শাসনত প্ৰদত্ত ভূমিৰ পৰিমাণ সূচিত হৈছে 'সহস্ৰপুটক' বাক্যাংশৰে, আৰু ই উৎপাদিত

১৭। 'Place and Personal Names in the Early Land Grants of Assam.
দ্ৰষ্টব্য— Barua, B. K., A Cultural History of Assam, Appendix I.

১৮। কলিতা, ড: নৰেশ, (সম্পাদিত), বৰাৰ বৰদৈ, পৃ: ১৪

১৯। বৰা, নীলাম্বৰ, ঐতিহ্যমণ্ডিত কলিয়াবৰ, পৃ: ১৪৩।

২০। তদা, পৃ: ৮৪।

২১। বৰাৰ বৰদৈ, পৃ: ১৪; Assam District Gazetteers, Nowgong Dist. P. 11.

২২। দ্ৰষ্টব্য— H C P A, P. 242.

২৩। দ্ৰষ্টব্য— তুলনীয় নং — ২৮-২৯।

২৪। দ্ৰষ্টব্য— কামৰূপশাসনাৱলী, পৃ: ৭২; IAA, P. 139

২৫। অসম সাহিত্য সভা পত্ৰিকা, ১৫, ৩, পৃ: ১৮৭-১৯৪। অৱশ্যে ড° চৌধুৰীদেৱৰ অনুমিত মাটিৰ পৰিমাণৰ হিচাপটো সন্দেহাতীত নহয়।

ধানৰ পৰিমাণৰ ক্ষেত্ৰতহে প্ৰযোজিত হৈছে। বৰ্তমান আলোচ্য শাসনৰ বাহিৰে সমসাময়িক কালৰ আন কোনো শাসনতে 'পুটক' শব্দটো পোৱা নাযায়। অৱশ্যে পাছৰ কালৰ (১) মাধৱদেৱৰ নীলাচল তাম্ৰশাসন (আনুমানিক ১৩শ শতিকা), (২) হয়গ্ৰীৱ মাধৱৰ প্ৰদীপ নৈবেদ্যৰ অৰ্থে কৌৰৱভাগ পুৰণাৰ মৌজাৰ তামৰফলি (১৬৭৭ শক) আৰু (৩) ৰুদ্ৰসিংহৰ লেপেটকটা তামৰ ফলিত (১৬২৩ শক) 'পুটক' শব্দৰ প্ৰয়োগ পোৱা যায়। কিন্তু ইয়াত 'পুটক' শব্দই মাটিৰ জোখহে বুজাইছে, শস্যৰ নহয়। আকৌ (১) সধৰ্মাপুৰীশ্বৰ সত্যনাৰায়ণ-প্ৰত্যক্ষ নাৰায়ণৰ বেঙ্গুখনা তাম্ৰশাসনত (১৩১৪ শক) আৰু (২) লক্ষ্মীনাৰায়ণৰ ঘিলামৰা তাম্ৰশাসনত (১৩২৩ শক) একে অৰ্থতে 'পুটি' শব্দ ব্যৱহৃত হৈছে।[২৬] উক্ত শাসন কেইখনত ব্যৱহৃত 'পুটক' আৰু 'পুটি' শব্দই মাটিৰ জোখ বুজাইছে আৰু এই জোখ অসমত বৰ্তমান প্ৰচলিত 'পুৰা' (১ পুৰা = ৪ বিঘা) অৰ্থত গ্ৰহণ কৰা হৈছে। কিন্তু এই 'পুৰা' শব্দটোৱে শস্যাদিৰে জোখো সূচিত হয় (১ পুৰা = ৩ দোণ)। গতিকে সদ্যালোচিত শাসনত 'পুটক' শব্দটো শস্যাদিৰ জোখ বা পৰিমাণবাচক 'পুৰা' অৰ্থাৎ ৩ দোণ অৰ্থতে ব্যৱহৃত হোৱা যেনেই লাগে। স্মৰণীয় যে অসমৰ ঠায়ে ঠায়ে শস্যাদিৰ জোখত ৩ দোণৰ একক পৰিমাণসূচক 'পাচি'ৰ প্ৰচলন এতিয়াও আছে। উল্লেখযোগ্য যে সংস্কৃত অভিধানত 'পুটক' শব্দৰ যি অৰ্থ দিয়া হৈছে[২৭] সি আমাৰ 'পাচি'ৰ সমাৰ্থক হ'ব। এই অনুমান সঠিক হ'লে ৪০০০ পুটক (পুৰা) উৎপাদনক্ষম ভূমিৰ পৰিমাণ প্ৰচলিত জোখত প্ৰায় ৫০ বিঘা হ'ব, আৰু এজন ক্ষমতাশালী ধৰ্মপ্ৰিয় ৰজাৰ পক্ষে এই পৰিমাণৰ মাটি-বৃত্তি দান কৰাটো একো অযুগুত হ'ব নোৱাৰে।

তলত তামৰ পাত চৰিলাৰ পাত আৰু তাৰ মূলাক্ষৰৰ সন্নিবিষ্ট কৰা হৈছে। আমাৰ পাঠ আৰু অনুবাদ যে একেবাৰে নিৰ্ভুল এই কথা কবৰ সাহস আমাৰ নাই। সেয়ে গুণীজনে ভুল-ভ্ৰান্তিবোৰ আঙুলিয়াই দিলে সকলোৱে লগতে আমিও উপকৃত হ'ম। অলমতি।

## শাসনৰ পাঠ[১]

ছন্দ: শ্লোক নং = ১ — ৩, ৭ — ৯ = আৰ্যা (জাতি); নং ৪, ৫ = উপজাতি (ইন্দ্ৰবজ্ৰা + উপেন্দ্ৰবজ্ৰা); নং৬ = উপজাতি (বসন্ততিলকা + ইন্দ্ৰবজ্ৰা); নং ১০ = পুষ্পিতাগ্ৰা; নং-১১, ১২, ১৪, ১৫ = অনুষ্টুভ; নং— ১৩ = আৰ্যা।

### দ্বিতীয় ফলি: ভিতৰ ফাল:

১। ৎ স্বস্তি[২]। ভৱতু ভৱতিমিৰভিদুৰং তেজোত ৰৌদ্ৰং প্ৰশান্তয়ে যগত[৪]। পৰিবৰ্ত্ততে সমগ্ৰং কল্পান্ত নি(শা)

---

১। মূল ফাল আৰু তাৰ ছাবৰ ভিত্তিত। ফলিৰ পাঠ অবিকলৰূপত ৰাখি পাদটীকাত তাৰ শুদ্ধাশুদ্ধি আৰু বিসঙ্গতি সমূহ নিৰ্দেশ কৰা হৈছে। যিবিলাক বৰ্ণ, শব্দ বা অনুস্বাৰ-বিসৰ্গ আদি তক্ষকাৰ বা লিপিকাৰৰ প্ৰমাদবশত: পৰি গৈছে, সেইবিলাক [-] বন্ধনীৰ ভিতৰত অনুমানত: যোগ কৰা হৈছে।



২। ৰসানে [য]ৎ ॥১॥ প্ৰলয়পয়োদৌঘমায়ুৰ্ব্বতো ৰত্নমতীমুযোজ্জন্য। নৰক ইতি সুৰবাসীবপুৰ সুতৎ-
৩। ৎ ক্ৰোড়কপভৃত:[৫] ॥২॥ ত্ৰৈলোক্যবিজয়তুঙ্গং যেনাপহৃতং যেনাপহৃতং[৬] যশো[৭] মহেন্দ্ৰন্য। অদিতে:
৪। কুণ্ডলযুগলং কপোলদোলায়িতং হৰতা ॥৩॥ তাম্বুলৰঞ্জীপৰিনদ্ধপূগং কৃষ্ণাগুৰুগন্ধ নি-
৫। ৱেশিতৈলং[৮]। স কামৰূপে[৯] জিতকামৰূপ:[১০] প্ৰাগ্‌জ্যোতিসাখ্যং[১১] পুৰমধ্যুৱাস ॥৪॥ মদান্ধগন্ধদ্বি(প)-
৬। কৰ্ণতালনৃত্তান[১২]-ময়ূৰোপৱনেষু তস্মিন্। ৰসন্তুদাসাদ্য মুৰাৰিচক্ৰং ৰণে ৰণৈষী
৭। দিৱমাৰুৰোহ ॥৫॥ ভূপালমৌলীপৰিচুম্বিত পাদপীঠ[:]।[১৩] তস্যাত্মজোভূ[দ] ভগদত্তনামা।
৮। ৰাজাপ্ৰজাৰংজন[১৪] লব্ধৱৰ্ণো ৰৰ্ণাশ্ৰয়াণাং[১৫] গুৰুৰেকবীৰ: ॥৬॥ উপগতব-
৯। তি সুৰলোকং তস্মিন্ তস্যানুজোভৱদ্ধৰ্মে:। পতিৰমলভক্তিৰিশে[১৬] যৎ প্ৰাহুৰ্ব্বজ্র-[১৭]
১০। দত্ত ইতি কৱয়: ॥৭॥ তদ্বংশে[১৮] ৰনচয়াং পৰিখীকৃতসাগৰাং মহীংভুক্তা অন্তং-
১১। গতেষু[১৯] ৰাজসু সাধস্বপ্নোত্তমমপতি: ॥৮॥ শালস্ত বিজয়প্ৰভৃতিষু[২০] সম-
১২। তিক্ৰান্তেষু[২১] তস্য ৰংশেষু[২২]। অভৱন্ধ্ৰি নৃপচন্দ্ৰো দ্বিসজ্জৰো[২৩] হৰ্জ্জৰো নাম ॥৯॥ অহ-
১৩। মমিকয়া ৰিৱন্দিশূণাং[২৪] সংসদি যস্য নৱপ্ৰতাপ্ৰতাপৈ: [।] ন মু [কু] টমনয়ো বিভান্তি
১৪। ৰাজা[ং] ৰৱিকৰসম্বলিতা ইৱ প্ৰদীপা: ॥১০॥×॥ স্বস্তি প্ৰাগ্‌জ্যোতিসাধিপত্যসংখ্যাতা[২৫] প্ৰ-
১৫। তিহতৰণ্ডৰুপিতাশেস[২৬] বিপুপক্ষ শ্ৰীৰাবাহ[২৭] পৰমেশ্বৰ[২৮]-পৰমভট্টাৰক - মহাৰাজাধি -

---

২। ফলিৰ এই কোণটো উৱলি যোৱাত আখৰৰ চিনমাত্ৰ দেখা যায়।
৩। পঢ়ক °ভিদুৰংস্তেজো— ৪। পঢ়ক °জগত:। ৫। পঢ়ক °ক্ৰোড়ৰূপভৃত:
৬। সম্ভৱত: লিপিকাৰৰ প্ৰমাদবশত: °যেনাপহৃতং'- পদটোৰ দ্বিৰুক্তি হৈছে। ৭। পঢ়ক °যশো-
৮। পঢ়ক °নিৱেশিতৈলং- ৯। পঢ়ক °কামৰূপে— ১০। পঢ়ক °জিতকামৰূপো—
১১। পঢ়ক ° প্ৰাগ্‌জ্যোতিষাখ্যং—
১২। সন্ধিৰ সূত্ৰমতে °নৃত্যান্ + ময়ূৰ'-ৰ সন্ধি হৈ 'নৃত্যন্ময়ূৰ' হব লাগিছিল। কিন্তু ইয়াত এই নিশ্চিত সন্ধিৰ নিয়মো উলঙ্ঘা কৰা হৈছে।
১৩। এই যতি চিনটোৰ আচলতে কোনো প্ৰয়োজন নাছিল। সম্ভৱত: শ্লোকৰ প্ৰথম চৰণ বুজাবৰ বাবেই এই যতি চিনৰ ব্যৱহাৰ কৰা হৈছে।
১৪। পঢ়ক °প্ৰজাৰঞ্জন— ১৫। অভিপ্ৰেত পদটো সম্ভৱত: °ৰ্ণাশ্ৰমানাং আছিল।
১৬। পঢ়ক ° ৰীশে— ১৭। পঢ়ক ° প্ৰাহুৰ্বজ্ৰ— ১৮। পঢ়ক °ৰংশে— ১৯। পঢ়ক °অস্তঙ্গতেষু—
২০। পঢ়ক ° প্ৰভৃতিষু— ২১। পঢ়ক °সমতিক্ৰান্তেষু— ২২। পঢ়ক °ৰংশেষু— ২৩। °দ্বিষজ্জৰো…
২৪। পঢ়ক °ৰিৱন্দিষূণাং— ২৫। পঢ়ক °প্ৰাগ্‌জ্যোতিষাধিপত্য— ২৬। পঢ়ক °ৰুপিতাশেষ—
২৭। 'শ্ৰীৱাবাহ' পদৰ 'ৱ'-বৰ্ণটোৰ তলত এটা বিন্দু (ৱ) পৰিলক্ষিত হয়। আমাৰ সাঁচিপতীয়া পুঁথিবোৰত অন্তঃস্থ-'ৱ' (ৱ) বুজাবলৈ এনে বিন্দু ব্যৱহাৰ কৰা দেখা যায়। ইয়াক আমি পৰৱৰ্তীকালৰ 'ৱ'ৰ পূৰ্বৰূপ বুলি ধৰিব পাৰোঁনে কি? ২৮। পঢ়ক °পৰমেশ্বৰ—

১৬। ৰাজ শ্ৰীম ৰদেৱ কুশলী ॥০॥ যথাৰথং সমুস্থিত ৱিষয়কৰণ ব্যাৱহাৰিক প্ৰ-
১৭। মুখ জানপদান্ ৰাজৰাজ্ঞী ৰাণাধিকৃতাৱন্যানপি ৰাজন্যক ৰাজপুত্ৰ ৰাজৱল্লভ প্ৰভৃতীন্ × × ×
১৮। মাননাপুৰ্ব্বকং সমাদিশন্তি ৱিদিতমস্তুভৱতাং ভূমিৰিয়ং ৱাস্তুকেদাৰ × × × × ×

## প্ৰথম কলি : ভিতৰ কাল

১৯। ××× যথাসংস্থা স্বসীমো পৰ্য্যন্তা[২৯]হস্তিৱন্ধনৌকাবন্ধচৌৰোদ্ধৰণ ×××
২০। পৰিকৰ নানানিমিত্তোৎখেটনাদি। হস্ত্যশ্বোষ্ট্ৰ[৩০] গোমহিষাজাৱিক প × × ×
২১। প্ৰলম্বল প্ৰভৃতীন্ ৱিনিৱাৰিত সৰ্ব্বপীড়া শাসনীকৃত্য ॥ ০॥ আশীং[৩১] কৌণ্ডি-
২২। ণ্য গোত্ৰাণাং যজুৰ্ব্বেদী[৩২] দ্বিজন্মনাং [।] নৈকৰ্মপ্ৰৱৰো যসাতু[৩৩]। কম্বসাখো[৩৪] পৱিত্ৰ-
২৩। মান্[৩৫] ॥১১॥ কুমাৰস্বিজৱিখ্যাতঃ। [৩৬] পৃথুকীৰ্ত্তিপ্ৰতাপৱান্[৩৭]। পৱিত্ৰঃ প্ৰীণিতাসেষ[৩৮] সজ্জ—
২৪। নঃ সুজনোত্তমঃ ॥১২॥ ক্ৰতসত্যৱত [ঃ] পূতঃ সুৰগুৰুপূজাপৰায়ণঃ প্ৰীতঃ [।] ভৱদেৱো
২৫। দ্বিজ [ঃ] ভৱমিৱ[৩৯] সমজনি সম্যক্ সুতস্তস্মাৎ ॥ ১৩ ॥ সক্ৰাসৰ[৪০] সচী[৪১] তস্য পত্নীঃ
২৬। পুণ্যাৱিধেৰভৱৎ। আজ্যাকা[৪২] খ্যাতিৱিখ্যাতা[৪৩]। ধাৰেসুতা[৪৪] ভৱ [দ] দ্বিজঃ ॥১৪॥
২৭। যঃ সুখেনায়ং কালং গুৰুদেৱদ্বিজাৰ্চ্চকঃ [।] দত্তা শ্ৰীহৰ্জ্জৰেণেৰ-

---

২৯। পঢ়ক ° পৰ্য্যন্তা—
৩০। পঢ়ক ° হস্ত্যশ্বোষ্ট্ৰ—৩১। পঢ়ক ° আসীৎ— ৩২। পঢ়ক ° যজুৰ্ব্বেদি—। ৩৩। পঢ়ক ° যসাতু—।
কিন্তু 'তু' অব্যয়টো ইয়াত অনাৱশ্যক—পদাৰ্থ আৰু ছন্দ দুয়োদিশৰ পৰাই।
৩৪। পঢ়ক ° কান্বশাখো— ৩৫। ° পৱিত্ৰমান্ পদটো ব্যাকৰণ দুষ্ট যেন দেখা যায়।
৩৬। °এই যতি চিনটো ইয়াত অনাৱশ্যক। সম্ভৱতঃ শ্লোকৰ প্ৰথম চৰণ বুজাবলৈকে ইয়াৰ অৱতাৰণা কৰা হৈছে।
৩৭। 'প্ৰতাপৱান' পদৰ মাজৰ 'প' বৰ্ণটো পিছৰ 'ৱ' আখৰটোৰ তলতে সৰুকৈ লিখা আছে। সম্ভৱতঃ লিপিকাৰে ভুলক্ৰমে প্ৰথম লেখাত আখৰটো এৰি গৈছিল, ফলত শব্দটো 'প্ৰতাৱান' হৈছিল।
৩৮। পঢ়ক ° প্ৰীণিতাশেষ—। পিছৰ যতি চিনৰ প্ৰয়োজন নাছিল সম্ভৱতঃ তৃতীয় চৰণ বুজাবলৈ ইয়াৰ অৱতাৰণা কৰা হৈছে।
৩৯। 'ভৱামিৱ' পদৰ 'ম' বৰ্ণটো স্বৰাক্ৰিত। গতিকে শুদ্ধপাঠ হ'ব 'ভৱইৱ'।
৪০। পঢ়ক ° শক্ৰস্যেৱ— ৪১। পঢ়ক ° শচী।
৪২। °আজ্যাকা সংস্কৃত 'আৰ্য্যকা' পদৰ প্ৰাকৃতৰূপ হ'ব পাৰে।
৪৪। ইয়াত অৱগ্ৰহ (ঽ) চিনটো লক্ষণীয়। ইয়াৰ আগৰ কোনো শাসনতে এই চিনটোৰ ব্যৱহাৰ হোৱা নাই। °ধাৰেসুত- এই পদটো ব্যাকৰণ আৰু অৰ্থ দুয়ো দিশৰ পৰাই অসঙ্গত আৰু 'ধাৰেসুত'ৰ অৰ্থও বৰ স্পষ্ট নহয়।



২৮। গ্ৰহণে যজ্ঞপালকং[৪৫] ॥১৫॥ দ্বিপে[৪৬] দিক্তিজ্ঞা-বিষয়ান্তঃপাতিঃ[৪৭] ধান্য তুসহ-
২৯। স্ৰ পুটক[ং][৪৮] যজ্ঞপালভূমৌ[৪৯]। আস্যাসিমাঃ[৫০]। পুৰ্ব্বেণ ধাচ্ছোভূক্[৫১] ভূসীম্নি ক্ষেত্ৰালিঃ। পূ-
৩০। ৰ্ব্বদক্ষিণেন সএৱ[৫২] ক্ষেত্ৰালি। দক্ষিণেন ভিলেউমুণ্ডাসিম্নি[৫৩]। দক্ষিণ পশ্চিমেন সি-
৩১। ৰ্দ্বৃষা (?)[৫৪] নদী সীম্নি। পশ্চিমেন সএৱ[৫২]নদী। পশ্চিম-উত্তৰেণ বৃহত্ত[৫৫] × × নদী সীম্নি।
৩২। উত্তৰেণ সএৱ[৫২] নদী। উত্তৰ পূৰ্ব্বেণ ৱটে সুৰদেৱ সীমাস্বেতি। ××
৩৩। ×××× (ভূ-বৃত্তানাং ?) ধান্য দ্বিপ [ং] দ্ৰোণপত্তিক ভূমৌস্তু অ(ত্ৰ) পাল[৫৭] ××××
৩৪। ×××××× ॥[৫৬]

পাঠৰ অনুবাদ :

১ স্বস্তি। জগতৰ অন্ধকাৰ বিনাশকাৰক ৰুদ্ৰৰ তেজ জগতৰ শান্তিৰ কাৰণ হওক, যিহেতু প্ৰলয়ৰূপ নিশাৰ অন্তত সকলো পৰিৱৰ্তন হয় ॥১॥

---

৪৫। 'যজ্ঞপালকং' পদটো ইয়াত সম্ভৱতঃ দানকৰ্ত্তা অৰ্থত প্ৰযোজিত হৈছে, আৰু তেৱেঁই হয়তো দানগ্ৰহীতাও। কিন্তু সেয়ে হ'লে 'দত্তা' ক্ৰিয়াপদৰ যোগত পদটো চতুৰ্থ্যান্ত হোৱাহে যুগুত আছিল। তথাপি 'দত্তা' ক্ৰিয়াপদৰ প্ৰধান উপলক্ষ হোৱা বাবে 'ৱিৱক্ষাতঃ কাৰকাণি ভৱন্তি' সূত্ৰানুসাৰে পদটো দ্বিতীয়ান্ত হোৱা সম্ভৱ বুলি আমাৰ সহকৰ্মী দুগৰাকী পণ্ডিতে মত প্ৰকাশ কৰিছে।
৪৬। পদটোৱে কি বুজাইছে কোৱা টান। অৱশ্যে 'দ্বীপ' শব্দৰ অধিকৰণৰ এক বচনৰ লিখাৰ ভুলো হ'ব পাৰে। সেয়ে হলে মাজুলী, বা আশ্ৰম, আৰু বিস্তৃত অৰ্থত সংৰক্ষিত অঞ্চল বুজাব পাৰে।
৪৭। পঢ়ক ° পাতি।
৪৮। এতিয়ালৈকে উদ্ধাৰ হোৱা এই শ্ৰেণীৰ শাসনত 'পুটক' শব্দৰ ব্যৱহাৰ এই প্ৰথমবাৰৰ বাবে পোৱা গৈছে। পদটোৱে সম্ভৱতঃ কোনো বিশেষ জোখ বা পৰিমাণ বুজাইছে, আৰু সেয়ে হলে ইয়াৰ পিচতে 'উৎপত্তিক' বা তেনে অৰ্থবোধক শব্দ এটা থকা উচিত আছিল। ইয়াত অভিপ্ৰেত অৰ্থ সম্ভৱতঃ 'চাৰি হেজাৰ পুটক (পুৰা ?) ধান উৎপাদনক্ষম ভূমি'। আলোচনাংশত ইয়াৰ ব্যাখ্যা কৰা হৈছে।
৪৯। অভিপ্ৰেত অৰ্থ সম্ভৱতঃ 'যজ্ঞপালভূমৌ'। 'যজ্ঞপাল' পদে সম্ভৱতঃ কোনো ব্যক্তিৰ নাম বা অঞ্চলবিশেষৰ নাম সূচাইছে। ইয়াৰ অৰ্থ 'যজ্ঞ পালন কৰা ঠাইতে' এনেও হ'ব পাৰে।
৫০। পঢ়ক ° অস্যাঃ সীমা। পৰৱৰ্তী শাসনবোৰত এনে পাঠেই পোৱা গৈছে আৰু ই ব্যাকৰণসন্মতো।
৫১। পদটোৱে কি সূচাইছে সঠিকাই কোৱা টান। ৫২। পঢ়ক ° সৈৱ— ৫৩। পঢ়ক ° সীম্নি।
৫৪। আখৰকেইটা বৰ অস্পষ্ট, গতিকে পাঠ নিশ্চিত বুলি ক'ব নোৱাৰি।
৫৫। 'বৃহত্ত-'ৰ পিছৰ আখৰ দুটা বৰ অস্পষ্ট। শব্দটো 'বৃহত্তাখ্য' বা 'বৃহত্তৱল' যেন লাগে।
৫৬। এই শাৰী আখৰ একেবাৰে মচ খাইছে। শাৰীটোৰ দুই লৈকে আখৰ থকাৰ চিন আছে।

প্ৰলয়পয়োধিমগ্না বসুমতীৰ উদ্ধাৰকৰ্তা বৰাহৰূপধাৰী উপেন্দ্ৰৰ ( নাৰায়ণৰ ) নৰক নামেৰে অসুৰসদৃশ এজন পুত্ৰ আছিল। ॥২॥

যি জনে ( নৰকে ) অদিতিৰ কপোলত দোলন দি থকা কুণ্ডলযুগল হৰণ কৰি ত্ৰিভুবনবিজয়ী উন্নতশিৰ ইন্দ্ৰৰ যশ অপহৰণ কৰিছিল ॥৩॥

ৰণত কামদেৱকো চেৰ পেলোৱা তেওঁ .( নৰক ) কামৰূপ ( ৰাজ্যৰ ) প্ৰাগ্‌জ্যোতিষ নামৰ নগৰত বাস কৰিছিল ( যি নগৰত ) তামোল গছবোৰ পাণ-লতাৰে পৰিবেষ্টিত আছিল আৰু গভীৰ নীলা অগৰু গছৰ ডালবোৰ এলাচি লতাৰে অৱগুণ্ঠিত আছিল ॥৪॥

যি ঠাইৰ উপবনবোৰত মদান্ধগন্ধ হাতীবোৰৰ কাণৰ বুলনিৰ লহৰৰ লগে লগে তাল দি ম'ৰা চৰাইবোৰে নাচ কৰিছিল সেই ঠাইতে ( প্ৰাগ্‌জ্যোতিষপুৰতে ) বাস কৰি ৰণ-লোলুপ তেওঁ (নৰক) যুদ্ধক্ষেত্ৰত বিষ্ণুচক্ৰৰ দ্বাৰা আহত হৈ স্বৰ্গা ৰোহণ কৰিছিল ॥৫॥

ভগদত্ত নামেৰে তেওঁৰ পুত্ৰ ৰজা হৈছিল, যি জনৰ পাদপীঠ ৰজাসকলৰ শিৰোৰত্নৰ দ্বাৰা পৰিচুম্বিত হৈছিল. যি জন আছিল প্ৰজাৰঞ্জনত পটু, (যি জন আছিল ) সকলো বৰ্ণ আৰু আশ্ৰমৰ নিয়ামক আৰু অদ্বিতীয় বীৰ ॥৬॥

তেওঁ স্বৰ্গগামী হোৱাত মহাদেৱত নিৰ্মল ভক্তিযুক্ত তেওঁৰ অনুজ ৰজা হৈছিল ; জ্ঞানীসকলে তেওঁৰ নাম বজ্ৰদত্ত বুলি কৈছে ॥৭॥

সেই বংশত অনেক ৰজাই বনৰূপ প্ৰাচীৰ ৫৯ আৰু সাগৰৰূপ খাৱৈৰে ( সীমা কৰি ৰাজ্য ভোগ কৰি কালাতিপাত কৰাৰ পাছত শালস্তম্ভ ৰজা হৈছিল ॥৮॥

তেওঁৰ বংশত পালক-বিজয় প্ৰভৃতি অনেক ৰজা অতিক্ৰম হৈ যোৱাৰ পিছত শক্ৰপীড়ক হৰ্জৰ নামেৰে এজন চন্দ্ৰতুল্য ৰজাৰ আৱিৰ্ভাৱ হৈছিল ॥৯॥

'মই আগে' 'মই আগে'— এই বুলি তেওঁক বন্দনা কৰিবলৈ ইচ্ছুক ৰজাসকলৰ মুকুট মণিবোৰ তেওঁৰ (হৰ্জৰৰ) ৰাতুল পদনখৰ কান্তিৰ আগত বেলিৰ পোহৰত জোনাকী পৰুৱাৰ দৰেই হীনপ্ৰভ হৈছিল ॥১০॥

গদ্যাংশ ঃ

স্বস্তি। প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ আধিপত্যৰ দ্বাৰা বিখ্যাত, অপ্ৰতিহত শাসন, অশেষ ৰিপুপক্ষ বিনাশক শ্ৰীবাবাহ-পৰমেশ্বৰ পৰম ভট্টাৰক মহাৰাজাধিৰাজ কুশলী শ্ৰীমান্ হৰ্জ্জৰদেৱ ॥

ইয়াত উপস্থিত থকা বিষয়কৰণ. ব্যৱহাৰিক, মুখিয়াল ( প্ৰধান ) জনপদবাসী, ৰজা-ৰাণী, ৰাণ৬০ সম্পৰ্কীয় আন আন কৰ্মচাৰীসকল, ৰাজন্যক, ৰাজপুত্ৰ, ৰাজবল্লভ প্ৰভৃতিক ××× যথাযোগ্য সন্মানেৰে আদেশ কৰা হৈছে:

৫৯। আলোচ্য শাসনৰ 'ৱনচয়াং' পদৰ ঠাইত বলবৰ্মাৰ শাসনত 'ৱনৰপ্ৰাং' আছে, যাৰ অৰ্থ কৰা হৈছে 'বনৰূপ প্ৰাচীৰ'। ইয়াতো অভিপ্ৰেত অৰ্থ একেই যেন লাগে।

৬০। 'ৰাণ' পদটো 'ৰাণক', 'ৰাণকুল' আদি পদৰ সমাৰ্থক। 'ৰাণক' 'তলতীয়া সামন্তৰজাৰ উপাধি' যিটো পৰৱৰ্তীকালত 'ভাঙৰীয়া' শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত প্ৰযোজিত হৈছিল।



আপোনালোকে এই কথা জানিব ঃ ৰাৱী, পথাৰ, ××× নিজ নিজ সীমা পৰ্যন্ত যথাসংস্থ ( গোটেই ভূ-খণ্ড ) হস্তিবন্ধনকাৰী, নৌকাবন্ধনকাৰী, চোৰধৰা বিষয়া ××× উপৰিকৰ, উৎখেটক আদি নানা উপায়েৰে কৰ আদায়কাৰী (বিষয়া) আদি ; হাতী, ঘোঁৰা, উট, গৰু, ম'হ, ছাগলী ( ? চৰণীয়া পথাৰ ), জল, স্থল প্ৰভৃতি সকলো উপদ্ৰৱৰ পৰা মুক্ত কৰা হ'ল— এই শাসন যোগে ॥×॥

পদ্যাংশ ঃ

কৌণ্ডিন্য গোত্ৰীয় দ্বিজসকলৰ ভিতৰত নৈধ্ৰুব প্ৰৱৰবিশিষ্ট কাণ্বশাখাৰ (কৃষ্ণ) যজুৰ্বেদাধ্যায়ী পৰিব্ৰৱান্ ( দ্বিজন ব্ৰাহ্মণ ) আছিল — ॥১১॥

(তেওঁ) কুমাৰস্বিজ নামে বিখ্যাত ; ( তেওঁ আছিল ) প্ৰথিত কীৰ্তিশালী, প্ৰতাপশালী, পবিত্ৰ, সজ্জনসকলৰ বন্দেৰ প্ৰীতিকাৰী আৰু সুজনসকলৰ ভিতৰত উত্তম ॥১২॥

তেওঁৰ পৰাই বেদাধ্যায়ী. সত্যব্ৰত, পাপৰহিত বুলি জনাজাত, দেৱতাৰ পূজাপৰায়ণ, সন্তুষ্টচিত্ত, দ্বিজ ভৱদেৱ নামৰ ভৱ ( শিৱ ) সদৃশ এজন পুত্ৰই জন্মলাভ কৰিছিল ॥১৩॥

শক্ৰ( ইন্দ্ৰ )ৰ শচীৰ দৰেই, সেই পুণ্যনিধিয়ে এগৰাকী পত্নী পাইছিল, যি আজ্যকা নামে বিখ্যাত আছিল ; (তেওঁৰ পৰাই ) ধাৰেস্বত্ত ( ? ) নামৰ দ্বিজ(পুত্ৰ)ৰ উদ্ভৱ হৈছিল ॥১৪॥

যি জনে সুখেৰে কাল কটাইছিল আৰু যিজন গুৰু-দেৱ-দ্বিজসকলৰ অৰ্চনা পৰায়ণ আছিল ; সেই যজ্ঞপালকজনক হৰ্জ্জৰদেৱৰ দ্বাৰা গ্ৰহণৰ সময়ত এই দান প্ৰদত্ত হৈছে ।১৫।

গদ্যাংশ ঃ

(এই দান ) দিজ্জিন্না বিষয়ৰ অন্তৰ্গত দ্বীপস্থিত (?) জ (? য) জপাল ক্ষেত্ৰত৬১ চাৰি হাজাৰ পুটক (? পুৰা ) ধান ( উৎপাদনক্ষম ) ভূমি ॥

ইয়াৰ সীমা ঃ পুবত ৰাচ্ছোভুক্‌ক (?) ভূমিৰ সীমাস্থ ক্ষেত্ৰালি। দক্ষিণ-পুবতো একেটা পথকৰা আলিয়েই। দক্ষিণ সীমাত ভিলেউ ( ? ভেলেউ ) মৃচ্ছা। দক্ষিণ-পশ্চিমফালে খীন ৰক্ষা (?) নদী। পশ্চিম ফালেও একেই নদী। পশ্চিমোত্তৰ ফালে ৰহস্ত ×× ( বৃহস্তৰাখ্যা ? ) নদী সীমা। উত্তৰতো একেই নদী। আৰু উত্তৰ-পুবত সুৰ-দেৱৰ সীমাস্থ বট গছেই সীমা। ইতি ৬২।

৬১। 'জ (?য)জপালভূমৌৰ অৰ্থ বিচৰে 'ৰোপণ কৰা ক্ষেত্ৰতে' হ'বও পাৰে।

৬২। ইয়াৰ পিছৰ ৩৩ নং শাৰীৰ আধাভুৰুৰীয়া পাঠৰ অৰ্থ ইয়াত দিয়া হোৱা নাই।

## সহায়ক গ্ৰন্থ ঃ

১। বিদ্যাবিনোদ, পদ্মনাথ ভট্টাচাৰ্য, ( সম্পাদিত ), কামৰূপ শাসনাৱলী— সন ১৩৩৮ সাল ।

২। মৈত্ৰেয়, অক্ষয়কুমাৰ, ( সম্পাদিত ), গৌড়লেখমালা, ১ম স্তবক, সন্ ১৩১৯ সাল ।

৩। নেওগ, ড° মহেশ্বৰ, ( সম্পাদিত ), প্ৰাচ্যশাসনাৱলী, ১৯৭৪

৪। বৰা, লীলাধৰ, ঐতিহ্যমণ্ডিত কলিয়াবৰ, ১৯৭৯

৫। কলিতা, ড° নবেণ, ( সম্পাদিত ), বহাৰ বহদৈ, স্মৃতিগ্ৰন্থ, ৩৭ বহা অধিবেশন, অসম সাহিত্য সভা, ১৯৮০

৬। অসম সাহিত্য সভা পত্ৰিকা,

৭। Apte, V. S., The Students Sanskrit English Dictionary.

৮। Barua, Dr. B. K., A Cultural History of Assam, Vol. I, 1969.

৯। Census Hand Book, 1971. (1) Nowgong District : (2) U. M. & N. C Hills District,

১০। Choudhury, Dr. P. C., History of the Civilization of the People of Assam ( HCPA ), 2nd Edn., 1966.

১১। District Gazetteer, Nowgong District, (1978) ; U. M. & N. C. Hills District, 1979.

১২। Journal of the Assam Research Society, (JARS)

১৩। Sharma, Dr. M. M., ed. Inscriptions of Ancient Assam (IAA) 1978.

১৪। Sircar, Dr. D. C., Indian Epigraphical Glossary. 1966.

---

…ৰেকৃষ্ণ মিশ্ৰ

# সংস্কৃত সাহিত্যত অসম-প্ৰসঙ্গ

( আগৰ সংখ্যাৰ পিছৰ পৰা )

কৌটিল্যৰ অৰ্থশাস্ত্ৰত কামৰূপত উৎপন্ন হোৱা আৰু তৈয়াৰ হোৱা দ্ৰব্যাদিৰ বিষয়ে বৰ্ণনা আছে । মূল গ্ৰন্থত কামৰূপ নাইবা প্ৰাগ্‌জ্যোতিষৰ উল্লেখ নাই, কিন্তু টীকাকাৰ আৰু গবেষক সকলে তাত উল্লেখ কৰা ঠাই কিছুমান যে পুৰণি কামৰূপৰ সেই কথা লিখিছে । কৌটিল্যৰ সময় বেছিভাগ পণ্ডিতৰ মতেই খ্ৰীঃপূঃ ৪০০ বছৰ । সেই সময়ত এই দেশৰ নাম খুব সম্ভৱ প্ৰাগ্‌জ্যোতিষহে আছিল । উক্ত শাস্ত্ৰৰ দ্বিতীয় অধ্যায়ৰ উনবিংশ প্ৰকৰণত সাৰদ্ৰব্য আদিৰ বৰ্ণনাত কামৰূপৰ কিছুমান স্থানৰ উল্লেখ আছে । তাৰ ভিতৰত সুৱৰ্ণ কুড্য নামৰ ঠাইৰ বিশেষ উল্লেখ আছে । টীকাকাৰ শ্ৰীমূলই তেওঁৰ টীকাত লিখিছে —'সুৱৰ্ণকুড্যো নাম গ্ৰামঃ কামৰূপগঃ ।' অৰ্থাৎ সুৱৰ্ণ কুড্য নামৰ গাওঁখন কামৰূপত অৱস্থিত । আন দুখন ঠাইৰ নাম পোৱা যায়, গ্ৰামেৰু আৰু পাৰলৌহিত্য । পাৰলৌহিত্য ঠিক কোনো ঠাইৰ নাম নহয় বুলিয়েই ধাৰণা হয় । লৌহিত্য অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ পাৰত থকা কোনো স্থান বিশেষো হব পাৰে । অথবা পাৰৰ কিছু বিস্তীৰ্ণ ঠাইও হব পাৰে । এই দেশীয় পণ্ডিত সকলে কয় যে, সুৱৰ্ণকুড্য বৰ্তমানৰ সোণকুড়িহা গাওঁ, আৰু গ্ৰামেৰু হ'ল গামেৰীমুৰী । দুয়োখনেই বৰ্তমান কামৰূপৰ লেখত লব লগীয়া গাওঁ ।

তাৰ উপৰিও অৰ্থশাস্ত্ৰত উল্লেখিত জাপ, জোঙ্গ, তুৰূপ কামৰূপৰ অন্তৰ্গত স্থান বুলি প্ৰফেচৰ কাংলে সিদ্ধান্ত কৰিছে । অশোক গ্ৰামো কামৰূপৰেই । এতিয়া মূল উদ্ধৃতি তলত দিয়া হ'ল—

সাৰ - দ্ৰব্য চন্দন : — (চন্দনং)'গ্ৰামেৰুকং ৰক্তং ৰক্তকালং বা' । গ্ৰামেৰু নামে ঠাইত হোৱা চন্দন ৰঙা বা ক'লা ৰঙা । 'দৈৱসভেয়ং ৰক্তং পদ্মগন্ধি, জাপকং চ ।' অৰ্থাৎ দেৱ-সভা আৰু জাপ নামে ঠাইৰ চন্দন ৰঙা আৰু তাৰ গোন্ধ পদুম ফুলৰ দৰে ।

'জোঙ্গকং ৰক্তং ৰক্তকালং বা স্নিগ্ধং, তৌৰূপংচ ।' জোঙ্গ আৰু তুৰূপ নামে ঠাইত হোৱা চন্দনৰ ৰং ৰঙা বা ৰঙচুৱা ক'লা আৰু ই স্নিগ্ধ ।

'অগৰু জোঙ্গকং কালং কালচিত্ৰং মণ্ডল চিত্ৰং বা' । অৰ্থ—জোঙ্গত উৎপন্ন অগৰু ক'লা, ক'লা-পখৰা, নাইবা ক'লা ৰগা দাগ থকা

'(অগৰু) শ্যামং দোঙ্গকম্' । অৰ্থাৎ দোঙ্গৰ অগৰু শ্যাম বৰ্ণৰ ।

'তৈল পৰ্ণিকম্ অশোক গ্ৰামিকং মাংসবৰ্ণং পদ্মগন্ধি'—অশোক গ্ৰামত উৎপন্ন হোৱা তৈলপৰ্ণিক মাংসৰ বৰণৰ আৰু পদুমৰ গোন্ধৰ । (তৈলপৰ্ণিক এবিধ ধুনা জাতীয় বস্তু বুলিও কোৱা আছে, আৰু গাঁথিয়ন বোলাও আছে )।

'( তৈলপৰ্ণিকং ) জোঙ্গকং ৰক্তপীতকমুৎপলগন্ধি গোমূত্ৰগন্ধিৰা । গ্ৰামেৰুকং স্নিগ্ধং গোমূত্ৰগন্ধি । সৌৱৰ্ণ-

কুড্যাকং ৰক্তপীতকং মাতুলুঙ্গগন্ধি। পূৰ্ণকদ্বীপকং পদ্মগন্ধি নৱনীতগন্ধিবা)।' অৰ্থাৎ জোঙ্গত হোৱা তৈলপৰ্ণিক ৰঙচুৱা হালধীয়া আৰু তাৰ গোন্ধ উংপলজৰ দৰে বা গৰুৰ মূতৰ গোন্ধৰ দৰে। গামেকত হোৱা বিধ মিহি আৰু তাৰ গোন্ধ গৰুৰ মূতৰ দৰে। সুৱৰ্ণকুড্যৰ বিধ ৰঙচুৱা হালধীয়া আৰু গোন্ধ নেমুটেঙাৰ দৰে। পূৰ্ণক দ্বীপৰ বিধৰ গোন্ধ পদুম বা মাখনৰ গোন্ধৰ দৰে।

'ভদ্ৰশ্ৰিয়ং পাৰলৌহিত্যকং জাতীবৰ্ণম্। অন্তৰৱত্যা সুশীৰ বৰ্ণম'। ভদ্ৰশ্ৰিয় (কৰ্পূৰ বা ৰঙাচন্দন) দুই প্ৰকাৰৰ—লুইত নদীৰ পাৰত হোৱা ভদ্ৰশ্ৰিয় জাতিফুলৰ বৰণৰ। অন্তৰৱতীৰ (কামৰূপৰ নদী) ভদ্ৰশ্ৰিয়ৰ বৰণ উশীৰৰ দৰে।

'দুকূলম্'— সৌৱৰ্ণকুড্যকং সূৰ্য্যবৰ্ণং মণিস্নিগ্ধোদকবানং চতুৰশ্ৰবানং ব্যামিশ্ৰবানংচ' অৰ্থাৎ সুৱৰ্ণকুড্যৰ দুকূল (পাটৰ কাপোৰ) সূৰ্য্যৰ দৰে উজ্জ্বল বৰণৰ আৰু সূতাবোৰ পানীত তিয়াই মণিৰে ঘঁহি লৈ বোৱা, আৰু দীঘে-বানিয়ে এক সূতাৰে অথবা মিহলি সূতাৰে বোৱা।

'নাগবৃক্ষা পৌণ্ড্ৰিকা সৌৱৰ্ণকুড্যকা চ পত্ৰোৰ্ণা।
নাগবৃক্ষো লিকুচো বকুলো বটশ্চ যোনয়ঃ. ......
তাসাং সৌৱৰ্ণকুড্যকা শ্ৰেষ্ঠা।'

পত্ৰোৰ্ণা পাট (এড়ী আৰু মুগা) মগধ, পুণ্ড্ৰ আৰু সুৱৰ্ণকুড্যত হয়। নাগবৃক্ষ, লিকুচ, বকুল আৰু বট ইহঁতিলাকৰ উৎপত্তি স্থান। এইবোৰৰ মাজত সুৱৰ্ণকুড্যত হোৱা বিধ উৎকৃষ্ট।

মহাকবি বাণভট্টৰ 'হৰ্ষচৰিত'ত মহাৰাজ ভাস্কৰ বৰ্ম্মণৰ যি বিৱৰণ আছে, তাৰে সৈতে অসম বা তেতিয়াৰ প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্যৰ বহুত বিশেষত্ব গ্ৰথিত হৈ আছে। এই গ্ৰন্থত অসম প্ৰসঙ্গ ঠিক পোনপটীয়াকৈ নহলেও, তাৰেই এগৰাকী জাকত জিলিকা ৰজাৰ বিষয়ে কিছু বিশদ বিশেষ বিৱৰণেৰে অসমৰে কিছুমান সেই সময়ৰ আৰু তাৰ পূৰ্বৰো মহত্বৰ কথা প্ৰকট হৈছে। সামগ্ৰিক উদ্ধৃতি নিদি থুলমুলভাবে, ই বেশ যে প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ আখ্যাৰে জনাজাত আছিল তাৰ সুন্দৰ প্ৰমাণ এই গ্ৰন্থত পোৱা যায়। প্ৰাগ্‌জ্যোতিষৰ অধিপতি ভাস্কৰবৰ্ম্মণৰ শক্তি আৰু নানা গুণৰ কথা ইয়াত ভালদৰে দিয়া আছে। ইয়াত আমি দুটামান মত দ্বৈধ থকা কথাৰো মীমাংসা পাব পাৰো।

ভাস্কৰবৰ্মাক কেৱল কুমাৰ নামেৰে অভিহিত কৰা ইয়াত পোৱা যায়। এই কুমাৰ আখ্যাক উপাধি ধৰণেৰে লৈয়ো কব পাৰি। হৰ্ষই ভাস্কৰ বৰ্মাকেই উল্লেখ কৰাত তেওঁৰ এইটো নাম স্বৰূপে লোৱা দেখা যায়।

'হংসবেগ! শ্ৰীমান্ কচ্চিৎ কুশলী কুমাৰঃ?' (সপ্তম উচ্ছ্বাস) অৰ্থাৎ—মহাৰাজ হৰ্ষই ভাস্কৰবৰ্মণে পঠোৱা হংসবেগ নামে দূতক (অতিশয় আদৰেৰে) সুধিছে— হে হংসবেগ! শ্ৰীমান কুমাৰ কি কুশলে আছে?' এই কুমাৰেই যে প্ৰাগ্‌জ্যোতিষেৰ সেইটোও হংসবেগৰ পৰিচয় দি দুৱৰীয়ে ৰজাক কোৱা কথাত পোৱা যায়—

'দেৱ! প্ৰাগ্‌জ্যোতিষেশ্বৰেণ কুমাৰেণ প্ৰহিতো হংসবেগো নামা দূতোহন্তৰঙ্গস্তোৰণ মধ্যাস্তে।' অৰ্থাৎ মহাৰাজ! প্ৰাগ্‌জ্যোতিষৰ অধিপতি কুমাৰে পঠোৱা হংসবেগ নামে তেওঁৰ অন্তৰঙ্গ দূত ৰাজদ্বাৰত ৰৈ আছে।

ভাস্কৰবৰ্মণে পঠোৱা দূত হংসবেগৰ সৈতে হৰ্ষবৰ্দ্ধনৰ কথোপকথনত কিছুমান বিশেষ দ্ৰষ্টব্য কথাও ওলাই পৰে। এটা আচৰিত কথাৰ সন্ধেদ আছে। সেয়া হ'ল ভাস্কৰবৰ্মাই এটা বাৰ্তা পঠোৱাৰ উপলক্ষতে এটি অদ্ভুত ধৰণৰ বৰুণ ছত্ৰ হৰ্ষবৰ্দ্ধনলৈ পঠিয়াই দিছিল। তাৰে সৈতে লোক লস্কৰ দিও কেইবিধমান বিশেষ বিশেষ বস্তু উপহাৰ স্বৰূপে দিছিল। তাত কোনো ধন-সোণৰ উপঢৌকন দিয়াৰ কথা নাই।



সেই আচৰিত 'আভোগ' নামৰ ছত্ৰটি দেখি হৰ্ষৰজাৰ কেনেভাব হৈছিল সেয়া এইদৰে বৰ্ণোৱা আছে :

'ৰাজাতু ছত্ৰদৰ্শনাৎ প্ৰহৃষ্ট হৃদয়ঃ —...
হংসবেগং চ দীয়মানো বভাষে—'

'ভদ্ৰ! সকল বস্তু ধাম্নঃ পৰমেশ্বৰ শিৰোধাৰনাৰ্হস্যাস্য মহাতপত্ৰস্য মহাৰ্ণবাদিৱ কুমুদবান্ধৱস্য কুমাৰান্নাভো ন বিস্ময়ায়।' অৰ্থাৎ সেই ছাটিটো দেখি ৰজা হৰ্ষৰ হৃদয় প্ৰসন্নভাৱে ভৰি পৰিছিল আৰু হংসবেগক প্ৰীত হৈ কৈছিল —

'ভদ্ৰ! সকলো প্ৰকাৰৰ বস্তু ধাৰণ কৰা ৰাজাধিৰাজৰ শিৰৰ ওপৰত ধাৰণৰ যোগ্য যে এই ছত্ৰটি, ই যেন মহাসমুদ্ৰৰ পৰা ওলাই অহা চন্দ্ৰৰ নিচিনাহে। এই ছাটো মই কুমাৰৰ পৰ পোৱা কথাটো একো বিস্ময়জনক নহয়।'

এই কথোপকথন তাই আৰু কেইটিমান বিশেষ কথা আছে। তাৰে ভিতৰত আমাৰ প্ৰসঙ্গ-ক্ৰমৰ কথাহে উল্লেখ কৰা হ'ল।

ভাস্কৰ বৰ্মাই পঠোৱা সন্দেশ বা বাৰ্তা কথন-প্ৰসঙ্গত এইদৰে পোৱা যায়—

'নৰেন্দ্ৰো (হৰ্ষৰাজঃ)....... হংসবেগমদিষ্টৱান — 'কথয় সন্দেশম্' —ইতি। প্ৰণম্য সঃ কথয়িতুং প্ৰাক্ৰান্তবান্—দেৱ! পুৰা মহাৱৰাহসংভূত গৰ্ভয়া ভগৱত্যা ভুৱা নৰকো নাম তনুৰসাৰি ৰসাতলে। ... মহাত্মন তস্যান্বয়ে ভগদত্ত পুষ্পদত্ত বজ্ৰদত্ত প্ৰভৃতিষু ব্যতীতেষু বহুষু সেৰূপেষু মহৎসু মহীপালেষু প্ৰপৌত্ৰো মহাৰাজভূতিবৰ্মণঃ পৌত্ৰশ্চন্দ্ৰমুখ-বৰ্ম্মণঃ পুত্ৰো দেৱস্য কৈলাস স্থিৰ স্থিতেঃ স্থিতিবৰ্মণঃ সুস্থিৰ বৰ্মা নাম মহাৰাজাধিৰাজো ... তেজসাং ৰাশিমৃগাঙ্ক ইতি যংজনা জগুঃ।'

ৰজা হৰ্ষই তেওঁৰ ভৃত্যবৰ্গক বিদায় দি, হংসবেগক আদেশ কৰিলে—'সন্দেশ' অৰ্থাৎ যি বাৰ্তা আনিছা তাক কোৱা। তেৱোঁ প্ৰণাম কৰি কবলৈ আৰম্ভ কৰিলে। 'মহাৰাজ প্ৰাচীন কালত মহাবৰাহৰ সৈতে সম্পৰ্ক হোৱাত গৰ্ভিণী হৈ ভগৱতী পৃথিৱীয়ে নৰক নামে পুত্ৰ এগৰাকীক পাতালত প্ৰসৱ কৰিছিল। সেই শ্ৰেষ্ঠ পুৰুষৰ বংশত ভগদত্ত, পুষ্পদত্ত, বজ্ৰদত্ত আদি দেৱ সদৃশ মহান ৰজা অনেক হৈ যোৱাৰ পিছত মহাৰাজ ভূতিবৰ্মাৰ প্ৰপৌত্ৰ চন্দ্ৰমুখ বৰ্মাৰ পৌত্ৰ কৈলাস বাসী মহাৰাজ স্থিতিবৰ্মাৰ পুত্ৰ সুস্থিৰ বৰ্মা নামৰ মহাৰাজাধিৰাজে জন্মগ্ৰহণ কৰিছিল। এই তেজস্বী ৰজা গৰাকীক লোকে মৃগাঙ্ক নামেৰে অভিহিত কৰি তেওঁৰ গুণ কীৰ্তন কৰিছিল'।

তস্যাচ সুগৃহীতো নাম্নো (অৰ্থাৎ সুস্থিৰ বৰ্মা নাম্নঃ) দেৱস্য দেৱ্যাং শ্যামাদেৱ্যাং ভাস্কৰদ্যুতিভাস্কৰবৰ্মাপৰ নামা তনয়ঃ শান্তনোৰ্ভাগিৰথ্যাং ভীষ্ম ইৱ কুমাৰঃ সমভৱৎ। অয়মস্যচ শৈশবাদাৰভ্য সংকল্পঃ স্থেয়ান্ স্থাণু পাদাৰবিন্দদ্বয়াদৃতে নাহমন্যং নমস্কুৰ্য্যামিতি।'

সুগৃহীত (সুস্থিৰবৰ্মা) নামৰ যি গৰাকী ৰজাৰ কথা কোৱা হৈছে, সেই ৰজাৰ ৰাণী শ্যামাদেৱীৰ পৰা ভাস্কৰদ্যুতি নামেৰে, (যাৰ অন্য নাম ভাস্কৰ বৰ্মা), পুত্ৰ জন্ম গ্ৰহণ কৰিছিল। তেওঁ শান্তনুৰ ঔৰসত গঙ্গাদেৱীৰ গৰ্ভত জন্ম লাভ কৰা ভীষ্মৰ দৰেই 'কুমাৰ' আছিল।

ওপৰত উল্লিখিত ভাস্কৰ দ্যুতি এটি নাম বুলি নধৰি ইয়াৰ অৰ্থ এইদৰে কৰিলেও বেছি ভাল হয়— ভাস্কৰ বা সূৰ্য্যৰ দৰে দ্যুতি বা প্ৰকাশ যাৰ এনে আছিল ভাস্কৰ বৰ্মা নামৰ পুত্ৰজন। তেওঁৰ অপৰ নাম 'কুমাৰ' আছিল, তেওঁ ভীষ্মৰ দৰেই আজীৱন কুমাৰ ব্ৰত ধাৰণ কৰিছিল। শৈশৱ কালৰ পৰাই তেওঁৰ অটল প্ৰতিজ্ঞা আছিল যে, "মই শিৱৰ পদ-কমল দুইৰ বাহিৰে অন্য কাকো নমস্কাৰ নকৰোঁ।" হংসবেগে আকৌ কৈছে—

"প্ৰাগ্‌জ্যোতিষেশ্বৰো হি দেবেন সহৈক লিঙ্গঃ ইৱানঙ্গৰিপা, দশৰথ ইৱ গোত্ৰভিদা, ধনঞ্জয় ইৱ পুৰুষাক্ষেণ, বৈৱৰ্ত্তনইৱ দুৰ্য্যোধনেন, মলয়ানিলেন ইৱ মাধৱেন, অজৰ্য্যং সঙ্গতমিচ্ছতি। ...... ...... গাঢোপগূঢ়ানি দেৱস্য কামৰূপাধিপতিঃ (ইচ্ছতি)।' অৰ্থাৎ প্ৰাগ্‌জ্যোতিষৰ অধিপতিয়ে মহাকালৰ লগতে, শিৱৰ লগতে একলিঙ্গৰ, ইন্দ্ৰৰ লগতে দশৰথৰ, কৃষ্ণৰ লগতে অৰ্জ্জুনৰ, দুৰ্য্যোধনৰ লগতে কৰ্ণৰ, বসন্তৰ লগতে মলয়পৱনৰ যেনে অতি ঘনিষ্ঠ সম্বন্ধ, ঠিক তেনে কেতিয়াও হৰণ-ভগন নোহোৱা সম্বন্ধ অভিলাস কৰে। ...... কামৰূপৰ অধিপতিয়ে আপোনাৰ গাঢ় আলিঙ্গন অনুভৱ কৰিবলৈ ইচ্ছা কৰে।

'বিৰতবচসি তস্মিন্ ভূপালঃ পুৰ্ব্বোপলব্ধৈৰেৱ গুৰুভিগুৰ্ণৈৰাৰোপিতবহুমানঃ কুমাৰে সুহৃৎসমাগোগাতপত্ৰ ব্যতিকৰেণতু পৰাং কোটিমাৰোপিতে প্ৰেম্নি লজ্জমানঃ ইৱ সাদৰং জগাদ— 'হংসবেগ! কথমিৱ তাদৃশি মহাত্মনি মহাভিজনে পুণ্যৰাশৌ গুণিনাং প্ৰগ্ৰহৰে পৰোক্ষসুহৃদি স্নিহ্যতি সন্নিধস্যান্যথা স্বপ্নেঽপি প্ৰবৰ্ত্ততে মনঃ। ... সুবহুগুণক্ৰীতাশ্চ কেৱলং সখ্যস্য। সজ্জন মাধুৰ্য্যানামন্ত্ৰদাস্যো দৰ্শনিনঃ ... প্ৰেমাংশ্চ সংকল্পঃ কুমাৰস্য। স্বয়ং বাহুশালী যদি চ সমালম্বিত শৰাসনে সুহৃদি হৰানূতে কমন্যং নমস্যতি। সংবৰ্দ্ধিতা মে প্ৰীতিৰমুনা সঙ্কল্পেন। তথা যতেথা যথা ন চিৰমিয়মস্থান ক্লেশভাজি কুমাৰদৰ্শনোৎকণ্ঠা' ইতি—

এনেকৈ কৈ হংসবেগ যেতিয়া মনে মনে থাকিল, তেতিয়া হৰ্ষই পুৰ্বতেই পৰিচয় পোৱা ভাস্কৰ বৰ্মাৰ (কুমাৰৰ) উৎকৃষ্ট গুণ সমূহৰ উপলব্ধি কৰি তেওঁৰ প্ৰতি (কুমাৰৰ প্ৰতি) অতিশয় আদৰভাৱ যুক্ত হৈছিল। তদুপৰি ইমান দূৰলৈ 'আভোগ' নামে ছাতিটো যে তেওঁলৈ দি পঠিয়াইছে, এই কথাত কুমাৰৰ প্ৰতি অত্যন্ত প্ৰেমাসক্ত হৈ আৰু লজ্জিত হৈ যেন সাদৰেৰে কৈছিল 'হংসবেগ, এনেকুৱা মহান আত্মা, মহান বংশোদ্ভৱ, পুণ্য-ৰাশিযুক্ত, গুণীসকলৰ ভিতৰত শ্ৰেষ্ঠ, এতিয়াও মই দৰ্শন নোপোৱা অৱস্থাতে মোৰ মিত্ৰ কুমাৰৰ এনে স্নেহ দৰ্শন কৰাৰ পাছত তেওঁৰ প্ৰতি মোৰ মনোভাৱে কেনেকৈ অন্যভাৱ হ'ব পাৰে! যি গুণত, কুমাৰৰ বহু গুণৰ দ্বাৰা মই তেওঁৰ ওচৰত বিকা গলো, তেনে ক্ষেত্ৰত তেওঁৰে লগতে, মিত্ৰতাৰো অৱধি যেন মোৰ নাই, মই এনে অনুভৱ কৰো। দেখা, সজ্জনৰ মধুৰ স্বভাৱৰ কাৰণে সকলোদিশেই তেওঁৰ অবৈতনিক দাস স্বৰূপ হয় অৰ্থাৎ সকলো দিশৰ লোকেই)।

কুমাৰৰ সঙ্কল্প শ্ৰেষ্ঠ। (মই শিৱৰ বাহিৰে অন্য কাৰো চৰণত প্ৰণাম নকৰো এই সংকল্প) তেওঁ নিজেই বাহুবলশালী আৰু ধনুৰ্দ্ধাৰণকাৰী মই যেতিয়া তেওঁৰ মিত্ৰ হলো, এনে স্থলত তেওঁ কিয় হৰৰ বাহিৰৰ অন্যক নমস্কাৰ কৰিব? তেওঁৰ এই সংকল্পৰ দ্বাৰা তেওঁৰ প্ৰতি মোৰ প্ৰীতিৰ ভাব অধিক ৰূপে বাঢ়ি গৈছে।

সেই বাবে যত্ন কৰিব লাগে, কুমাৰ দৰ্শন লাভৰ কাৰণে মোৰ মনত যি উৎকণ্ঠা হৈছে, সি যেন মোক বেছিদিন কষ্ট দিব নোৱাৰে; অৰ্থাৎ মই অচিৰতেই যেন কুমাৰৰ দৰ্শন লাভ কৰিব পাৰো।

---

এই প্ৰবন্ধ যুগুত কৰোঁতে মূল গ্ৰন্থৰ উপৰিও তলৰ পুথিসমূহৰ সহায় লোৱা হৈছে :—

১। কৌটিল্যৰ অৰ্থশাস্ত্ৰ— সম্পাদক ড° আৰ, কে, দেৱশৰ্মা
২। The History of Civilisation of the P ople of Assam by D.. P. C. Choudhury.
৩। Mother Goddess Kamakshya by Dr. B. K. Kakati
৪। Introduction of Assam by D. Neog
৫। অসম সাহিত্য সভাৰ ভাষণাৱলী (দ্বুবুৰী অধিৱেশন)
৬। কনকলাল বৰুৱা ৰচনাৱলী
৭। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী।

শ্ৰীভৱানী কান্ত শৰ্মা

# শ্ৰীমদ্ভাগৱত পুৰাণ আৰু শ্ৰীকৃষ্ণ

'শ্ৰীমদ্ভাগৱত' পুৰাণ এখন অতি পৱিত্ৰ মধুৰ ভক্তিমূলক গ্ৰন্থ। এই গ্ৰন্থ ৰচনা কৰে পৰাশৰ সুত অতুল জ্ঞানৰ মূৰ্ত্তিস্বৰূপ আচাৰ্য্য ব্যাসদেৱে। ব্যাসদেৱৰ আন এটা নাম হল বাদৰায়ণ। মহাভাৰতৰ সময়ৰ প্ৰথমজন ব্যাসৰ নাম কৃষ্ণদ্বৈপায়ণ। 'ব্যাস' শব্দটোৰ অৰ্থ 'সংকলনকাৰী' বুলি পণ্ডিতসকলে অনুমান কৰে। চাৰিবেদ বেদান্তশাস্ত্ৰ ৰচনা কৰাৰ পাছতো ব্যাসদেৱৰ মনত শান্তি নোহোৱা হৈছিল। এনেতে দেৱৰ্ষি নাৰদ হাতত বীণ লৈ আহি উপস্থিত হল। নাৰদৰ উপদেশমতে ব্যাসদেৱে মানৱৰ শান্তিৰ কাৰণে বেদান্তৰ সাৰ পুৰাণৰ সূৰ্য্যস্বৰূপ শ্ৰীমদ্ভাগৱত পুৰাণ ৰচনা কৰে। এই গ্ৰন্থত মুঠ ওঠৰ হাজাৰ শ্লোক আছে যিবোৰৰ মূল বক্তা হল শুকমুনি আৰু শ্ৰোতা হল পৰীক্ষিত ৰজা। পৰম ব্ৰহ্ম সম্বন্ধীয় তত্ত্ব কথাই ভাগৱত পুৰাণৰ মূল বিষয়বস্তু, আৰু তাকে ভাগৱত ধৰ্ম্ম বোলা হয়। বহুতো মুনি পৰমতত্ত্বৰ স্বৰূপ সম্বন্ধে অনেকবাৰ এই পুৰাণত কোৱা হৈছে। কিন্তু সেই সকলোবোৰ বৰ্ণনাৰ ভিতৰত তাৎপৰ্য্যপূৰ্ণ মূল কথা হৈছে স্বয়ং ভগৱানে ব্ৰহ্মাক দিয়া উপদেশ কেইষাৰ। সম্পূৰ্ণ ভাগৱত পুৰাণ নাৰায়ণে ব্ৰহ্মাক দিয়া এই চাৰিটা শ্লোকৰ উপদেশ মাথোন। শ্লোকৰ তাৎপৰ্য্য উপলব্ধি কৰাৰ বাবে ভগৱানে বিবিধ লীলা আৰু ভক্তসকলৰ নানা কথা উপস্থাপিত কৰিবলগীয়া হ'ল। ভগৱানে যি চাৰিটা শ্লোকত ব্ৰহ্মাক উপদেশ দিছিল সেই চাৰিটা শ্লোকক 'চতুঃ শ্লোকী ভাগৱত' বোলে। এই চাৰিটা শ্লোকেই পৌনঃ পৌনিক গতিত শেষত বিশাল আকাৰ ধাৰণ কৰিলে। ব্ৰহ্মাই নাৰদক বুজাবলৈ যাওঁতে কিছু বহলাই কবলগীয়া হোৱাত শ্লোকৰ সংখ্যা বাঢ়িল। সেই দৰে নাৰদে ব্যাসৰ আগত, ব্যাসদেৱে শুকমুনিৰ আগত কওঁতে আৰু শ্লোকৰ সংখ্যা বাঢ়িল। শেষত শুকৰ পৰা পৰীক্ষিতে গ্ৰহণ কৰোঁতে পুনৰ শ্লোকৰ সংখ্যা বাঢ়ি গৈ শেষত ওঠৰ হাজাৰ হ'লগৈ। গতিকে চতুঃ শ্লোকী ভাগৱতক তত্ত্বতে ভাগৱতপুৰাণৰ কঠিয়াতলী বুলিব পাৰি।

মূল মহাপুৰাণ ১৮ খন আৰু উপপুৰাণো ১৮ খন। এই ১৮ খন মহাপুৰাণৰ ভিতৰত ভাগৱত পুৰাণকেই কৃষ্ণভক্তিৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বুলি ধৰা হয় আৰু ইয়াক পুৰাণৰ সূৰ্য বুলি কোৱা হয়। এই ভাগৱতৰ ধৰ্ম্ম তথা তত্ত্বৰ গুৰুৰ বুজি শঙ্কৰশিষ্য মাধৱদেৱে কৈছিল :

সৰ্ব্ব শ্ৰুতি শিৰোৰত্ন        ভাগৱত ৰত্নমাজে
হৰিনাম দিলে প্ৰকাশয়
তাৰ মহাধ্বনি শুনি        নিজ পৰিয়াৰ সমে
তৰ্ক ব্যাঘ্ৰী পলায় হুয়া ভয়।
(নামঘোষা ৪৪)

পুৰাণৰ লিখিত বৰ্ণনাৰ পৰা এইটো কব পাৰি

যে মহাভাৰতে গ্ৰন্থৰূপ পোৱাৰ এহেজাৰ বছৰ পিছতহে ভাগৱতে গ্ৰন্থৰূপ ধাৰণ কৰে। পণ্ডিত সকলে অনুমান কৰে যে খ্ৰীষ্টীয় ৬ষ্ঠ শতিকাৰ আগতে ভাগৱতে লিখিতৰূপ সম্ভৱতঃ পোৱা নাছিল।

জ্ঞানৰ চৰ্চাত প্ৰাচীন কালত ভাৰতীয়সকলে এক অতুলনীয় স্থান অধিকাৰ কৰিছিল। জ্ঞান আৰু তত্ত্বদৰ্শনৰ ক্ষেত্ৰত ভাৰতৰ 'গীতা' আৰু 'ভাগৱত' এক অমূল্য সম্পদ আছিল। পৃথিৱীৰ যিবোৰ সভ্য জাতিয়ে আজি ভূমণ্ডলৰ মানচিত্ৰত বিশেষ স্থান অধিকাৰ কৰিছে সেইবোৰ জাতিৰ মাজতো এনেকুৱা তত্ত্বপূৰ্ণ দৰ্শনৰ পুথি বিৰল। আমি ভাৰতবাসী এইবাবেই ধন্য যে আনে পান কৰিব নোৱাৰা অমৃত আমি পান কৰিব পাইছোঁহক। সেইদৰে বেদ, উপনিষদ আদি অন্যান্য শাস্ত্ৰবোৰেও আমাৰ চিন্তা আৰু ভাৱৰাজিক বিশেষ সমল যোগান ধৰিছিল। সঁচাসঁচিকৈ কবলৈ গলে ভাগৱত নিগম কল্পতৰুৰ শুকমুখবিগলিত অমৃতদ্ৰৱসংযুক্ত ফল। সেই ফলৰ কোনো বাকলি নাই, গুটি আৰু সিঠাও নাই; তাত মাথোন ৰসহে আছে। ভাগৱতত কোৱা হৈছে—

নিগম কল্পতৰোৰ্গলিতং ফলং শুকমুখাদমৃতদ্ৰৱসংযুক্তম্
পিবত ভাগৱতং ৰসমালয়ম্ মুহুৰহো ৰসিকাঃ ভাবি
ভাবুকাঃ।

মাধৱদেৱে ঘোষাত কৈছে ......

সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুকমুখে আসি ভূমিত ভৈল বিদিত
ৰসত চতুৰ সিটো জন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল অমৃত॥

(নাম ঘোষা)

ভাগৱতত মুঠতে ১২ টা স্কন্ধ আছে আৰু দশম স্কন্ধটো বেছি তাৎপৰ্য্যপূৰ্ণ। অন্যান্য পুৰাণবোৰ পঞ্চলক্ষণ যুক্ত; কিন্তু ভাগৱত পুৰাণ দশ লক্ষণ যুক্ত। ভাগৱতৰ ২য় স্কন্ধৰ ১০ম অধ্যায়ত এই লক্ষণবোৰৰ কথা বৰ্ণনা কৰা আছে। সেই দশলক্ষণবোৰ হল ... .. সৰ্গ, বিসৰ্গ, স্থান, পোষণ, মন্বন্তৰ, ঊতি, ঈশকথা, নিৰোধ, মুক্তি আৰু আশ্ৰয়। কোন স্কন্ধত কোন লক্ষণ বিশেষভাৱে বৰ্ণনা কৰিছে সেই সম্বন্ধে ভাগৱত পুৰাণত একো কোৱা নাই। পঢ়িকে লক্ষণৰ ওপৰত গুৰুত্ব দি ভক্তিৰস স্বৰূপ অমৃত পান কৰা উচিত। বিভিন্ন অধ্যায়ৰ মাজেৰে পৰমপুৰুষ শ্ৰীকৃষ্ণৰ নাম, লীলা, অৱতাৰ, গুণ যশ আদি বৰ্ণনা কৰিছে। অন্যান্য আখ্যান-উপাখ্যানৰ মাজতো অৱতাৰী কৃষ্ণৰ মহিমা আৰু গুণাৱলী সম্বন্ধে আওৰাই প্ৰতি অধ্যায়ত তাৰিত মানৱক হৰি বা ৰাম নামৰ ৰস পান কৰিবলৈ আহ্বান কৰিছে।

বৈষ্ণৱসকলৰ ভাৰতীয় হিন্দুৰ মনত শ্ৰীকৃষ্ণই ভগৱান। ভগৱান হলেও তেওঁ নৰৰূপী নাৰায়ণ নামে জনমানসত স্বীকৃতি লাভ কৰি আছিছে। সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলিযুগতো ভগৱানে বিভিন্ন অৱতাৰ ধাৰণ কৰি শোকাক্লিষ্ট মানৱক তাৰণ কৰি, সমাজক ৰক্ষা কৰি নিজৰেই অসীম মহিমা সঞ্চাৰ কৰি আছিছে। গীতাতো আছে 'পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্। ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে॥' অৱতাৰবাদ হল ঈশ্বৰৰ পৰমসত্তা স্থাপন কৰাৰ এটি নিৰ্ণয় মাথোন। অৱতাৰ বৰ্ণনা আৰম্ভ কৰি কীৰ্তনৰ মুখতে 'সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ' বুলি শেষত কৃষ্ণ যে ঐশ্বৰিক শক্তিসম্পন্ন পুৰুষ তাক সুন্দৰভাৱে শঙ্কৰদেৱে কীৰ্তনৰ আখ্যান সমূহৰ মাজেৰে বৰ্ণনা কৰিছে। অৱতাৰ দুটা। এটা হল পূৰ্ণ অৱতাৰ আৰু আনটো হল আংশিক অৱতাৰ। ভাগৱতৰ কৃষ্ণ পূৰ্ণ অৱতাৰী শক্তি। ড: কাকতিদেৱে কৈছিল — শ্ৰীকৃষ্ণ ভক্তবৎসল। শ্ৰীকৃষ্ণ চৰিত্ৰকেই কেন্দ্ৰ কৰি সকলো বৈষ্ণৱ সাহিত্য ৰচিত আছে। কোনো কোনো ক্ষেত্ৰত শ্ৰীকৃষ্ণক ছলনাময়ীৰূপে দেখুওৱা হৈছে। তেওঁ জীৱৰ মুক্তিৰ কাৰণে



দুষ্টক দমন কৰি শান্তক পালন কৰি, ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় দেখুৱাই সমোচিত লীলা কৰি কৌশলেৰে স্বৰূপ প্ৰকাশ কৰিছে। এই বাবেই শুকদেৱে কৈছে—

অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ
ভজতে তাদৃশী: ক্ৰীড়া যা শ্ৰুত্বা তৎপৰো ভৱেৎ॥

ধৰ্মতত্ত্ব আৰু উপদেশ আদিৰ মাজেৰেও ভাগৱতত শ্ৰীকৃষ্ণকে প্ৰাধান্য দিয়া হৈছে। নিবৃত্তি মাৰ্গকে ভাগৱতৰ মাজেৰে প্ৰচাৰ কৰা হৈছে। ভাগৱতৰ মতে কেৱল জ্ঞান আৰু কৰ্মৰ মাজেৰে আমি আমাৰ জীৱনক সুখময় কৰি তুলিব নোৱাৰো। নিষ্কাম ভক্তিৰে নিবৃত্তি পথেৰে নাম-গুণ কীৰ্তনৰ মাজেৰে জীৱই ভগৱানৰ ওচৰ চাপিব পাৰে। পৰমাত্মাৰ লগত জীৱৰ মিলন ঘটে। মায়া বন্ধনৰ কাৰণ আৰু ভক্তি হল মোক্ষৰ কাৰণ। শ্ৰীমন্ত শঙ্কৰদেৱে লিখিছে...

বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি
ভাগৱত শাস্ত্ৰ পাছে কৰিলা প্ৰকাশি॥

'ভক্ত্যা ভাগৱতং বেত্তি ন বিদ্যা ন চ টীকয়া' অৰ্থাৎ ভাগৱত শাস্ত্ৰ বুজিবলৈ বিদ্যা আৰু ভাবাৰ্থ তাতকৈ ভক্তিৰ স্থানহে বেছি। পৰম পুৰুষ শ্ৰীকৃষ্ণৰ তত্ত্ব বুজিবলৈ ভক্তি আৰু পবিত্ৰ হৃদয়ৰ দৰকাৰ। ইয়াৰ অবিহনে ভগৱন্তক বুজিব নোৱাৰি। ভাগৱতত যেহেতু নিবৃত্তি মাৰ্গকে প্ৰধান স্থান দিয়া হৈছে সেই হেতুকে ভক্ত আৰু ভগৱানৰ অন্বেষণ, প্ৰভেদ আৰু মিলনত ভক্তিৰ প্ৰাধান্য বেছিকৈ স্থাপন কৰা হৈছে। কৰ্মযোগীয়ে ভক্তিৰ যোগেদি ঈশ্বৰত আত্মসমৰ্পণ কৰি অনাসক্ত হব পাৰে। সেইদৰে জ্ঞান যোগীয়ে কৰ্মৰ দ্বাৰা নিষ্কাম ভাৱে চিত্ত শুদ্ধ কৰি পৰমানন্দৰ আনন্দ পাব পাৰে। সেইদৰে ভক্তিযোগৰ সাধক সকলেও অনাসক্ত ভাৱে কৰ্ম কৰি বৈৰাগ্য আচৰণ কৰি সিদ্ধি লাভ কৰিব পাৰে। সকলো নৈ, জান, জুৰি যি দৰে শেষত যিদৰে সাগৰতে লীন হৈছে, সেইদৰে সকলো মাৰ্গই সাধকক বিভিন্ন স্তৰেৰে একে পৰমানন্দৰূপ সাগৰকে পোৱাইছেগৈ।

মানৱ দেহধাৰী শ্ৰীকৃষ্ণৰ ৰূপৰো সীমা নাই আৰু গুণৰো অন্ত নাই। 'কৃষ্ণস্তু ভগৱান স্বয়ম্' কৃষ্ণই ভগৱান। এইখিনিতে ব্ৰহ্মৰ ধাৰণা আমাৰ মনত উদয় হয়। ব্ৰহ্ম কেনেকৈ জীৱাই থাকে? তেওঁ কৰ পৰা উৎপত্তি হৈছে? এনেবোৰ প্ৰশ্নৰ উত্তৰ ঋষিসকলে গভীৰ ধ্যানৰ মাজৰে আপোনপ্ৰজ্ঞাৰ মাজেৰে পাইছিল। বিভিন্নজনে বিভিন্ন ধৰণে ব্ৰহ্মৰ স্বৰূপ প্ৰকাশ কৰিছে আৰু সেইবোৰ বিতৰ্কৰ বস্তু। ছান্দোগ্য উপনিষদত ব্ৰহ্মক 'একমেৱাদ্বিতীয়ম্' বোলা হৈছে। শ্বেতাশ্বতৰোপনিষদত জীৱক ব্ৰহ্মৰ ক্ষুদ্ৰতম অংশ বোলা হৈছে। অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যৰ মতে 'ব্ৰহ্ম সত্যং, জগৎ মিথ্যা, জীৱো ব্ৰহ্মৈৱ নাপৰঃ' অৰ্থাৎ ব্ৰহ্ম সত্য, জগত মিছা, জীৱ আৰু ব্ৰহ্মৰ ভেদ নাই।

তৈত্তিৰীয় উপনিষদত আছে—

যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ
আনন্দং ব্ৰহ্মণো বিদ্বান্ন বিভেতি কুতশ্চন॥

অৰ্থাৎ মন আৰু বাক্যৰে যাক পাব নোৱাৰি সেই ব্ৰহ্মানন্দক জানিলে একোৰেই ভয় নাথাকে। ব্ৰহ্মক বুজিবলৈ অন্তঃপ্ৰজ্ঞাৰ দৰকাৰ। নিৰ্গুণ ব্ৰহ্মই মায়াৰ কাৰণে সগুণ আৰু সবিশেষ হয়। সগুণ আৰু নিৰ্গুণ বুলি দুটা ভিন্ন আদৰ্শ নাই। একেটা মুদ্ৰাৰে দুটা পিঠি থকাৰ দৰে এক আৰু অভেদ্য ব্ৰহ্মৰে সগুণ আৰু নিৰ্গুণ দুটা ৰূপ। ব্ৰহ্মৰ আকাৰ নাই। তেওঁ নিৰঞ্জন নিৰাকাৰ। তেওঁ জ্ঞান, লক্ষণ, দৰ্শন আৰু চিন্তাৰ অতীত। তেওঁ শান্ত, শিৱ আৰু অদ্বৈত। তেওঁকেই আত্মা বুলি জানিব লাগে। 'স এষ: নেতি নেতি' অৰ্থাৎ তেওঁ এইটো নহয়, সেইটো নহয়। তেওঁ এনেকুৱা, তেওঁ তেনেকুৱা, নহয় ইত্যাদি বোৰেই ব্ৰহ্ম সম্বন্ধীয় নেতিবাচক ব্যাখ্যা।

মনুষ্য জগতত অৱতীৰ্ণ হলেও আচলতে শ্ৰীকৃষ্ণ জন্মৰহিত, অজ, নিত্য আৰু বিকাৰশূন্য। শোকাতুৰ মানৱক মুক্তিৰ পথ দেখুৱাবৰ বাবে তেওঁ বসুদেৱ-দেৱকীৰ পুত্ৰৰূপে জন্মলাভ কৰিছে। তেওঁ মহিমাময় গুণময় আৰু কৰুণাময় হৈ মানুহৰ ভাও ধৰি ভক্তি আৰু জ্ঞানৰ সাধনৰ বাট মুকলি কৰি দিছে। ব্যক্তিগত, সামাজিক, পাৰিবাৰিক আৰু জাতীয় কল্যাণৰ কাৰণে নানা কৰ্ম সম্পন্ন কৰিছিল। তেওঁক কেতিয়াবা আমি পুত্ৰৰূপে, কেতিয়াবা স্বামীৰূপে, কেতিয়াবা যোদ্ধাৰূপে কেতিয়াবা পশুৰ ত্ৰাণ কৰ্তা ৰূপে, কেতিয়াবা আকৌ দৰিদ্ৰৰ পৰম বান্ধৱৰূপে পাওঁ। এই কৃষ্ণই কেতিয়াবা গোপী বল্লভ আৰু কেতিয়াবা লম্পটৰূপে আৱিৰ্ভাৱ হৈছে। শ্ৰীকৃষ্ণৰ ৰাসলীলা জীৱ আৰু ব্ৰহ্মৰ আলিঙ্গনৰ প্ৰকাশ। অভিনয় মাথোন। দৰিদ্ৰ বিপ্ৰ দামোদৰ কৃষ্ণৰ সান্নিধ্যত অতুল বৈভৱৰ গৰাকী হৈছিল। গকুলৰ পথাৰত দাম-সুদামৰ সৈতে গৰু চৰাবলৈ গৈ কত ধৰণৰ ৰং ধেমালি কৰি লগৰীয়া সকলৰ মাজত নেতা-ৰূপে বিৰাজ কৰিছিল। এই কৃষ্ণই গাখীৰ লাখু, ক্ষীৰ, লাৰু আদি খাই, লণ্ডভণ্ড কৰি গোৱালনী-সকলৰ মনত অনৰ্থৰ মূল হৈ পৰিছিল। সকলো গোচৰ আহে যশোদালৈ। যশোদাই গং উঠি বান্ধি থবলৈ যায়। কিন্তু জগতৰ অধিপতিস্বৰূপ কৃষ্ণক জানো পাশিৰ জৰীৰে বান্ধিব পাৰি? উদ্ধৱে প্ৰকৃত বান্ধৱ হিচাবে কৃষ্ণৰ পৰা আধ্যাত্মিকজ্ঞান লাভ কৰিবলৈ সমৰ্থবান হৈছিল। দৈত্য, অসুৰবোৰে শিশুৰূপী কৃষ্ণক নাশ কৰিবলৈ বিচাৰিছিল। কিন্তু কৃষ্ণৰ সান্নিধ্যতহে দৈত্য, অসুৰ, পশু আদিয়ে সংকটৰবেলা উদ্ধাৰ হব পাৰিছিল। কালিয়-দমন, কংসবধ, বকাসুৰ বধ, পুতনা বধ আদি আখ্যানবোৰতো জাতীয় সমস্যা তথা লীলা মিহিত আছে। শ্ৰীকৃষ্ণৰ এনে অদ্ভুত কাৰ্য দেখি ব্ৰজবাসী সকল আচৰিত হৈছিল। তাকে দেখি শ্ৰীকৃষ্ণই কৈছিল —

'নাহং দেৱো ন গন্ধৰ্বো ন যক্ষো ন চ ৰাক্ষস:
অহং বো বান্ধৱো জাতো নাস্তি চিন্তা হতোনাথা॥'

(বিষ্ণু পুৰাণ)

[মই দেৱতাও নহওঁ, গন্ধৰ্ব নহওঁ, যক্ষ বা ৰাক্ষসো নহওঁ, মই তোমালোকৰ বান্ধৱ হৈ জন্মিছোঁ — ইয়াৰ বাহিৰে লোক অন্য নাভাৱিবা॥]

মুঠতে কৃষ্ণৰ চৰিত্ৰৰ চাৰিটা প্ৰধান দিশ আমি ভাগৱতত দেখিবলৈ পাওঁ। সেইকেইটা হল—(১) শিশু লীলাৰ যোগে শিশু কৃষ্ণ, (২) ৰাসলীলাৰ যোগে যুৱক কৃষ্ণ (৩) ৰাজনীতিবিদ অৰ্থাৎ কৰ্মযোগী কৃষ্ণ আৰু (৪) তত্ত্বদৰ্শী অৰ্থাৎ দাৰ্শনিক কৃষ্ণ।

আনন্দ-লিপ্সা জীৱৰ প্ৰধান উদ্দেশ্য আৰু দুখ নিবৃত্তিয়েই জীৱৰ প্ৰধানলক্ষ্য। এই দুখ মোচন কৰিবলৈ কলি-কালত ভাগৱত বৰ্ণিত নাম ধৰ্মৰ বাহিৰে আন কোনো উত্তম পন্থা নাই। ভাগৱতত নৱধা ভক্তিৰ উল্লেখ আছে। আকৌ এই নৱধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তন-স্মৰণকে শ্ৰেষ্ঠ স্থান দিয়া হৈছে। শঙ্কৰদেৱেও এই শ্ৰৱণ-কীৰ্তনৰ মাজেৰে ভাগৱতী বৈষ্ণৱ ধৰ্মৰ সোঁত বোৱাইছিল। ভাগৱত আৰু ভাগৱত ধৰ্মক প্ৰশংসা কৰি মাধৱদেৱে ঘোষাত কৈছে ...—

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানামত
যত মহাজন সবৰ সভা মধ্যত।
পৰম-আনন্দ-ৰসময় কোটি সূৰ্যসম প্ৰকাশয়
মহাভাগৱত নোহন্ত যাৰে বেকত॥

(নামঘোষা, ৮৭৬)

---

প্ৰবন্ধটি যুগুত কৰোতে সহায় লোৱা গ্ৰন্থৰাজি :-

(১) বেজবৰুৱা গ্ৰন্থাৱলী (প্ৰথম খণ্ড)।
(২) ভক্তিবাদ—শ্ৰীতীৰ্থনাথ শৰ্মা।
(৩) ভাৰতীয় ধৰ্ম সাধনা—শ্ৰীৰামচন্দ্ৰ মহন্ত।
(৪) শ্ৰীমদ্ভাগৱত পুৰাণ।
(৫) নাম ঘোষা — মাধৱদেৱ।
(৬) সাহিত্য সভা পত্ৰিকা (চতুস্ত্ৰিংশ বছৰ ২য় আৰু ৩য় সংখ্যা)
(৭) পুৰণি অসমীয়া সাহিত্য — জ্ঞাননাথ বৰা।

হুৰাণমণি বৰ্মণ

# ৰামায়ণ যুগৰ আহাৰ আৰু আহাৰ্য

বাল্মীকি ৰামায়ণ মতে কোশল ৰাজ্য ধন-ধানে ঐশ্বৰ্য্যশালী আছিল। তেতিয়াৰ মানুহ নানা ধৰণৰ খাদ্য আৰু সুপেয় হিচাপে নানা বিধ মাছ আৰু মঙহ, মিঠাই, মোদক, পায়স, পানীয়, নানা ধৰণৰ মদ, ঘোঁ, মোদক, বিবিধ ফল আৰু তাৰ ৰস আদি তৈয়াৰ কৰা আৰু আহাৰ কৰাত অভ্যস্ত থাকিল। ৰামায়ণত অন্ন শব্দৰ বহুল উল্লেখ আছে। অন্ন শব্দৰ দ্বাৰা চাউল, যৱ বা তাৰ দ্বাৰা প্ৰস্তুত ভাত আৰু নানাবিধ খাদ্য দ্ৰব্য আৰু মিঠাই জাতীয় খাদ্যক বুজোৱা হৈছে।

মহাৰাজ দশৰথৰ অশ্বমেধ যজ্ঞৰ বৰ্ণনাত দেখা যায় যে নানাবিধ অন্ন আৰু বস্ত্ৰ দান কৰাৰ নিৰ্দেশ আছে।

"দীয়তাং দীয়তামন্নং বাসাংসি বিবিধানিচ।

(অ ১৪।১৪)

"অন্নকূটাশ্চ দৃশ্যন্তে বহৱঃ পৰ্বতোপমাঃ।"
অন্নপানৈঃ সুবিহিতাস্তস্মিন্ যজ্ঞে মহাত্মনঃ"

(১৪।১৬)

"অহং হি বিধিৱৎ স্বাদু প্ৰশংসন্তি দ্বিজৰ্ষভাঃ॥"
"অহো তৃপ্তাঃ স্ম ভদ্ৰং তে ইতি শুশ্ৰাৱ ৰাঘৱঃ॥"

অৰ্থাৎ— শাস্ত্ৰবিহিত ৰন্ধন (নানা প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰস্তুত) কৰা অন্ন প্ৰভৃতিৰ স্তূপবোৰ পৰ্বতাকাৰৰ দৰে দেখা গৈছিল······ দ্বিজসকলে ভোজন কৰাৰ সময়ত সুস্বাদু ভোজ্য অন্নাদিৰ প্ৰশংসা কৰিছিল আৰু তেওঁলোকে যে তৃপ্তি সহকাৰে ভোজন কৰিছিল সেয়াও জনা হৈছিল। ৰামায়ণত ৰুটি বা লুচি বা সান্দহৰ অৰ্থবোধক কোনো শব্দৰ ব্যৱহাৰ নেথাকিলেও যৱ আৰু গোধূমৰ দ্বাৰা তৈয়াৰী খাদ্যৰ উল্লেখ দেখা যায় ইয়াৰ দ্বাৰা ৰুটি বা সান্দহ আদি পুৰী-পিঠা জাতীয় খাদ্যৰ ব্যৱহাৰৰ প্ৰমাণ হয়। অমৰেশ ঠাকুৰ আৰু কৃষ্ণগোপাল ভক্তৰ সম্পাদিত ৰামায়ণত আছে। "ফল নিৰ্য্যাস সংসিক্তৈঃ পূৰ্বৈৰপি ৰসান্বিতৈঃ॥" (অযোধ্যা ৯০-৯১)। তাত ফল নিৰ্যাস যুক্ত পুৰ বা পুৰী বা কচুৰীৰ নিচিনা দ্ৰব্যৰ ব্যৱহাৰ আছিল। এতিয়াও উত্তৰ পশ্চিম প্ৰদেশত পুৰী বা কচুৰীৰ প্ৰচলন আছে।

ৰাজকোৰ্বৰ তৰত যেতিয়া মহৰ্ষি ভৰদ্বাজৰ আশ্ৰমত অনেক সৈন্য আৰু লোকজন সমভিব্যাহাৰত উপস্থিত হৈ ৰামচন্দ্ৰৰ দৰ্শনপ্ৰাৰ্থী হৈছিল, তেতিয়া মহৰ্ষি ভৰদ্বাজে যোগবলত ভৰতৰ সৈন্যবোৰক পান-ভোজনৰ কাৰণে লোকপালসকলক আহ্বান কৰি কৈছিল, "যেন নদীবোৰ ইয়াত (আশ্ৰমত) প্ৰবাহিত হয়। কোনো কোনো নদীয়ে মৈৰেয়ধাৰা (একপ্ৰকাৰ উৎকৃষ্ট সুৰা), কোনো কোনো নদীয়ে সুনিষ্পাদিত সুৰা, কোনো কোনো নদীয়ে ইক্ষুৰসৰ নিচিনা সোৱাদযুক্ত শীতল পানী প্ৰবাহিত কৰক।

"অন্যাঃ স্ৰৱন্তু মৈৰেয়ং সুৰাং মন্যাং সুনিষ্ঠিতাম্।
অপৰশ্চোদকং শীতলং ইক্ষুকাণ্ডৰসোপমম্॥"

(অ। ৯১। ১৫)

আৰু ভগৱান সোমদেৱে উৎকৃষ্ট অন্ন, নানাবিধ ভক্ষ্য, ভোজ্য, চোষ্য, লেহ্য প্ৰভৃতি প্ৰস্তুত কৰক।

দৈবৈয়োঃ সৰ্ব্বৰৈসঃ যুক্তং দিব্যং ভোজন বস্তুবৎ । ৩৪
উপকল্পিত সৰ্বাঙ্গং ধৌতনিৰ্ম্মল ভাজনম্ ॥ ৩৫

ইয়াত ধুনীয়া পৰিষ্কাৰ পাত্ৰবোৰত সজোৱা মনোহৰ ৰসযুক্ত ভোজ্য দ্ৰব্য আৰু নানাপ্ৰকাৰৰ অন্নৰ কথা কোৱা হৈছে ।

"সুৰাং সুৰপা পিবত পায়সঞ্চ বুভুক্ষিতাঃ ;
মাংসানি চ সুমেধ্যানি ভক্ষ্যন্তাং যো যদিচ্ছাতি । ৫২

হে মদ্যপানকাৰীসকল (সৈন্য সকল) তোমালোকে মদ পান কৰা । ভোকাতুৰ সকল, তোমালোকে পায়স আৰু পবিত্ৰ মাংস ভোজন কৰা । যাৰ যেনেকুৱা ইচ্ছা তেনেকুৱাকৈ খাই থাকা ।

"আজৈশ্চাপি চ বাৰাহৈ মিষ্টান্নৱৰং সচবৈঃ
ফলনিৰ্য্যূহসং সিক্তৈঃ সূদৈৰপি ৰসান্বিতৈঃ ॥"

* * * *

খৰ্জুৰ্বন পাৰ্শ্বেষু কূপাঃ পায়স কৰ্দ্দমাং ।
তাশ্চ কামদুধা গাবো দ্ৰুমাশ্চাসন্ মধুচ্যুতা ॥ ৬৯
ব্যাপ্যা মৈৰেয় পূৰ্ণাশ্চ ভৃষ্টমাংসচবৈ বৃতাঃ ।
প্ৰতপ্ত পিঠৰৈশ্চাপি মাৰ্গ ময়ূৰ কৌক্কুটৈঃ ॥ ৭০

ভৃষ্ট (ভজা) মাংসবোৰে শলা প্ৰতপ্ত আৰু পিঠিকালৰ পকা মৃগ মাংস, ম'ৰা চৰাইৰ মাংস, চাগলী আৰু গাহৰিৰ মাংস বোৰে, নানা প্ৰকাৰৰ উত্তম মিঠাইবোৰে' ফল নিৰ্যাস সংসিক্ত সুস্বাদুপূৰ (পুৰী বা সান্দহ) বোৰে বহুত ৰূপৰ পাত্ৰ আৰু সোণৰ পাত্ৰ পুষ্প নিৰ্মিত ধ্বজ যুক্ত হৈ শোভা পাইছিল । খাবিৰ কাষৰ পুখুৰীবোৰ পায়সৰ দ্বাৰা পূৰ্ণ হৈছিল আৰু গাইবোৰ সুৰভি গাই হৈছিল । গছবোৰ মধুস্ৰাবী হৈছিল । কৰৰাত সুপৰিষ্কৃত দধি (দৈ) মন্থন পাত্ৰ আৰু মন্থনান্তে সুৰক্ষিত সুগন্ধযুক্ত পীতবৰ্ণৰ ঘোল দ্বাৰা পূৰ্ণ পাত্ৰবোৰ বিৰাজ কৰিছিল । সেই ঠাইৰ হ্ৰদবোৰ মিঠৈ, আদা, ধনীয়া আদি মিহলোৱা ৰসাল দ্ৰব্যৰ দ্বাৰা, বগা বৰণৰ দৈৰ দ্বাৰা, আৰু চেনি মিহলোৱা পানীৰ দ্বাৰা পৰিপূৰ্ণ হৈছিল । আনকি খোৱা বস্তু জীন যোৱাৰ কাৰণে, যি পান কৰা হৈছিল, তেনেকুৱা ৰসপূৰ্ণ হ্ৰদো আছিল ।

ৰামায়ণত নানা প্ৰকাৰ মাংস আৰু মাংসৰ দ্বাৰা তৈয়াৰী বিবিধ আস্বাদি নানা প্ৰকাৰ অন্ন প্ৰচুৰ ব্যৱহাৰ কৰাৰ কথা পোৱা যায় । তেতিয়াৰ দিনত দাইলৰ ব্যৱহাৰো পোৱা যায় । দাইলৰ বাদেও মৌ আৰু তিলৰ সংযোগে এক প্ৰকাৰ খিচিৰী অন্ন তৈয়াৰ হৈছিল বুলি জনা যায় দাইলৰ ভিতৰত মুগুমাহ, মাটিমাহ, মাটিকলাই জাতীয় মাহৰ উল্লেখ আছে । ৰান্ধিবৰ কাৰণে তিলৰ তেলৰ কথা থাকিলেও বিশুদ্ধ মাখন আৰু ঘিউৰ বহুল ব্যৱহাৰ আছিল । এতিয়াও উত্তৰাখণ্ডৰ গাড়োয়াল প্ৰদেশত প্ৰচুৰ গাখীৰ 'মিহলোৱা পায়সৰ লগত বিশুদ্ধ সোণ বৰণীয়া মাখন আৰু ঘিউৰ ব্যৱহাৰৰ কথা পোৱা যায় । খোৱাৰ কাৰণে নানাবিধ ফল, যেনে দ্ৰাক্ষা, আম্ৰ (আম), পনস্ (কঠাল), নাৰিকল ডালিম, জামু, বগৰি প্ৰভৃতি আৰু খাদ্যৰ লগত ফলৰ নিৰ্যাস সংমিশ্ৰণ কৰাৰ প্ৰথা আছিল । দৈ আৰু মৌৰ প্ৰচুৰ ব্যৱহাৰ হৈছিল ।

নিৰামিষ খোৱাৰ বাদেও মাছ আৰু নানাবিধ পশু-পক্ষীৰ মাংসৰো প্ৰচলন আছিল । নানাবিধ মাংসৰ ভিতৰত পঞ্চনখা জন্তুৰ মাংসৰ কথা উল্লেখ থাকিলেও আন আন পশু-পক্ষীৰ মাংসৰো প্ৰচলন আছিল ।

"পঞ্চ পঞ্চনখাঃ ভক্ষ্যাঃ ব্ৰহ্ম ক্ষত্ৰেন ৰাঘৱ ।
শল্যকো শ্বাবিধো গোধা, শশ কূৰ্মশ্চ পঞ্চনখাঃ ॥"
[কি ।১৭।৩৯)

শল্যকা, শ্বাবিৎ, গোধা, শশ আৰু কূৰ্ম এই পঞ্চনখা প্ৰাণীৰ মাংস আছিল । ৰামায়ণত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় সকলে এইবোৰ প্ৰাণীৰ মাংস বাদেও বৰাহ, ৰুৰু (ডাঙৰ হৰিণ), ঋষ্য, পৃষত প্ৰভৃতি নানাজাতীয় হৰিণৰ মাংস, কুকুৰা চৰাই, মৰা চৰাই আৰু ঘৃতপিণ্ডাকাৰ (চৰ্বিযুক্ত) নানা প্ৰকাৰ পক্ষীৰ মাংস খোৱাৰ উল্লেখ



ৰামচন্দ্ৰ আৰু লক্ষ্মণে বনবাসলৈ যাওঁতে বৎসদেশত ক্ষুধাৰ্ত্ত হৈ উপস্থিত হোৱাৰ পিছত দুজনে অতি পবিত্ৰ বৰাহ, ঋষ্য, পৃষত আৰু ৰুৰু নামক চাৰিটা মহামৃগ চিকাৰ কৰি, তাৰে মাংস ৰান্ধি গ্ৰহণ কৰিছিল ।

"তৌ তত্ৰ হত্বা চতুৰো মহামৃগান
বৰাহ ঋষ্যং পৃষত মহাৰুৰুম্ " । (অ ৫২।১০২)

গতিকে বৰাহৰ মাংস তেতিয়াৰ ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় সকলৰ ভক্ষ্য স্বৰূপেই আছিল । আধুনিক কালতো ৰাজপুত ক্ষত্ৰিয় সকলৰ মাজত বৰাহ-চিকাৰ আৰু বৰাহৰ মাংস খোৱাৰ নিয়ম প্ৰচলিত আছে ।

তেতিয়া মাছ খোৱাৰ যথেষ্ট উল্লেখ আছে । বনবাস কালত ৰামচন্দ্ৰই পম্পা সৰোবৰত উপনীত হৈ ক্ৰৌঞ্চ, হংস হবদ আৰু প্লব নামক ঘৃতপিণ্ড সদৃশ পক্ষীবোৰ (অৰ্থাৎ চৰ্বিযুক্ত শকত আৰঙ) আৰু কণ্টকাকীৰ্ণ পুষ্ট উৎকৃষ্ট বৌ আৰু চক্ৰতুণ্ড, নলমীন নামক মাছ খোৱাৰ নিমিত্তে গ্ৰহণ কৰিছিল ।

"ঘৃতপিণ্ডোপমান্ স্থূলাংস্তান দ্বিজান্ ভক্ষয়িষ্যথঃ
ৰোহিতাং চক্ৰতুণ্ডাংশ্চ নলমীনাংশ্চ ৰাঘৱ । (আ ৭৩।১৭)

ৰামায়ণৰ যুগত অযোধ্যাৰ ৰজাসকলে বা জনসাধাৰণে নানাবিধ মাছ আৰু পশু-পক্ষীৰ মাংস খোৱাৰ উল্লেখ পোৱা যায় । আনকি ঋষি-মুনি সকলেও মাংসাহাৰ কৰিছিল । কিন্তু কেতিয়া এই দেশত মাছ বা মাংস খোৱা দোষণীয় বা নিষিদ্ধ হৈছিল তাক কোৱা টান ।

ৰামায়ণত নানাবিধ মাংস খোৱাৰ উল্লেখ থাকিলেও গোমাংস খোৱাৰ কথা নাই । ৰামায়ণৰ যুগত নানাবিধ সুৰাপানৰ উল্লেখ আছে যদিও বহু ক্ষেত্ৰত সুৰাপানক নিন্দাও কৰা হৈছে ।

'ন ধৰ্ম্মাৰ্থ সিদ্ধাৰ্থং পানমেৱ প্ৰশস্যতে
পানাদৰ্থশ্চ কামশ্চ ধৰ্ম্মশ্চ পৰিহীয়তে ॥

অৰ্থাৎ ধৰ্ম আৰু অৰ্থ বিষয়ত সুৰাপানৰ প্ৰচলন নহয়, কাৰণ সুৰাপানে ধৰ্ম, অৰ্থ, কাম—এই ত্ৰিবৰ্গৰ হানি কৰে

ৰামায়ণত মৈৰেয় নামক মদ, সৌবীক নামক মদ, মৌ প্ৰভৃতিৰ উল্লেখ আছে । লঙ্কাৰ ৰাক্ষস সমাজত অবাধ সুৰাপান প্ৰচলিছিল । তিৰোতাৰ মাজতো মদ্যপান চলিত আছিল ।

॥ অসম সাহিত্য সভাৰ নতুন প্ৰকাশন ॥

ৰঘুনাথ চৌধাৰী ৰচনাৱলী : সম্পাদক — শ্ৰীঅতুলচন্দ্ৰ বৰুৱা : মূল্য - ১০.০০
পাৰ্বতি প্ৰসাদ বৰুৱা ৰচনাৱলী : " — শ্ৰীভৱনাথ শৰ্মা " ২০.০০
শ্ৰীহস্ত মুক্তাৱলী : " — ড° মহেশ্বৰ নেওগ : " ২৫.০০
মৌ মহাভাৰত : লেখক — শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ : " ১০.০০
আধুনিক পাশ্চাত্য চিত্ৰাশলী - লেখক — শ্ৰীপুষ্প গগৈ : " ১২.০০
বাগ্মীবৰ নীলমণি ফুকন : " — শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা : " ১০.০০
আধুনিক অসমীয়া কবিতা : " — ড° চন্দ্ৰ কটকী : " ১৫.০০
কাৰ্বি অসমীয়া পাঠ : লেখক — শ্ৰীৰং বং তেৰাং : " ২.০০
অভয়াপুৰী : সম্পাদক — শ্ৰীপ্ৰকাশ গোস্বামী : " ৮.০০
ৰহাৰ ৰেঙনি : " — শ্ৰীঅমল ৰাজখোৱা : " ৮.০০

শ্ৰীলোকেশ্বৰ গগৈ

# অসমৰ জনজাতিসকলৰ লোক সংস্কৃতি ঃ অন্ত্যেষ্টিক্ৰিয়া

সমাজপ্ৰিয় মানুহৰ এজন ব্যক্তিৰ লগত আন জনৰ ঘনিষ্ঠ সম্বন্ধ থাকে। সমাজ ভেদে নিজস্ব ৰীতি-নীতি আছে। এখন সমাজে আন এখন সমাজৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত থাকে। সমাজে প্ৰকৃতিৰ লগত হাত মিলাই জীৱন যুদ্ধত অৱতীৰ্ণ হওঁতে, সমাজ ব্যৱস্থা উলংঘা কৰিলেও ৰ। সমাজত চলিবলৈ যি-বোৰ আচাৰ-ব্যৱহাৰ, আইন-কানুন, বিবাহ-পদ্ধতি, পিন্ধন-উৰণ, সৎ-সংকাৰ প্ৰণালী, পূজা-উৎসৱ আদি আছে সেইবোৰেই সংস্কৃতিৰ উপাদান। এই উপাদানবোৰৰ ভিতৰত মৃতকৰ শ-সংকাৰ পুথাও অন্যতম। অসমৰ বিভিন্ন জনজাতিসকলৰ মাজত থকা শ-সংকাৰ প্ৰণালী বেলেগ বেলেগ আৰু আচৰিত ধৰণৰ। জনজাতি ভেদে মৃত দেহ মাটিত পুতি থোৱা, দাহ কৰা, বাকচত ভৰাই থোৱা, অস্থি সংৰক্ষণ কৰা, চাঙত তুলি ঢাকি ৰখা আৰু বাহঁৰ চাঙীৰে মেৰিয়াই ৰখা প্ৰথা আচৰিত ধৰণৰ। এই প্ৰবন্ধত অসমৰ জনজাতিসকলৰ শ-সংকাৰ পদ্ধতি সংগৃহীত সমলেৰে যুগুতোৱা হৈছে।

আদি সকলে নতুনকৈ জুপুৰী এটা সাজি, তাৰ তলত মৃতদেহ পোতে। তাত মৃতকৰ বাবেলৈ মুঠি এক পৰেক কালৰ আহাৰ দিয়ে। খাচীসকলৰ মৃত দাহ প্ৰথা বৰ বেলেগ ৰীতিৰ। পুৰুষ আৰু নাৰীৰ হাড়বোৰ পৃথক পৃথকৈ সংগ্ৰহ কৰে। প্ৰতি বংশৰ বাবে অস্থি সংৰক্ষণৰ বাবে বেলেগ বেলেগ পাত্ৰ আছে। মিজুসকলে শ দুই-পথালি এখন বাহঁৰ চাঙীত এনে ভাৱে বান্ধি থয় যে, ই বহা অৱস্থাত থাকে। তাৰ পাচত চাঙীখন শৱে সৈতে বেৰত ওলমাই ৰাখে। মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা সঁজুলিবিলাক শৱ কাষতে থয়। সিপুৰীত প্ৰয়োজন হব বুলিয়েই তেওঁলোকে এনে ব্যৱস্থা কৰে। ইয়াৰ অন্তত সকলোৱে গোট খাই ভোজ-ভাত খায় আৰু বোৱাৰ পেৰত শটো পুতি থয়। কোনো কোনো মিজুৱে ধনী লগোৱা বাকচৰ ভিতৰত শটো ভৰাই থয়, যি নলীয়েদি গেলা পচাঁবোৰ বাহিৰ হৈ কিছুদিনৰ পাচত শুকাছে অৱশিষ্ট থাকে। বহুত দিনৰ মূৰত বাকচটো ভাঙি অস্থিবোৰ এটা পাচিত সংৰক্ষ কৰে।

আপাটানিয়ে মৃতদেহ পাহাৰ বা ওখ ঠাইত পোতে। শ পোতা গাঁত মূৰা বংশৰ লোকে খান্দিব লাগে। মৰিশালিৰ ওপৰত বাঁহ আৰু কাঠেৰে এখন চাং সাজে। চকী মানুহৰ মৃতকৰ চাংখনত কেইপাটাও খলপা থাকে। জীৱিত কালত মৃতকে যিমানটা জন্তু চিকাৰ কৰি মাৰিছিল আৰু মাংস দিলন কৰিছিল, সিমানটা প্ৰমাণ দিবৰ বাবে চাঙৰ ওপৰত বচীৰ গাঁঠি আৰু বিভিন্ন দাগ দিয়াৰ প্ৰথা আছে।

বাঙাই শ দাহ কৰে। ঘৰৰ গৃহিনীয়ে মৃতকৰ কাণৰ কাষত ধৰুৱি বৰাই, মৃতকৰ জীৱন কাহিনী বৰ্ণনা কৰি কান্দে। মদ আৰু পানী এখটি লৈ থাল এখনত সান্ধৰ গুড়ি সজাই, ধূপধুনা-বন্তি জ্বলাই মৃতদেহ শ্মশানলৈ আগ বঢ়াই লৈ যায় মৃতক গৃহিনীয়ে



তিৰোতাই কঢ়িয়াই বস্ত্ৰ খিনি মৰিশালিৰ কাষতে থয়। বাইশ দিনলৈকে মৃতকৰ ঘৰৰ এজনী তিৰোতাই আৰু ... দিনলৈকে মৃতকৰ বংশৰ সকলো মানুহে মদ, মাংস, ভাত আদি চুব নাপায়। তেওঁলোকে বাইশ দিনীয়া লঘোন দিয়া তিৰোতাজনীক লগুণ ধৰা বোলে। মৃতকৰ শ্ৰাদ্ধ বাইশ দিনীয়া, আৰু বয়োবৃদ্ধ ব্যক্তি মৰিলে বছৰৰ মূৰত তৰাংলাজি বা ফাৰকান্তি উৎসৱ পাতে। লগুণ ধৰা তিৰোতাই এই উৎসৱত নৃত্য-গীত কৰাত শীৰ্ষস্থান পায়। ঢাল-তৰোৱাল লৈ অঙ্গি-ভঙ্গি কৰি ৰণ নৃত্য কৰা এই উৎসৱৰ বিশেষত্ব মন কৰিব লগীয়া। বাভাৰ এই উৎসৱত পৰিয়ালৰ সাত পুৰুষ গুণানুকীৰ্তন কৰি প্ৰসাদ বা ভোগ দিয়া প্ৰথা অতীতৰ পৰা চলি আহিছে।

কবৰ দিয়া, দাহ কৰা আৰু কাঠ বাঁহেৰে ওখ চাং পাতি শটো গছ পাতেৰে ঢাকি থোৱা প্ৰথা বড়ো সমাজত অদ্যাপিও প্ৰচলিত। প্ৰতি ঘৰে শ মৰিলৰ বাবে আহুতীয়া ঠাই ৰাখে। তেওঁলোকে শৱ তিনি ৰকমে পাতে। কোনোৱে মৃত্যুৰ লগে লগে, কোনোৱে এবছৰৰ মূৰত আৰু কোনোৱে এমাহৰ পাচত প্ৰেত কাৰ্য কৰে। ৰাভাসকলৰ শ সংস্কাৰ কৰা প্ৰথা সাধাৰণ মানুহৰ লগত নিমিলে। ৰাভা সকলে শ থৈ দুই দিনলৈকে বাৰি মৃত-নীতৰ আয়োজন কৰে। ভূত-প্ৰেত খেদাবলৈ কাঁহ বজায়, পুজা-পাতল কৰে আৰু মৃতকৰ সন্মানাৰ্থে আকাশ মাৰ্গত ফটকা ফুটুৱায়।

দেউৰী-চুতীয়াই শ দাহ কৰে। মৃতকৰ অস্থি নৈত উটুৱাই ভোজ-ভাত খাই অশৌচ ভাঙে। তেওঁলোকৰ দহা-কাজ কৰাৰ কোনো নিৰ্দ্ধাৰিত সময় নাই। অৱস্থানুযায়ী একে দিনাই বা কেবা বছৰৰ মূৰত দহা-কাজ কৰাৰ প্ৰথা আছে। পিণ্ডাদি অৰ্পণ কৰা ৰীতি অদ্যাপিও তেওঁলোকৰ সমাজত প্ৰচলিত। মৃতকৰ মংগলৰ উদ্দেশ্যে দহা-কাজত বহুত বস্তু দান কৰে। সমজুৱাই দানৰ বস্তুখিনি নীলাম কৰি সংগ্ৰহ কৰা অৰ্থখিনি গাঁৱৰ প্ৰতি খেললৈ ভগাই দিয়ে আৰু খেলে ধনখিনি পুঁজিত জমা ৰাখে।

কাৰ্বীয়ে শ্মশানস্থলী প্ৰতি বংশৰ বাবে আচুতীয়াকৈ ৰাখে। নিয়ম-পদ্ধতি জনা এগৰাকী তিৰোতাই মৃতকৰ বাবে ভাত-আঞ্জা বান্ধি দিয়ে আৰু 'চাহে' নামে গীত গায়। এই গীতবোৰ মৃতক সিপুৰীলৈ যোৱা বৃত্তান্তৰে ভৰা। অস্বাভাৱিক ভাৱে মৃত্যু হোৱা লোকক নৈ বা জুৰিৰ কাষত থৰি দিয়ে। থৰি দিয়া 'টিপিং'ৰ কাষত কাৰ্বীয়ে কোনো খেতি কৰিব নোৱাৰে। অস্বাভাৱিক ভাৱে মৰা লোকৰ থৰি দিয়া ঠাইৰ পৰা অস্থি-ভস্ম খাটিবোৰ সংগ্ৰহ কৰি পুনৰ 'টিপিং'ত দাহ কৰে। এই ক্ষেত্ৰত নিজ বংশৰ মানুহৰ বাহিৰে আন মানুহে শ দাহন কাৰ্যত যোগদান কৰাত বাধা আছে। মৃতকৰ আত্মাৰ মংগলৰ বাবে কাৰ্বীয়ে 'চমাংকান' উৎসৱ পাতে, যাৰ দ্বাৰা মৃতকে পাপৰ পৰা উদ্ধাৰ পায়। উৎসৱৰ দিনা ডেকা-গাভৰুৱে মিলি নৃত্য কৰে আৰু প্ৰণয়ৰ গীত গায়। এনে ধৰণৰ নৃত্যত কাঠৰ ঢোল, টাল, কৰৱাল, পেঁপা আৰু আঠন আদি ব্যৱহাৰ কৰা দেখা যায়। কাৰ্বীয়ে বিহু সংক্ৰান্তিয়ে মৃতকৰ অৰ্থে পূজা পাতল আগ কৰাবো ৰীতি আছে।

খামতিয়ে মৃতদেহ পোতে। কোনোৱে কফিনৰ ভিতৰত পুৰস্কাৰ সহ ভৰাই, ঘৰৰ পৰা নিলগত এৰি থৈ আহেহঁক। কবৰৰ ওপৰখণ্ড উঁই হাফলুৰ দৰে জোড়া কৰি আৰু মানুহ উঠিব পৰাকৈ খটখটি সাজে।

পিতৃসূত্ৰীয় মমশা সকলৰ ধনী লোকৰ মৃতদেহ বাৰপুচাংগুলৈ সংকাৰ কৰিবলৈ নিয়ে, য'ত এডোখৰ ডাঙৰ শিল আছে। শ বোৰ শিল চটাৰ ওপৰত থৈ, একুৰা জুই ধৰি পোহৰ দি ৰাখে আৰু ধূপধুনা

জনায়। ইয়াৰ তাৎপৰ্য হৈছে শগুণক শ খাবলৈ নিমন্ত্ৰণ জনোৱা। অৱশ্যে মৃতকৰ মূৰটো আহুতীয়াকৈ ৰাখি বাকীখিনিহে শগুণক খাবলৈ দিয়া হয় আৰু শগুণে শটো খাবলৈ নাহিলে দাহ কৰে। জাৰকালি শীতৰ প্ৰকোপত শবোৰ খাৰপুচাঙলৈ নিব নোৱাৰে, গতিকে ধনীলোকে ঘৰৰ কাষতে শ দাহ কৰে। সাধাৰণ লোকৰ মৃতদেহ নৈৰ পাৰলৈ নি এশ আঠ টোকৰকৈ কাটি নৈত পেলাই দিয়ে, যাতে মাছে খাব পাৰে। বেমাৰত মৰা ব্যক্তিৰ শ পুতি থয়। মৃত্যুৰ দিনা আৰু মৃত্যুৰ সাত সপ্তাহৰ পাচত মৃতাত্মাৰ মংগলৰ বাবে লামাই ধৰ্মীয় ৰীতিৰে মৃত্যুৰ উৎসৱ পাতে। ধনীয়ে মৃত্যুৰ প্ৰথম সপ্তাহৰ পাচৰ পৰা ধৰ্মানুষ্ঠান পাতি বৌদ্ধ মঠ আৰু আশ্ৰমত মদাহাৰ বিলায়। মৃতকৰ নামত বৌদ্ধৰ 'মেনে' আৰু 'চুৰতেন'ত প্ৰাৰ্থনা পতাকাবোৰ উৰুৱায় আৰু বৃত্তাকৃতিত ঘূৰি স্তুতি কৰে।

চেৰডুকপেনৰ থুং কৈফে মৃতদেহ স্পৰ্শ কৰিব নোৱাৰে। কেৱল চাও কৈফৰ মানুহে শ সংকাৰ কৰা ৰীতি আছে। চেৰডুকপেনৰ মৰা শ পোতা আৰু দাহ কৰা প্ৰথা আছে। তেওঁলোকে শটো গা ধুৱাই আৰু নতুন বস্ত্ৰ পিন্ধাই শ্মশানলৈ নিয়ে। শ সংকাৰ কৰা লোকক উপহাৰ দি, ভোজ-ভাতেৰে আপ্যায়িত কৰা প্ৰথা আছে।

কামেঙৰ খাৱাই শ পুতি থয় আৰু মৃতকৰ জীৱিত কালত ব্যৱহৃত ধনু, কাঁড়, দাৱ, বাচন-বৰ্তন, অস্ত্ৰ-অলংকাৰ আৰু কৃষি সঁজুলিবোৰ উচৰ্গা কৰে। প্ৰথমে কবৰৰ ওপৰত মাটি, তাৰ ওপৰত শিল আৰু শেষত মাটি জাপি ঘ'লৰ দৰে জোঙা কৰে। মৰিশালিৰ ওপৰত এটা পঁজা সাজি, একেৰাহে পাঁচ দিনলৈ খাবলৈ খোৱা বস্তু কবৰৰ ওপৰত থয়। পাঁচ দিনৰ মূৰত এটা ডাঙৰ ভোজ পাতি মৃতকৰ পৰিয়াল আৰু বন্ধু-বান্ধৱক নিমন্ত্ৰণ কৰে। ভোজ-ভাত খায় আৰু মদ কলহে কলহে পি, গোটেই ৰাতি নৃত্য-গীত কৰি আনন্দৰ মেলা পাতে।

পাহাৰীয়া মিৰিয়ে গাঁত খান্দি শ পোতে আৰু মৃতকৰ আত্মাই খাবলৈ বুলি আহাৰ তথা জীৱিত কালৰ ব্যৱহৃত সঁজুলিবোৰ দিয়ে। প্ৰথমে শটোৰ ওপৰত কেতবোৰ কাঠৰ টুকুৰা দি তাৰ ওপৰত পাথৰ জাপি দিয়ে আৰু শেষত মৰিশালিটো মাটিৰে পোতে। মৃতদেহৰ বুকুৰ পোনে পোনে কবৰৰ ওপৰত এচটা বিৰাট শিল জোঙা কৰি থয়। ইয়াৰ অৰ্থ এয়ে যে, কোনো ভূত-প্ৰেতাদিয়ে শটো অনিষ্ট কৰিব নোৱাৰে। শিল চটাৰ ওপৰত এটা পঁজা সাজি তাৰ চৌপাশে জেওৰা দিয়ে। উল্লেখযোগ্য যে, পাচোঁটা কৃত্ৰিম বান্দৰ পঁজাৰ সন্মুখত ৰাখে আৰু সিহঁতৰ পিঠিত একোটাকৈ খৰাহী আঁৰি দিয়ে, য'ত সৰু সৰু ভাতৰ টোপোলা সহ মদ খোৱা বাঁহৰ চুঙা সুমুৱাই থয়। এই পক বান্দৰে মুখত ধপাত খোৱা পাইপ কচিয়াই নিয়া যেন দেখা যায়। বান্দৰ কেইটাই মৃতকৰ উদ্দেশ্যে কঢ়িয়াই নিয়া স্থায়ী কুলী। ওকান ৰাজত ফুক দি ফুলাই, এনে ধৰণৰ কৃত্ৰিম বান্দৰ পৰৱৰ্তীয়া মিৰিয়ে তৈয়াৰ কৰে।

কামেঙৰ চুলুঙে পৰিয়ালৰ শ ঘৰৰ কাষতে পোতে আৰু কবৰৰ চৌপাশে গোঁজেৰে গড় মাৰি, তাৰ ভিতৰত কাঠৰ সাধাৰণ খুটা এটা পুতি খুটাৰ গাত বহুতো আৱশ্যকীয় বস্তু আঁৰি থয়, যিবোৰ মৃতকে জীৱিত কালত ব্যৱহাৰ কৰিছিল। শোৱণশিৰি জিলাৰ টাগিন সকলেও চুলুঙৰ দৰে শ পুতি থয়।

মিচিমিয়ে বিশ্বাস কৰে যে, যেতিয়ালৈকে মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া কৰা নহয় তেতিয়ালৈকে মৃতকৰ গাত লাগি থকা ভূত-প্ৰেতাদিয়ে শান্তি নাপায়। ইয়াক অমান্য কৰিলে, ভূতে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰি গৃহস্থক উৎপীড়ন কৰে। দূৰত থকা মিত্ৰিৰ-কুটুম্বে চাবৰ বাবে শটো পাঁচ দিনলৈকে সংৰক্ষণ কৰা প্ৰথা মিচিমি সকলৰ অদ্যাপিও বিদ্যমান। সৰু লৰা-ছোৱালী মৰিলে



লগে লগে পোতে। মিচিমিয়ে তুগীয়াৰ মৃতদেহ পোতে আৰু চককীৰ শ দাহ কৰে। অৱশ্যে চককী লোকৰ শ দাহ কৰিলেও মৃতকৰ শেষ ভোজ-ভাত খোৱাৰ আগলৈকে পুতি থোৱাৰ প্ৰথা আছে। ইদু মিচিমিয়ে আকৌ শটো মাটিতে পোতাৰ নিয়ম।

কামেঙৰ খঁকাই শটো ঘৰৰ দুৱাৰ মুখত পোতে। মৃতকে কোনো এটা সমাজক অৱস্থা লৈ পুনৰ পৃথিৱীত জন্ম হয় বুলি খঁকাই বিশ্বাস কৰে। আঁকাৰ মাক মৰিলে আঠ দিন আৰু বাপেক মৰিলে পোন্ধৰ দিনলৈ কৃষি কৰ্মলৈ যোৱা নিষেধ। মৃতাত্মাই পৰিয়ালক সকলো বিপদৰ পৰা ৰক্ষা কৰি থাকে বুলি তেওঁলোকে ধাৰণা কৰে। মানুহ মৰা দিনা গাঁৱৰ লৰা-ছোৱালীহঁতে মৃতকৰ ঘৰ ৰখেগৈ আৰু গৃহস্থৰ মনৰ পৰা দুখ-বেজাৰ আঁতৰাবলৈ ঢোল বজাই নৃত্য-গীত কৰে।

জেমি নগাৰ আকৌ মানুহ মৰিলে ডেকাচাঙতে ঘৰ ৰখিব লাগে আৰু প্ৰয়োজনীয় ধৰণৰ কামো কৰি দিয়ে। জেমিয়ে শ ঘৰৰ সন্মুখত পোতে। অন্যান্য জনজাতিৰ দৰে মৃতদেহৰ লগত আৱশ্যকীয় বস্তুবোৰ সঁপি দিয়ে। ভাত, মদ, মুৰ্গী মাংস ও কলিজা আদি এটা খৰাহিত ভৰাই শ'ৰ সৈতে সাঙুৰি দিয়ে। ন ফুট দ আৰু পাঁচ ফুট দীঘলীয়া গাঁতত, ওপৰত উল্লেখ কৰা দ্ৰব্যখিনি সুমাই শটো পোতে। প্ৰথমে গাঁতটোত বৰ্গা বস্ত্ৰ এখন পাৰি, তাৰ ওপৰত শটো ঘৰৰ সন্মুখৰ ফালে মুখ কৰি বগা কাপোৰেৰে ঢাকিব লাগে আৰু ইয়াৰ ওপৰত গধুৰ শিল এটা দিয়ে। ইয়াৰ অন্তত গাঁতটো পোতে। মৃত্যুৰ দিনা সমবেদনা জনাবলৈ যোৱা বাহিৰৰ মৃতকৰ ঘৰে, গৰু, গাহৰি, মেথুনাদি মাৰি ভোজ খুওৱাৰ নিয়ম। তদুপৰি ইয়াৰ মাংস গাঁৱৰ মুখীয়াল ব্যক্তিসকলক ভগাই দিয়ে। মানুহ মৰিলে জেমিয়ে, দুই-তিনি দিনলৈ কৃষি কৰ্মলৈ নাযায়। মৃতাত্মা পবিত্ৰ হলে ভাল ঠাইলৈ গমন আৰু অসৎ হলে ডাইনী-যখিনী আদি হয় বুলি তেওঁলোকে বিশ্বাস কৰে। গৰ্ভৱতী তিৰোতা মৰিলে বা কোনো অস্ত্ৰৰে খাই মানুহ মৰিলে গাঁৱত অপায়-অমংগল হয় বুলি ভাবে। উল্লেখযোগ্য যে, জেমি সমাজত আত্মহত্যাৰ উদাহৰণ নাই।

মিচিঙে মৃতকক গা-পা ধুৱাই, নতুন বস্ত্ৰ পিন্ধায়। নগা চাৰিৰে মেৰিয়াই ৰাকচত ভৰাই লৈ, দুডাল বাঁহৰে কান্ধেদি কাঢ়িয়াই গাঁতত পুতি থয়। অৱশ্যে গাঁত খন্দা মাটিখিনি মূল্য দি কিনিব লাগে। তেওঁলোকৰ মৃতকৰ শ কঢ়িয়াই নিওঁতে মৌন শোভাযাত্ৰা কৰা প্ৰথা আদৰ্শনীয়। শ্মশানলৈ নিয়া পাঁচ দিনৰ মূৰত শুচি আৰু মাহেকৰ মূৰত দহাকৰম কৰা ৰীতিও প্ৰশংসনীয়। মৃতাত্মাই পৰিয়ালক বিপদৰ পৰা ৰক্ষা কৰি থাকে বুলি মিচিঙে বিশ্বাস কৰে। সেই কাৰণে মৃতাত্মাৰ সন্তুষ্টিৰ অৰ্থে বছৰেকীয়া পূজা পাতে। ইয়াকে নকৰিলে মৃতকৰ পৰিয়ালত অমংগল হয় বুলি ভাবে।

টিৰাপৰ টাংচাৰ বেলেগ বেলেগ কৈফৰ পৃথক পৃথক শ সংকাৰ পদ্ধতি আছে। যুগলিয়ে শ মাটিত পোতে, মুকলুং আৰু অন্যান্য উপজাতিয়ে শ দাহ কৰে। মুকলুঙৰ শ্মশানভূমি বাসস্থানৰ পৰা অলপ দূৰত অৱস্থিত। লুংচাংসকলৰ পৃথক পৃথক কবৰখানাৰ স্থলী আছে। প্ৰত্যেকেই নিজ নিজ ঠাইতহে শ দাহন কৰিব বা পুতিব পাৰে।

ৱাংচুৱে অনুষ্ঠিত কৰা মৃতদেহৰ মৌন শোভাযাত্ৰাত যোগ দিব নোৱাৰাটো পৰিয়ালৰ পক্ষে বিপদজনক বুলি বিশ্বাস কৰে। তেওঁলোকে বিশ্বাস কৰে যে, বৌৱাং ভূতৰ অত্যাচাৰত কোনো মানুহ বেমাৰত পৰে বা আকস্মিক ভাবে মৃত্যু হয়। ইষ্ট কুটুম্বে দৰ্শন কৰিবৰ বাবে শটো এদিন ঘৰতে ৰাখিব পাৰে। সাধাৰণ মানুহৰ শ, সাধাৰণ বস্ত্ৰৰে মেৰিয়াই 'জাক-খা' (মৰিশালি) লৈ নিয়ে। কাঠ বা বাঁহৰ প্ৰায় ছয় ফুট চাং সাজি শটো ৰাখে আৰু কোপাত বা আন গছ পাতেৰে ঢাকে। মুখীয়াল লোকৰ শ

আছুতীয়াকৈ বাকচত ভৰাই থয়। কবৰৰ ওপৰত জুপুৰী সাজি, তাৰ খুটাত বাঁহ বা কাঠেৰে সজা মৃতকৰ প্ৰতিকৃতি আঁৰে। শটো সেলি-পঁচি এমাহৰ পাচত হাড় কেইডাল অৱশিষ্ট থাকে। তেতিয়া বুঢ়া এজনে মৃতকৰ লাওখোলাটো চিঙে, যাক 'টাইচংপা' বোলে। লাওখোলাটো দুই পৰালি বগা বস্ত্ৰৰে মেৰিয়াই কলহত ভৰাই থয়। কিছুদিনৰ পাচত খোলাটো কলহৰ পৰা উলিয়াই শিলত পোতে। মৃতকৰ লাও-খোলা মূল শৰীৰৰ পৰা পৃথক কৰা দিনা 'লা কটলে' বা 'ৰা-পুলে' উৎসৱ পাতে। প্ৰতি বছৰে ধান দোৱাৰ পাচত অনুষ্ঠিত কৰা 'পুটকলে' উৎসৱত পৰিয়ালৰ মৃতকৰ মুৰবোৰ শিলৰ মাজৰ পৰা খান্দি আনি এঠাইত গোটায়, খাবলৈ মদ, মাংস আৰু ভাত আগ বঢ়ায়। শস্যতলি সাৰুৱা হোৱা আৰু শস্য বৃদ্ধি কামনা কৰাই ইয়াৰ তাৎপৰ্য বুলিব পাৰি। প্ৰতি গাৱঁৰ মুখীয়াল লোকৰ মৃত্যু ক্ষেত্ৰত কৰা শ দাহ আৰু সাধাৰণ শ্ৰেণীৰ মানুহৰ শ দাহ প্ৰথাতকৈ বেলেগ।

নক্তেসকলে বিশ্বাস কৰে যে, মৃতাত্মা 'ৰাং' বা 'ৰা-গাং' হয় আৰু পুনৰ জন্মৰ বাবে আকাশত থকা 'বলুম' বা 'ইওলিম' লৈ গুচি যায়গৈ। মৰা শ হস্তান্তৰ কৰোঁতে ই দিনৰ বেলা চিলাৰ আকৃতি ধৰে। তেওঁলোকে ঘৰৰ ওপৰেদি চিলাকৃতিৰ বস্তু উৰি যোৱা দেখিলে মৃতকৰ আত্মা বুলি ভাবি মাটিত পানী ঢালে। অস্বাভাৱিকভাৱে মৃত্যু হোৱা লোকৰ আত্মা অসৎ প্ৰকৃতিৰ ভূতলৈ ৰূপান্তৰিত হয় বুলি ভাবে। বিপদগ্ৰস্ত হৈ মৰা মানুহৰ শ হস্তান্তৰিত কৰি ওখ চাঙত থয়। অধুনা কোনো কোনো নক্তে কাঠেৰে শ দাহ কৰা দেখা যায়।

কাক্কেৱাল সকলে শ চিতাত তুলি, ওপৰ ফালৰ পৰা অগ্নিসংযোগ কৰে। অৰণ্যে দহ বছৰৰ তলৰ লৰা-ছোৱালীক আৰু কনীয়া লোকৰ শ দাহ নকৰে।

তিৱাই মৰিশালিক মাংৰৰ মাংকৰ বা মাকৰ বোলে। অতীতত সকলো শকে গা-ধুওৱাৰ ৰীতি আছিল যদিও বৰ্তমান মানী লোককহে এনে ব্যৱস্থা কৰে। মৰা শটো ৰখা কোঠাৰ পৰা বাহিৰৰ ফালেলৈ এটা গাঁত খান্দে আৰু গাঁতৰ ভিতৰেদি পীৰা এখন পাৰে যাতে পানী বাহিৰলৈ যাব পাৰে। পীৰাৰ ওপৰত বহুৱাই কেঁচা হালধি, সৰিয়হ আৰু মাহ পিচি মিশ্ৰণ কৰি গাত ঘঁহি গা ধুৱাই চাফা কৰে। ইয়াৰ অন্তত তৃণ জাতীয় উদ্ভিদ যথা, ফঁহৰা আৰু গন্ধ বিৰিণাৰ ৰস থকা সৰিয়হ তেলৰ সৈতে মিহলাই শ'ৰ গাত ঘঁহি শটো বাঁহৰ চাৰিত শোৱাই নতুন বস্ত্ৰৰে ঢাকি থয়। সেই সময়ত মিত্ৰিৰ কুটুম্বে পাৰ্শ্বমানে বস্ত্ৰ দান কৰে। গা ধুওৱা কাৰ্য মহিলা গিয়াতিয়ে কৰে আৰু তেওঁক আন তিৰোতাই সহায় কৰে। সধৱা মৰিলে গা ধুওৱাৰ পাচত সেন্দুৰৰ ফোঁট দিয়ে কিন্তু বিধৱাৰ ক্ষেত্ৰত এনে নিয়ম নাই। মানুহ মৰিলে মৃতকৰ গৃহটোল বংশৰ লোকে একাঞ্জলিকৈ চাউল আনে। সেই চাউলৰে মাইকী গিয়াতিয়ে ভাত ৰান্ধে আৰু লগতে এটা বা দুটা কুকুৰা কণীও সিজায়। ভাতখিনি থৰাতি বা ডলাত উবুৰিয়াই থবলৈ, তলত কলপাত এখন পাৰি লয়। খালি চৰুটোত এডাল আৰু আধা পুৰা বা দুপুৰা খৰিখিনি ৰাখি, ভৰিয়াই গৈ নিজৰ খাৰীৰ এচুকত বা ওচৰৰ চৰকাৰী মাটিত নেওচি দিহে মৃতকক গিয়াতিয়ে ভাত কটিয়াব লাগে। কোনো তিৱাই কণীৰ লগতে বেঙেনাও সিজায়। ইয়াৰ বাহিৰেও মৃতকলৈ ভাত, কণী, মদ আৰু পানী আগ কৰে। এই বস্তুবোৰ কল-পাতৰ ঠোঙা তিনিটা সাজি, তাত ভৰাই লৈ শটোৰ শিতানত থিৰ কৰি ৰাখে। ভাত কটিওৱাৰ পাচত কুকুৰা কণী এটা ভাঙি, তাৰ কুহুম মৃতকৰ ভৰিৰ পৰাত মিহিকৈ ঘঁহে। ইয়াৰ অন্তত সাত কুলৰ সাত ভনী হলে সাত ডাল আৰু ন কুলৰ ন ভনী হলে ন ডাল এৰাঁ সূতা একজাপ কৰি লৈ পুনৰ তিনি জাপ কৰে।



ইয়াৰ পাচত তিনি পাক দি প্ৰায় এক ইঞ্চি ব্যৱধান ৰাখি ভৰিৰ দুই বুঢ়া আঙুলিত জোট কৰি বান্ধে। চিতা সাজি হলে পুৰুষ গিয়াতিয়ে শটো চিতালৈ নিবলৈ আদেশ দিয়ে। তিৱাৰ মৃতদেহ চিতালৈ নিয়াখো বহুতো নীতি আছে। কোনোৱে শটো ভৰাই থোৱা চাৰিৰে মেৰিয়াই তিনিটা বান্ধ দি বগা কাপোৰেৰে ঢাকে আৰু কোনোৱে মৰদাকৈ কাপোৰেৰে ঢাকে। কোনোৱে আকৌ শটোৰ ওপৰত অৰ্দ্ধ চন্দ্ৰাকৃত চিলিঙি দি কাপোৰেৰে ঢাকি লয়। চাঙীখন কান্ধত লোৱাৰ পাচত চাঙীৰ তলত কণী এটা ভাঙে। এটি জীৱনৰ অৱসানেই ইয়াৰ তাৎপৰ্য। 'চেপাত' থকা সকলক এডাল ভাৰ বাৰীত কৰিয়াই শ্মশানলৈ নিয়ে। শটো কান্ধত তুলি লোৱাৰ লগে লগে, শেষবাৰৰ বাবে মৃতকক সেৱা জনায়। মানী লোক মৰিলে ঢুলীয়াই ঢোল বজাই গাওঁ নক জনায়। মানী লোকৰ শ শ্মশানলৈ নিয়াৰ আগতে গাত চন্দন ঘঁহে আৰু ধ পধুনা জ্বলায়। শটোৰ আগে আগে ঢুলীয়াই বৰ ঢোল, পাতি ঢোলত চাপৰ দিয়ে আৰু পেঁপা-কালি বজাই শোভাযাত্ৰা কৰে। মুখাগ্নি কাৰ্য শেষ হলেই বাদ্য বজোৱাও শেষ হয়। তিৱাৰ ৰজা মৃত্যু হলে নতুনকৈ ৰজা নপতা সময়লৈ ৰজাৰ শ চিতালৈ নিনিয়ে। নতুন ৰজাই নটীয়া তামোলৰ বটা লৈ মৃত ৰজাক সেৱা জনালেহে শটো নিব পাৰে। ইয়াৰ তাৎপৰ্য হল ৰাজ পদ মাগন। অবিবাহিত তিৰোতাৰ মৃতক কলপতুৱা এডোখৰ সাৰটাই শ্মশানলৈ নিব লাগে। এনে ধৰণৰ মৃতদেহ দেখিলে তিৱাসকলে পাপ লাগে আৰু যাত্ৰা অশুভ হয় বুলি বিশ্বাস কৰে। পাহাৰীয়া তিৱাই মৃতদেহ থোৱা ঠাইত চালনীৰে ফুট ছাই ঢালে আৰু চালনীৰে শটো ঢাকে। মাকৰ শালিৰ পৰা ঘূৰি আহি শ দাহনকাৰীসকলে সেই ছাইৰে মংগল চাই, কি কাৰণে ব্যক্তিজন মৰিল তাৰ প্ৰমাণ নিৰ্ণয় কৰে। বৰ্তমান তিৱা সমাজৰ শ সংকাৰ পদ্ধতিৰ বহুতো পৰিবৰ্তন হৈছে। সাধাৰণতে তিৱা সমাজত পাঁচ বছৰ বয়সৰ পৰা ওপৰৰ লোকক দাহ কৰে আৰু বাকী সকলক 'চেপাত' থোৱা প্ৰথা আছে, কিন্তু অস্বাভাৱিক ভাৱে মৃত ব্যক্তিক চেপাত থোৱা ৰীতি আজিও প্ৰচলিত। তিৱাই অধুনা মৃতকৰ শ্ৰাদ্ধ তিনি ৰকমে পাতে, যেনে তিন দিনত দহা আৰু মাহেকত কৰম।

বড়ো-কছাৰীয়ে শ দাহ নকৰে যদিও, বৰ্তমান দুই এজনক দাহ কৰা দেখা যায়। অতীতত তেওঁ-লোকে শটো মৰিশালিত এনেয়ে পেলাই থৈ আহিছিল বা পুতি থৈছিল। শটো বনৰ জন্তু বা প্ৰাণীয়ে নাখালে পাপী জীৱ বুলি গণ্য কৰে। তেওঁলোকে বাঁহৰ দুডাল খামত পথালিকৈ কলগছ তিন ডোখৰ পাৰি শ নিয়া চাঙী সাজে। তাওৰ শ নিবলৈ ফলীয়া কলগছৰ ডোখৰ বোৰ কামীৰে বান্ধে। শটো চাঙীৰ কাষলৈ অনাৰ পাচত গা-পা ধুৱাই আৰু পাৰিলে গাত সুগন্ধি তেল বা খোৱা তেল ঘঁহে। মৃতকৰ মুখ ফনিয়াই চাঙীত তুলি লৈ ভজা চৰাইৰ মাংসৰে সৈতে ভাত কঢ়িওৱাৰ দৰে ভাও কৰিব। ইয়াৰ অন্তত বগা বস্ত্ৰৰে ঢাকি লৈ শটো বেঁতেৰে বান্ধে। চিতালৈ নিয়াৰ আগত সকলোৱে মৃতকক সেৱা জনায়। চাঙীখন চাৰিজন মানুহে কান্ধেৰে কঢ়িয়াওঁতে, আগে আগে এজন মাৰ্জীয়াৰী বংশৰ লোকে বা বয়োবৃদ্ধলোকে বাঁহৰ চুঙাত গোবৰ মিশ্ৰিত পানী, সোণৰ আঙঠি, আগ থকা দুবৰি ন ডাল, তুলসীৰ ঠানি, এৰাঁ সূতাৰে ন মেৰ দি এৰাঁ সূতাৰে মৰিশালিলৈ টানি গৈ থাকে আৰু মৰিশালি পোৱা মাত্ৰেই বহি থাকে। অৱস্থানুযায়ী মৃতদেহ দাহ কৰা, পুতি থোৱা আৰু পেলাই দিয়া, এই তিনিটাৰে এটা ব্যৱস্থা কৰে। অবিবাহিত মৃতকৰ শিতানত এজোপা কল পুলি কৰে কিন্তু বিবাহিতা নাৰী আৰু পুৰুষৰ ক্ষেত্ৰত আঁহতৰ পাত ভৰা ঠানি এডাল কৰে। শ কঢ়িয়াই নিয়া প্ৰতিজন মানুহেই আঁহত পাতেৰে মৃতকক এচলুকৈ পানী খুওৱা ভাও কৰি কয় 'হেৰা অমুকা আজি পৰা আমাৰ মাজত তোমাৰ একো সম্বন্ধ নাই।'

বড়ো-কছাৰীয়ে শৱ কাণত এখন দা বা কটাৰী, এটা বাটি বা চক, এটা তামৰ পইচা বা চৰুতীয়া আৰু ধান শেৰৰ মুঠি এটা থৈ আহে। তেওঁলোকে মৃতকৰ শ্ৰাদ্ধ পতাৰ প্ৰথা আছে। শ্ৰাদ্ধৰ দিনা প্ৰাণগ্ৰন্থে 'মুচা বাথৌ মহাবাজা'ক পূজা দিছে, বাইজক ভোজ দিয়া প্ৰথাখিনি আৰু মদ, মৃতক আৰু পূৰ্ব পুৰুষসকলক, চভালৰ দক্ষিণ কালে আগ বঢ়ায়। পুৰুষ মৰিলে, তেওঁৰ সন্মানাৰ্থে বাড় এটা এৰি দিয়ে। শ্ৰাদ্ধৰ ভোজত মাছ-মাংসৰ ব্যৱস্থা নাই যদিও কোনো কোনো বড়ো-কছাৰীৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়।

মিজিৰ (কামেং জিলাৰ) গুৰুং আৰু গুলুং কৈৰৰ পৃথক পৃথক শ্মশান স্থলী আছে। মিজিয়ে শটো কাপোৰেৰে মেৰিয়াই বহা অৱস্থানেৰে শ্মশানলৈ নিয়ে। হাত আৰু ভৰি বুকুকালে লৈ শটো গাঁতত শুৱায়। শ'ৰ লগত এখন দা আৰু খাদ্য কেতবোৰ দিয়ে। মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা বস্তুবোৰ দিবলৈও পাহৰে। কাঠৰ তক্তাৰে শটো ঢকাৰ পাছত মাটি দিয়ে। কাঁড়ৰ নিচিনাকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ বাৰী কবৰৰ ওপৰত আকাশলৈ জোঙা কৰি পুতি থয়। পৰিয়ালৰ কোনো লোকৰ মৃত্যুৰ দিনা ঘৰৰ কোনো কাম আৰু কৃষি কৰ্মৰ পৰা আঁতৰত থাকে। শ দাহনকাৰী সকলক ইষ্ট-কুটুম্বে পোৱাই-খোৱাই সন্তুষ্ট কৰে। পাঁচ দিনৰ মূৰত মৃতকৰ ঘৰে গঞ্জাক এটা ডাঙৰ ভোজ দিয়ে আৰু ভোজৰ একাংশ কাঠৰ প্লেটত থৈ মৃতকৰ মৰিশালিৰ ওপৰত ওলমাই থাওঁলৈ।

ডফলাৰ শ সৎকাৰ প্ৰণালী বেলেগ বেলেগ ধৰণৰ। তেওঁলোকে ঘৰৰ কাষতে শটো কবৰ দিয়ে। কবৰ স্থানত বাঁহ আৰু কাঠেৰে এটা তম্বু সাজে। বলি দিয়া জীৱ-জন্তুৰ শিং আৰু ডিঙিৰ বটী, লঘপাত আৰু আনৰ কোণবে স্তম্ভটো আকৰ্ষণীয় কৰে। পানীয় অঞ্চলতহে এনে ব্যৱস্থা কৰা দেখা যায়। উকম (আত্মা) আৰু ভূতে শটো খাবলৈ ভয় কৰাবৰ হেতু কবৰৰ ওপৰত জন্তু ধৰা ফান্দ পাতে। বণুৱা বা সাধাৰণ শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত এনে ব্যৱস্থা কম পৰিমাণে দেখা যায়। ডফলাই লখা-ভোৱালী মৰিলে কফিনত ভৰাই থয়। চাৰি ফুট দীঘল আৰু এহাত বাগৰ ফুতোৰৰ মাজৰখন কোপোৱা কাঠৰ ভিতৰত শটো ভৰাই থয়। গলীয়া কাঠ ডুল্ৰোৰৰ কোবা লগাই দুই মূৰে বেঁতেৰে টানকৈ বান্ধে। ডবোটা মূৰত বোকাৰে লিপি, এনে ভাবে বান্ধে যে, শটোৰ গেলা-পঁচাখিনি বাহিৰলৈ ওলাব নোৱাৰে। ডফলাই দুটা কেৰেঙনি যেনা গ ৰ ডাল পুতি, কফিনটো মাটিৰ পৰা কিছু ওপৰত ওলমাই থয়। মৃতকৰ আত্মা পুঁৰতি নিশালৈকে শ'ৰ লগতে থাকে বুলি ডফলাই বিশ্বাস কৰে। সেই দিনটোক পুঁৰতি নিশা মৃতাত্মাক খেদিবৰ বাবে মৃতকৰ ঘৰত জন সমাগম হয়। তেওঁলোকে চিকাৰ কৰা বা বণৰ শস্য লৈ, ঘৰৰ এচুকৰ পৰা আনটো চুকলৈ খুচি কাটি আত্মাক খেদেদিয়ে। কোনোৱে আকৌ খেৰ লৈ আৰু কোনোৱে কাঁড় আকাশলৈ মাৰি মৃতাত্মাক ভয় খুৱায়, যাৰ দ্বাৰা মৃতাত্মা আঁতৰি যায় বুলি ডফলাই বিশ্বাস কৰে। পানীয় অঞ্চলত ধনীলোকৰ শ ইষ্ট-কুটুম্বৰ দৰ্শনাৰ্থে দুই তিনি দিনলৈ ৰাখে। ডফলাই কাহিলি কাচিলি পুৰাতে শটো পুতিবৰ বাবে এডোখৰ ঠাই নিৰ্বাচন কৰে। মৃতকৰ স্বামী বা স্ত্ৰীয়ে সেই ঠাইলৈ আহি এঞ্জাল বাৰীৰে অলপ মাটি খান্দেছি। প্ৰথমে বৰ্গক্ষেত্ৰা-কৃতিৰ গাঁত হাবে খান্দি, আৰু মাটি চাৰিওফালে দলিয়াই কান্দে আৰু কিছু কথা কয়। ইয়াকে 'ছিলি বেণা চ' বুলি কয়। ইয়াৰ অন্তত ইষ্ট-কুটুম্বে গাঁত খান্দি, চুঘন্টাৰ ভিতৰত কাঠ আৰু বাঁহৰ স্তম্ভ তৈয়াৰ কৰে। ঘৰত কন্যা-কটা চলি থকাৰ সময়ত অকছি-বড়ছি সকলক মদ-পানীৰে আপ্যায়িত কৰে। পুৰোহিতে যাত্ৰা মাতি শেষ কৰাৰ পাছত জীৱ-জন্তু বলি দিয়ে। ব্যক্তি অনুসৰি বলি-বিধান দিয়াতো পাৰ্থক্য আছে। 'চদা'ৰ শ্ৰেণীৰ ক্ষেত্ৰত এটাকৈ ছাগলি আৰু গাহৰি

ড° পূৰ্ণানন্দ শইকীয়া

# অসমীয়া কাব্যত জাতীয়তা

মানৱৰ আশা-আকাংক্ষা, আবেগ-অনুভূতি, বিৰহ-মিলন, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, ধৰ্ম-কৰ্ম, দৰ্শন-বিজ্ঞান, ৰাজনীতি-অৰ্থনীতি আদি সমুদায় চিন্তা-চৰ্চা সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাৰ মাজত ধৰি ৰখা হয়। এনে বহু চিন্তা-চৰ্চা বিশেষ স্থান-কালৰ যেন হৈ পুৰণি পুৰণি লাগিলেও তাৰ এটি 'অৱশেষ অমিয়া জোকাৰ' চিৰকলীয়া হৈ থাকে। এই 'অমিয়া জোকাৰ'ৰ মূল হৃদয়-তন্ত্ৰী হৈছে-এক গভীৰ জাতীয়তা-বোধ। মানৱৰ স্বভাৱজাত আত্ম-প্ৰীতি আৰু স্বজন-প্ৰীতিয়েই বহল পৰিধিৰ জাতীয়তালৈ ৰূপান্তৰিত হয়। মানৱৰ চিন্তা-চৰ্চাৰ প্ৰধান বাহন হৈছে ভাষা আৰু ইয়াৰ সংস্কৃত ৰূপেই সাহিত্য। সেয়ে জাতীয় সাহিত্যত জাতীয়তাৰ এটি প্ৰলেপ প্ৰত্যক্ষে নাইবা পৰোক্ষে লক্ষ্য কৰা যায়। দুৰ্ভাগ্যবশতঃ মানৱৰ সংজাত-প্ৰবৃত্তি জাতীয়তাবোধক আধুনিক কালৰ তথাকথিত মানৱতাবাদীসকলে "আঞ্চলিকতাবাদ" নাইবা "প্ৰাদেশিকতাবাদ" আখ্যা দিয়া দেখা যায়। এজনে তেওঁৰ 'মাতৃ'ক 'আই' বুলি সম্বোধন কৰিলে ওচৰতে থকা আন এজনৰ মাতৃক অৱজ্ঞা কৰা নুবুজায়। ঠিক তেনেদৰে এজনে তেওঁৰ ভাষা, সাহিত্য, সংস্কৃতি, তেওঁ বাসকৰা গাওঁ, চহৰ, জিলা, প্ৰদেশ এখনক 'ভাল পাওঁ' বুলি কলে, অন্য এজনৰ তেনে ভাল পোৱা'ক হেয় জ্ঞান কৰা নুবুজায়। জাতীয় সন্ধিক্ষণৰ একো একোটা উপলক্ষত জাতীয় সাহিত্য ন ন প্ৰেৰণাৰে সমৃদ্ধ হোৱা দেখা যায়। গীত-মাত, কবিতা-কাব্য, গল্প-প্ৰবন্ধ নাটক-উপন্যাস সকলোতে জাতীয় ভাবৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি লক্ষ্য কৰা যায়। সৰহ কি, এটা সন্ধিক্ষণৰ জাতীয়তাভাবাদৰ্শ আন এটা সন্ধিক্ষণৰ জাগ্ৰত প্ৰহৰী যেন হৈ পৰে। সেয়েহে, ভাৰতৰ স্বাধীনতা আন্দোলনৰ সন্ধিক্ষণত ৰচিত জাতীয়তা ভাৱৰ কবিতা এফাকি সাম্প্ৰতিক বিদেশী বহিষ্কাৰৰ জন-জাগৰণত অমোঘ মন্ত্ৰ যেন হৈ পৰিছে। আৰু এই মন্ত্ৰ ফাকি হ'ল—"জয় আই অসম" : সাহিত্য-ৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জাতীয়তাৰ শিকনি।

'অসমীয়া কাব্যত জাতীয়তা'—এটি গভীৰ অধ্যয়নৰ বিষয়। কাহিনী কাব্য আৰু ৰোমাণ্টিক কবিতা—উভয়তে এই জাতীয়তা বিৰাজমান। প্ৰবন্ধৰ সীমিত পৰিসৰত আমি কাহিনী কাব্যত জাতীয়তাক লৈহে আলচ আগ বঢ়াম।

সাহিত্যত জাতীয় ভাব অন্তঃসলিলা ফল্গুসদৃশ চিৰপ্ৰৱাহমান। অসমীয়া সাহিত্যত বিশেষকৈ কাব্যত, ইয়াৰ উৎস অতি প্ৰাচীন। মধ্য যুগীয় কাব্যত ইয়াৰ এটি স্পষ্ট প্ৰকাশ আমাৰ চকুত পৰে। এই যুগৰ দুজন প্ৰখ্যাত কবি হৰিবৰ বিপ্ৰ আৰু মাধৱ

কন্দলীৰ ৰচনাত জাতীয়তাৰ আঁহি পৰোক্ষভাৱে আহি আমাৰ হাতত পৰে। মহাভাৰত-ৰামায়ণৰ সৰস আৰু নিৰ্ভাজ অসমীয়া অনুবাদত এই দুজনা মহান কবিয়ে অসমীয়া সমাজ-সংস্কৃতিৰ ছাপ বহুৱাই দিবলৈ সক্ষম হয়। বিশেষকৈ, কবি হৰিবৰে তেওঁৰ কাব্য 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ'ৰ কাহিনী উপস্থাপনত মহাভাৰতৰ কাহিনীৰ এনে অংশৰ আশ্ৰয় লৈছে য'ত পুৰণি কামৰূপৰ প্ৰসিদ্ধ বীৰ বভ্ৰুবাহন আৰু তাম্ৰধ্বজৰ অপৰাজেয় বীৰত্ব প্ৰকট হৈছে; য'ত মহাভাৰতৰ বীৰ মহা-ধনুৰ্দ্ধৰ অৰ্জুন নিহত হৈছে আৰু সুদৰ্শনধাৰী ঈশ্বৰ-কৃষ্ণ বিমূৰ্চ্ছিত হৈছে। বভ্ৰুবাহন আৰু তাম্ৰধ্বজ লগলাগিলে কুৰুক্ষেত্ৰ ৰণৰ বিজেতা-সকলৰ অৱস্থা কি হব পাৰে—কাব্য দুখনিৰ ৰসজ্ঞ পাঠকে সহজে অনুমান কৰিব পাৰিব।

নবজন্ম যুগৰ ঐশ্বৰিক প্ৰতিভাৰ মহাপুৰুষ আৰু মহাকবি শঙ্কৰদেৱৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া কাব্য—'ৰুক্মিণী হৰণ,' পীতাম্বৰ দ্বিজৰ 'উষা পৰিণয়' আৰু চন্দ্ৰভাৰতীৰ (অনন্ত কন্দলী) 'কুমৰ-হৰণ'ৰ অন্তৰালতো কবিসকলৰ জাতীয়তাবোধৰ সম্যক পৰিচয় পোৱা যায়। মহাভাৰতৰ হাজাৰ-বিজাৰ কাহিনীৰ মাজৰ পৰা কবি-সকলে পুৰণি কামৰূপ জীয়ৰী বিদৰ্ভকুমাৰী ৰুক্মিণী আৰু শোণিতকুমাৰী উষাৰ প্ৰণয়-পৰিণয়ৰ কাহিনীক নিৰ্ব্বাচন কৰি লৈছে। শঙ্কৰদেৱে ৰুক্মিণী-হৰণৰ ওপৰত কাব্যখনিৰ উপৰিও এখনি অঙ্কীয়া নাটো ৰচনা কৰিছে। একে বিষয় বস্তুৰ ওপৰত এনে গুৰুত্ব আৰোপ কৰাৰ মূলত আছে মহাপুৰুষজনাৰ মহান জাতীয় চৈতন্য। থোৰতে কবলৈ গলে 'ৰুক্মিণী হৰণ কাব্য' অসমীয়া সমাজ-সংস্কৃতিৰ এক চৌৰঙ্গ ছবি: কাব্যৰ পাতে পাতে অসমীয়া মাত-কথা ৰীতি-নীতি ধৰ্ম্ম-কৰ্ম্ম, আচাৰ-ব্যৱহাৰ, ৰাজসভা, ঘৰ-দুৱাৰ, নাৰীৰ বস্ত্ৰ-অলঙ্কাৰ, সামাজিক বিবাহ-অনুষ্ঠানৰ উপৰিও অসমীয়া সমাজৰ পিতা-পুত্ৰ, ভ্ৰাতৃ-ভগিনী, বিয়৹-বিয়নী কুল পুৰোহিত, ডেকা-গাভৰু, সামান্য ধাই পৰ্য্যন্ত উদ্ভাসিত হৈছে। এইখিনিতে উল্লেখ কৰা উচিত হব যে আধুনিক অসমীয়া সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ শিল্পী, নাট্যকাৰ জ্যোতিপ্ৰসাদে "কুমৰ-হৰণ"ৰ আঁহিৰে তেওঁৰ প্ৰথম নাট্য-প্ৰয়াস "শোণিত-কুঁৱৰী" আগ-বঢ়ায়। এইয়া জানো একে জাতীয়তাৰে যুগোত্তীৰ্ণ অভিব্যক্তি নহয়?

পশ্চিমীয়া আৰ্হিৰ অমিত্ৰাক্ষৰ ছন্দৰ আধুনিক অসমীয়া কাব্যত জোনটো তৰাৰ দৰে জিলিকি থকা কবিজনা হল—হিতেশ্বৰ বৰবৰুৱা। তেওঁৰ পদাঙ্ক অনুসৰণ কৰা আন জনা প্ৰখ্যাত কবি—দণ্ডিনাথ কলিতা। এই দুজনা কবিৰ কাব্যত জাতীয়তাৰ প্ৰত্যক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়। পৰাধীনতাৰ গ্লানিত জাতীয় চৰিত্ৰ নষ্ট হোৱা বুৰঞ্জীপ্ৰসিদ্ধ অসমীয়া জাতিৰ জাতীয় চৈতন্য জাগ্ৰত কৰাই হল এই কবি দুজনাৰ কাব্য-ৰচনাৰ অন্তৰালৰ মূল কথা। আৰু এই মহান কাৰ্য্যৰ বাবে তেওঁলোকে জাতীয় বুৰঞ্জীৰ যুগসন্ধিৰ কাহিনীৰ আশ্ৰয় লয়। হিতেশ্বৰ বৰবৰুৱাৰ জাতীয় ভাৱৰ প্ৰখ্যাত কাব্য কেইখনি হল—'কমতাপুৰ ধ্বংস বা সাদৰী,' "যুদ্ধক্ষেত্ৰত আহোম ৰমণী বা মূলা গাভৰু," আৰু 'তিৰোতাৰ আত্মদান বা জয়মতী।' দণ্ডিনাথ কলিতাৰ একমাত্ৰ কাব্যখনি হৈছে 'অসম সন্ধ্যা।'

কাব্য কেইখনিৰ মূল কথা হ'ল—ৰজা বিষয়াৰ স্বেচ্ছাচাৰিতা, অদূৰদৰ্শিতা, অত্যাচাৰ-উৎপীড়ন আৰু আত্মকলহ; যি কাৰ্য্যই দেশৰ শাসনযন্ত্ৰ দুৰ্ব্বল কৰি ৰাজনৈতিক ঘূৰ্ণিবতাহৰ সৃষ্টি কৰে; যাৰ ফলত দেশ বিদেশীৰ আক্ৰমণ লুণ্ঠন আৰু উৎপীড়নৰ কৰাল গ্ৰাসত পতিত হয়, সাধাৰণ প্ৰজাৰ বিপদ-বিপত্তিৰ পানীত হাহ নচৰা অৱস্থা হয়, সামাজিক প্ৰগতি বাধাগ্ৰস্ত হয়;



সৰহ নালাগে, দেশৰ শাসন-যন্ত্ৰও বিদেশীৰ কবায়ত্ত হবৰ উপক্ৰম হয়। দেশৰ এনে দুদিনৰ মুহূৰ্ত্তত জাতীয় চৈতন্যই বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰে। তাৰে প্ৰতীক হৈছে—'কমতাপুৰ ধ্বংস'ৰ ৰাণী সাদৰী, 'তিৰোতাৰ আত্মদান'ৰ ৰাণী জয়মতী, 'যুদ্ধক্ষেত্ৰত আহোম ৰমণীৰ বীৰাঙ্গনা মূলাগাভৰু আৰু 'অসম সন্ধ্যা'ৰ ষড়যন্ত্ৰ আৰু বিদ্ৰোহ। ইংৰাজ কবি শ্বেলীয়ে কোৱাৰ দৰে: "যদিহে শীত সমাগত, নহয় বসন্ত বেছি নিলগত।" (If winter comes, can spring be far behind?) শীত সদৃশ কাব্য-কাহিনীৰ অন্তত কবি-সকলৰ বসন্ত সদৃশ জাতীয় চৈতন্যই পৰম আশাৰ বীজ সঞ্চাৰ কৰে।

হিতেশ্বৰ বৰ বৰুৱাৰ কাব্যত অসমীয়াৰ সোৰো-পালি, বিশ্বাসহীনতা, ব্যৰ্থতাৰ চিত্ৰ বাগ্দেৱী-বন্দনাৰ মাজেৰে দাঙি ধৰা হৈছে। এই চিত্ৰ প্ৰকৃতাৰ্থত ব্যঙ্গাত্মক চিত্ৰ যেন হৈছে:

"মোৰা মাতৃ! হে ভাৰতি! ধৰিছো পাৰত,
গোৱা বীৰ-কীৰ্তি-গীত, বজোৱা বীণাত
বীৰ ৰস। ক'লা দেখি! কৰা কাণে কাণে,
আসামৰ প্ৰতিজনে,—'শোভে কি তোমাক—
পানৰ খোলাত' আজি? চকু দুটি মুদি
আলস্য সাৱটি থাকা? নাসাধি নিজৰ
জাতীয় উন্নতি, যাৰ জাতিৰ এদিন
যুঁজিছিলে বীৰাঙ্গনা, ত্যজিছিলে প্ৰাণ
দেশৰ মঙ্গলহেতু,—ৰাখিব দেশৰ
স্বাধীনতা, কীৰ্তি-যশ,—যাছিল বি জাতি
স্বাধীন, একাদিক্ৰমে সপ্তশত বৰ্ষ
কৰিলে ৰাজত্ব? তাৰ সন্ততি-সন্তান
'পানৰ খোলাত' আজি? কি লজ্জা-হা ধিক!"
('যুদ্ধক্ষেত্ৰত আহোম ৰমণী')

ঠিক তেনেদৰে দণ্ডিনাথ কলিতাই জাতীয় ভাৱত উদ্বুদ্ধ হৈ গাইছে:

"আহিবনে কেতিয়াবা এনে শুভ দিন
যিদিনা অসমবাসী হ'ব এক প্ৰাণ,
সকলোৰে স্বাৰ্থ হব একত বিলীন,
জাগিব জাতীয় প্ৰেম, জাগিব সন্মান?
আহিবনে সেই দিন যিদিনা দেশত
উপচি পৰিব আলো জ্ঞান-বিজ্ঞানৰ,
দেশৰ কল্যাণ হ'ব জীৱনৰ ব্ৰত,
নোলাব এজনো লোক পৰশ্ৰীকাতৰ?
কেতিয়া প্ৰভাত হ'ব সি মহাদিনৰ
যিদিনা উঠিব জাগি লুপ্ত জাতীয়তা!
অসমে বন্ধন ছিঙি পৰ-দাসত্বৰ
উদ্ধাৰিব লুপ্ত কীৰ্তি, লুপ্ত স্বাধীনতা!"
(অসম-সন্ধ্যা)

জাতীয়তাৰ এনে অলেখ উদাহৰণ অসমীয়া কাব্যৰ পাতে পাতে মণি-মুকুতাৰ দৰে জিলিকাদি জিলিকি আছে। জাতীয় সঙ্কটৰ যি কোনো মুহূৰ্ত্ততে এনে কাব্য সাহিত্যই জাতীয় চেতনা জাগ্ৰত নকৰি নাথাকে। সেয়ে আজি অসমৰ জাতীয় সঙ্কটৰ চৰম ক্ষণত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জাতীয়তাৰ বাণী—'জয় আই অসম'—পাঞ্চজন্যৰ অমোঘ নিনাদ যেন হৈ অসমীয়াৰ কলিজা ফালি ওলাই আহি অসমৰ আকাশ বতাহ কঁপাই তুলিছে।

"জয় আই অসম"

—×—

ড° মহেন্দ্ৰনাথ বৰা

# সত্তৰৰ দশকত অসমীয়া বিজ্ঞান সাহিত্য

বিজ্ঞানে বিশ্বৰ আধুনিক সভ্যতাক জীপ দি ৰসাল কৰি বহু দূৰ আগুৱাই আনিছে। জীৱন যাত্ৰাৰ লগত এবাৰ নোৱাৰা বিষয় হৈ পৰা বিজ্ঞানৰ বিবিধ অৱদানেৰে জন-জীৱনক জগাই তুলিবলৈ যাওঁতে কোনো কোনো জাতিৰ সাহিত্য মঞ্চত বিজ্ঞানে প্ৰবেশ কৰে। তেতিয়াই জন্ম হয় বিজ্ঞান সাহিত্যৰ। বিজ্ঞান সাহিত্যক মাইকৈ তিনিটা ভাগত ভগাব পাৰি—বিদ্যাৰ্থী বিজ্ঞান সাহিত্য, জন বিজ্ঞান সাহিত্য আৰু গৱেষণামূলক বিজ্ঞান সাহিত্য। নানা শাখা-প্ৰশাখা আৰু তত্ত্বৰে ভৰা বিজ্ঞান বিষয়ক পোণ পটীয়াকৈ আলোচনা কৰা বিধক বিদ্যাৰ্থী বিজ্ঞান সাহিত্য, বিজ্ঞানৰ বিবিধ বতৰাবোৰক প্ৰবন্ধ, গল্প, উপন্যাসিকা, কথোপকথন আদি নানা ভাৱে জনগণৰ আগত উপস্থাপন কৰা বিধক জন বিজ্ঞান সাহিত্য আৰু তত্ত্ব, আৱিষ্কাৰ আদি জটিল মৌলিক বিষয়ৰ ওপৰত লিখা সমূহক গৱেষণামূলক বিজ্ঞান সাহিত্য বুলি কব পাৰি। কিতাপ, আলোচনী, বাতৰিকাকত ৰেডিঅ,' দূৰদৰ্শন, কম্পিউটাৰ—এই কেইটা বিধেই হৈছে বিজ্ঞান সাহিত্যৰ মাধ্যম। এইবোৰৰ উপৰিও ব্যক্তিগত যোগাযোগ, আলোচনা চক্ৰ ৰচনা প্ৰতি-যোগিতা আদি আলমৰ মাজেদিও বিজ্ঞান সাহিত্যই প্ৰসাৰিতা লাভ কৰে।

পশ্চিমীয়া উন্নত দেশবোৰৰ বাবে ৰমণীয়া বিজ্ঞান সাহিত্যই জাতিৰ দাপোণ স্বৰূপে কাহানিবাৰ পৰাই যেই-সেই সমাজত বিশেষ ভূমিকা লৈ আহিছে। ভাৰতীয় জীৱন যাত্ৰাক বিজ্ঞানৰ বিচিত্ৰতাই পলমকৈ প্ৰভাৱান্বিত কৰা আৰু বিজ্ঞানক ভাৰতীয় দৰ্শনত কেৱল তাত্ত্বিক আলোচনাৰ মাজতে সীমাবদ্ধ ৰখাৰ কাৰণে ইয়াৰ বিভিন্ন ভাষাৰ বিজ্ঞান সাহিত্যৰ জন্মও পলমকৈ হল। অসমীয়া বিজ্ঞান সাহিত্যই কুৰি শতিকাৰ ষাঠি দশকৰ পৰাহে ঠন্ ধৰি উঠিছে বুলি কব পাৰি, তাৰ আগতে স্কুলত অৱহেলিত বিষয় হিচাবে ৰখা বিজ্ঞান পাঠ্যক্ৰমৰ দুই এখন অসমীয়া বিজ্ঞান পাঠ্য পুথি আৰু ৰামধেনু, দীপক আদি আলোচনীত ছেগা-চোৰোকাকৈ ওলোৱা বিজ্ঞান প্ৰবন্ধৰ বাহিৰে অসমীয়া বিজ্ঞান সাহিত্যৰ অৱস্থা বৰ পুতৌ লগা। অৱশ্যে জোনাকী, আবাহণ, বাঁহী আদি আলোচনীতো বিজ্ঞান প্ৰবন্ধই মাজে সময়ে ভুমুকি মাৰিছিল। সত্তৰৰ দশকৰ পৰাহে অসমীয়া বিজ্ঞান সাহিত্যই জন জীৱনৰ অন্তৰ পৰশাকৈ লহ-পহীয়াকৈ ঠন ধৰি উঠিছে বুলি কব পাৰি। পুথি, আলোচনী বাতৰিকাকতৰ উপৰিও ৰেডিঅ'ই এই দশকৰ পৰা বিজ্ঞান সাহিত্যলৈ বিশেষ ভাৱে অৰিহণা আগবঢ়াইছে। দূৰদৰ্শন এতিয়াও উত্তৰ-পূব প্ৰান্তৰ বাবে আশাৰ সপোন হৈয়ে থকাৰ কাৰণে অসমবাসীয়ে এই মাধ্যমেৰে বিজ্ঞান সাহিত্যৰ সোৱাদ পোৱাৰ পৰা বঞ্চিত হৈ আছে।





১৯৬৮-৬৯ চনত ভাৰত চৰকাৰে ভাষানীতি আৰু বিশ্ববিদ্যালয়ৰ মহলাত আঞ্চলিকভাষাক শিক্ষাৰ মাধ্যম হিচাবে লোৱাৰ পৰিপ্ৰেক্ষিতত আৰু স্কুলত বিজ্ঞান শিক্ষাক বাধ্যতামূলক কৰাৰ ফলত এই দশকৰ আৰম্ভণিৰ পৰা অসমীয়া ভাষাত বিদ্যাৰ্থী বিজ্ঞান সাহিত্যই ৰমক-জমক হৈ উঠে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ 'পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি' দুখনে আৰু "অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্"ে অসমীয়া ভাষাত বিজ্ঞানৰ বিভিন্ন শাখাৰ পাঠ্যপুথিবোৰ যুগুতাই অসমীয়া বিজ্ঞান সাহিত্যৰ জেউতি বঢ়াইছে। অসম বিজ্ঞান সমিতিৰ দ্বাৰা সংকলিত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমিতিৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত (১৯৭৩ চনত) অসমীয়া বৈজ্ঞানিক পৰিভাষাই অসমীয়া বিজ্ঞান সাহিত্যক বিকশাই তোলাত বিশেষ অৰিহণা যোগাইছে। বিজ্ঞান শিক্ষাক জনপ্ৰিয় কৰি তোলাৰ মানসেৰে সত্তৰ দশকৰ আৰম্ভণিৰে পৰা বিজ্ঞান লেখ-নিৰে লিখকৰ ৰূপ সজীৱ হৈ পৰাৰ উপৰিও ছাত্ৰ, শিক্ষক আৰু সৰ্বসাধাৰণৰ মাজত অনুষ্ঠিত হব ধৰা নানাবিধ বিজ্ঞান আলোচনা চক্ৰ, ৰচনা প্ৰতিযোগিতা, ৰেডিঅ' বতৰা আদিয়ে অসমীয়া কথিত আৰু পঠিত বিজ্ঞান সাহিত্যলৈ জাগৰণ আনিছে।

সত্তৰ দশকৰ আৰম্ভণিলৈকে অসম বিজ্ঞান সমিতিয়ে ১৯৬১ চনৰ পৰা প্ৰকাশ কৰা 'বিজ্ঞান জেউতি'য়েই আছিল একমাত্ৰ অসমীয়া বিজ্ঞান আলোচনী। আলোচনী খনে কেনেদৰে অপ্ৰতীদ্বন্দী জন বিজ্ঞান সাহিত্যৰূপে খ্যাতি লাভ কৰি আছে সেই কথা নকলেও হ'ব। জনগণৰ মৰমৰ তাগিদাত তিনিমহীয়া বিজ্ঞান জেউতি ১৯৭৬ চনৰ পৰা দুমহীয়া কৈ প্ৰকাশ পাইছে। ১৯৭৫-৭৬ চনৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যা-লয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষক বৃন্দৰ পৰি-চালনাত প্ৰকাশ পোৱা 'পদাৰ্থ বিজ্ঞান পত্ৰিকা নামৰ বছেৰেকীয়া আলোচনী খনে পদাৰ্থ বিজ্ঞানৰ নতুন আৱিষ্কাৰ আৰু গৱেষণাৰ বিষয় বস্তুক অসমীয়া ভাষাত প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ মন জুৰুৱাব পৰাটো বিশেষ মন কৰিবলগীয়া কথা। পদাৰ্থ বিজ্ঞানৰ উপ-ৰিও ৰসায়ণ, প্ৰাণী, উদ্ভিদ, ভূগোল, নৃতত্ত্ব আদি বিজ্ঞানৰ আন আন শাখাৰো এনে ধৰণৰ পত্ৰিকা প্ৰকাশ হলে অসমীয়া বিদ্যাৰ্থী বিজ্ঞান সাহিত্য কিমান চহকী হব সেয়া সহজে অনুমেয়।

কটন কলেজৰ বিজ্ঞান শাখাৰ আলোচনী আৰু সেই শাখাৰে ১৯৭৪-৭৫ চনৰ 'স্পন্দন' আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ উপৰিও সৰ্বসাধাৰণ পাঠকৰো স্পন্দিত কৰিছিল। ১৯৭০-৭১ চনত প্ৰকাশিত 'দেহমন' আৰু 'স্বাস্থ্য-প্ৰদীপ' আলোচনীয়ে অসমীয়া ভাষাত স্বাস্থ্য বিজ্ঞান চৰ্চাৰ নতুন দিগন্তৰ সূচনা কৰিছিল যদিও এই বিধ আলোচনী পুনৰ আৰু প্ৰকাশ নহ'ল। ১৯৭৩-৭৪ চনত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ এটা দলেও 'লহৰ' নামৰ বিজ্ঞান আলোচনা প্ৰকাশ কৰিছিল। কেইটামান সংখ্যা ওলোৱাৰ পিছতে সেই আলোচনীৰ মুখ দেখাৰপৰাও পাঠক বঞ্চিত হ'ল। ১৯৭৯-৮০ চনত বিজ্ঞান সমিতিৰ নগাওঁ শাখাই বছেৰেকীয়া মুখ পত্ৰ হিচাবে উলিওৱা 'বিজ্ঞান বৰ্ণালী'য়ে অসমীয়া বিজ্ঞান আলোচনী সাহিত্য লৈ বিশেষ অৰিহণা আগবঢ়াইছে। এই দশকৰ অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিবেশন বোৰত প্ৰকাশিত স্মৃতি গ্ৰন্থবোৰে আৰু ১৯৭৪ চনত প্ৰকাশিত 'ড° হিৰণ্য ভুঞা' স্মৃতি গ্ৰন্থই অসমীয়া বিজ্ঞান আলোচনীৰ দিশত বিশেষ ভূমিকা লৈছে। ১৯৭৬ চনত এই সমিতিয়ে প্ৰকাশ কৰা 'বিজ্ঞান ৰচনা' ই বিজ্ঞান লেখনিৰ বাবে উথলি উঠা ন-লিখকৰ প্ৰেৰণা আৰু আশাৰ থাপৰ বহণ কৰিছে। তাৰোপৰি, বিভিন্ন কচীৰ অসমীয়া

আলোচনীবোৰত বিজ্ঞানৰ বতৰা, বিজ্ঞান ভিত্তিত গল্প, উপন্যাসিকা আদি প্ৰকাশ হ'ব ধৰিছে। এই যুগৰ আমাৰ প্ৰতিনিধি 'বিজ্ঞান চ ৰা' আৰু প্ৰকাশন পৰিষদৰ পৰা প্ৰকাশিত প্ৰকাশত 'বিজ্ঞান স্তম্ভ' নামৰ নিয়মীয়া শিতান আছে। ১৯৭৮ আৰু ১৯৮০ চনত প্ৰকাশিত প্ৰায়বোৰ চিন্তাশীল জনপ্ৰিয় আলোচনীতে বিজ্ঞানৰ লিখনিয়ে সমাদৰ লাভ কৰাটো বেচ মন কৰিবলগীয়া। সত্তৰৰ দশকত অসম চৰকাৰৰ বিভিন্ন প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত 'জন শিক্ষা' পত্ৰোভৰা, আমাৰ প্ৰগতি আদি আলোচনীত সাধাৰণ লোকৰ মন ছুকুৱা বিজ্ঞানৰ বাবে-ৰঙীয়া লিখনিৰে জক-মকাই আছে। পশু পালন, কৃষি আৰু জন-স্বাস্থ্যৰ বিষয়ে দশকটোত চৰকাৰে সৰু সৰু পুস্তিকা প্ৰকাশ কৰি জন জীৱনক বিজ্ঞান মুখী চলেৰে ধুৱাই তোলাৰ চেষ্টা কৰিছে।

এই দশকৰ শেষৰ কাললৈকে অসমীয়া বিজ্ঞান বাতৰি কাকতৰ জন্ম হোৱা নাছিল। ১৯৭৯ চনত বিজ্ঞান সমিতিৰ নলবাৰী শাখাই 'বিজ্ঞান পত্ৰ' আৰু ১৯৭৯ চনৰ মাজ ভাগৰ পৰা উত্তৰ লক্ষীমপুৰ বিজ্ঞান সমিতিয়ে 'বিজ্ঞান বাৰ্তা' প্ৰকাশ কৰি বিজ্ঞান বাতৰি কাকতৰ দীৰ্ঘদিনীয়া অভাৱক কিঞ্চিত হলেও পূৰণ কৰিছে। শক্তি আশ্ৰম বিজ্ঞান সমিতিয়েও লিথু কৰি উলিওৱা আৱিস্কাৰৰ বতৰা প্ৰধান 'বিজ্ঞান প্ৰবাহে'ও আশাৰ বাৰতা আনিছে। এইটো অনস্বীকাৰ্য যে অসমীয়া বিজ্ঞান বাতৰি নেথাকিলেও অৰুণোদয় যুগৰ পৰাই প্ৰকাশিত বাতৰি কাকত সমূহত বিজ্ঞানৰ খবৰ চেগা চোৰোকাকৈ ওলাই আছে। এই দশকত অসম বাণী, দৈনিক অসম, নীলাচল, জনমভূমি আদি জনপ্ৰিয় বাতৰি কাকত সমূহে সঘণে বিজ্ঞানৰ বতৰা পৰিবেশন কৰি অসমীয়া বিজ্ঞান বাতৰি কাকতৰ অভাৱ কিছুপৰিমাণে পূৰণ কৰিছে।

আজি বিজ্ঞান যুগত জন সংযোগ আৰু ছাত্ৰ-ছাত্ৰীৰ জিজ্ঞাসু মন বিজ্ঞানৰ জ্ঞানেৰে আলোকিত কৰি তুলিবলৈ নানাবিধ বিজ্ঞান পুথিৰ প্ৰয়োজন কিমান তাক সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰে। অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা, অসম বিজ্ঞান সমিতি আদি অনুষ্ঠানৰ উপৰিও বিভিন্ন প্ৰতিষ্ঠান আৰু প্ৰকাশকবোৰেও সত্তৰৰ দশকত নানা বিষয়ৰ বিজ্ঞান পুথি অসমীয়া ভাষাত প্ৰকাশ কৰি অসমীয়া বিজ্ঞান সাহিত্য ভঁৰাল কিছু টনকিয়াল কৰিছে।

৺পুণ্ডৰীকাক্ষ ভৰালীৰ "ধেমালিৰ চলেৰে বিজ্ঞান," ড° দীনেশ চন্দ্ৰ গোস্বামীৰ 'বিশ্ব ব্ৰহ্মাণ্ড,' 'মানুহ আৰু মহাকাশ,' 'অভিনৱ আৱিস্কাৰ', 'সংযোগ,' ড° অমৃত ফুকনৰ 'যদুমণিৰ বিজ্ঞান (২) "অনাতাঁৰ,' শ্ৰীজ্যোতি পাটোৱাৰীৰ 'বিজয়ৰ কাহিনী,' শ্ৰীক্ষীৰধৰ বৰুৱাৰ 'আকাশীযানৰ কথা,' শ্ৰীবিজয় কৃষ্ণ দেৱশৰ্মাৰ 'চন্দ্ৰ অভিযান,' ৺হৰেন্দ্ৰনাথ কলিতাৰ 'চন্দ্ৰ অভিযান,' শ্ৰীদীপেন্দ্ৰনাথ শৰ্মাৰ 'বিজ্ঞানৰ বিস্ময় কাহিনী," মীৰ নজৰৎ আলিৰ 'পৃথিৱী সলনি কৰা আৱিস্কাৰ সমূহ,' ড° মুকুল কুমাৰ শৰ্মাৰ 'পৰমাণু শক্তি' আদিয়েই এই দশকৰ প্ৰাকৃতিক বিজ্ঞানৰ উল্লেখনীয় পুথি। পুথি কেইখন সকলো স্তৰৰ পঢ়ুৱৈৰ মনৰ খোৰাক যোগাব পৰা বিধৰ। বিশেষকৈ "ধেমালিৰ চলেৰে বিজ্ঞান, সংযোগ অনাতাঁৰ— এই কেইখন পুথি শিশু আৰু 'কিশোৰক বিজ্ঞানৰ নানা কৌশল শিকনিৰে বিজ্ঞানমুখী কৰিব পৰা উপাদেয় পুথি হৈছে বুলিব পাৰি।

এই দশকত ৰাসায়নিক বিজ্ঞান পুথি বুলিবলৈ মাত্ৰ ড° যোগেন্দ্ৰনাথ বৰুৱাৰ ৰাসায়নিক আৱিস্কাৰ আৰু আমি,' আৰু শ্ৰীপ্ৰমোদ তামুলীৰ 'বিজ্ঞানৰ



...ৰিক'—এই দুখনৰ বাহিৰে আৰু চকুত নপৰিল। ...দীনেশচন্দ্ৰ গোস্বামীৰ 'ন-শিকাৰুৰ বাবে লেখ' ...ন্ন চামক গাণিতিক সুন্দৰ জ্ঞান দিব পৰা ...হণীয় পুথি।

শ্ৰীভিম্বেশ্বৰ চলিহাৰ 'চৰাই, প্ৰাণী জগতৰ বিস্ময় (১৯৭৮ চনৰ সাহিত্য সভাৰ বিজ্ঞ ন ঁটা বিজয়ী), ... পবিত্ৰকুমাৰ পাটোৱাৰীৰ 'উদ্ভিদ বিজ্ঞানৰ সাধু' ...সানেশ্বৰ শৰ্ম্মাৰ 'নীলিম সলিল ৰশ্মি', শ্ৰীশান্তনু ...লীৰ 'সৰীসৃপ' ড° সত্যেন্দ্ৰনাথ চৌধুৰীৰ 'এৰী ...-পাট' ড° কনকচন্দ্ৰ মহন্তৰ 'প্ৰাণী জগতৰ বিচিত্ৰ ...হিনী, ড° কালিনাথ শৰ্ম্মাৰ 'আমাৰ দেহ,' শ্ৰীমতী ...তি মেধিৰ 'চৰাই' আদিয়েই সত্তৰৰ দশকৰ জীৱ-...জ্ঞানৰ উপাদেয় পুথি বুলিব পাৰি। নানা জীৱ ...ৰ আৰু খনিজ সম্পদেৰে খুপ খাই থকা অপাৰ ...গৰৰ আশাভৰা বতৰাবোৰ এই দশকৰ বিজ্ঞান ...থি শ্ৰীক্ষীৰধৰ বৰুৱাৰ 'সাগৰৰ কথা' ড° অমৃত ফুকনৰ ...দুমণিৰ বিজ্ঞান' (১) সাগৰৰ কথা আৰু শ্ৰীৰমেশ ...স্বামীৰ 'সাগৰৰ কথা (২) (১৯৭৫ চনত অসম সাহিত্য ...ভাৰ দ্বাৰা পুৰস্কৃত) পৰা জানিব পাৰি। ড° শিশিৰ ...মাৰ দত্তৰ 'অসমৰ খনিজ সম্পদ' পুথিয়ে খনিজ সম্পদৰ বিজ্ঞানৰ পৰা বঞ্চিত সাধাৰণ মানুহৰ মনৰ ...ৰাক কিছু দিব পাৰিছে।

এই দশকত প্ৰকাশিত ড° অতুল গোস্বামীৰ ...ৰ স্বাস্থ্য-ৰোগ পথ্য, চিকিৎসা বিজ্ঞানৰ চমু ইতিহাস; ... গকুল বৰাৰ 'অকণিৰ স্বাস্থ্য কথা' ডা° ললিত কুমাৰ ...ৰাৰ প্ৰাথমিক প্ৰতিবিধান আৰু ডাঃ নগেন দত্তৰ ...ৰৰ বেমাৰৰ সৰু সৰু কথা,' জীয়াই থকাৰ আশাৰে, ...ৰোগৰ চিকিৎসা ঘৰতো সম্ভৱ ? ০ মৃত্যুৰ ইপাৰে ...পাৰে, আদি দুৰ্ঘটনাৰ প্ৰথম সহায়। পুথি কেইখনে ...লো স্তৰৰ পঢ়ুৱৈক স্বাস্থ্য বিজ্ঞানৰ অতি প্ৰয়োজনীয় ...ধাৰণ কথাবোৰ জনাৰ সুবিধা দিছে।

হাজৰিকাৰ ৰচিত 'হেন্‌ৰি ফ'ৰ্ড, ৰাণাজ্যোতিৰ 'আইনষ্টাইন' শ্ৰীশিৱ বৰ্মণৰ 'আইনষ্টাইন, আৰু পদাৰ্থ বিজ্ঞান আদি পুথিয়ে সাধাৰণ পঢ়ুৱৈক বিজ্ঞানীৰ জীৱন দৰ্শন আৰু তেওঁলোকৰ আৱিষ্কাৰৰ বতৰা পোৱাত সুযোগ দিছে।

ড° ভুবণমোহন দাসৰ ষাঠি দশকৰ পুথি তিনিখনৰ উপৰিও এই দশকৰ 'বিবিধ মানুহ'। আৰু 'নৃতত্বৰ চমু আভাস কথা' পুথিয়ে সাধাৰণ পঢ়ুৱৈক সুন্দৰকৈ নৃতত্ব বিজ্ঞানৰ লগত চিনাকি কৰিছে বুলিব পাৰি।

ড° অমূল্য ফুকনৰ 'জুগুমণিৰ গল্প, শ্ৰীৰমেশ দাস আৰু প্ৰভাত কৌৰিৰ 'বিজ্ঞানৰ গল্প, পুথিয়ে বিজ্ঞান গল্পৰ সোৱাদ দিছে। শ্ৰীনিবেন্দ্ৰনাৰায়ণ ভৰালীৰ অসমৰ মুগা উদ্যোগ, পুথিখনৰ বাহিৰে কাৰিকৰী দিশৰ অসমীয়া বিজ্ঞ ন পুথি চকুত পৰা নাই।

ড° ৰাজেন্দ্ৰ কুমাৰ ভূঞাৰ 'অলপ কথা অলপ পোহৰ, আৰু ড° কিশোৰীমোহন পাঠকৰ "পদাৰ্থ বিজ্ঞানৰ নৱতম্ কথা এই দশকৰ অলপ উচ্চ খাপৰ অনুকূল জন বিজ্ঞান সাহিত্য। গৱেষণা মূলক মৌলিক বিজ্ঞান সাহিত্য এতিয়ালৈকে অসমীয়াত প্ৰকাশ হোৱা নাই। এই দশকত অসম বিজ্ঞান সমিতিয়ে উত্তৰ পূব অঞ্চলৰ প্ৰাকৃতিক সম্পদ, দূষিতকৰণ আৰু খোৱা পানীৰ সমস্যাৰ ওপৰত তিনিখনকৈ আলোচনা চক্ৰৰ আয়োজন কৰি তাত পঠিত গৱেষণা প্ৰবন্ধবোৰ ইংৰাজী ভাষাত পুথি আকাৰে প্ৰকাশ কৰিছে। সেইবোৰ অসমীয়াতো প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হলে বিজ্ঞানমুখী ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনগণো কিমান উপকৃত হ'ব পাৰিলেহেঁতেন—সেইয়া সহজে অনুমেয়। ১৯৫৫ চনৰে পৰা প্ৰকাশ কৰা অসম বিজ্ঞান সমিতিৰ "জাৰ্ণেল অব্ আসাম চায়েন্স চ'চাইটি' নামৰ ইংৰাজী গৱেষণা আলোচনী বছৰেকত দুবাৰকৈ ওলায়। বিজ্ঞান প্ৰিয় ছাত্ৰ-ছাত্ৰী আৰু

সাধাৰণ পাঠকেও মনৰ খোৰাক পাব পৰা বহুতো উপাদেয় গৱেষণা প্ৰবন্ধ তাত ওলাই আছে। সমিতিয়ে তাৰ পৰা বচা বচা প্ৰবন্ধবোৰ অসমীয়াত পুথি আকাৰে প্ৰকাশ কৰাৰ দীহা কৰিব পাৰিলে অসমীয়া বিজ্ঞান সাহিত্য চহকী হোৱাৰ লগতে লুইতপৰীয়া সমাজ কিমান যে উপকৃত হ'ব!

অসমীয়া ভাষাত অনূদিত বিজ্ঞান পুথি একেবাৰে কম। ড° অনিলকুমাৰ শৰ্মাৰ অনূদিত 'চন্দ্ৰলোকলৈ' (জুলেভাৰ্ণৰ) আৰু শ্ৰীবিৰাজ চৌধুৰীৰ 'ভূগৰ্ভলৈ যাত্ৰা' নামৰ অনুবাদ পুথিয়ে বেচ আনন্দ দিয়ে। শ্ৰীক্ষীৰেণ ৰায়ে লিখা 'দুৰ্গম অভিযান' নামৰ অনুবাদ পুথিত জুলেভাৰ্ণ, আৰ. এল. ষ্টিভেনচন আৰু এইচ. জি. ৱেলছৰ মূল কিতাপৰ বিজ্ঞান কাহিনী ভাগ মনোমোহাকৈ দাঙি ধৰিছে।

নেচনেল বুক্ ট্ৰাষ্টৰ কেৰা খনো আন আন ভাষাৰ বিজ্ঞান পুথি এই দশকত অসমীয়ালৈ অনুবাদ কৰা হৈছে। 'পৃথিৱী সলনি কৰা আৱিষ্কাৰ সমূহ,' ড° দীনেশচন্দ্ৰ গোস্বামীৰ অনূদিত 'পৰমাণুৰ কথা' শ্ৰীৰমেশ গোস্বামীৰ অনূদিত 'পৃথিৱীৰ সমস্ত কথা' পুথি কেইখনে যথেষ্ট সমাদৰ পাইছে।

অসম বিজ্ঞান সমিতিয়ে বিজ্ঞান কোষৰ কাম হাতত লৈ এই দশকত তাৰে দুটা খণ্ড প্ৰকাশ কৰি অসমীয়া বিজ্ঞান সাহিত্যলৈ লেখত লব লগীয়া অৰিহণা আগবঢ়াইছে। অসমীয়া সাহিত্য সভাই বিজ্ঞান পুথি কেইখনো প্ৰকাশ কৰাৰ উপৰিও বিজ্ঞান পুথিৰ বাবে বছৰি একোটা বঁটা আগবঢ়াই এই দশকত বিজ্ঞান পুথি প্ৰকাশত উল্লেখনীয় বৰঙণি যোগাইছে। তথাপি আমি মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব যে অসমীয়া বিজ্ঞান সাহিত্য হিন্দী, বঙালী, তামিল আদি ভাষাৰ বিজ্ঞান সাহিত্যৰ তুলনাত সকলোফালে নিঃকিন। সাধাৰণ জন জীৱনক কৃষি কুটীৰ শিল্প, ক্ষুদ্ৰ উদ্যোগ, আৰু আধুনিক জীৱন যাত্ৰাৰ প্ৰণালীক বিজ্ঞান প্ৰভাৱেৰে ধুৱাই তুলিবলৈ জন বিজ্ঞান সাহিত্যৰ নৱ জাগৰণ আনিবই লাগিব। ইংৰাজীত প্ৰকাশিত 'হেৰ'ল্ড অব হেলথ,' ইন্ ভেন্ চন ইন্ টেলিজেন্স' ধৰণৰ অসমীয়া আলোচনীৰ খৰ প্ৰয়োজন। মৌলিক আৰু অনূদিত বিজ্ঞান পুথিৰ বহুল প্ৰকাশৰ প্ৰয়োজন। বিশ্ববিদ্যালয় কেইখনৰ বিজ্ঞান বিভাগ বোৰৰ আৰু কাৰিকৰী, ডাক্তৰী অনুষ্ঠানৰ বিভিন্ন বিভাগৰ বিজ্ঞানৰ তথ্যপূৰ্ণ বতৰাবোৰ 'বুলেটিন' আকাৰে হলেও অসমীয়া ভাষাত লিখি থাকিলে জন সাধাৰণ কিমান উপকৃত হ'ব সেইয়া সহজে অনুমেয়।

যুগৰ লগত সাহিত্যও সমান্তৰাল গতিত আগবাঢ়ে। বিজ্ঞান যুগৰ ক্ৰমবিকাশৰ লগত অসমীয়া সমাজ খোজ মিলাই আগুৱাবলৈ হলে অসমীয়া বিজ্ঞান-সাহিত্যও আগুৱাই নিয়াৰ সৰ্বাত্মক প্ৰচেষ্টা লব লাগিব। 'জন সাধাৰণৰ হবিলৈ যোৱা; তেওঁলোকৰ অভাৱ-অভিযোগবোৰ দূৰ কৰাত সহায় কৰাগৈ' টলষ্টয়ৰ এই কথা ফাঁকি সাৰোগত কৰি বিজ্ঞান সাহিত্য প্ৰকাশ আৰু পৰিৱেশনত বৈজ্ঞানিক চেতনা জাগিব লাগে। সাহিত্যিক, শিক্ষক গৱেষক, কাৰিকৰী আৰু ডাক্তৰী লোকসকলে অন্যান্য ভাষাৰ বিজ্ঞান সাহিত্যৰ দৰে অসমীয়া বিজ্ঞান সাহিত্যকো টেকনিকেল কৰিবলৈ চেষ্টা কৰিব লাগিব। ই কেৱল সাহিত্য সৃষ্টিৰ তাগিদাই নহয়—অসমত জনজীৱনৰ প্ৰতি-এইয়া আমাৰ নৈতিক দায়ীত্বও।

[ সত্তৰৰ দশকত প্ৰকাশিত অসমীয়া জন বিজ্ঞান সাহিত্যৰ হয়তো অনেক পুথি আমাৰ দৃষ্টিত নপৰাৰ কাৰণে প্ৰকৃত উল্লেখ নকৰাকৈ থাকিব পাৰে। তাৰ বাবে ক্ষমা বিচাৰিছোঁ। ]

●



**প্ৰমোদ বৰুৱা**

# অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ ক্ৰমবিকাশ

ৰাজ্য ভাষা আইন প্ৰয়োগৰ লগত সোনপটীয়া সম্বন্ধ থকা ভালেমান কামৰ ক্ষেত্ৰত বৰ্তমানলৈকে আমি এক ক্ৰমবিকাশৰ পৰ্য্যায়তে আছোঁ। যিকোনো বিষয়ৰে ক্ৰমবিকাশৰ পথত পৰীক্ষা-নিৰীক্ষা এক অপৰিহাৰ্য্য অংগ। সেইকাৰণে এনে অৱস্থাত যিকোনো বিকাশমুখী প্ৰচেষ্টাক আমি থাউকতে ত্যাগ কৰিব নোৱাৰোঁ। অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিৰ বিষয়টোও উপৰোক্ত দৃষ্টিভংগীৰেই বিবেচনা কৰিব লাগিব। অৱশ্যে যিকোনো প্ৰচলিত ব্যৱস্থাক সঘনে পৰিবৰ্ত্তন কৰা উচিত নহয়, যদিহে এনে পৰিবৰ্ত্তন অনিবাৰ্য্য নহয়।

প্ৰচলিত মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিখনৰ পৰিবৰ্ত্তনৰ বিষয়টো চিন্তা কৰিবলগীয়া হল যেতিয়া সৰু মুদ্ৰালিখন যন্ত্ৰৰ (Portable typewriter) চাবিফলিৰ প্ৰয়োজনীয়তাই দেখা দিলে। এই দিশত কাম হাতত লোৱাৰ আগতে প্ৰচলিত চাবিফলিত সম্মুখীন হোৱা অসুবিধাবিলাকৰ বিষয়ে অভিজ্ঞ আৰু পৰীক্ষিত কেইজনমান অসমীয়া সংকেটলিখক আৰু মুদ্ৰালিখকৰ অভিমত সংগ্ৰহ কৰা হয়। এই অভিমত সমূহৰ পৰিবৰ্দ্ধিত চাবিফলিৰ লিপি সজ্জাত বিশেষ সহায়ক হৈছে বুলি কব পাৰি। এই প্ৰসংগত নগাঁৱ চৰকাৰৰ ১ম শ্ৰেণীৰ অসমীয়া সংকেটলিখক ঈশ্বৰানন্দ গোস্বামীৰ নাম উল্লেখ নকৰিলে অকৃতজ্ঞতাৰ দোষে চুব।

অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিৰ বিষয়ে আলোচনা কৰাৰ আগতে অসমীয়া বৰ্ণৰ বিষয়ে সামান্য আলোচনাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। অসমীয়া বৰ্ণৰ উচ্চাৰণ বা বৰ্ণ ধ্বনিৰ স্বকীয় বৈশিষ্ট থকা সত্ত্বেও প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ বৰ্ণমালাৰ পৰা উদ্ভৱ হোৱা বুলি ভবা অসমীয়া বৰ্ণমালাকে আমাৰ সকলো ধৰণৰ লিখন কাৰ্য্যত ব্যৱহাৰ কৰি থকা হৈছে। অসমীয়া ভাষাৰ উচ্চাৰণ পদ্ধতিৰ লগত সমন্বয় স্থাপন কৰি যথাৰ্থ ৰূপত বৰ্ণমালাৰ সংশোধন কৰিবলৈ দৃঢ় পদক্ষেপ লব পৰা হোৱা নাই নাইবা ঐক্য মতত উপনীত হব পৰা হোৱা নাই। মন কৰিবলগীয়া যে অসমীয়া বৰ্ণমালাত থকা সম পৰ্য্যায়ৰ বৰ্ণৰ স্বকীয়া সুকীয়া উচ্চাৰণ নাই কাৰণে বৰ্ণ কেইটাৰ আগত নিৰ্দিষ্ট বিশেষণ পদ প্ৰয়োগ কৰিহে বৰ্ণ কেইটাৰ পৰিচয় দিবলগীয়া হয়। যেনে—প্ৰথম চ, দ্বিতীয় ছ, দন্তীয় ত, মূৰ্দ্ধন্য ট। সেইদৰে শ, ষ, স, উষ্মবৰ্ণ কেইটাৰ এককভাৱে সুকীয়া স্বকীয়া ধ্বনি নাই। বৰঞ্চ অসমীয়া ভাষাত এই বৰ্ণ কেইটা মাত্ৰ এটা ধ্বনিলৈ পৰিৱৰ্ত্তিত হৈ অসমীয়া ভাষাৰ ধ্বনিত স্বত স্বতন্ত্ৰতা প্ৰদান কৰিছে। অসমীয়া বৰ্ণমালাত থকা 'ঞ' বৰ্ণটোৰো এনেকুৱা নোৱাৰা ধ্বনিগত প্ৰয়োগ অসমীয়া ভাষাত নাই, যেনে—'সঁয়' আৰু 'গঞা'

এইদৰে লিখা শব্দ দুটাৰ উচ্চাৰণৰ ফালৰ পৰা কোনো প্ৰভেদ দেখা নাযায়।

অসমীয়া যুক্ত বৰ্ণৰ বা যুটীয়া আখৰৰ ক্ষেত্ৰতো লিখা মতে সুকীয়া সুকীয়াভাৱে উচ্চাৰণ কৰা নহয় বা বাস্তৱিক উচ্চাৰণ কৰা মতে শব্দ গাঁথনিত প্ৰয়োগ কৰা নহয়। যেনে :—'অঞ্জলি,' 'অংজলি' এই দুই ধৰণে লিখা শব্দ দুটাৰ মাজত অসমীয়া উচ্চাৰণগত পাৰ্থক্য নাই। এতিয়া কথা হৈছে অসমীয়া ভাষা যাইকৈ সংস্কৃতমূলীয়া ভাষা হোৱাৰ কাৰণে সংস্কৃত ব্যাকৰণ বিধিৰ লগত সংগতি ৰাখি অসমীয়া শব্দ গাঁথনি পাৰ্যমানে অক্ষত ৰাখিবলৈ থকা মানসিক দুৰ্বলতাই অসমীয়া প্ৰকৃত বৰ্ণ ধ্বনিৰ প্ৰতি উদাসিনতা অৱলম্বন কৰিবলৈ হয়তো আমাক কিছু পৰিমাণে সংকুচিত কৰি ৰাখিছে। কিন্তু এই কথাও নিৰ্গাত সত্য যে সংস্কৃত ব্যাকৰণ অসমীয়া ব্যাকৰণ নহয় আৰু অসমীয়া ব্যাকৰণো সংস্কৃত ব্যাকৰণ নহয়।

দেখা যায় যে কিছুমান নব্য ভাৰতীয় আৰ্য্য বৰ্ণমালাৰ পৰা 'ঋ'বৰ্ণ কেইটা সম্পুৰ্ণৰূপে বিলোপ হৈ গ'ল। এইদৰেই হয়তো কালক্ৰমত অসমীয়া বৰ্ণমালাৰ পৰা অসমীয়া ভাষাৰ উচ্চাৰণ পদ্ধতিৰ লগত সম্বন্ধ নথকা বৰ্ণবিলাকো বিলুপ্ত হৈ যাব পাৰে। ইতিমধ্যে অসমীয়া আখৰ জোঁটনি সম্পৰ্কে বিভিন্ন আলোচনা বিলোচনাৰ অৱতাৰণা হোৱা পৰিলক্ষিত হৈছেই। বাস্তৱিক দৃষ্টিকোণৰ পৰা অসমীয়া বৰ্ণমালাৰ এনে সম্ভাব্য পৰিবৰ্ত্তণ বোধহয় আদৰণীয়েই হ'ব। যান্ত্ৰিক মুদ্ৰণৰ বাস্তৱ প্ৰয়োজনীয়তাৰ খাতিৰত আমি ইতিমধ্যে ওপৰে-তলে সংযোগ কৰা চিৰাচৰিত যুক্ত বৰ্ণৰ ঠাইত কাষাকাষিকৈ সংযোগ কৰা যুক্ত-বৰ্ণক সৰ্ব্বসম্মতিক্ৰমে স্বীকৃতি প্ৰদান কৰা হৈছে। এইদৰে অসমীয়া আখৰ জোঁটনিৰ ক্ৰমবিকাশৰ ফলশ্ৰুতি হিচাপে ভৱিষ্যতলৈ যদি অসমীয়া বৰ্ণমালাৰ পৰিবৰ্তন ঘটে তেন্তে বৰ্ত্তমান সংশোধিত অসমীয়া মুদ্ৰালিখনৰ চাবিফলি পুনৰো পুনৰ সংশোধন হোৱা স্বাভাৱিক। বৰ্ত্তমানৰ প্ৰচলিত অসমীয়া বৰ্ণমালাৰ ভিত্তিতে সংশোধিত অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিখন প্ৰস্তুত কৰা হৈছে। কিন্তু এইকথা স্বীকাৰ কৰিব লাগিব যে অসমীয়া মুদ্ৰালিখনত আটাইবিলাক যুক্ত-বৰ্ণ হুবহুকৈ হাতে লিখা ধৰণে প্ৰতিফলিত কৰা সম্ভৱ নহয়।

মুদ্ৰালিখন যন্ত্ৰৰ সীমিত চাবিৰ ভিতৰতে বহু সংখ্যক যুক্তাক্ষৰ সন্নিবিষ্ট কৰিবলগা হয় কাৰণে যথেষ্ট প্ৰতিবন্ধকতাই দেখা দিয়ে। অৱশ্যে প্ৰায়বিলাক ভাৰতীয় ভাষাৰ মুদ্ৰালেখন যন্ত্ৰৰ চাবিফলিতে এনে ধৰণৰ আছুকাল থকা দেখা যায়। সেইবুলি অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ লিখনবিলাকক কষ্টসাধ্য পাঠোদ্ধাৰ পৰ্য্যায়ৰ বুলি কব নোৱাৰি। আন হাতেদি আকৌ অসমীয়া বা আন কোনো ভাৰতীয় ভাষাৰ চাবিফলিত বা ভাষাত যথেষ্ট সংখ্যক যুক্তাক্ষৰ থকা কাৰণে মুদ্ৰনৰ গতিবেগ মন্থৰ হব বুলি ভবাৰো কোনো কাৰণ নাই। এটা শব্দ মুদ্ৰন কৰোতে কেইটা চাবিত কোব মাৰিব লাগে তাৰ ওপৰতহে মুদ্ৰনৰ গতিবেগ নিৰ্ভৰ কৰে। পৰীক্ষামূলকভাৱে একে অৰ্থবোধক এটা ইংৰাজী শব্দ আৰু আন এটা অসমীয়া শব্দ লওক যেনে—"কল্পনা" ইয়াত পৰিছে ৫ কোব, একে অৰ্থবোধক ইংৰাজী শব্দ হ'ল—"Imagination" ইয়াত পৰিছে ১১ কোব। সেইদৰে "মুদ্ৰালিখনযন্ত্ৰ" ইয়াত পৰিছে ১৩ কোব, একে অৰ্থবোধক ইংৰাজী শব্দ হ'ল—"Typewriting machine"—ইয়াত পৰিছে ১৮ কোব। সিহওঁৰ ওপৰৰ বিশ্লেষণৰ পৰাই কব পাৰি যে অসমীয়া বা অন্যান্য ভাৰতীয় ভাষাৰ যুক্তাক্ষৰ প্ৰাচুৰ্যই অসমীয়া মুদ্ৰালিখনৰ গতিবেগ মন্থৰ নকৰে। বাস্তৱ ক্ষেত্ৰতো দেখিবলৈ পোৱা গৈছে যে অসমীয়া মুদ্ৰাযন্ত্ৰত সচৰাচৰ কাম কৰি থকা মুদ্ৰালিখকে অনায়াসে মিনিটত ৩০/৩৫টা শব্দ মুদ্ৰন কৰিব পাৰে। গতানুগতিক কামৰ কাৰণে এই হাৰৰ গতিবেগেই যথেষ্ট আৰু চৰকাৰী কামৰ বাবে এই গতিবেগেই হৈছে স্বীকৃতি-প্ৰাপ্ত মান। আমি জনামতে কেইজনমান অসমীয়া



যন্ত্ৰৰ মুদ্ৰালেখক আৰু সংকেট-লিখকে মিনিটত ৪৮/৫০ টা শব্দ মুদ্ৰন কৰাৰ অভিলেখ আছে। বৰ্ত্তমান সংশোধিত চাবিফলিত নতুন অভিলেখ স্থাপিত হব বুলি আশা কৰিব পাৰি। ইয়াৰ কাৰন সম্পৰ্কে এই প্ৰবন্ধতে যথা স্থানত ব্যাখ্যা কৰা হব।

## বৰ্ণৰ পৌন-পুনিকতাৰ নিৰ্ণয়
## (Frequency of letters.)

মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলি প্ৰস্তুতিৰ পথত বৰ্ণৰ পৌন-পুনিকতা বা বাৰম্বাৰ প্ৰয়োগ হোৱা আখৰৰ নিৰ্ণয় এটি অতি প্ৰয়োজনীয় বিষয়। বাস্তৱিকতে ই এটি অতি সুক্ষ্ম অধ্যয়ন। এই পৌন-পুনিকতা একাদিক্ৰমিক পৰ্যায়ত নিৰ্ণয় কৰা প্ৰয়োজন। যি ভাষাত যি আখৰটো সৰ্ব্বাধিক পৰিমাণে ব্যৱহাৰ হয় সেই আখৰটো সোঁ হাতৰ তৰ্জ্জনি আঙুলিত পৰাকৈ চাবিফলিৰ মূল শাৰীত সংস্থাপন কৰিব লাগিব। তাৰ পিচৰ পৰ্যায়ৰ আখৰটো বাওঁ হাতৰ তৰ্জ্জনি আঙুলিত পৰাকৈ মূল শাৰীত সংস্থাপন কৰিব লাগিব। এইদৰে একাদিক্ৰমিক অনুসাৰে শক্তিশালী আঙুলিত, তাৰ পাছত তাতকৈ কম শক্তিশালী আঙুলিত, সৰ্ব্বশেষত দুৰ্ব্বল আঙুলিত অৰ্থাৎ কনিষ্ঠ আঙুলিত আটাইতকৈ কম প্ৰয়োগ হোৱা বৰ্ণবিলাক সংস্থাপন কৰিব লাগিব। ইয়াৰ উপৰি উত্তোলন ( Shift upper base ) শাৰীত কোন বিলাক আখৰ সংস্থাপন কৰা হব তাক বৰ্ণৰ পৌন-পুনিকতা অনুযায়ী নিৰ্ণয় কৰিব লাগিব। এই নিৰ্ণয়কৰণ যিমানেই বিশুদ্ধ হয় সিমানেই মুদ্ৰালিখনৰ গতিবেগ সন্তোষজনক হব পাৰে বুলি আশা কৰা যায়।

সকলো ভাষাৰ বৰ্ণৰ পৌন-পুনিকতা একে নহয় কাৰণে ভাৰতীয় ভাষাবিলাকৰো মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিৰ বৰ্ণসজ্জা স্বাভাৱিকতে একে ধৰণৰ নহয়। এইবাৰৰ চাবিফলিখন সংশোধন কৰোতে আগৰখন চাবিফলিত স্থিৰ কৰা বৰ্ণৰ পৌন-পুনিকতা পুনৰীক্ষণ কৰা হোৱা নাই। আন কথাত কবলৈ হলে আগৰ খন চাবিফলিৰে অপৰিহাৰ্য সংশোধনহে কৰা হৈছে। আগৰখন চাবিফলিৰ বৰ্ণৰ পৌন-পুনিকতা সম্পৰ্কে পুনৰীক্ষণৰ বিষয়টো এৰি থোৱা হল প্ৰধানকৈ দুটা কাৰণত।

(১) পাকৈত অসমীয়া সংকেটলিখক আৰু মুদ্ৰালিখক সকলৰ লগত আলোচনা কৰি জানিব পৰা গল যে প্ৰচলিত চাবিফলিতে মিনিটত সহজে ৩০/৩৫ টা শব্দ মুদ্ৰন কৰিব পৰা যায় আৰু অন্ধলা পদ্ধতিতে ( Blind method ) মুদ্ৰন কৰিব পাৰি।

(২) প্ৰচলিত চাবিফলিত প্ৰশিক্ষনলৈ যথেষ্ট সংখ্যক মুদ্ৰালিখক ইতিমধ্যে ওলাই আহিছে কাৰণে প্ৰচলিত চাবিফলিৰ যদি কিবা কাৰণত আমূল পৰিবৰ্ত্তন কৰিব লগা হয় তেন্তে তেনে পৰিবৰ্ত্তিত চাবিফলিত তেওঁলোকে বিশেষ অসুবিধাৰ সন্মুখীন হব লগা হব।

## গতিহীন আৰু পুৰ্ণ স্থানান্তৰিত আৰু অৰ্দ্ধ স্থানান্তৰিত গতি ( Dead. fullspace, and halfspace movement )

মুদ্ৰালিখন যন্ত্ৰৰ চাবি এটা টিপি দিলে কল মাৰিভাল আৰু যন্ত্ৰৰ এটা অংশবিশেষ ( বহনাংশ- carriage ) কাগজখিনাৰে সৈতে নিৰ্দিষ্ট স্থান অতিক্ৰম কৰি বাওঁ ফালে গতি কৰে। যান্ত্ৰিক ব্যৱস্থা সাপেক্ষে এটা চাবিত কোব মাৰিলে এটা নিৰ্দিষ্ট পুৰ্ণ গতিত বা তাৰ আধা গতিত বা চাবিত কোব মাৰিলেও বহনাংশ একে ঠাইতে হৈ থকাৰ কৌশল ভাৰতীয় মুদ্ৰালেখন যন্ত্ৰত অৱলম্বন কৰা হয়। ইংৰাজী মুদ্ৰালিখন যন্ত্ৰৰ যিকোনো চাবিত কোব মাৰিলে এটা পুৰ্ণ স্থানহে অতিক্ৰম কৰে।

আমাৰ আগৰ চাবিফলিখনত উপৰোক্ত তিনিওটা ব্যৱস্থাকে লোৱা হৈছিল। মূল আখৰবোৰৰ পুৰ্ণ-স্থানান্তৰিত গতি, যুক্তবৰ্ণত আংশিক বৰ্ণৰ বাবে

আ-কাৰ, ই-কাৰ আৰু ঈ-কাৰৰ বাবে অৰ্দ্ধ-স্থানান্তৰিত গতিৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ বৰ্ত্তমানৰ সংশোধিত চাবিফলিত অৰ্দ্ধ-স্থানান্তৰিত গতিৰ ব্যৱস্থা সম্পূৰ্ণভাবে বিলোপ কৰা হৈছে। বৰ্ত্তমানৰ চাবিফলিত পূৰ্ণ-স্থানান্তৰিত আৰু স্থিৰ গতিৰহে ব্যৱস্থা আছে। উ-কাৰ, ঊ-কাৰ, ৰ-কাৰ, চন্দ্ৰবিন্দু, ৰেফ, ঋ-কাৰ আৰু বৰ্ণৰ কেইটামান অংশবিশেষৰ কাৰণে স্থিৰ গতিৰ ব্যৱস্থা ৰখা হৈছে।

যন্ত্ৰৰ গতি নিয়ন্ত্ৰন কৰা হয় যন্ত্ৰৰ ভিতৰত থকা সম-দূৰত্বৰে খটা কটা চকৰিৰ যোগেদি। পূৰ্ণ দূৰত্ব আৰু অৰ্দ্ধদূৰত্বৰে দুইবিধ চকৰি একেটা যন্ত্ৰতে সংযোগ কৰা ব্যৱস্থা অতি সূক্ষ্ম কাৰিকৰী কৌশলৰ ওপৰত নিৰ্ভৰ কৰে। এই ব্যৱস্থাই যন্ত্ৰ দুৰ্বল কৰে আৰু ঘনে ঘনে যন্ত্ৰ বিকল হোৱা স্বাভাৱিক।

মহাৰাষ্ট্ৰ চৰকাৰে দেৱনাগৰী মুদ্ৰালিখন যন্ত্ৰত অৰ্দ্ধ-স্থানান্তৰিত গতিৰ ব্যৱস্থা সম্পূৰ্ণৰূপে বিলোপ কৰিছে বুলি জানিব পাৰি মহাৰাষ্ট্ৰ চৰকাৰৰ লগত এই সম্পৰ্কে যোগাযোগ কৰা হয়। আমাৰ চিঠিৰ উত্তৰত মহাৰাষ্ট্ৰ চৰকাৰে লিখা চিঠিৰ অংশবিশেষ তলত দাঙি ধৰা হ'ল—

" The device of half space movement which was introduced in uniform Deonagari type-writer proved a nuisance, as it resulted in frequent breakdown of the machine and also resulted in overlifting impresions. The removal of half space machanism has perhaps helped the manufacturer in cutting manufacturing cost and would prove helpful to the user in reducing the cost of repairs."

অৰ্দ্ধ-স্থানান্তৰিত ব্যৱস্থাৰ বিলোপ হোৱা কাৰণে মুদ্ৰনত কোনো ধৰণৰ খোকোজা বা আঁকোৰাহ থকাৰ সম্ভাৱনা কম। সেই কাৰণে এই ব্যৱস্থাৰ মুদ্ৰনৰ গতিবেগ কিছু বৃদ্ধি পাব বুলি আশা কৰা যায়। স্থিৰ গতিৰ চাবিৰ ( dead key ) লগত কোনো চকৰিৰ সম্পৰ্ক নাই। আনকি যন্ত্ৰৰ চলন ক্ৰিয়াৰ লগতো কোনো সম্পৰ্ক নাই। গতিকে মূল যন্ত্ৰৰ চলন ক্ৰিয়াৰ ওপৰত স্থিৰ গতিৰ চাবি ব্যৱস্থাই কোনো প্ৰতিক্ৰিয়া নকৰে।

## আগৰখন চাবিফলি সংশোধন কৰাৰ আৱশ্যকতা

অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ প্ৰথম চাবিখন প্ৰস্তুত কৰাৰ সময়ত বোধহয় ভৱিষ্যতে লঘু মুদ্ৰাযন্ত্ৰৰ ( Portable typewriter ) চাবিফলিৰো আৱশ্যক হব পাৰে সেই বিষয়ে চিন্তা কৰা হোৱা নাছিল। লঘু মুদ্ৰাযন্ত্ৰৰ বাবে চাবিফলি প্ৰস্তুত কৰাৰ বিষয়টো চিন্তা কৰিব লগা হোৱা কাৰণেই প্ৰচলিত চাবিফলি-খনৰ সংশোধনৰ বিষয়টোৱে দেখা দিয়ে। প্ৰমাণ আকাৰৰ যন্ত্ৰত ( Standard size machine ) আমি ৪৬ টা চাবি আৰু ৯২ টা আখৰৰ বাবে ঠাই পাওঁ। এটা চাবিৰ তলৰ থাকত ( lower base ) এটা আখৰ আৰু উত্তোলিত ওপৰ থাকত ( Shift upper base ) আৰু এটা আখৰ বহুৱাব পাৰো। কিন্তু লঘু-যন্ত্ৰৰ ক্ষেত্ৰত চাবি পাওঁ ৪৩ টা আৰু আখৰ পাওঁ ৮৬ টা। গতিকে লঘু যন্ত্ৰৰ চাবিফলিত ৬ টা আখৰ কমি যায়। কিন্তু আগৰখন চাবিফলিত আখৰবিলাক এনেভাবে সজোৱা আছে যে ইয়াৰ পৰা ৬ টা আখৰ বিলোপ কৰিব নোৱাৰি। তাকে কৰিবলৈ হলে ৬ টা মূল আখৰেই বিলোপ কৰিব-লগীয়া হয়। আকৌ আগৰ চাবিফলিখন সংশোধন নকৰি লঘুযন্ত্ৰৰ বাবে যদি এখন সুকীয়া চাবিফলি প্ৰস্তুত কৰা হয় তেন্তে লঘুযন্ত্ৰৰ চাবিফলিত অভ্যাস কৰাজনে প্ৰমান আকাৰৰ যন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। সেইদৰে প্ৰমাণ আকাৰৰ যন্ত্ৰত অভ্যাস কৰা জনে লঘুযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। সেইকাৰণে দুইখন চাবিফলিৰ মাজত সমন্বয় সাধন কৰিবৰ বাবে পূৰ্বৰ চাবিফলিখনকে ভিত্তি হিচাপে



ৰাখি সংশোধিত চাবিফলিখন প্ৰস্তুত কৰা হৈছে। আগৰ প্ৰমান আকাৰৰ যন্ত্ৰত অভাব অনুভৱ কৰি থকা +, ×, —, এই গাণিতিক চিন কেইটা, সৰু বন্ধনী দুটা আৰু " " টো সংশোধিত চাবিফলিত সোঁ কাষৰ দাতিত সংস্থাপন কৰা হল। একেবাৰে সোঁ কাষৰ দাতিত থকা তিনিটা চাবি মূল কেন্দ্ৰীয় চাবিফলিৰ (Central keyboard) বহিৰ্ভূত চাবি বুলি গণ্য কৰিব পাৰি। এইকেইটা চাবিত লক্ষণীয় পৌন-পুনিকতা থকা আখৰ সংস্থাপন নকৰাই ভাল। কাৰণ এইকেইটা চাবিৰ ওপৰত কেঞ্চি আঙুলিটোৰ দখল কিছু দুৰ্বল হোৱা স্বাভাৱিক। আগৰ চাবিফলিৰ এই চাবিকেইটাত "এ" আখৰটোৰ লগত সংযোগ কৰি "ঐ" কৰা "এ"ৰ পিছত উঠা অংশ-কন, "ৗ" কাৰ 'ঠ' আৰু 'ৱ' এই কেইটা সংস্থাপিত কৰা হৈছিল। সংশোধিত চাবিফলিত বৰ্ণ, বৰ্ণাংশ আৰু "ৗ"কাৰ কেন্দ্ৰীয় চাবিফলিৰ অন্তৰ্ভুক্ত কৰা হল। এই কাৰণেও মুদ্ৰনৰ গতিবেগ কিছু বৃদ্ধি পোৱাৰ আশা কৰা যায়। লঘু মুদ্ৰাযন্ত্ৰৰ চাবিফলিত গাণিতিক চিনকেইটা সৰু বন্ধনি দুটা আৰু "ৎ" আখৰটো বিলোপিত কৰি কেন্দ্ৰীয় চাবিফলিৰ ভিতৰতে ৪৩টা চাবিত ৮৬টা আখৰ সংস্থাপিত কৰা হৈছে, অৰ্থাৎ ভয়োটা যন্ত্ৰৰ কেন্দ্ৰীয় চাবিফলি দুখনৰ মাজত সম্পূৰ্ণ সমন্বয় স্থাপন কৰা হৈছে। এতিয়া প্ৰশ্ন উঠিব পাৰে যে লঘুযন্ত্ৰত সৰু বন্ধনীৰ ঠাই কিহে পূৰণ কৰিব? এই ক্ষেত্ৰত কব পাৰি যে আগৰ চাবিফলিত নথকা অথচ অতি প্ৰয়োজনীয় তিৰ্য্যক ( Oblique ) চিনটো কেন্দ্ৰীয় চাবিফলিৰ ভিতৰতে সংস্থাপন কৰা হৈছে। এই চিনটোৰ নাইবা দাড়ি চিনটোৰ তলে ওপৰে তাইপেন চিনটো সংযোগ কৰি "[ ]" "[ ]" ৰ বন্ধনী দাঙি লব পাৰি।

কেন্দ্ৰীয় চাবিফলিৰ ভিতৰতে তিৰ্য্যক চিনটোৰ ব্যৱস্থা কৰা কাৰণে এই চিন আৰু বিসৰ্গ চিনৰ সংযোগত শতকৰা চিনটো সাজি লব পাৰি। সেইদৰে ইয়াৰ যোগেদিয়েই ভাগৰ ভাগ সংখ্যাবিলাকো প্ৰতি-ফলিত কৰিব পাৰি। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰথম চাবিফলি প্ৰস্তুত কৰাৰ সময়তেই সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলিত যোগচিন (+) আৰু চেমিকোলনৰ ব্যৱস্থাৰ বাবে আৰু অসম সাহিত্য সভাৰ ফালৰ পৰা যোগ চিন আৰু সমান চিনৰ ( = ) ব্যৱস্থা কৰিবৰ বাবে সেই সময়তে অভিমত প্ৰকাশ কৰিছিল। আমি সুখী হৈছো যে সংশোধিত চাবিফলিত এই আটাইকেইটা চিনকে সাময়ি লব পৰা হৈছে।

## সংশোধিত চাবিফলিত উল্লেখনীয় বৰ্ণ সংস্থাপন

আগৰখন চাবিফলিত প্ৰাৰম্ভিক স্বৰ ( initial vowel ) ঊ বৰ্ণটো, গাণিতিক সংখ্যা ৬, তাৰ ওপৰত আঁচ তাৰ পিছত বৰ্ণৰ আংশিক চিন অৰ্থাত টিকনি চিন এইদৰে তিনিটা চাবি প্ৰয়োগ কৰিহে উক্ত আখৰটো মুদ্ৰন কৰা হৈছিল—অৰ্থাত ৬. —, ˋ, = ঊ। যুক্ত বৰ্ণৰ বাহিৰে আন মূল বৰ্ণত দুটাতকৈ অধিক চাবিৰ প্ৰয়োগৰ ব্যৱস্থা নৰখাই ভাল। সেইকাৰণে ঊ বৰ্ণটো পূৰ্ণ বৰ্ণ হিচাবে কেন্দ্ৰীয় চাবি-ফলিৰ ভিতৰতে সংস্থাপন কৰা হৈছে। আগৰখন চাবিফলিত 'ত', 'ত্ত', 'ঢ' 'ট' এইকেইটা বৰ্ণই কেন্দ্ৰীয় চাবিফলিৰ চাবিটা স্থান দখল কৰি আছিল। সংশোধিত চাবিফলিত 'ত' বৰ্ণৰ ওপৰত টিকনি সংযোগ কৰি 'ত্ত' আৰু 'ঢ' বৰ্ণৰ ওপৰত টিকনি সংযোগ কৰি 'ট' কৰা হৈছে। ইয়াৰ ফলত আগতে কেন্দ্ৰীয় চাবিফলিৰ বাহিৰত থকা 'ঠ' আৰু 'ৱ' এই দুটা বৰ্ণ 'ত্ত' আৰু 'ট' বৰ্ণদুটাই দখল কৰি থকা ঠাই দুটা খালি কৰি লৈ যথাস্থানত কেন্দ্ৰীয় চাবিফলিৰ ভিতৰত সংস্থাপন কৰা হল। অৱশ্যে প্ৰথম চাবি-

ফলিৰ প্ৰস্তুতিৰ সময়তে ‘ট’ বৰ্ণৰ লগত টিকনি সংযোগ কৰি ‘ট’ বৰ্ণটো গঠন কৰিব পৰা যায় বুলি অসম সাহিত্য সভায়ো মত পোষণ কৰিছিল। বৰ্ত্তমানৰ সংশোধিত চাবিফলিত একমাত্ৰ প্ৰাৰম্ভিক ‘উ’ স্বৰটোৰ বাহিৰে বাকী সকলো টিকনিযুক্ত বৰ্ণ একে ধৰণে মুদ্ৰন কৰা ব্যৱস্থাই মুদ্ৰালিখন পদ্ধতিত সমন্বয় ( uniformity ) স্থাপন কৰিলে। মন কৰিবলগীয়া যে আগৰ চাবিফলিখনত টিকনি চিনটো উত্তোলিত ওপৰত থাকত (shift upper base) আছিল। এই চিনটোৰ পৌন-পুনিকতালৈ লক্ষ্য কৰি বৰ্তমানৰ চাবিফলিত তলৰ থাকলৈ অনা হ’ল। ফল স্বৰূপে টিকনি সংযোগ কৰোতে সময়ৰ কোনো অপচয়েই নহব আৰু মুদ্ৰনৰ গতিবেগত যত্ সামান্য হলেও অগ্ৰগতি লাভ কৰিব পৰা যাব বুলি আশা কৰিব পৰা যায়।

আগৰখন চাবিফলিত ‘শ্ৰী’ আখৰটোৱে এটা সম্পূৰ্ণ স্থান দখল কৰি আছিল। এই আখৰটোৰ পৌন-পুনিকতা একেবাৰে ক্ষীণ। সাধাৰণতে কোনো ব্যক্তিৰ নামৰ আগত সন্ত্ৰমাৰ্থত নাইবা জীবিতাৰ্থত এই আখৰটো ব্যৱহাৰ কৰা হয়। ‘শ্ৰীৰামপুৰ’ ‘শ্ৰীবৃদ্ধি’ ‘পদ্মশ্ৰী’ আদি অতি কম সাংখ্যাৰ শব্দতহে ‘শ্ৰী’ আখৰটোৰ প্ৰয়োজন হয়। আকৌ একাদিক্ৰমিকভাৱে কেবাজনো ব্যক্তিৰ ক্ষেত্ৰত ‘সৰ্বশ্ৰী’ বা ‘শ্ৰীমতীসকল’— এইদৰেও লিখা হয়। গতিকে শ্ৰীআখৰটোৰ পৌন পুনিক প্ৰয়োগ প্ৰায় নগণ্যই বুলিব পাৰি। এই বিবেচনাৰ পৰিপ্ৰেক্ষিতত ‘শ্ৰী’ বৰ্ণ বা বৰ্তমানৰ চাবিফলিৰ অন্যান্য যুক্তবৰ্ণ যেনে— ক্ষ, ম্ম, ক্ক, ইত্যাদি যুক্তবৰ্ণৰ পৰ্যায়ভুক্ত কৰা হল। সেইদৰেই আগৰখন চাবিফলিত ‘য়’ বৰ্ণটোৱে এটা সম্পূৰ্ণ স্থান অধিকাৰ কৰি আছিল। বৰ্তমানৰ চাবিফলিত ‘য’ বৰ্ণৰ তলত বিন্দু সংযোগ কৰি ‘য়’ বৰ্ণই দখল কৰি থকা ঠাই খালি কৰি লোৱা হল। এইদৰে পোৱা ঠাইৰ বিনিময়ত আগতে কেন্দ্ৰীয় চাবিফলিৰ বাহিৰত থকা ‘ʼ’ আৰু ‘ঞ’ ৰ পিঠি অংশ কেন্দ্ৰীয় চাবিফলিৰ অন্তৰ্ভুক্ত কৰা হল। ইয়াৰ ফল স্বৰূপে “ড়”, ‘ঢ়’, ‘য়’ বৰ্ণকেইটা বিন্দুযুক্ত বৰ্ণৰ পৰ্যায়লৈ আনি মুদ্ৰালিখন পদ্ধতিত বৰ্ণ সংযোজন ব্যৱস্থাত আন এটি সমন্বয় ( uniformity ) স্থাপন কৰা হল। বৰ্ণ সংযোজন প্ৰণালীৰ সমতাই মুদ্ৰালিখনৰ প্ৰশিক্ষাৰ্থীক বিশেষভাৱে সহায় কৰিব বুলি আশা কৰিব পাৰি।

সংশোধিত চাবিফলিত হ্ৰস ই-কাৰ ( ি ) আৰু উ-কাৰ ( ু ) আৰু দীৰ্ঘ ই-কাৰ ( ী ) আৰু উ-কাৰ ( ূ ) এই চাবিটা স্বৰ সংকেটৰ স্থান পৰিবৰ্ত্তন কৰা হৈছে। ই-কাৰ আৰু ঈ-কাৰ দুটা কাষাকাষিকৈ সুকীয়া সুকীয়াকৈ অৰ্ধস্থানান্তৰিত গতিৰ চাবিত তলৰ থাকত আছিল। সেইদৰে হ্ৰস আৰু দীৰ্ঘ উ-কাৰ দুটাও স্থিৰ গতিৰ দুটা সুকীয়া সুকীয়া চাবিত কাষাকাষিকৈ আছিল। অসমীয়া ভাষাত দীৰ্ঘস্বৰতকৈ হ্ৰস স্বৰৰ প্ৰয়োগ উল্লেখনীয় ভাৱে বেছি। এই কাৰণেই হ্ৰস স্বৰাকাৰ কেইটাক তলৰ থাকত আৰু দীৰ্ঘস্বৰাকাৰবিলাক একেটা চাবিত উত্তোলিত ওপৰ থাকত ( Shift upper base ) সংস্থাপন কৰা হৈছে। অৰ্থাত হ্ৰস ই-কাৰ আৰু দীৰ্ঘ ঈ-কাৰ দুটাক একেটা পূৰ্ণস্থানান্তৰিত গতিৰ চাবিত আৰু হ্ৰস আৰু দীৰ্ঘ উ-কাৰ দুটাক একেটা স্থিৰ গতিৰ চাবিত সংস্থাপন কৰা হৈছে। এই ব্যৱস্থাই মুদ্ৰালিখনৰ প্ৰশিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণত সহায়ক হোৱাৰ উপৰিও পৌন-পুনিকতাৰ দিশটোও স্পৰ্শ কৰিছে বুলি কব পাৰি। ইয়াৰ উপৰিও স্বৰাকাৰ কেইটাৰ সংশোধিত সংস্থাপন ব্যৱস্থাই অন্ধলা পদ্ধতিৰ মুদ্ৰালিখনক কিছু সূচল কৰিব পাৰে বুলি ভবাৰ অৱকাশ নথকা নহয়।

ইতিমধ্যে ‘গড্ৰেজ’ আৰু ‘হালডা’ কোম্পানীয়ে সংশোধিত চাবিফলিৰ ভিত্তিত নমুনা যন্ত্ৰ (prototype machine ) আমাৰ ওচৰত দাখিল কৰিছে। দেখা যায় পূৰ্ণ মহানাস্তৰিত ব্যৱস্থাই আশানুৰূপ কৃতকাৰ্য্যতা



লাভ কৰিব পাৰিছে। আখৰৰ মুখ-ভাগ ( Type face ) আৰু অলপ মিহি বা চোকা কৰিবলৈ দিয়া হৈছে যাতে ছয়খিলামান পাতলৈকে স্পষ্ট কাৰ্বন কৰিব পৰা যায়। ইয়াৰ উপৰিও সামান্য খুতি-নাতি যি পোৱা হৈছে তাৰ সংশোধনৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। আশা কৰা যায় সংশোধিত চাবিফলিৰ সথেষ্ট সংখ্যক যন্ত্ৰ অনতি পলমে প্ৰস্তুত হৈ আহিব আৰু বিভিন্ন দিশৰ কামত ৰাজ্য ভাষাই নিশ্চিতভাৱে পা কৰি উঠিব।

শেষত পুনৰ দোহাৰিব খোজো যে আমি ৰাজ্য ভাষা প্ৰয়োগৰ লগত জড়িত প্ৰায়বিলাক বিষয়ত এতিয়াও বিকাশ মুখী অৱস্থাত আছো। গতিকে কেৱল মুদ্ৰালিখন যন্ত্ৰৰ ক্ষেত্ৰতে নহয়, অসমীয়া সংকেটলিখন, প্ৰশাসনীয় পৰিভাষা, আইন বিষয়ক পৰিভাষা, ইত্যাদি বিভিন্ন দিশত গবেষণা যোগে বিকাশ সাধনৰ প্ৰয়োজন আছে। ইয়াৰ কাৰণে এটি শক্তিশালী ৰাজ্যভাষা প্ৰয়োগ বিভাগৰ প্ৰয়োজন আছে।

●

পূৰ্ব প্ৰচলিত অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলি :—

— . ১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ০

ৎ ট শ্ৰী ক্ষ ঙ দ্দ ~ — ( )

গ প ম অ হ শ ই য এ ।

ষ ৎ ম জ ঃ ল ত্ত থ উ ৢ

ে ব ক ত ৰ ন া ল য় স ৱ

খ ক ত ট ৃ ও ৰ ব — ঁ

ছ য দ ধ চ । ি ী ,

ফ ং হ ঝ ঞ ণ ঃ : ?

সংশোধিত অসমীয়া মুদ্ৰালিখন যন্ত্ৰৰ চাবিফলি :—

- ১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ (

ৎ ! ক্ষ ঙ দ্দ ঞ / — ’ ০ )

গ প ম অ হ শ ৱ য এ ৎ

ষ ল ব জ ঃ ৰ ত্ত থ ঠ ×

ে ব ক ত ৰ ন া ল স ট =

খ ক ত ড ও ১ ধ +

ছ য দ ধ চ । ি ঃ ,

ফ ং হ ঝ ঞ ণ ী : ;

ড° হৰিনাথ শৰ্মা দলৈ

# গ্ৰন্থ-সম্পাদন

সাহিত্যৰ চৰ্চা বা প্ৰচাৰৰ ক্ষেত্ৰত কোনো গ্ৰন্থৰ সম্পাদন সুকঠিন কৰ্ম। ইয়াৰ কাৰণে ব্যক্তি বিশেষ (সম্পাদক) হ'ব লাগে পাণ্ডিত্য, শ্ৰমশীলতা, নিৰপেক্ষ-বিচাৰশক্তি আদিবোৰৰ অধিকাৰী। গ্ৰন্থ-সম্পাদন বুলিলে পোনে পোনে আমাৰ মনত পৰে দুই শ্ৰেণী গ্ৰন্থৰ সম্পাদন—হাতে লিখা আৰু মুদ্ৰিত। দুয়োবিধ গ্ৰন্থৰেই সুসম্পাদনৰ ক্ষেত্ৰত দায়িত্ববোধ থকা সম্পাদকে কম-বেছি সংখ্যক কিছুমান কথা চিন্তা কৰিবলগীয়া হয়।

সম্পাদন কৰিবলৈ লোৱা গ্ৰন্থ বা ৰচনাবিশেষৰ শুদ্ধ-পাঠ নিৰ্ণয় সম্পাদকৰ সকলোতকৈ ডাঙৰ আৰু কঠিন কৰ্তব্য। ৰচনাৰ উপযুক্ত শুদ্ধপাঠ নিৰ্ণয়াত্মক-ব্যাপাৰটোক ইংৰাজীত "Texual criticism" বোলে। "Texual criticism" শব্দৰ উদ্ভাৱন সাহিত্যৰ ইতিহাসত আপেক্ষিকভাৱে অৰ্বাচীন—সম্ভৱতঃ ঊনবিংশ শতিকাৰ সৃষ্টি। কিন্তু বিজ্ঞানসন্মত আৰ্ট হিচাবে শুদ্ধপাঠ নিৰ্ণয়াত্মক-ব্যাপাৰটো একেবাৰে অৰ্বাচীন নহয়—শিক্ষাৰ স্বকীয়া শাখা হিচাপে ১৫শ শতিকাতে পশ্চিম ইউৰোপত ই গা কৰি উঠে।[1]

সম্পাদন কৰিবলৈ লোৱা হস্তলিখিত গ্ৰন্থ বা ৰচনা (manuscript) বোলোতে অকল হাতে লিখা অপ্ৰকাশিত (সাঁচিপতীয়া বা তুলাপতীয়া) পুথিকেই বুজোৱা নাই—অপ্ৰকাশিত তাম্ৰশাসন, শিলালিপি ৰজাঘৰীয়া কাকত-পত্ৰ, মোহৰ-মুদ্ৰাৰ আখৰ আদিকো ইয়াত বুজোৱা হৈছে। এনেধৰণৰ বস্তুবোৰ সম্পাদন কৰি উলিয়াবলৈ হ'লে ইয়াৰ শুদ্ধপাঠ-নিৰ্ণয়ৰ ক্ষেত্ৰত সম্পাদকৰ বিচাৰ-বুদ্ধিৰ প্ৰয়োজনীয়তা আহি পৰে। পাঠনিৰ্ণয়ৰ ক্ষেত্ৰত (হস্তলিখিত) প্ৰাপ্ত পুথিয়েই নিশ্চিতভাৱে প্ৰধান অৱলম্বন। কিন্তু কেৱল এক ঠাইত পোৱা তেনেকুৱা পুথি বা অস্পষ্ট তাম্ৰশাসনাদিৰ পাঠকেই শুদ্ধাশুদ্ধিৰ স্বৰূপ হিচাপে ধৰি লোৱাটো সম্পাদকৰ কাৰণে নিৰাপদ নহয়। কিয়নো, লিখকজনে নিজ হাতেৰে লিখা পুথি (autograph copy) বহুকাল পাছত সাধাৰণতে পোৱা নাযায়—পৰৱৰ্তী কালত আনে প্ৰস্তুত কৰা আৰু বিভিন্ন স্থানত বৈ থকা তাৰ প্ৰতিলিপিবোৰহে পোৱা যায়। সেই প্ৰতিলিপি সময়ত কম শিক্ষা পোৱা নকলনবিচৰ (সাধাৰণতে নকল-নবিচক যথোচিত শিক্ষাৰ অধিকাৰী বুলি কব নোৱাৰি) লিপিত দুই ধৰণৰ ভুল হোৱা স্বাভাৱিক। এক, মূলৰ ভাৱাৰ্থ নবুজি বিশেষকৈ অস্পষ্ট পাঠৰ বিকৃতীকৰণ, আৰু দ্বিতীয়, নকল কৰাৰ সময়ত অজ্ঞাতসাৰে হোৱা ভুল (Sarible



mistake)। সাধাৰণ নকল-নবিচৰ কথা নকওঁৱেই যদিকি পণ্ডিত লোকে কৰা প্ৰতিলিপিৰ মাজতো অৱশ্যে দ্বিতীয়বিধ ভুল বৈ থকা স্বাভাৱিক। সেয়েহে অপ্ৰকাশিত পুথিৰ (manuscript) সকলোবোৰ পাঠকেই শুদ্ধ বুলি গ্ৰহণ কৰাটো নিৰাপদ নহয়। আকৌ, আন এটা কথা এই যে, পুৰণি-সাহিত্যৰ কোনো কোনো পাঠাংশ দেশৰ বিভিন্ন স্থানৰ মানুহৰ মুখে মুখে চলি আহিছে। মুখ বাগৰি বাগৰি চলি অহা কাৰণে ব্যক্তিবিশেষৰ ইচ্ছাকৃত ভাৱে নহলেও অজ্ঞাতসাৰে এই ধৰণৰ পাঠৰ কোনো অংশ বিকৃত হোৱা স্বাভাৱিক। সেয়েহে, মুখে মুখে চলি অহা (transmitted) এই পাঠাংশবোৰৰ দুই এটা বাক্যি বা শব্দ মূল পুথিৰ পাঠৰ লগতো অমিল দেখা যায়। মুখ প্ৰচলিত আৰু পুথিত থকা পাঠৰ কোনটো শুদ্ধ, তাক পণ্ডিত লোকেহে নিৰ্ণয় কৰিব পাৰে। আমাৰ সত্ৰসমূহৰ ভকতসকলৰ মুখে মুখেও গীত-পদ-ঘোষাবোৰ চলি আহিছে। সেইবোৰৰ দুই এটা কথা মূল সাঁচিপতীয়া বা তুলাপতীয়া পুথিৰ পাঠৰ লগত অমিল দেখা যায়। এইখিনিতে প্ৰশ্ন উঠে—এই দুবিধ পাঠৰ অন্তৰ্ভুক্ত অমিলাংশৰ কোন অংশ শুদ্ধ? দুয়ো বিধ পাঠৰেই শুদ্ধতা দাবীৰ যুক্তি দৰ্শাব পৰা যায়। কিন্তু শুদ্ধ এটাহে, দুয়োটা নহয়; কাৰণ মূলতঃ গ্ৰন্থৰচকে এটা পাঠহে লিখিছে। এনেকুৱা ক্ষেত্ৰত, মুখে মুখে চলি অহা পাঠো শুদ্ধ হব পাৰে, নাইবা পুৰণি পুথিৰ পাতত থকা পাঠো শুদ্ধ হব পাৰে। এই দুই ৰকমৰ পাঠৰ ভিতৰত কোনটো শুদ্ধ তাক সম্পাদকে স্থিৰ কৰিব নিৰপেক্ষ বিচাৰশক্তিৰ যোগেদি, প্ৰাসঙ্গিক বিষয়বস্তু, ভাৱ আৰু (বিষয় আধাৰ-গ্ৰন্থসাপেক্ষ হলে) মূল-গ্ৰন্থৰ বিষয় বস্তুৰ ভাৱৰ ওপৰত নিৰ্ভৰ কৰি। আকৌ, কেতিয়াবা কদাচিৎ এনে কথাও হব পাৰে যে, পুৰণি পুথিৰ পাঠ আৰু মুখপ্ৰচলিত পাঠ, উভয়বিধেই (ওপৰত দেখুৱাই অহা কাৰণত) অশুদ্ধ। এনেকুৱা সমস্যাত শুদ্ধ পাঠ নিৰ্ণয়ত সম্পাদকৰ নিৰপেক্ষ-বিচাৰশক্তি আৰু বোধশক্তিৰ অধিক গভীৰতা আৰু ব্যাপকতাৰ প্ৰয়োজন হয়।

হস্তলিখিত পুৰণি পুথিত পাঠবোৰ বিভিন্ন বিষয় ভাৱ অনুসৰি ভিন্ ভিন্ দফাত (paragraph) বিভক্ত পোৱা নাযায়। আকৌ, সেই পাঠৰ যথা-যোগ্য স্থানত বিভিন্ন যতিচিহ্নৰ (আধুনিক ৰচনাৰ মাজত ব্যৱহৃত) প্ৰয়োগ নাথাকে, সকলো ঠাইতে কলোনৰ নিচিনা চিহ্নৰ (:) প্ৰয়োগ মাত্ৰ পোৱা যায়। সম্পাদকে বিষয় আৰু ভাৱবিশেষে এই পাঠ-বোৰ বিভিন্ন দফাৰ অন্তৰ্ভুক্ত কৰিলে আৰু পাঠৰ মাজৰ যথাযোগ্য ঠাইত বিভিন্ন যতিচিহ্ন বহুৱালে পাঠকৰ কাৰণে পাঠৰ অৰ্থ বুজাত সহজ হয়। পুৰণি পুথিৰ পাঠৰ এইধৰণৰ আধুনিকীকৰণ অৱশ্যে কোনো কোনো লোকৰ মনঃপুত নহয়। আকৌ, আন এটা কথা—পুৰণি হস্তলিখিত পুথিৰ পাঠত বৰ্ণাশুদ্ধিৰ সংখ্যা বহুত বেছি। অৱশ্যে পুৰণি পুথিত পোৱা এই ধৰণৰ পাঠটোকে অবিকলভাৱে ৰাখি সম্পাদন কৰা কাৰ্য্যটো (old spelling edition) [এক] শ্ৰেণীৰ [] পণ্ডিতে সমৰ্থন কৰে। কিন্তু এই কথা ঠিক যে, নকলনবিচৰ অল্প-শিক্ষা আৰু শুদ্ধ বানান লিখাৰ প্ৰতি সচেতনতাৰ অভাৱ—এই দুই কাৰণতেই পুথিত ইমান বৰ্ণাশুদ্ধিৰ স্থান, এই স্থান মূল লিখকৰ জ্ঞানকৃত বুলিব নোৱাৰি। অথচ এই ভুল বানানৰ পৰ্য্যাপ্তিয়ে পাঠৰ অৰ্থ-গ্ৰহণত পাঠকক অসুবিধাত পেলায়। গতিকে, বৈয়াকৰণিক-বৈশিষ্ট্য, বাক্যবিন্যাস-প্ৰকৰণ-ৰীতি [আদি কোনো] ফালেদি ভাষাৰ স্বৰূপ নষ্ট নোহোৱাকৈ সম্পাদকে বানানবোৰ শুদ্ধ কৰি দিলে পাঠকৰ কাৰণেও সুবিধা হ'ব, অথচ মূল লিখকৰ উদ্দেশ্যও কোনো প্ৰকাৰে ব্যাহত নহয়।

মুদ্ৰিত-গ্ৰন্থৰ সম্পাদন আপেক্ষিক ভাৱে হয়তো সহজ বুলিব পাৰি। কিয়নো, সম্পাদনৰ সময়ত সম্পাদকে পূৰ্বৰ মুদ্ৰিত-গ্ৰন্থখনক অৱলম্বন কৰিব

১. Cassell's Encyclopaedia of literature, edt. by S. H. Steinburg (under 'Texual criticism.")

পাৰে । সাধাৰণতে অব্যৱহিত পূৰ্বৰ মুদ্ৰিত-সংস্কৰণৰ গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰি পৰৱৰ্তী সংস্কৰণ সম্পাদন কৰা হয় । পূৰ্ব-সংস্কৰণৰ কোনো গ্ৰন্থৰ যদি বিজ্ঞ-লিখকে ("প্ৰুফ" আদি নিজেই চায় আৰু নিজৰ তত্বাৱধানত তাক ছপা কৰে, তেনেহলে সেই মুদ্ৰিত গ্ৰন্থৰ পৰৱৰ্তী-সংস্কৰণৰ কাৰণে সম্পাদকৰ বিশেষ অসুবিধা নাথাকে । আকৌ, পূৰ্বৰ আহি গ্ৰন্থখন যদি লিখকৰ তত্বাৱধানত মুদ্ৰিত, নহয়—পাণ্ডুলিপিৰ পৰা আনৰ তত্বাৱধানতহে মুদ্ৰিত তেনেহলে সেইখন গ্ৰন্থৰ সম্পাদনকাৰ্য্য সিমান সহজ নহয় । কিয়নো পাণ্ডুলিপিৰ মাজৰ স্থানবিশেষৰ পাঠৰ অস্পষ্টতা, অক্ষৰৰ বিৰূপতা, যতিচিহ্নৰ উপযুক্ত প্ৰয়োগৰ অভাৱ আদিত আকৌ কোনো কোনো পাঠাংশৰ মাজেদি লিখকৰ ভাৱানুভূতি গ্ৰহণৰ অক্ষমতা—এনেবোৰ কাৰণত লিখকৰ অভিপ্ৰেত পাঠ ঠাই বিশেষে বিকৃত ৰূপত মুদ্ৰিত হয় । আকৌ, লিখকৰ তত্বাৱধানত প্ৰকাশিতেই হওক বা তেওঁৰ অভাৱত আনৰ তত্বা-ৱধানত প্ৰকাশিতেই হওক, কিছুমান গ্ৰন্থৰ ( বিশেষকৈ অসমীয়া ) মাজত দাৰি ( । ), কমা (,), চেমিকলোন (;), কলোন (:) ড্যাছ (—) আদি যতিচিহ্নবোৰৰ স্থানবিশেষে যথাযোগ্য প্ৰয়োগ দেখা নাযায় । যতিচিহ্নৰ যোগ্য প্ৰয়োগৰ অভাৱত ( বিপৰীতে তাৰ অপ-প্ৰয়োগৰ ফলত ) ৰচনাৰ অৰ্থ কেতিয়াবা কানি বেলেগ হয় আৰু কেতিয়াবা বিসঙ্গতিপূৰ্ণ হয় । উক্ত ধৰণৰ প্ৰকাশিত গ্ৰন্থৰ মাজতেই আকৌ দুই চাৰিটা সাধাৰণ ভুলো ৰৈ যায় । "প্ৰুফ"-চাওতা-জনৰ মনোযোগৰ ক্ষন্তেকীয়া ব্যতিক্ৰমৰ ফলত দুই এটা আৰু মুদ্ৰণ-কাৰ্য্যৰ সমস্ত বিভিন্ন যান্ত্ৰিক-প্ৰক্ৰিয়াৰ মাজেদিও কেইবা ধৰণৰ ভুল হব পাৰে বা হয় । এনে ধৰণৰ ভুলৰ লগত লিখক বা সম্পাদকৰ অন্তৰ্ভুক্ত সম্বন্ধ নাথাকে । গতিকে, উক্ত সমস্যাবোৰৰ সমাধানৰ মাজেদি মুদ্ৰিত গ্ৰন্থৰ সম্পাদন কাৰ্য্যও কম গুৰুত্বপূৰ্ণ নহয় ।

আন এক শ্ৰেণী মুদ্ৰিত-ৰচনাৰ সম্পাদন সম্বন্ধে কবলগীয়া আছে । কোনো এজন লিখকৰ বিভিন্ন আলোচনী-পত্ৰিকাত প্ৰকাশিত বিভিন্ন ৰচনাৱলী সংগ্ৰহ কৰি সম্পাদন কৰি উলিওৱাও এটা কষ্টকৰ কাম । এই ধৰণৰ ৰচনাৱলীৰ সম্পাদন-কাৰ্য্য লিখকৰ মৃত্যুৰ পাছত নাইবা তেওঁৰ জীৱিত-কালতো হব পাৰে । যি কোনো সময়তেই সম্পাদন নকৰক, ৰচনাসমূহ সময়ানুক্ৰমিক ভাবে আৰু বিষয়ানুসৰি সজাব লাগে । এক বিষয়ৰ ৰচনাৰ মাজত যদি বিষয়বস্তুৰ ক্ৰমবিকাশৰ ধাৰা লক্ষ্য কৰা যায়, তেনেহলে সেই ধাৰানুসৰি তাক সজোৱাৰ প্ৰয়োজন । বিভিন্ন ৰচনাসমূহ সুপৰিকল্পিতভাৱে সজাবলৈ হলে সম্পাদক লিখকৰ জীৱন-দৰ্শন, ব্যক্তিত্ব, আদৰ্শ আদিৰ দিশবোৰত সম্যকৰূপে সোমাব পাৰিব লাগে । লিখকৰ জীৱনৰ এই দিশবোৰ তেওঁৰ ৰচনাৰ মাজেদি যদি ঠিকভাৱে পৰিস্ফুট নহয়, নাইবা সৰ্বসাধাৰণ পাঠকৰ কাৰণে যদি বুজাত কঠিন হয়, তেনেহলে সম্পাদকে "ভূমিকা"ৰ মাজেদি এই দিশবোৰ বিকাশ কৰি দিয়াৰ প্ৰয়োজন আছে, যাতে পাঠকে তাৰ অৱলম্বনত লিখকৰ ৰচনাসমূহ উপলব্ধি কৰিব পাৰে । এই ধৰণৰ ৰচনাৰ মাজতো ওপৰত কোৱাৰ নিচিনা ভুল-ত্ৰুটি থাকিব পাৰে । সেই সম্বন্ধে সম্পাদকৰ নৈতিক-কৰ্তব্যতাও ওপৰত কোৱাৰ নিচিনাই ।

প্ৰথমতেই কোৱা হৈছে যে, সম্পাদক পণ্ডিত, উপযুক্ত বিচাৰক আৰু শ্ৰমশীল হব লাগে । ইমানেই নহয়—সম্পাদন কৰিবলৈ লোৱা গ্ৰন্থৰ লিখক আৰু বিষয়বস্তুৰ প্ৰতি গভীৰ শ্ৰদ্ধাও সম্পাদকৰ থাকিব লাগে । স্বৰূপাৰ্থত, আপেক্ষিক ভাবে সীমিত গণ্ডীৰ মাজত সম্পাদক সমালোচকো ।

✤

শ্ৰীনাৰায়ণ দাস

# সপ্তম দশকত অসমীয়া প্ৰবন্ধ-সাহিত্য

( প্ৰথম প্ৰবন্ধ )

মেধা আৰু কল্পনাশ্ৰয়ী ভিন্ন বিষয়বস্তু জ্ঞাপক ...ক্তিনিষ্ঠ কিংবা আত্মসচেতন নাতিদীৰ্ঘ গদ্য ৰচনাই ...ন্ধ সাহিত্যৰূপে খ্যাত । সাহিত্যৰ অন্যান্য ভাগৰ ...ৰে প্ৰবন্ধও দ্বিধাৰা বিশিষ্ট—তন্ময় আৰু মন্ময় । ...ন্ময় কিংবা বস্তুনিষ্ঠ প্ৰবন্ধই বুদ্ধিক গভীৰ, দৃষ্টিক ...ষ্ট আৰু জ্ঞানক প্ৰশস্ত কৰি তোলে । আনহাতে ...য় বা ব্যক্তিনিষ্ঠ প্ৰবন্ধই 'জ্ঞানৰ বিষয়-বস্তুক হাস্য ...ত্মক পুষ্প-পেলাৱতা দান কৰি আমাক মুগ্ধ কৰে ।' ...ম দশকত অসমীয়া সৃজনীমূলক সাহিত্য, বিশেষকৈ ...ট গল্প, উপন্যাস আৰু কবিতাই যিমানখিনি প্ৰগতিৰ ...ত আগবাঢ়িছে, প্ৰবন্ধ সাহিত্যই তিমানখিনি অগ্ৰসৰ ...ই নোৱাৰা বুলি বহুতে অভিযোগ তোলে । প্ৰবন্ধ ...হিত্যৰ এই অনগ্ৰসৰতাৰ কাৰণ একাধিক । এইটো ...স্বীকাৰ যে সাহিত্যৰ অন্যান্য শাখাৰ লেখীয়াকৈ ...ন্ধ সাহিত্যৰো বিকাশ-সম্ভৱ হৈছে-বাতৰি কাকতৰ ...নে সংখ্যা আৰু সাময়িকীসমূহৰ কল্যাণত । ...ম পাতল গল্প, উপন্যাস প্ৰভৃতিয়ে জনসাধাৰণক ...নেদৰে সহজে আকৃষ্ট কৰিব পাৰে, চিন্তাপ্ৰসূত ...ন্ধই তেনেদৰে নোৱাৰে । গতিকে সম্পাদকসকলে ...য়িক দিশলৈ চকু ৰাখিব লগাত পৰাত প্ৰবন্ধ-...ৰ বাছনি হয় কিছু সেৰেঙ । তথাপিতো কেইখন মাহিলী আৰু সাপ্তাহিক কাকতৰ কচিৎমান

সম্পাদকসকলে উচ্চমানৰ প্ৰবন্ধ প্ৰকাশত আগভাগ লোৱাত অসমীয়া প্ৰবন্ধ সাহিত্যই কিছু সদ্গতি লাভ কৰে । এনে আলোচনী আৰু বাতৰি-কাকতৰ ভিতৰত অসম সাহিত্য সভা পত্ৰিকা, ৰামধেনু, মণিদীপ, আমাৰ প্ৰতিনিধি, নতুন প্ৰতিনিধি, অসমীয়া, আৱাহন, সাপ্তাহিক নবযুগ, মাহেকীয়া প্ৰহৰী, ষান্মাসিক নীলাচল, অসমবাণী, পূজাসংখ্যা দৈনিক অসম, নতুন অসমীয়া প্ৰভৃতিৰ নাম একেলগে উচ্চাৰণ কৰিব পাৰি । অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন উপলক্ষে অভ্যৰ্থনা সমিতিবোৰে আজি কেইবছৰমানৰ পৰা প্ৰবন্ধ সংকলন একোটি প্ৰকাশ কৰাৰ ব্যৱস্থা লৈছে । প্ৰবন্ধ সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত এইটো এটা শুভ লক্ষণ । তুলনামূলকভাৱে সপ্তম দশকত প্ৰকাশিত প্ৰবন্ধ সংকলনৰ সংখ্যাও বৰ কম নহয় । হ'লেও অধিকাংশ উন্নতমানৰ প্ৰবন্ধই আজি সাময়িকী আৰু বাতৰি কাকতৰ পিঠিতে লুকাই আছে । অসমীয়া সাহিত্যত প্ৰবন্ধপঞ্জী সংকলনৰ কোনো প্ৰচেষ্টাই আমাৰ দৃষ্টিত পৰা নাই । ( অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত ডঃ সূৰ্য্যকুমাৰ ভূঞা সংকলিত 'বুৰঞ্জী মূলক প্ৰবন্ধাৱলীৰ তালিকা', প্ৰথম ভাগ (১৯৫৫) আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সংকলিত "অসম সাহিত্য সভা পত্ৰিকা প্ৰবন্ধপঞ্জী" দুখনি ইয়াৰ

উজ্জ্বল ব্যতিক্ৰম ।) ফলশ্ৰুতিৰূপে নতুনচাম পাঠকে পুৰণি আলোচনী অথবা বাতৰি কাকত সমূহত কেনে-ধৰণৰ প্ৰবন্ধপাতি প্ৰকাশ পাইছিল, তাক জানিব বিচাৰিলেও বিফল হ'বলৈ বাধ্য ।

সপ্তম দশকত প্ৰকাশিত আলোচনী-বাতৰি কাকতৰ কথাই নকওঁ, প্ৰবন্ধ সংকলন সমূহো আজি লাগবুলিলেই বিচাৰি পোৱা টান । তথাপি হাতে ঢুকি পোৱা সমলৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ প্ৰবন্ধ পঞ্জীখনি প্ৰস্তুত কৰা হ'ল । আগলৈকে পৰি-পূৰক প্ৰবন্ধৰ যোগদি এই দশকৰ প্ৰবন্ধ সাহিত্যৰ এটি সামগ্ৰিক ৰূপ দিবলৈ যত্ন কৰা হ'ব । বিষয়বস্তু অনুযায়ী প্ৰবন্ধবোৰ সাহিত্য-সূত্ৰ, বিশ্বসাহিত্য, সংস্কৃত সাহিত্য, অসমীয়া ভাষা আৰু সাহিত্য, অসমীয়া জন-সংস্কৃতি, জনজাতীয় সংস্কৃতি, ধৰ্ম-দৰ্শন আৰু পুৰাতত্ত্ব, নৃতত্ত্ব প্ৰভৃতি বিভিন্ন ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি । প্ৰকাশিত প্ৰবন্ধ সংকলন সমূহক পিছে উপযুক্ত শ্ৰেণীবিভাজনেৰে চিহ্নিত কৰা কিছু অসুবিধা। কাৰণ বহুবোৰ সংকলন বিভিন্ন বিষয়বস্তুৰ খিচুৰী মাত্ৰ। কিছুমান সংকলন আকৌ আলোচনা গ্ৰন্থৰ শাৰী পূৰণ হবত সিবোৰকো সাধাৰণ প্ৰবন্ধ সাহিত্যৰ অন্তৰ্ভুক্ত কৰা নহ'ল। ( এই ক্ষেত্ৰত শ্ৰীবীৰেন বৰকটকীৰ 'সাহিত্যৰ পটভূমি', ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া নাট্য সাহিত্য' (১৯৬২), 'অসমীয়া উপন্যাসৰ ভূমিকা (১৯৬৫), 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ' (১৯৭০), আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ 'সাহিত্য দৰ্শন' (১৯৬১), শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ 'আধুনিক গল্পসাহিত্য' (১৯৬৬), শ্ৰীতীৰ্থ নাথ শৰ্মাৰ 'সাহিত্য বিদ্যা পৰিক্ৰমা' (১৯৬২), অথবা ড° মহেন্দ্ৰবৰাৰ 'অসমীয়া কবিতাৰ ছন্দ' (১৯৬২) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য ।)

অসমীয়া সাহিত্যত সত্তৰৰ দশকত কেইখনো সাহিত্য-তত্ত্ব সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশ পায়। শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ 'সাহিত্য আলোচনা' (১৯৬১) কিংবা শ্ৰীৰামমল ঠাকুৰীয়াৰ 'সাহিত্য বিচাৰ' (১৯৬৪) আলোচনা গ্ৰন্থৰ শাৰীৰ পিছে ড° মহেশ্বৰ নেওগ আৰু ড° হেমন্ত কুমাৰ শৰ্মা সম্পাদিত "সাহিত্য-সমীক্ষা" (১৯৬৩) নিঃসন্দেহে 'সাহিত্য-আলোচনা মূলক প্ৰবন্ধ' সংকলন । প্ৰাচ্য-পাশ্চাত্য সাহিত্য-তত্ত্ব আৰু বিভিন্ন বাদৰ সন্দৰ্ভত বিশেষজ্ঞসকলে লিখা মুঠ ছাব্বিশটা প্ৰবন্ধ এই সংকলনত সন্নিবিষ্ট হৈছে। ১৯৬৪ খৃষ্টাব্দত প্ৰকাশিত শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা আৰু ছৈয়দ মেৰাজ হুছেইন সম্পাদিত "উপন্যাস সাহিত্য"ত যি তিনিটা উপন্যাস সম্পৰ্কীয় মূল্যৱান প্ৰবন্ধ চয়ন কৰা হৈছে—সেয়া হল—ড° মুলকৰাজ আনন্দৰ 'আধুনিক ভাৰতীয় উপন্যাসৰ ধাৰা', ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'উপন্যাস আৰু মানুহ' আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ 'উপন্যাসত নায়ক।' নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱাৰ 'নাটক আৰু অভিনয় প্ৰসংগ' ( দ্বিতীয় তাঙৰণ, ১৯৬৭ ) নাট আৰু নাটঘৰৰ সুন্দৰ আলোচনা । ইয়াত সন্নিবিষ্ট আঠাইশটা প্ৰবন্ধৰ ভিতৰত সংস্কৃত নাট্য সাহিতৰ ঐতিহ্য, সংস্কৃত নাটকৰ বৈশিষ্ট্য : গ্ৰীক প্ৰভাৱৰ কল্পনা, প্ৰাচীন ভাৰতীয় নাট্যাভিনয়, অভিনয়ৰ আকৰ্ষণ : ৰসতত্ত্ব, জনগণৰ নাট্যানুষ্ঠান, জাপানৰ 'নো' নাট আৰু 'কাবুকি', ট্ৰেজেডি, কমেডি, ৰূপক আৰু সাংকেতিক নাট, পৌৰাণিক-বুৰঞ্জীমূলক আৰু সামাজিক নাটক, নাট্য সাহিত্যত নতুনধাৰা, ইবচেনৰ নাট্য প্ৰতিভা, এলিয়টৰ নাটক আৰু আধুনিক অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি সুখপাঠ্য । ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ "পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়" (১৯৭০) গ্ৰন্থৰ প্ৰথম খণ্ডত থকা বিভিন্ন প্ৰবন্ধৰ ভিতৰত সংস্কৃত নাটৰ অৱনতি, লোকধৰ্মী নাট্য পৰম্পৰা, মধ্যযুগীয় নাটৰ বৈশিষ্ট্য, দক্ষিণ-পূব এচিয়াৰ নাটক তিব্বত-চীন আৰু জাপানৰ নাট্যকলা, মৈথিলী নাটক, মৈথিলী আৰু অসমীয়া নাটক প্ৰভৃতি লেখৰ সম্পদ। অধ্যাপক শশী শৰ্মাৰ "সাহিত্য-দৃষ্টি" ( ১৯৬৯ ) ত সাহিত্যৰ স্বৰূপ, মহান সাহিত্য, সাহিত্যত সৌন্দৰ্য-বোধ, ৰস আৰু ধ্বনি, সাহিত্যত মানবিকতা



ৰচনাশৈলী আৰু সমসাময়িক লেখকৰ প্ৰতি দৃষ্টিভংগী শীৰ্ষক অধ্যয়নপুষ্ট প্ৰবন্ধ সংকলিত হৈছে ।

সাহিত্যৰ তত্ত্ব আৰু বাদৰ বিষয়ে আলোচিত দশকত প্ৰকাশিত প্ৰবন্ধৰ ভিতৰত শ্ৰীঅৱনীন্দ্ৰনাথ ৰবাৰ কলা ( ম০ ৪।১২ ), শব্দ-শক্তি ( সা০ স০ প০ ২১।২ ), শৃংগাৰ ৰস ( ৰা০ ১৬।৫ ), ৰুডচৰ্থৰ কাব্য সিদ্ধান্ত (ম০ ৫।৮), কবিতাৰ মনোবৈজ্ঞানিক আধাৰ (ৰা০ ১৩।৮) ; শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰ নাটক আৰু উপন্যাস ( ৰা০ ১৮।১২), সাহিত্যত কল্পনা, বাস্তৱ আৰু প্ৰতীক (সা০ স০ প০ ১৯।১) ; শ্ৰীনলিনীধৰ ভট্টাচাৰ্যৰ কবিতাৰ প্ৰতীকতা ( সা০ ন০ ৩।৪৬), কবিতাৰ কৃষ্ণপক্ষ ( নী০ ৫।৩ ), জনপ্ৰিয় নিৰ্জনৰ সুৰ (নী০ ৫।২), কবিতাৰ ভাষা ( নী ৬।১ ) : শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ ভুক্তিবাদ আৰু সমালোচনা (ৰা০ ১৭।৪), আধুনিক সমালোচনাৰ ধাৰা (অ০ ১।৩), ৰাহুল সংকৃত্যায়নৰ প্ৰগতিশীল সাহিত্যত এভূমুকি (নী০ ১।২) ; শ্ৰীবীৰেন বৰকটকীৰ ক্লাচিকেল সাহিত্য (নী০ ৪।২), লিখাৰ পৰিবেশ আৰু পটভূমি ( প্ৰ০ ৭।১) ; শ্ৰীললিতচন্দ্ৰ বৰুৱাৰ সাহিত্যত বিশ্বজনীতা (ম০ ৩।১) ; শ্ৰীজীৱকান্ত গগৈৰ প্ৰগতিশীল সাহিত্য (ৰা০ ১৭।৪), নতুন কৌশলৰ উপন্যাস (ম০ ৫।১) ; নলিনীবালা দেৱীৰ সাহিত্যৰ বিকাশ (নী০ ৩/১) ; শ্ৰীহোমেন বৰগোহাঞিৰ বুদ্ধিজীৱি (নী০ ৪।২), ড' পৰীক্ষিত হাজৰিকাৰ মহাকাব্য আৰু অসমীয়া সাহিত্য (সাত০/৬২), বেজবৰুৱাৰ সাহিত্যত সাৰ্ব-জনীনতা (ন০ অ০/৬২), কাব্যিক সৌন্দৰ্য (নী০ ৫।২) : ড' বীৰেণ গোঁহাইৰ আধুনিকতাৰ সংজ্ঞা (ৰা০ ১৬।৮), আধুনিক সমালোচনা প্ৰসংগ ( ৰা০ ১৭।৮ ) : ড' প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ৰ সাহিত্যৰ লক্ষণ (ধাৰাবাহিক প্ৰবন্ধ, সা০ স০ প০ ২১ বৰ্ষ ) ; ৰমৰাণ খাহৰ চেতনা-স্ৰোতৰ কথা (ৰা০ ১৭।৬), শ্ৰীতুলভানন্দ ৰাজখোৱাৰ অস্তিত্ববাদ (ধাৰাবাহিক, সা০ ন০ ২।৩৯ ৰ পৰা ) ; শ্ৰীদেৱেন্দ্ৰ পতি গোস্বামীৰ আধুনিকতা আৰু কবিতা (নী০ ২/১) ; শ্ৰীভবেন বৰুৱাৰ সাহিত্য সমালোচনা আৰু বৌদ্ধিক সততাৰ প্ৰশ্ন (আ০ ৩৯।৬-৭), ভাষা, সাহিত্য আৰু সাহিত্য বিচাৰৰ সমস্যা (আ০ ৩৯।৫) ; শ্ৰীনৰেন্দ্ৰ ভৰদ্বাজৰ চাৰ্ত্ৰেৰ অস্তিত্ববাদ ( ম০ ৫।৩ ), শ্ৰীৰবীন চৌধুৰীৰ চাৰ্ত্ৰেৰ তত্ত্ব আৰু ব্যক্তিত্ব (প্ৰ০ ৬।২) আলডুচ হাক্সলীৰ কবিতাৰ বিষয়বস্তু (ৰা০ ১৭।১৯), শ্ৰীশিৱনাৰায়ণ ৰায়ৰ আধুনিক ভাৰতীয় লেখক আৰু সাহিত্য ( ৰা০ ১৬।১০-১২ ), শ্ৰীনৰেন্দ্ৰনাথ শৰ্মাৰ সাহিত্য মীমাংসাত ঔচিত্য (ৰা০ ১৬।১০-১২), শ্ৰীসৰোজকুমাৰ দত্তৰ মহাকাব্য বিচাৰ (ৰা০ ১৭।২) : শ্ৰীপৰেশ মল্ল-বৰুৱাৰ কাব্যানুবাদ : এটি সাহিত্যিক মূল্যায়ন ( সা০ স০ প০ ২৬।৪ ) বিশেষভাৱে উল্লেখযোগ্য ।

অসমীয়া, ভাৰতীয় অথবা ইংৰাজী সাহিত্যৰ বিভিন্ন দিশত পোহৰ পেলাই ৰচা প্ৰবন্ধ 'সংকলন অথবা প্ৰবন্ধও আমি ভালেখিনি পাইছোঁ । এই ক্ষেত্ৰত হেমবৰুৱাৰ "সাহিত্য সাহিত্য"ৰ ( ১৯৬২ ) নাম সৰ্বাগ্ৰে উল্লেখনীয় । মুঠ এডজন প্ৰবন্ধৰ অসমীয়া সাহিত্যত প্ৰতীকবাদ, অসমীয়া কাব্য সাহিত্য : পাশ্চাত্য প্ৰভাৱ, অসমীয়া কাহিনী গীত, নৱন্যাসিক যুগৰ ভাঙনি সাহিত্য : অসমীয়া কবিতা, অসমীয়া সাহিত্যত বৰ্ষা, ৰোমাণ্টিক সাহিত্য আৰু ব্যক্তিবাদ, উপন্যাস সাহিত্য আৰু ফিল্ম শিল্প, কবি শিল্পী টি এচ এলিয়ট, ভাৰতীয় পটভূমি : সাহিত্য সৃষ্টিৰ সমস্যা আৰু কিতাপৰ কথা উল্লেখযোগ্য । একেজন লেখকৰ "আঁচুকুল" প্ৰবন্ধ সংগ্ৰহটিতো আঠোটা গধুৰ প্ৰবন্ধই ঠাই পাইছে । প্ৰবন্ধ লেখকৰ ভাষাত "প্ৰবন্ধ কেইটাত সমাজখনৰ ইংগিত আছে—এটা সামাজিক লক্ষ্য চকুৰ আগত ৰাখি প্ৰবন্ধ কেইটা ৰচনা কৰা হৈছে।"

কবি হেমবৰুৱাৰ আন এটি ভাল প্ৰবন্ধ সংগ্ৰহ হ'ল-"স্মৃতিৰ পাপৰি।" ইয়াত থকা তেইশটি প্ৰবন্ধৰ প্ৰতিটিৰে আছে নিজস্ব সুৰভি-নিৰ্যাস। অসমীয়া সাহিত্যলৈ প্ৰগতিবাদী চিন্তাধাৰা আনয়নত ব্ৰতী-হোৱা ভবানন্দ দত্তৰ "অসমীয়া কবিতাৰ কাহিনী" (১৯৬৯) শীৰ্ষক প্ৰবন্ধ পুথিখনিত আধুনিক অসমীয়া কবিতাৰ ভিন্ন দিশ আলোচিত হৈছে। শ্ৰীবীৰেন বৰকটকীৰ "অসমীয়া সাহিত্য সংস্কৃতিৰ ছুটি-এটি" শিৰোনামৰ প্ৰবন্ধ সংগ্ৰহটিত (১৯৭০) থকা অসমীয়া ৰোমাণ্টিক কবিতা, চন্দ্ৰকুমাৰৰ সাহিত্য প্ৰতিভা, বেজবৰুৱাৰ কবিতা, ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি, নলিনীবালা দেৱীৰ কবিতাত ৰহস্যবাদৰ সুৰ, গণেশ গগৈৰ কবিতা, জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰী, অসমীয়া শাক্ত সাহিত্য, পৃথিবীৰ দেৱী আৰু মাতৃৰূপ, কৃষি আৰু দেশে দেশে লোক বিশ্বাস, আৰু বঙালী বিহুৰ পৰম্পৰাত প্ৰবন্ধ লেখকৰ বিশ্লেষণী শক্তি প্ৰোজ্জল হৈ পৰিছে।

আধুনিক আৰু পৌৰাণিক অসমীয়া সাহিত্যৰ বিভিন্ন দিশ সামৰি লিখা প্ৰবন্ধৰ কেইবাটাও বাচক-বনীয়া সংকলন অসমীয়া সাহিত্যই লাভ কৰে সত্তৰৰ দশকতে। এনেবোৰ সংকলনৰ ভিতৰত ভিম্বেশ্বৰ নেওগৰ জেউতি আৰু জিলিঙনিৰ একত্ৰ সংকলন "অসমীয়া সাহিত্যৰ অধ্যয়ন" (১৯৬৪) লৈ জয়জয়তে আঙুলিয়াব পাৰি। ইয়াত সৰ্বমুঠ আঠৈ-কুৰি সৰু-বৰ প্ৰবন্ধই স্থান পাইছে। ড° হেমন্ত কুমাৰ শৰ্মাৰ "অসমীয়া সাহিত্যত দৃষ্টিপাত" (১৯৬১/৬৭) আৰু -"অসমীয়া সাহিত্যৰ বেঙনি"ত (১৯৬৭) থকা বিভিন্ন প্ৰবন্ধই লোক সাহিত্যত আৰম্ভ কৰি আধুনিক অসমীয়া কবিতালৈকে দৃষ্টি নিক্ষেপ কৰিবলৈ সমৰ্থ হৈছে। অধ্যাপক দুৰ্গেশ্বৰ শৰ্মাই ১৯৭১ খৃষ্টাব্দত প্ৰকাশ কৰা "অসমীয়া সাহিত্যৰ সমীক্ষা" শীৰ্ষক প্ৰবন্ধ সংগ্ৰহটিৰ বিষয়ে অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই কয়, "তেওঁ বহুদিন ধৰি কলেজীয়া ছাত্ৰক অসমীয়া সাহিত্যৰ শিক্ষা-দানত জড়িত হৈ আছে। তাৰ ফলস্বৰূপে তেওঁৰ আলোচনাত এটি পাৰিপাট্য আৰু নম্ৰতা লক্ষ্য কৰা যায়।" ড° পৰিক্ষিত হাজৰিকাৰ প্ৰথম প্ৰবন্ধ সংকলন "অসমীয়া প্ৰবন্ধ মঞ্জৰী" (১৯৬৪) "সময় আৰু প্ৰসংগ বিশেষে প্ৰেৰণাৰ টাননিত লিখা"। একেজন লেখকৰ দ্বিতীয় উল্লেখযোগ্য সংকলনটি হ'ল "আলোচনা সাহিত্য" (১৯৭৬)। অধ্যাপক শশী শৰ্মাৰ "দৃষ্টিপাত' ৰো (১৯৬৪) প্ৰায়খিনি প্ৰবন্ধই অসমীয়া ভাষা আৰু সাহিত্য সম্পৰ্কীয়। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত, প্ৰবন্ধ লেখকে "গতানুগতিকভাৱে পাল মাৰিবলৈ চেষ্টা নকৰি অত্যন্ত নিষ্ঠাৰে দেশী-বিদেশী গ্ৰন্থৰ অধ্যয়নৰ ভেটিত এই আলোচনাসমূহ আলোক-প্ৰসাৰী কৰি তুলিবলৈ চেষ্টা কৰিছে।" ডঃ হৰিনাথ শৰ্মাদলৈৰ "সাহিত্য আৰু সংস্কৃতি"ত (১৯৬৫) অসমীয়া সাহিত্য সম্পৰ্কীয় আঠোটা আৰু সংস্কৃতি মূলক পাঁচোটি প্ৰবন্ধ সংকলিত হৈছে। মাধৱ কন্দলীৰ ৰামায়ণ, অংকীয়া নাট, ভট্টদেৱৰ কথা-ভাগৱত, ভথেলি, পুতলা নাচ, প্ৰভৃতি ইয়াৰ আলোক-সন্ধানী ৰচনা।

জ্ঞান নাথ বৰাৰ "আধুনিক অসমীয়া সাহিত্য" স্বল্পাৱয়ৱী গ্ৰন্থ (১৮৮৩শক)। ইয়াত গদ্য, পদ্য, নিভাঁজ ভাষা প্ৰয়োগ আৰু জোনাকী যুগৰ সন্দৰ্ভত এমুঠি প্ৰবন্ধ আছে। ডঃ মহেশ্বৰ নেওগৰ "আধুনিক অসমীয়া সাহিত্য" (১৯৬৫) ত সন্নিবিষ্ট সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি, আঠৈ কুৰি বছৰৰ অসমীয়া কবিতা, আধুনিক অসমীয়া কবিতা, অসমীয়া গল্প সাহিত্য আৰু আৰ্ট, অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ সাহিত্য-



সেৱা, বেজবৰুৱা মানুহজন প্ৰভৃতি প্ৰবন্ধত লেখকৰ বিশ্লেষণী ক্ষমতা আৰু বিস্তৃত অধ্যয়নৰ স্বাক্ষৰ বৰ্তমান। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ "সাহিত্যৰ আভাস" (১৯৬৩) শীৰ্ষক সংকলনটিৰ অসমীয়া সাহিত্যত ছেক্সপীয়েৰ, প্ৰাচীন সাহিত্যত প্ৰেম, আধুনিক অসমীয়া গদ্যৰীতি, চৰিত সাহিত্য, বেজবৰুৱাৰ চুটিগল্প, বৈষ্ণৱ কবিৰ ওপৰত মাধৱ কন্দলীৰ প্ৰভাৱ, ব্ৰহ্মপুত্ৰ আৰু অসমীয়া সাহিত্য, ৰংগমঞ্চৰ কথা, নাট্য সাহিত্যত নিয়তি আৰু ক্লাচিকেল সাহিত্যৰ লক্ষণৰ প্ৰভা আজিও ম্লান পৰা নাই। ড° উপেন্দ্ৰ নাথ গোস্বামীৰ "ভাষা আৰু সাহিত্য" (দ্বিতীয় তাং ১৯৬৬)ৰ চৰ্যাপদ আৰু অসমীয়া ভাষা, কৃষ্ণ-কীৰ্তন আৰু অসমীয়া ভাষা আৰু অসমীয়া ব্ৰজবুলি-প্ৰবন্ধ তিনিটিয়ে অসমীয়া ভাষাৰ এক নতুন দিগন্ত উন্মোচন ঘটাইছে। ৰহস্যবাদ চুফীবাদ, অসমীয়া কবিতাত ৰহস্যবাদ, দুৱৰাৰ কবিতা আৰু চৌধাৰীৰ কবিতা ৰ আলোচনাতো কিছু মৌলিকতা নথকা নহয়। ড° নবীনচন্দ্ৰ শৰ্মাৰ "অসমীয়া সাহিত্যৰ আলোকৰেখা"ৰ (১৯৬৯) "পুৰণি অসমীয়া সাহিত্যত ৰাধা, পাঁচালি সাহিত্য অসমীয়া ভাগৱত, গীতি-কবিতা আৰু বৰগীত, শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্য ৰীতিৰ পাৰ্থক্য নাগেলী গীত আদিৰ বিষয়ে সুচিন্তিত আলোচনা" দাঙি ধৰা হৈছে (ভগৱান মৰল)। একেজন প্ৰবন্ধকাৰৰ "ভাষা আৰু সাহিত্যৰ ৰূপৰেখা" তো (১৯৭০) ধ্বনি বিজ্ঞানৰ কেইটামান সূত্ৰৰ উপৰি অসমীয়া সাহিত্যৰ কেইটামান দিশ আলোচিত হোৱাটো সুখৰ।

অপ্ৰতিদ্বন্দ্বী জীৱনীকাৰ নন্দ তালুকদাৰৰ 'কবি আৰু কবিতা' (১৯৬৯) দুটি শাখাত বিভাজিত। তাৰে প্ৰথম অংশত আছে নৱন্যাস আন্দোলন, ৰহস্যবাদ, কাব্য, সাহিত্য, চনেট, মালিতা, হাস্যৰস দেশ প্ৰেমমূলক কবিতা, গীতি সাহিত্য, অসমীয়া কবিতাত শৰৎ আৰু কবিৰ দৃষ্টিত বিহু শীৰ্ষক প্ৰবন্ধ। দ্বিতীয় অংশত চন্দ্ৰকুমাৰ আগৰৱালাত আৰম্ভ কৰি নৱকান্ত বৰুৱালৈকে মুঠ যোলজন আধুনিক অসমীয়া কবিৰ কাব্যকৃতি যোলটি প্ৰবন্ধত বিধৃত হৈছে। অসমীয়া জাতীয়তাবাদৰ ওপৰত প্ৰগাঢ় বিশ্বাস ৰখা আব্দুচ ছাত্তাৰৰ "সংমিশ্ৰনত অসমীয়া সংস্কৃতি" (১৯৬৫) শীৰ্ষক প্ৰবন্ধ সংগ্ৰহত ভাৰতলৈ মুছলমানৰ আগমন, ভাৰতীয় সংস্কৃতিত মুছলমানৰ প্ৰভাৱ, বৈষ্ণৱ কবিৰ ৰচনাত ফাৰ্চী শব্দৰ প্ৰয়োগ, ইছলামী-অসমীয়া সংস্কৃতি প্ৰভৃতিৰ সন্দৰ্ভত লিখা প্ৰবন্ধ পাওঁ। একেজন লেখকৰ অসমীয়া সাহিত্যৰ বিবিধ আলোচনা" (১৯৬৩) আৰু 'সাহিত্যিকা" তো (১৯৬৪) ধৰ্ম-সংহতি আৰু সংস্কৃতিৰ ওপৰত কেইটামান চিন্তা-প্ৰসূত প্ৰবন্ধই স্থান পাইছে।

প্ৰতিষ্ঠিত সমালোচক শ্ৰীতীৰ্থনাথ শৰ্মাৰ 'পঞ্চ পুষ্প' (১৯৬৮) সপ্তম দশকৰ এখন উল্লেখ যোগ্য প্ৰবন্ধ চয়ন। ইয়াৰে প্ৰথম পুষ্পত ভাৰতীয় ভাষা সংস্কৃতি, দ্বিতীয় পুষ্পত পুৰণি অসমীয়া সাহিত্য, তৃতীয় পুষ্পত অংকীয়া নাট, ৰামনৱমী প্ৰভৃতিৰ মৌলিক চিন্তাধাৰা, চতুৰ্থ পুষ্পত দুৱৰা আৰু চৌধাৰীৰ কাব্য গুণ আৰু পঞ্চম পুষ্পত চয়নিত হৈছে অসমীয়া ভাষাৰ একাধিক দিশৰ আলোচনা। তাৰিণীকান্ত ভট্টাচাৰ্যৰ 'সাহিত্যৰ গতিপথ'ত (১৮৮৩ শক) সন্নিবিষ্ট পোন্ধৰটি প্ৰবন্ধৰ ভিতৰত আধুনিক সাহিত্যৰ বুদ্ধিমত্তা, সাহিত্যৰ প্ৰগতিবাদ, ইউৰোপীয় নাট্য সাহিত্য ইংৰাজী ৰচনা সাহিত্য সাহিত্য সমাজ আৰু সমালোচনা প্ৰভৃতি লেখৰ। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ 'সমুদ্ৰমন্থন' (১৯৬৮)ত বিভিন্ন বিষয় বস্তুৰ প্ৰবন্ধই স্থান পাইছে। 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' সংগ্ৰহটোৰ এটি উল্লেখযোগ্য মৌলিক চিন্তা প্ৰসূত ৰচনা ভাৰতীয় আৰু পাশ্চাত্য সমালোচনাৰ আদৰ্শ অসমীয়া গল্প সাহিত্যত জীৱনৰ বৈচিত্ৰ্য, সমসাময়িক অসমীয়া সাহিত্য, সমসাময়িক সাহিত্য আৰু সামালোচনা আৰু অসমীয়া সাহিত্যত ভাৰতীয় ঐক্যৰ সংবোধ প্ৰবন্ধত লেখকৰ চিন্তাৰ মৌলিকত্ব পৰিস্ফুট। শিলং সাহিত্য কাননৰ দ্বাৰা প্ৰকাশিত 'সাহিত্য কানন' (১৯৬৩) ত সন্নিবিষ্ট প্ৰবন্ধগুচ্ছৰ

ভিতৰত শ্ৰীনলিনীধৰ ভট্টাচাৰ্যৰ আধুনিক কবিতা আৰু পাঠক, শ্ৰীউমাকান্ত শৰ্মাৰ কলিদাস, শ্ৰীভাৰতচন্দ্ৰ পাঠকৰ হেনৰিক ইব্‌ছেন, শ্ৰীৰাজেন্দ্ৰনাথ হাজৰিকাৰ ফিট্‌জাৰেল্ড : ওমৰখায়াম আৰু ৰুবাইত, শ্ৰীলোকনাথ ভৰালীৰ ভাষা আৰু সমাজ প্ৰভৃতি লেখৰ।

ইংগ-মাৰ্কিন নতুন সমালোচনাৰ ধাৰা অসমীয়া সাহিত্যলৈ আনয়নত প্ৰযত্ন লয় ড° হীৰেণ গোহাই আৰু শ্ৰীভবেন বৰুৱাই। ড° গোহাইৰ প্ৰথম প্ৰবন্ধ সংকলন "সাহিত্যৰ সত্য"ত (১৯৭০) মুঠতে বাইশটি চিন্তা-প্ৰসূত প্ৰবন্ধই স্থান পাইছে। সিবোৰৰ ভিতৰত অম্বিকাগিৰী আৰু মানৱায়তন, প্ৰগতিশীল সাহিত্যত এভুমুকি, নীলমণি ফুকনৰ কবিতা, আধুনিকতাৰ সংজ্ঞা, অতীত আৰু আধুনিক, নৱকান্ত বৰুৱাৰ সম্ৰাট, ছেক্সপীয়েৰ আৰু আধ্যাত্মবাদ, জীৱনানন্দ প্ৰসংগ, ঔপন্যাসিক ৰবীন্দ্ৰ নাথৰ মানৱদৰ্শন, যতীন দুৱৰাৰ প্ৰতি এটি শ্ৰদ্ধাঞ্জলি, জ্যোতি প্ৰসাদৰ কাৰেঙৰ লিগিৰী, নিস্পন্দ নৱজাতক : সেউজী পাতৰ কাহিনী, এটি আলোচনা অসমীয়া গল্প-উপন্যাস, বেজবৰুৱা আৰু নতুন জীৱনাদৰ্শ, সাম্প্ৰতিক অসমীয়া গল্প সাহিত্যত নতুন বাস্তৱবোধ, জ্যোতি প্ৰসাদৰ শিল্প-সাধনাৰ শিক্ষা, দেশপ্ৰাণ অম্বিকাগিৰী ৰায়চৌধুৰীৰ দেশপ্ৰেমৰ স্বৰূপ প্ৰভৃতিত লেখকৰ চিন্তাচৰ্চাৰ মৌলিকতা আৰু গভীৰতা ফৰিংফুটা হৈ উঠিছে। লেখকৰ ভাষাৰেই "সংকলনখনিৰ ঐক্যসূত্ৰ ঐকান্তিক জীৱন- আৰু জিজ্ঞাসা।" শিলঙৰ মুকুল সংঘই প্ৰকাশ কৰা 'মুকুল প্ৰকাশ'ৰ (১৯৬২) প্ৰথম খণ্ডত বিভিন্ন লেখকৰ কুৰিটি বাচক-বনীয়া প্ৰবন্ধ সন্নিবিষ্ট হৈছে। অমিয় কুমাৰ দাসৰ "বাঁহীৰ প্ৰতিধ্বনি" প্ৰথম আৰু দ্বিতীয় খণ্ডৰ (১৯৬৮) প্ৰবন্ধগুচ্ছত পাতনি ৰচক শ্ৰীতীৰ্থনাথ শৰ্মাৰ ভাষাত "ভাষাৰ সৌষ্ঠৱ আৰু তেজস্বিতা মন কৰিবলগীয়া।" শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ "অসমীয়া কাব্যত প্ৰেমৰ বোৱতী সুঁতি" (১৯৬৮) গ্ৰন্থখনিত মুঠ সোতৰটি একেজাতীয় প্ৰবন্ধই স্থান পাইছে। হেমবৰুৱাৰ "পচোৱাৰ বেঙনি" (১৯৬৯) হ'ল এমুঠি অনূদিত প্ৰবন্ধৰ সাৰ্থক সংকলন।

ড°মহেশ্বৰ নেওগৰ "অসমীয়াৰ প্ৰেমকথা"ত (১৯৬১) গ্ৰথিত হৈছে—ইছলামী-চুফী প্ৰেম গাঁথাই পুৰণি অসমীয়া কাব্যত পেলোৱাৰ প্ৰভাৱৰ স্বীকৃতি। ড°বাণীকান্ত কাকতিৰ "বাণী প্ৰতিভা"ত (১৯৬৬) ড°কাকতিৰ বিশ্লেষণধৰ্মী সমগ্ৰ পাতনি আৰু অন্যান্য প্ৰবন্ধ স্থূপীকৃত হৈছে। শ্ৰীহোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত 'বিংশ শতাব্দীৰ অসমীয়া সাহিত্য'ৰ (১৯৬৭) প্ৰথমখণ্ডৰ বিংশ শতাব্দীৰ পটভূমি (মহেশ্বৰ নেওগ), ৰোমাণ্টিক পটভূমি (আব্দুল মালিক), আধুনিক অসমীয়া কবিতা (নলিনীধৰ ভট্টাচাৰ্য), চুটিগল্প (ত্ৰৈলোক্য নাথ গোস্বামী), উপন্যাস (নগেন শইকীয়া), নাটক (যোগেন চেতিয়া), প্ৰবন্ধ, সমালোচক আৰু সমালোচনা (ত্ৰৈলোক্যনাথ গোস্বামী), আলোচনী সংবাদ আৰু পত্ৰ (হৰিপ্ৰসাদ নেওগ), গদ্যৰীতি (সত্যেন্দ্ৰনাথ শৰ্মা), খুহুতীয়া ৰচনা (লীলা গগৈ), জীৱনী (যতীন্দ্ৰনাথ গোস্বামী), শিশুসাহিত্য (নিৰ্মলপ্ৰভা বৰদলৈ), ভ্ৰমণ সাহিত্য (নন্দ তালুকদাৰ) আৰু দ্বিতীয় খণ্ডত থকা ডি এইচ লৰেন্স আৰু আধুনিক মানৱতা (হীৰেন গোহাঁই), অৱস্থিতিবাদ (হোমেন বৰগোহাঞি) আৰু নৱন্যাসবাদ (মহেশ্বৰ নেওগ) তত্ত্বপূৰ্ণ ৰচনা সম্ভাৰ।

অসম সাহিত্য সভাৰ অধিবেশনসমূহৰ সময়ত একো একোখনি সাহিত্য সংকলন প্ৰকাশ কৰাৰ ৰীতি প্ৰচলিত হয় সত্তৰৰ দশকত। এই জাতীয় গ্ৰন্থৰ ভিতৰত শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী সম্পাদিত প্ৰবন্ধ চয়ন'ৰ (১৯৬৫) নাম সৰ্বাগ্ৰে উল্লেখনীয়। ইয়াৰে বৰ্তমান কবিতাৰ বৈশিষ্ট্য (হেমবৰুৱা), অসমীয়া কবিতাত ৰহস্যবাদ (উপেন্দ্ৰনাথ গোস্বামী) অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ (তাৰিণীকান্ত ভট্টাচাৰ্য), অসমীয়া ৰেডিঅ' নাট (ফণী তালুকদাৰ), অসমীয়া ধেমেলীয়া নাট (প্ৰভাধৰ চৌধাৰী), বিশ্ব সাহিত্যত অসমীয়া চুটিগল্পৰ স্থান (হোমেন বৰগোহাঞি), আধুনিক অসমীয়া গদ্যসাহিত্যৰ ধাৰা (কমলেশ্বৰ শৰ্মা), বৰ্তমান অসমীয়া কাহিনী সাহিত্য (যোগেশ দাস), আৰু অসমীয়া সাহিত্যলৈ জনজাতীয় বৰঙণি (প্ৰমোদ ভট্টাচাৰ্য), উচ্চমানৰ প্ৰবন্ধ। ইং ১৯৬৬ চনত এই জাতীয় প্ৰবন্ধ সংকলন প্ৰকাশ পায় দুটি—প্ৰথমটিৰ সম্পাদক শ্ৰীললিত শৰ্মা বৰুৱা ('সাহিত্য প্ৰসংগ,' লক্ষীমপুৰ)। দুটি খণ্ডত বিভাজিত প্ৰথম খণ্ডটিৰ এঘাৰটি গধুৰ প্ৰবন্ধৰ ভিতৰত ভাৰতীয় আৰু পাশ্চত্য সমালোচনাৰ আদৰ্শ (ত্ৰৈলোক্যনাথ গোস্বামী), অসমত বৌদ্ধধৰ্ম (সৰ্বানন্দ ৰাজকুমাৰ), অসমীয়া সাহিত্য সৃষ্টি (নীলিমা দত্ত), অসমীয়া সাহিত্যত ইছলামী প্ৰভাৱ (মহিবুদ্দিন আহমেদ), অসমীয়া বৈষ্ণৱ, বৈষ্ণৱ আৰু তান্ত্ৰিকৰ দৃষ্টিত নাৰী (অতুলচন্দ্ৰ বৰুৱা), অসমৰ লোক সংস্কৃতি (লীলা গগৈ), আৰু সাহিত্য আৰু ৰাজনীতি (বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য) উল্লেখযোগ্য। দ্বিতীয় সংকলনখনিৰ সম্পাদক ড°পৰীক্ষিত হাজৰিকা ("প্ৰবন্ধ সৌৰভ", ডিব্ৰুগড়)। ইয়াৰে পুৰণি ভাগৰ প্ৰবন্ধগুচ্ছৰ ভিতৰত পুৰণি অসমত ভাৰতীয় দৰ্শন শাস্ত্ৰৰ চৰ্চা (মনোৰঞ্জন শাস্ত্ৰী), পুৰণি অসমৰ শিক্ষা-ব্যৱস্থা (লক্ষীপ্ৰসাদ দত্ত), বিয়াহৰ ওজাপালি (অতুলচন্দ্ৰ বৰুৱা), আহোম ৰাজত্বত অসমৰ বেহা-বেপাৰ (নিৰ্মলকুমাৰ বসু), ভাৰতীয় শিক্ষা আৰু সংস্কৃতিত নাৰীৰ অৱদান (অশ্বিনী কুমাৰ চৌধুৰী), পুৰণি অসম বুৰঞ্জী (সৰ্বানন্দ ৰাজকুমাৰ), আৰু আধুনিক ভাগৰ প্ৰবন্ধচয়ন ভিতৰত আমেৰিকান বেপ্টিষ্ট মিচনৰ ঐতিহাসিক দান (বেণুধৰ শৰ্মা), অসমীয়া ভাষাৰ আঁতিগুৰি (উপেন্দ্ৰ নাথ গোস্বামী), বড়ো ভাষাৰ ধ্বনি তাত্ত্বিক পৰিচয় (প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য), খ্ৰীষ্টান অসমীয়া সাহিত্যৰ ভাষা-সমীক্ষা (পৰীক্ষিত হাজৰিকা) আৰু সাহিত্যৰ ধ্বনি (যোগীৰাজ বসু) উচ্চমানৰ ৰচনা সম্ভাৰ।



ইংৰাজী ১৯৬৮ চনত তেজপুৰ অভ্যৰ্থনা সমিতিয়ে দুটি প্ৰবন্ধ সংকলন প্ৰকাশ কৰে—প্ৰথমটি "শোণিত-জ্যোতি" (সম্পাদক-বদন লহকৰ আৰু সত্যৰঞ্জন কলিতা) আৰু দ্বিতীয়টি "শোণিত অৰ্ঘ্য" (সম্পাদক সদানন্দ চলিহা)। প্ৰথমখনিৰ মুঠ ২২টি প্ৰবন্ধৰ ভিতৰত বঙলা গুচোৱা যুদ্ধৰ আভাস (বেণুধৰ শৰ্মা), নবাকণৰ পোহৰত তেজপুৰ (মহেশ্বৰ নেওগ), দৈ, জিৰিজিৰি, ছনানি জিন্‌জিৰি (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য), ভাৰতীয় ভাষা আৰু সাহিত্যত সংহতি (নিৰ্মল প্ৰভা বৰদলৈ), বৰ্ষা আৰু শৃংগাৰ) মুকুন্দ-মাধৱ শৰ্মা), চৰিত্ৰ প্ৰধান গল্প (পৰীক্ষিত হাজৰিকা), জাতি আৰু কলা-প্ৰাচুৰ্য (যুগল দাস), সাহিত্যত বিশ্বজনীনতা (বিজয় ভাগৱতী) আৰু বান কৰাং (বিষ্ণু ৰাভা) উচ্চমানৰ। দ্বিতীয়খনিত সন্নিবিষ্ট উনৈশটা প্ৰবন্ধ তেজপুৰ পুৰাবৃত্ত আৰু অঞ্চলটোৰ সাহিত্য সাধনাৰ জৰীপ সম্পৰ্কীয়। ইংৰাজী ১৯৬৯ চনৰ বৰপেটা অধিবেশন উপলক্ষে প্ৰকাশিত "সাহিত্য আৰু সংস্কৃতি" সংকলনটোৰ সাহিত্য ভাগত অসমীয়া সাহিত্যত আন্তৰ্জাতিকতা (অমলেন্দু গুহ), অসমীয়া কবিতাত বিপ্লৱী ভাৱধাৰা (অতুল হাজৰিকা), অসমীয়া উপন্যাসত নদী (যোগেশ দাস), কবিতাৰ সামাজিক ভূমিকা (নলিনীধৰ ভট্টাচাৰ্য), মৃচ্ছকটিকাৰ সামাজিক চিত্ৰ (ভবেন্দ্ৰ নাথ হাজৰিকা), জীৱনী সাহিত্য (যতীন্দ্ৰনাথ গোস্বামী), বিভিন্ন মাধ্যমত অসমীয়া নাটক (ফণী তালুকদাৰ), মাধৱ দেৱৰ নাটত আদিৰস (অতুল চন্দ্ৰ বৰুৱা) আৰু আধুনিক পঞ্জাবী কবিতাই (অমৃতাপ্ৰীতম) স্থান পাইছে। সংস্কৃতি ভাগত আছে— সংগীত আৰু সংস্কৃতি (নাৰায়ণ দেৱমিশ্ৰ), অসমৰ ভাস্কৰ্যৰ ধাৰা (যুগল দাস), অসমীয়া সমাজত মঠ, মন্দিৰ আৰু নামঘৰৰ ভূমিকা (সৰ্বেশ্বৰ ৰাজগুৰু), সৰ্পদেৱী মনসা (হেমন্ত কুমাৰ শৰ্মা),

অসমীয়া সংস্কৃতিত মুছলিম প্ৰভাৱ (জমিৰুদ্দিন আহমদ), অসমীয়া সংস্কৃতিলৈ বড়োসকলৰ অৱদান (প্ৰবোধ চন্দ্ৰ ভট্টাচাৰ্য), কামৰূপী সভ্যতাত এভুমুকি (প্ৰতাপচন্দ্ৰ চৌধুৰী), গৌড় দেশীয় হৰিমূৰ্তি সুধাংকুৰ (মহেশ্বৰ নেওগ) আৰু শ্ৰীশঙ্কৰ দেৱৰ মতে জগত আৰু মোক্ষৰ স্বৰূপ (যোগীৰাজ বসু)।

খিং অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা "প্ৰবন্ধ মালা"ত সন্নিবিষ্ট (১৯৭০) একুৰি চাৰিটা প্ৰবন্ধৰ ভিতৰত কোৱা ভাষা আৰু লিখা ভাষা (বসন্তকান্ত বৰকাকতী), কাৰবী কৃষ্টিত চ'মাংকান (ৰং বং তেৰাং), অসমীয়া ভাষাত ভিন্নাৰ্থ যুগ্মক শব্দ (বিশেশ্বৰ হাজৰিকা), অসমৰ খল পৰ্বতী হুই নহয়, এক (বেণুধৰ শৰ্মা) সাহিত্যত প্ৰকৃতি (হৰিনাথ শৰ্মাদলৈ), শেষ সন্ধিয়াৰ অৰ্ঘ্য (মহেশ্বৰ নেওগ) আৰু জাতীয় ভাৱসংহতি আৰু সাহিত্য (শশী শৰ্মা) ৰ মান উন্নত।

অসমীয়া ভাষা-সাহিত্য সম্পৰ্কীয় ভালেখিনি প্ৰবন্ধ সপ্তম দশকত প্ৰকাশ পাইছে। সিবোৰৰ ভিতৰত অসমীয়া কবি আৰু কবিতাৰ সমালোচনা মূলক প্ৰবন্ধ শ্ৰীনন্দ তালুকদাৰৰ জিলিকাৰ লুইতৰে পাৰ (বা॰ ১৬।৫), শ্ৰীউমেশচন্দ্ৰ বৰুৱাৰ গুনগুননি (ৰা॰ ১৬।৫), শ্ৰীপদ্ম বৰকটকীৰ মই আজি কবিতা পঢ়িলোঁ (প্ৰ॰ ২।২-৩) শ্ৰীনলিনীধৰ ভট্টাচাৰ্যৰ সূৰ্য হেনো নামি আহে এই নদীয়েদি (সা॰ ন॰ ১।৪।৮), ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ পোহৰৰ পূজাৰী পাৰ্বতিপ্ৰসাদ (সা॰ ন॰ ১।৩।৭), শ্ৰীবীৰেণ বৰকটকীৰ চুবুৰাৰ কবিতা (১৮৮৮ শকৰ বিহুসংখ্যা সা॰ ন॰), শ্ৰীহোমেন বৰগোহাঞিৰ যতীন্দ্ৰনাথ দুৱৰা (অ॰ ১।৪), ড° উপেন্দ্ৰনাথ গোস্বামীৰ দুৱৰা আৰু তেওঁৰ কবিতা (সা॰ স॰ প॰ ২৩।১), শ্ৰীদীনেশ্বৰ ভট্টাচাৰ্যৰ আনন্দচন্দ্ৰ আগৰৱালাৰ জিলিঙনি আৰু মালিসতামুহৰ শিল্পতত্ত্ব (অ॰ ১।১১), শ্ৰীনন্দ তালুকদাৰৰ গোহাঞিবৰুৱাৰ কবিতা (সা॰ স॰ প॰ ২৩।২), শ্ৰীভবেন বৰুৱাৰ কবিতাৰ আলোচনা : প্ৰকৃতি (অ॰ ২।১), তন্দ্ৰাভংগ (অ॰ ২।৫) আৰু স্মৃতি (আ॰ ৩৯।৬-৭) শ্ৰীতুলচন্দ্ৰ বৰুৱাৰ ভোলানাথ দাসৰ সীতাহৰণ কাব্য (নী॰ ৫।১), শ্ৰীনলিনীধৰ ভট্টাচাৰ্যৰ নৱকান্ত বৰুৱাৰ সম্ৰাটকাব্য : বস্তু আৰু গুণ (প্ৰ॰ ৮।১), ড° অপূৰ্ব কুমাৰ বৰ-ঠাকুৰীয়াৰ কবি নৱকান্ত বৰুৱাৰ কেইটামান কবিতা (ৰাও॰ ১৮৮৯) আৰু শ্ৰীকনক শৰ্মাৰ দেৱকান্তৰ সাগৰ দেখিছা (আ॰ ৩২। আহাৰ) লেখৰ। কবিতাৰ দৰে গল্প—উপন্যাস-সমালোচনা আদিৰো সৌন্দৰ্যঘন প্ৰবন্ধ এই দশকত প্ৰকাশ নোপোৱা নহয়। দৃষ্টান্তৰূপে শৈলেন মেধিৰ শৰৎ গোস্বামীৰ চুটিগল্প (ৰা॰ ১৬।৬), শ্ৰীভবেন বৰুৱাৰ হোমেন বৰগোহাঞিৰ উপন্যাস (ৰা॰ ১৬।৭), সাহিত্য সমালোচনা আৰু বৌদ্ধিক সততাৰ প্ৰশ্নৰ (আ॰ ৩২।১-৭) উপৰি ভাষা-সাহিত্য আৰু সাহিত্য বিচাৰৰ সমস্যালৈ (আ॰ ৩২।১) আঙুলিয়াব পাৰি।

অসমীয়া সাহিত্য সম্পৰ্কীয় আন আন উল্লেখ-যোগ্য প্ৰবন্ধৰ ভিতৰত ড° হীৰেণ গোহাঁইৰ অসমীয়া সমাজৰ বুৰঞ্জী (আ॰ ৩২।১১-১২) ভিম্বেশ্বৰ নেওগৰ সাম্প্ৰতিক অসমীয়া সাহিত্য (নী॰ ৫।১), শ্ৰীযোগেশ দাসৰ অসমীয়া গল্পৰ তিনিটা খুঁতি (ৰা॰ ১৬।১০-১২), শ্ৰীহোমেন বৰগোহাঞিৰ সাম্প্ৰতিক অসমীয়া কবিতা (সা॰ ন॰ ২।১৩), নিৰঞ্জনৰ সাম্প্ৰতিক অসমীয়া প্ৰবন্ধৰ ধাৰা (স॰ ন॰ ২।১৩), শ্ৰীঅতুলানন্দ গোস্বামীৰ অসমীয়া গল্পত পাশ্চাত্য মনোবৈজ্ঞানিক আৰু দাৰ্শনিক প্ৰভাৱ (সা॰ ন॰ ২।২৬-২৭), শ্ৰীনৱকান্ত বৰুৱাৰ অসমীয়া চনেটৰ ৰূপ (সা॰ স॰ প॰ ২২।১), শ্ৰীৰামমল ঠাকুৰীয়াৰ অসমীয়া পাঁচলী কৰিৰ নাৰদ (সা॰ স॰ প॰ ২৪।২) ড° মহেশ্বৰ নেওগৰ অসমীয়াত হেইনৰিক হাইনে (নী॰ ৩।২) আৰু সাহিত্যত অনাতাঁৰৰ প্ৰভাৱ (অ॰ ১।৪), ভিম্বেশ্বৰ নেওগৰ অসমীয়া নাট্যকাৰ বেজবৰুৱাৰ এটি মানসকন্যা (ৰা॰ ১৭।৩), আৰু অসমীয়া ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ শোকাহতাৰ চৰিত্ৰ (ৰা॰ ১৭।১), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ



নাট্যকাব্য দুখনৰ প্ৰভাৱ (সা॰ স॰ প॰ ২৬।২), আধুনিক অসমীয়া গীতৰ ফেহুজালি (ৰা॰ ১৭।১) আৰু ৰমাকান্ত চৌধুৰীৰ অভিমন্যু বধ আৰু দুখন নাট (ৰা॰ ১৭।৪), ড° দীলিপ বৰুৱাৰ আধুনিক অসমীয়া কবিতা (অ॰ ১।২), ড° প্ৰফুল্ল দত্তগোস্বামীৰ অসমীয়া আত্মজীৱনী (প্ৰ॰ পূজাসংখ্যা ১৮৮২), শ্ৰীনন্দ তালুকদাৰৰ দেশাত্মবোধৰ অন্তৰালত অসমীয়া নাৰী (প্ৰ॰ পূজাসংখ্যা ১৮৮২), বিমলাকান্ত বৰুৱাৰ আহোম গদ্য সাহিত্য, অসমীয়া ভাষাত আহোম শব্দ (সা॰ স॰ প॰ ২২।১), শ্ৰীশশী শৰ্মাৰ অসমীয়া সাহিত্যত নাৰী (সা॰ স॰ প॰ ধাৰাবাহিক), শ্ৰীনাৰায়ণদাসৰ অসমীয়া কবিতাত ফুল (প্ৰ॰ ৪।৬) আৰু প্ৰেমৰ চকুলো : গগৈৰ কবিতা (কালিন্দী ১।১), শ্ৰীবিনোদ শৰ্মাৰ সমালোচনা আৰু ৰচনাশৈলী (নী॰ ৩।১), ড° উপেন্দ্ৰনাথ গোস্বামীৰ দুজন দুৰ্গাবৰ (সা॰ স॰ প॰ ২৬।২), শ্ৰীঅতুল গগৈৰ অসমীয়া সাহিত্যত ইলিজি (জনপথ ১৯৬৬), শ্ৰীউপেন শৰ্মাৰ যোৱা কুৰিবছৰৰ অসমীয়া কবিতা (৬ আৰু ২০ মে ১৯৭০ নী॰) ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ অসমীয়া গদ্যত ভাৰতীয় সংহতি (ৰাও॰ ১৮৮৯ শক), ড° অমলেন্দু গুহৰ যুদ্ধোত্তৰ অসমীয়া কবিতাৰ চমু আভাস (লুইত, কেশৱ মহন্ত সম্পাদিত ১।১), ড° পৰীক্ষিত হাজৰিকাৰ মনসা কবি আৰু ৰামায়নী কবি দুৰ্গাবৰ (অ॰ বা॰।৬৩), দেশাত্মবোধৰ অন্তৰালত অসমীয়া নাৰী (অ॰ বা॰ ৬০), আহোমৰ ৰাজাপাটত নাৰী (অ॰ ব।০/৬০), বেজবৰুৱা হাস্যৰসিক প্ৰবন্ধাৱলী (ন॰ অ॰।৬২), প্ৰাচীন অসমীয়া গদ্য সাহিত্যৰ ভূমিকা সঙ্গম ২।৩), মধ্যযুগীয় অসমীয়া গদ্য-সাহিত্য (সঙ্গম ৩।১-২), মহাপুৰুষ শংকৰদেৱৰ বৰগীত (শঙ্কৰী স্মৃতি-গ্ৰন্থ ৬৫), দেশপ্ৰাণ অম্বিকাগিৰি ৰায়চৌধুৰী (পদ্মধৰ চলিহা সম্পাদক অসম-জ্যোতি ১।৫) প্ৰভৃতিৰ নাম লব পাৰি।

সংস্কৃত সাহিত্যৰ বিভিন্ন দিশত পোহৰ পেলাই ৰচা উচ্চমানৰ প্ৰবন্ধই অসমীয়া গদ্য সাহিত্যক ভালেখিনি চহকী কৰিছে। এই জাতীয় প্ৰবন্ধৰ ভিতৰত উত্তৰ ৰামচৰিতে ভৱভূতিৰ্বিশিষ্যতে (ড° মুকুন্দমাধৱ শৰ্মা, নী॰৫।১), ভৱভূতিৰ উত্তৰ ৰাম-চৰিত অনন্ত দেৱ শৰ্মা (নী॰ ৪।২), ৰামায়ণ আৰু মহাভাৰত (ৰাণচন্দ্ৰ মহন্ত, নী॰ ৪।২), মহাভাৰতৰ ৰস (বিনোদ শৰ্মা নী॰ ৪।২), ৰামায়ণী সাহিত্যত শৈৱ প্ৰভাৱ (কেশদা মহন্ত, অ॰ ২।১১), আৰাধ্য দেৱতা বিষয়ক শৃংগাৰ বৰ্ণন (কেশদা মহন্ত, নী॰ ৫।১), সংস্কৃত সাহিত্য চৰ্চাত মুছলমানৰ পৃষ্ঠপোষকতা (ড° সত্যেন্দ্ৰ নাথ গোস্বামী, নী॰ ৫।২) গীত গোবিন্দ : জয়দেৱ আৰু ৰামসৰস্বতীৰ (ৰামমল ঠাকুৰীয়া, নী॰ ২।১), পাশ্চাত্য দেশত সংস্কৃত চৰ্চা, (যোগেশ্বৰ শৰ্মা, সা॰ ন॰ ৪।৫), কবি জয়দেৱ আৰু তেওঁৰ কবিতা (অনন্ত দেৱ শৰ্মা, ১৮৮৮ শকৰ বিহুসংখ্যা সা॰ ন॰ (, জাৰ্মানীত সংস্কৃত চৰ্চা (নিৰ্মলেন্দৰ শৰ্মা, সা॰ স॰ প॰ ১৮৮৯ শক), সংস্কৃত আৰু জনসাধাৰণ (মুলকৰাজ আনন্দ, ৰা॰ ১৮।৬), দ্বিধা বিধান (মুকুন্দ মাধৱ শৰ্মা, তা॰ ক) উচ্চমানৰ।

সপ্তৰৰ দশকত মহাকবি কালিদাসৰ জীৱন আৰু সাহিত্য কৰ্মৰ সন্দৰ্ভতো আলোক সন্ধানী কেইটাও প্ৰবন্ধৰ প্ৰকাশন তাৎপৰ্যপূৰ্ণ। এনে প্ৰবন্ধৰ ভিতৰত কেইটিমান হ'ল—উপমা কালিদাসস্য (মুকুন্দ মাধৱ শৰ্মা, অ॰ ৩।১), কালিদাস আৰু ভৱভূতিৰ নাট্য সাহিত্যত প্ৰকৃতি (অপূৰ্ব কুমাৰ বৰঠাকুৰীয়া, ৰাও॰ ১৮৯০ শক), কালিদাসৰ কাব্যত কৰ্মযোগৰ আদৰ্শ (মুকুন্দ মাধৱ শৰ্মা, সা॰ স॰ প॰ ২২।১), কালিদাসৰ শকুন্তলাত দুৰ্বাশাৰ অভিশাপ (ৰামমল ঠাকুৰীয়া, সা॰ স॰ প॰ ২১।২), কালিদাসৰ অমৰ নাট : মালবিকাগ্নিমিত্ৰ (অনন্ত দেৱ শৰ্মা নী॰ ৩।১), মেঘদূত

সমীক্ষা ( অপূৰ্ব বৰঠাকুৰীয়া, নী০ ৪।২ ), কালিদাসৰ গ্ৰন্থত নাৰী জীৱনৰ আদৰ্শ ( ৰাজেন মহন্ত, অ০ ২।১ ), কালিদাসৰ কাব্যত ভাৰতীয়ত্ব ( আনন্দ ভাগৱতী, ম০ ৩।৭ ), কালিদাস আৰু মেঘদূত ( বিশ্বনাৰায়ণ শাস্ত্ৰী , ৰা০ ১৩।৩ ), মহাকবিৰ মেঘদূত ( মুকুন্দ মাধৱ শৰ্মা, স্নাত০ ১৮৯০ শক ), দুষ্মন্ত আৰু শকুন্তলা ( গদাধৰ দেৱ শৰ্মা, ম০ ৬।৭ ), কালিদাসৰ কাল (কিৰণ চন্দ্ৰ শৰ্মা, ম০ ১।৫ ), কালিদাসৰ ৰঘুবংশ (অনন্ত দেৱশৰ্মা, অ০ ৰা০ ২৫ চেপ্তেম্বৰ ৬৪') কুমাৰ সম্ভৱত একদৃষ্টি ( অনন্ত দেৱশৰ্মা, ম০ ৪।৫ ) কালিদাসৰ কাব্যত বৰ্ষা ( অনন্ত দেৱশৰ্মা, ১৩ জুলাই '৬৩ অ০ ৰা০ ), কালিদাসৰ ঋতুকাব্য 'ঋতুসংহাৰ' (অনন্ত দেৱশৰ্মা, অ০ ৰা০ ২৫ চেপ্তেম্বৰ' ৬৪·অ০· ৰা০ ), কালিদাসৰ সাহিত্যত প্ৰেম ( অনন্ত দেৱশৰ্মা, সা০ ন০ ২।৩৪ ), উপমা কালিদাসস্য (অনন্তদেৱ শৰ্মা, নৱজ্যোতি প্ৰথমবৰ্ষ শাৰদীয় সংখ্যা ( আৰু মেঘদূতৰ ভৌগলিক অধ্যয়ন ( কেশ দামহন্ত, ৰা০ ১৭।৯) ।

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম-শতবৰ্ষ পূৰ্তি মহোৎসৱ সত্তৰৰ দশকত সম্পন্ন হয় । সেই উপলক্ষে আন আন প্ৰাদেশিক সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো ভালেকেইটা উচ্চমানৰ প্ৰবন্ধ প্ৰকাশ পায় । তেনে প্ৰবন্ধৰ ভিতৰত ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ ৰবীন্দ্ৰনাথ আৰু অসমীয়া সাহিত্য (অ০ ৰা০ ৮ মে '৬১ ), শ্ৰীনাৰায়ণ দাসৰ ৰবীন্দ্ৰনাথ আৰু আধুনিক অসমীয়া কবিতা ( স্নাত০ ১৮৮৯ শক ), শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ ৰবীন্দ্ৰনাথ আৰু অসমীয়া কবিতা ( সা০ স০ প০ ২১।২ ), শ্ৰী ৰ ন বৰগোহাঞিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু নোবেল প্ৰাইজ (সা০ স০ প০ ২০।১ ), উল্লেখযোগ্য ।

ইংৰাজী তথা পশ্চিমীয়া সাহিত্যৰ ভিন্ন দিশৰ ওপৰত প্ৰবন্ধ পুথিতাই কেইজনমান অসমীয়া লেখকে সত্তৰৰ দশকতে কৃতকাৰ্য হৈছিল । তেনেজাতীয় প্ৰবন্ধৰ ভিতৰত শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ ছেক্সপীয়েৰৰ নাট্য চৰিত্ৰ মাৰ্কচ ব্ৰুটাছ ( সা০ ন০ ১।৩১), শ্ৰীযুগলদাসৰ ছেক্সপীয়েৰৰ নাটৰ অভিনয় ( সা০ ন০ ১।৩১ ), অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ আমাৰ নাটশালত ছেক্সপীয়েৰ ( সা০ ন০ ১।৩১ ), শ্ৰীঅজিত মিশ্ৰ অনূদিত জৰ্জ অৰৱেলৰ লিয়েৰ, টলষ্টয় আৰু মহৰা ( সা০ ন০ ১৩।১), ড° হৰিদত্ত শৰ্মাৰ বৰ্ডচৱৰ্থৰ নাৰী চৰিত্ৰ ( সা০ স০ প০ ২৪।২ ), ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ চেতনাস্ৰোত আৰু মিচেছ ডেলৱে ( ৰা০ ১৮।৪ ), শ্ৰীআদ্যনাথ গোস্বামীৰ আলডছ্ হাক্সলেৰ সাহিত্য (আ০ ৩৫। আহিন ), শ্ৰীঅৱনীন্দ্ৰনাথ ৰৰাৰ ইৱচেন ( নী০ ৭।২ ) আৰু ইংৰাজী নিৰুদ্ধ সাহিত্য : লেখ ( ম০ ৫।৬ ) ড° সুনীতিকুমাৰ চেট্টাৰ্জীৰ গেটেৰ ফাউষ্ট ( ম০ ৪।৩ ), শ্ৰীশশী শৰ্মাৰ গৰ্কীৰ সাহিত্যৰ মানৱিকতা (নী০ ৬।১) ড° যোগীৰাজ বসুৰ ভক্ত কবি ডন ( ম০ ৩।৮ ), শ্ৰীৰামগোস্বামীৰ বিশ্বৰ আলোড়ন কাৰী গ্ৰন্থ মাইন কাম্‌ফ্ ( অ০ ১।৮), শ্ৰীৰাজেন্দ্ৰনাথ হাজৰিকাৰ ডাইলান টমাচৰ কবিতা আৰু জীৱনবোধ ( ৰা০ ২৫।৭), শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ জাৰ্মান সাহিত্যৰ সপোন নাটক (নী০ ১।১), ড° হীৰেণ গোহাইৰ এলিয়ট আৰু ঐতিহ্য বিচাৰ (ৰা০ ১৩।৮), ড° প্ৰফুল্ল দত্তগোস্বামীৰ হাইনৰিক হাইনে ( সা০ স০ প০ ১০।৩) আৰু ইৱনছীয়া ( সা০ স০ প০ ২৩.২ ), ডিম্বেশ্বৰ নেওগৰ ইংৰাজ ঔপন্যাসিক হাৰ্ডীৰ শোকাৰাক বীৰ চৰিত্ৰ (ৰা০ ১৭।৪), শ্ৰীজীৱকান্ত গগৈৰ নিগ্ৰো প্ৰেমৰ কবিতা ( ৰা০ ১৭।১০), প্ৰভৃতি প্ৰভৃতিৰ নাম ল'ব পাৰি । ( * )

( প্ৰথম খণ্ড সমাপ্ত )

০ ০ ০

( * ) সাংকেতিকা—অ০ = অসমীয়া ( চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত ), আ০ = আবাহন, অ০ ৰা০ — অসম বাণী ; নী০ = সাপ্তাহিক নীলাচল ; সা০ ন০— সাদিনীয়া নৱযুগ ; প্ৰ০—আমাৰ প্ৰতিনিধি : ন০ প্ৰ০—নতুন প্ৰতিনিধি ; ম০ — মনিদীপ, ৰা০— ৰামধেনু, সা০ স০ প০— অসম সাহিত্য সভা পত্ৰিকা, স্নাত— স্নাতকোত্তৰ মহলাৰ আলোচনী, গুৱাহাটী বিশ্ববিদ্যালয় ; ন০ অ০ = নতুন অসমীয়া ।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

# অসমৰ ঠাই-নামৰ বুৰঞ্জী

বুৰঞ্জী-সাহিত্যৰ বিচাৰত অসমীয়া সাহিত্য ভাৰতৰ ভিতৰতে প্ৰাচীন আৰু চহকী । এই কথা ড° গ্ৰীয়াৰ্চন, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায় আৰু কেবাজনো বিখ্যাত পণ্ডিতে মন্তব্য কৰি গৈছে । অসমীয়া ভাষাত ভালেমান বুৰঞ্জী ৰচিত হৈছে । অসমৰ মঠ-মন্দিৰ, সত্ৰ-নামঘৰ আদি তীৰ্থস্থান সমূহৰ ইতিহাস আছে; স্থাপত্য-ভাস্কৰ্য আদিৰ ইতিবৃত্ত আছে, অসম সাহিত্য সভাই অসমীয়া জাতিৰ ইতিহাসো (১ম খণ্ড) ছপাই উলিয়াইছে ; কিন্তু বৈচিত্ৰময় অসমৰ তাৎপৰ্য-পূৰ্ণ ঠাই সমূহৰ বুৰঞ্জী এতিয়াও ৰচনা কৰা হোৱা নাই ; অথচ ইয়াৰ ঐতিহাসিক গুৰুত্ব আৰু সামগ্ৰিক প্ৰয়োজনীয়তা উলাই কৰিব নোৱাৰি ।

অসম সাহিত্য সভাৰ টিহু অধিবেশনত আমি সভাপতিৰ অভিভাষণত অসমৰ ঠাইৰ নামৰ এখন অভিধান সংকলন কৰিব লাগে বুলি এটি পৰামৰ্শ দিছিলোঁ । ধুবুৰীৰ পৰা শদিয়ালৈ লুইতৰ দুয়ো পাৰে অসম উপত্যকাৰ জিলা কেইখনত প্ৰায় ৬০/৭০ হাজাৰ গাওঁ হ'ব । এই গাওঁ বিলাকৰ নাম সম্পৰ্কে দেশবাসীৰ অধিক কৌতূহল আছে । কোনো কোনোৱে এই কথা প্ৰকাশ কৰিছে, আৰু কোনোৱে বা মনতে ভাবি আছে । প্ৰয়াত ড° বেণুধৰ শৰ্মা ডাঙৰীয়াই এই সম্পৰ্কে লিখা যেন মনত পৰে । অসমৰ এই পৱিত্ৰতম গাওঁবিলাকৰ বিষয়ে এখন পূৰ্ণাঙ্গ বিৱৰণী গ্ৰন্থ বা অভিধান সংকলন কৰোৱা অসম সাহিত্য সভাৰ এটা কৰ্তব্য বুলি মই ভাবো । নামৰ বিচিত্ৰতা আৰু বিশিষ্টতা সম্পৰ্কে প্ৰসঙ্গক্ৰমে কেইখনমান গাওঁ উল্লেখ কৰিয়ালো ; যেনে—দিব্ৰুপুৰ, টিফুক, ডিগবই ( ডিবৈগ ), টিংখাং, চাবুৱা, মানকটা, হেক্সেনবেংকু, নৰ'গীমঠ, নৰবকৰা, খাওৰা, ডিমৌ, কুজীবালি, কালুগাওঁ, মাহমৰাচাপৰি, চাৰিং, হাহচৰা, টিয়ক, মেলেং, লাহিং ঢেঁকিয়াখোৱা, ভকতিদুৱাৰ, মালো, হাতীগড়, ৰাজগড়, ভঙ্গাগড়, চাৰিগাওঁ, নিমাতী, ডাঁহী, ভাতীখোৰ, দায়ৰিচোৰ, সেতেকজান, বালিকৰীয়া, বালিলেচা, ভাতেমৰা, আঠভগা, চকলানি, পকানুৰা, বৰৈয়া, কপহী, বন্দনী, মৰাবাৰি, বেটিয়নী, গধুলিবজাৰ, কুঁৱৰীটোল, হামদৈ, বিৰিপাসৰক, দফলাটিং, নাগাটুপ, কৰঙ্গা, ৰহচলা, মিছামৰা, কৰালগুৰি, মহবন্ধা, চাংচোৱা, পতানজৰা, মৰিয়নী, বড়াপৰা, তিতাবৰ, বিশ্বনাথ, কলাবাৰী, নাৰায়ণপুৰ, মদপী, তামোলপুৰ, বেংবেং, গাংমৌ, নটগাওঁ, পচৰীয়া, শোৱালকুছি, বংশৰ, বেজশৰ, বনগাওঁ, হাজাৰপাৰা, বলোৱা, শিমলুবাৰী, বামুণীমৈদাম, পকোৱা, বৰনদী, পিঙ্গলেশ্বৰ, তাঁতীকুছি, বৰনগৰ,

হাউলী, সপতগ্ৰাম, অভয়াপুৰী, পাট্‌কিবৰি, গৌৰীপুৰ, ছাত্ৰশাল, মেছপাৰা, বাইহাটা, উজানবৰি, হাতীবপিঠি, চুক্তি, পাঠশালা, পিপলীবাৰী, টিং, জাগীৰোড, মাথিবাহা, ভোজকুছি, মহংছিজুৰা, ধমধমা, নলবাৰী, নদলা ইত্যাদি ইত্যাদি। এই বিচিত্ৰ ঠাইবোৰৰ নামৰ আঁতি-গুৰি জানিবলৈ কাৰ আগ্ৰহ নহয় ? অৱশ্যে আমাৰ দেশৰ আমাৰ মাটিত থকা ঠাইবোৰ অন্তৰেৰে ভাল পাব লাগিব, তেহে ঠাইবিলাকৰ কথা জানিবৰ মন যাব আৰু জানিলে নিজৰ দেশখনলৈও মৰম বাঢ়িব।

কিছুমান ঠাইৰ লগত বুৰঞ্জীৰ ঘটনা সংশ্লিষ্ট হৈ আছে; কিছুমান ঠাইৰ নামৰ অন্তৰালত নানা আখ্যান; কিংবদন্তী চলি আছে। ইয়াৰ সৰহভাগেই লোপ পাইছে। সেইবোৰৰ কিছুমান অ'ত ত'ত প্ৰকাশ হৈছে। প্ৰকাশ হোৱা আৰু নোহোৱা এই আখ্যানবোৰ একেঠাই কৰিবৰ সময় উকলি গৈছে। কাৰণ, ইতিমধ্যে বহু কেইখন ঠাইৰ নাম সলনি হৈছে। ঠাইৰ নামৰ লগত বুৰঞ্জীৰ কথাবোৰ প্ৰকাশিত বুৰঞ্জীৰ লগত মিলাই চাবৰ প্ৰয়োজন আছে।

আমাৰ গাওঁবিলাকৰ নাম চমুকৈ তলত দিয়া ধৰণে ভগাব পাৰি:—যেনে—(১) দেৱ-দেৱীৰ নামৰ পৰা হোৱা ঠাই। উদাহৰণ—কামাখ্যা, কামৰূপ, ভুৱনেশ্বৰী, মহাভৈৰৱ, উমানন্দ, বিশ্বেশ্বৰ, বিশ্বনাথ ইত্যাদি। (২) ঋষি-মুনিৰ নামেৰে হোৱা ঠাই; যেনে—বশিষ্ঠাশ্ৰম, কন্যাচল, শুক্ৰেশ্বৰ, পাণ্ডু ইত্যাদি। (৩) ব্যক্তিৰ নামৰ পৰা হোৱা ঠাই; যেনে—বগা শইকীয়াৰ পৰা হোৱা গাওঁ—বগাৰ গাওঁ, তিতাবৰ দেউৰ পৰা হোৱা গাওঁ—তিতাবৰ, ভল্‌ভলীয়াৰ পৰা হোৱা—ভল্‌ভলীয়া (কামপুৰ)। সেইদৰে—বৰবৰুৱা, হেমনবাৰী, ভাদৈপাঁচআলি ইত্যাদি।

(৪) ৰাজকোঁৱৰ, কুঁৱৰী, জমিদাৰ আদিৰ পৰা হোৱা—হামদৈ, মঙ্গলদৈ, অভয়াপুৰী, ৰংদৈ ইত্যাদি। (৫) খেল আৰু ব্যৱসায়ীৰ পৰা হোৱা নাম—মালিগাওঁ, মলীয়াগাওঁ; তাঁতীকুছি; কুমাৰপাৰা; সোণাৰী, ঘাঁহী; নটগাওঁ, শেনছোৱা; পটীয়াগাওঁ লোনপুৰীয়া ইত্যাদি। (৬) মন্দিৰৰ পৰা হোৱা নাম—কামাখ্যা; শিৱলেশ্বৰ, পাণ্ডু; দেৱগাওঁ; অৰণ্যাৰ, কন্দ্ৰেশ্বৰ; মালিনী-থান ইত্যাদি। (৭) সংখ্যা যুক্ত—চাৰিগাওঁ, আঠগাওঁ, নগাওঁ, দেৱগাওঁ; সপতগ্ৰাম (সপ্তগ্ৰাম), আধঘৰীয়া, তিনিচুকীয়া, তিনিকোনীয়া; বাৰহলীয়া, ছয়মাইল। (৮) নৈৰ পৰা—জাঞ্জী; দিখৌমুখ; দিহিংমুখ; ধনশিৰীমুখ, হাড়িয়ামুখ, ঢেকিয়াজুলি, কাকজান; ডিব্ৰুজান; শিঙৰিজান; খাগৰিজান। (৯) সত্ৰৰ লগত জড়িত— আউনিআটি; গড়মূৰ, পাটবাউসী; ডিফলু। (১০) উপজাতিৰ দলৰ পৰা—টিং; চুঙ্গি; ঠেঙ্গাল আদি। (১১) মাছ আৰু গছৰ পৰা বহুত ঠাইৰ নাম হৈছে; যেনে—চকলানি (৺ হিতেশ্বৰ বৰবৰুৱাৰ কৰ্ম-কৰ্মৰ স্থান), শোলমাৰি, বৰালিগাওঁ; পুঠিমাৰী, কেন্দুকুছি; বেতবাৰী; কলাবাৰী ইত্যাদি।

(১২) আহোম ভাষা, বড়ো-কছাৰী সকলৰ ভাষা প্ৰভৃতিৰ পৰা হোৱা নৈ আৰু ঠাইৰ নাম সম্পৰ্কে কাকতে-পত্ৰই আলোচনা হৈছে। কিন্তু বিতৰ্কৰ হৰ লাগে। মহং, নামচাথাং; লামডিং; টিফুক, টিৱক, ডিব্ৰুগড়।

(১৩) বুৰঞ্জীৰ ঘটনাৰ লগত জড়িত—বঙ্গালপুখুৰী, কুঁৱৰীটোল; বঙ্গালখেদা; ৰণথলী; উড়িয়াগাওঁ, হিলৈধাৰী; মানকটা ইত্যাদি।

(১৪) কিছুমান ঠাইৰ নাম সংস্কৃতীয়া কৰাৰ প্ৰয়াস—তেলপানী, কংসপাৰ, বংশবাৰী, বটদ্ৰৱা; বৰ্থাৰাৰী (চৰিতপুথি)।



(১৫) অপৰাধীৰ পৰা হোৱা-মদপীচুৱা; দামুৰীচোৰ।
(১৬) আধুনিক নামৰ নিদৰ্শন — গান্ধীনগৰ গোবিন্দপুৰ; আমৰায়; জ্যোতিনগৰ; ইছলামপুৰ, সুভাষনগৰ, বিষ্ণুপুৰ ইত্যাদি।

আমি পৰামৰ্শ হিচাপেহে এইখিনি আগবঢ়ালোঁ। অসম সাহিত্য সভাই জিলাপৰিষদসমূহৰ যোগেদি এনেকুৱা তথ্য সংগ্ৰহ কৰি পুথি প্ৰনয়ন কৰা যুগুত হব। এই কামৰ বাবে অধিক প্ৰতিভা নালাগে; পৰিশ্ৰম আৰু দেশপ্ৰেমহে লাগে। কেইবাবছৰো এই কামত লাগিব। সাহিত্য সভাই জনাবুজা লোকৰ এখন সম্পাদনা সমিতি গঠন কৰি: বিভিন্ন ঠাইৰ পৰা পোৱা তথ্য চালি-জাৰি চাই ঠাই-নামৰ অভিধান প্ৰস্তুত কৰিব। এনে গ্ৰন্থক "পৰিক্ৰম অসম" নাম দিব পাৰি। অক্সফোৰ্ড বিশ্ববিদ্যালয়ে Dictionary of Place Names এখন উলিয়াইছে, সেইখন আৰ্হি হব পাৰে।

ঠাইৰ নামেই দেশৰ বিচিত্ৰ সংস্কৃতিৰ কথা কয়। স্বাধীন দেশৰ চৰকাৰেও এনে কাম কৰায়; অৱশ্যে দেশক ভালপোৱা চৰকাৰেহে।

●

**ফকৰুজ্জুল আলি**

# সত্তৰৰ দশকত অসমীয়া গীতি-সাহিত্য

আধুনিক অসমীয়া গীতি-সাহিত্যৰ এটি নতুন স্তৰৰ আৰম্ভ হৈছিল স্বাধীনোত্তৰ কালত—অৰ্থাৎ ১৯৪৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰে পৰা। অৱশ্যে ১৯৪৬ চনত কলিকাতা অনাতাঁৰ কেন্দ্ৰৰ পৰা আধা ঘণ্টাৰ অসমীয়া অনুষ্ঠান প্ৰচাৰৰ ব্যৱস্থা কৰাৰ পৰাই তাৰ আগলি বতৰা পোৱা গৈছিল। গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ লগে লগে অসমৰ শিল্পী-সাহিত্যিকসকলে আত্ম-প্ৰকাশৰ বাবে এটি নতুন মাধ্যম লাভ কৰিলে আৰু লগে লগে এই কেন্দ্ৰৰ পৰা প্ৰচাৰৰ বাবে প্ৰচুৰ গীত-মাতৰ চাহিদা হোৱাৰ সেই সময়ৰ বহুতো ন-পুৰণি লেখক গীত ৰচনাৰ প্ৰতি আগ্ৰহী হৈছিল। তাৰে কিছুসংখ্যক গীতিকাৰৰ ৰচনা গায়ক-গায়িকা, সুৰকাৰ আৰু শ্ৰোতাসকলে আদৰি ললে,—কিন্তু সৰহভাগেই সময়ৰ সোঁতত ক্ৰমে অন্তৰ্হিত হ'ল। তেতিয়াৰে পৰা প্ৰকৃততে এই অনাতাঁৰ কেন্দ্ৰই অসমীয়া গীতিকাৰসকলৰ প্ৰকাশ আৰু স্বীকৃতিৰ থল হৈ পৰিল। ষাঠিৰ দশকৰ শেষ ভাগত ডিব্ৰুগড়ত আন এটি অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাত বৰ্তমান গুৱাহাটী-ডিব্ৰুগড় কেন্দ্ৰ দুটিয়েই অসমীয়া গীতি-সাহিত্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰিছে। সেই বাবেই এতিয়া অসমীয়া গীতি-সাহিত্যৰ কথা কবলৈ গলেই আকাশবাণীৰ উক্ত কেন্দ্ৰ দুটিকো তাৰ লগত জড়িত কৰিব লগা হয়। প্ৰাচীন বৈষ্ণৱ কবিসকলৰ দৰে, নাইবা আধুনিক কালতো জ্যোতিপ্ৰসাদৰ দৰে, ভাব প্ৰকাশৰ বাবে এটি গুৰুত্বপূৰ্ণ বাহন স্বৰূপে গীতৰ ব্যৱহাৰৰ প্ৰথা প্ৰায় লোপ পাই আহিছে। যুগধৰ্মৰ প্ৰভাৱত গদ্যই এতিয়া চিন্তা প্ৰকাশৰ প্ৰধান বাহন হৈ পৰিছে; আনকি কবিতায়ো সাহিত্য-মঞ্চৰ দ্বিতীয় শাৰীতহে আসন লাভ কৰিব ধৰিছে। এনে অৱস্থাত গীতি-সাহিত্যই তাৰ প্ৰাচীন আভিজাত্য বা মৰ্যদা হেৰুৱা দেখি খেদ কৰিব লগীয়া বা আচৰিত হব লগীয়া কথা একো নাই। তথাপি সাহিত্যিক গুণ বিবৰ্জ্জিত হৈ গীত যদি কেৱল সুৰৰ সূতাৰে গাঁথা প্ৰাণহীন নাইবা অৰ্থবিহীন কথাৰ মালা মাথোন হয়, তেনেহলে নিশ্চয় আতংকিত নহৈ নোৱাৰি সেই পৰিপ্ৰেক্ষিততে এই আলচটিৰ সূচনা কৰা হৈছে।

গীতি-সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ ললে প্ৰথমতেই এটি ডাঙৰ অসুবিধাৰ সন্মুখীন হব লগীয়া হয়; সেয়া হ'ল প্ৰকাশিত গীতৰ পুথিৰ একান্ত অভাৱ। বহুতো গীতিকাৰৰ ৰচনা ৰেডিঅ'ৰ যোগে শুনিবলৈ পোৱা যায় যদিও, সৰহ ভাগৰে গীতবোৰ পুথিৰ আকাৰত ছপা হৈ ওলোৱা নাই।



গতিকে ৰেডিঅ'ৰ যোগে শুনা দুই এটি গীতৰ ভিত্তিত একোজন গীতিকাৰৰ ৰচনা সম্পৰ্কে মন্তব্য দিয়া কঠিন। যোৱা তিনিটা দশকত বোধহয় দেৰকুৰি গীতৰ পুথিও প্ৰকাশ হোৱা নাই। ব্যৱসায়িক দিশত লাভজনক নোহোৱা বাবেই গীতৰ পুথিৰ প্ৰকাশক পাবলৈ টান: আনহাতে কিমান সংখ্যক গীত পুথিৰ আকাৰত ছপাই উলিয়াব পৰা বিধৰ সেইটোও ভাবিব লগীয়া। গতিকে গীতি-সাহিত্যৰ বিষয়ে আমাৰ এই আলোচনা নিতান্তই সীমাবদ্ধ আৰু ইয়াক এটি "বিহঙ্গম দৃষ্টি" মাথোন বুলিহে কব পাৰি। পঞ্চাশৰ দশকৰ পৰা সত্তৰৰ দশকৰ শেষলৈ মাজে মাজে দুই এগৰাকী নতুন গীতিকাৰে আত্মপ্ৰকাশ কৰিছে যদিও, ষাইকৈ ভূপেন হাজৰিকা, কেশৱ মহন্ত, লক্ষহীৰা দাস, নৱকান্ত বৰুৱা, কীৰেণ ভট্টাচাৰ্য্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি জ্যেষ্ঠ গীতিকাৰ সকলেই এই কাল ছোৱাত প্ৰাধান্য বিস্তাৰ কৰি আছিল আৰু তেওঁলোকৰ ৰচনাই অসমীয়া গীতি সাহিত্যৰ এটি উচ্চমান ৰক্ষা কৰি আছিল। এই কাল ছোৱাত উক্ত গীতিকাৰসকলৰ প্ৰতিভাক অতিক্ৰম কৰি যাব পৰা কোনো নতুন প্ৰতিভাৰ সন্ধান পোৱা নাযায়। সেইবুলি প্ৰতিশ্ৰুতিপূৰ্ণ নতুন গীতিকাৰ যে ওলোৱা নাছিল সেইটোও নহয়। কেইগৰাকীমান কনিষ্ঠ গীতিকাৰৰ ৰচনাই ষাঠি দশকৰ শেষ ভাগৰ পৰা সত্তৰৰ দশকৰ ভিতৰত গীত ৰচনাত যথেষ্ঠ দক্ষতাৰ পৰিচয় দিছে আৰু তেওঁলোকৰ গীতে সুৰকাৰ আৰু গায়ক-গায়িকাসকলৰ সমাদৰো লাভ কৰিছে।

১৯৭০ চনত প্ৰকাশিত কেশৱ মহন্তৰ "মিলন মধুৰি বৰণ" নামৰ গীতৰ সংকলনটিকেই ষাঠিৰ দশকৰ বিদায় বাণী আৰু সত্তৰৰ দশকৰ আদৰণি গীত বুলিব পাৰি। শ্ৰীমহন্তৰ গীতৰ গুনাগুণ বিচাৰ নিষ্প্ৰয়োজন কাৰণ উক্ত পুথি প্ৰকাশৰ বহু দিনৰ আগেৰে পৰা তেওঁ এগৰাকী বৈশিষ্ট্যপূৰ্ণগীতিকাৰ স্বৰূপে সুপ্ৰতিষ্ঠিত। ষাঠিৰ দশকৰ আগভাগতে আত্ম-প্ৰকাশ কৰা ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ো ইতিমধ্যে জনপ্ৰিয় গীতিকাৰ স্বৰূপে প্ৰতিষ্ঠিত হৈছে। এতিয়ালৈকে তেওঁৰ গীতৰ সংকলন এটিও প্ৰকাশ হোৱা নাই। উল্লিখিত আন গীতিকাৰ সকলেও মাজে সময়ে দুই এটি গীত ৰচনাৰে নিয়ম ৰক্ষা কৰি আছিল। ষাঠিৰ দশকৰ শেষ ভাগৰ পৰা সত্তৰৰ দশকৰ ভিতৰত এচামে নতুন গীতিকাৰে আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ যোগেদি আত্মপ্ৰকাশ কৰে। সেই সকলৰ ভিতৰত প্ৰথমেই দৃষ্টি আকৰ্ষণ কৰে দ্বিজেন্দ্ৰমোহন শৰ্মা আৰু ইদ্ৰিচ আলিয়ে। তেওঁলোক দুয়োজনৰে ৰচনা সাংগীতিক আৰু সাহিত্যিক গুণ সম্পন্ন। এই দুজন গীতিকাৰৰ সৰহ-ভাগ ৰচনাতে তেওঁলোকে যে গীত ৰচনাৰ কৌশল আয়ত্ব কৰিব পাৰিছে তাৰ পৰিচয় পোৱা যায়। ১৯৮০ চনৰ জানুৱাৰী মাহত দ্বিজেন্দ্ৰমোহন শৰ্মাৰ "মোৰ গীত" নামেৰে এটি গীতৰ সংকলন প্ৰকাশ হৈছে। এই সংকলনটিত তেওঁৰ সত্তৰৰ দশকত ৰচিত কেবাটাও ভাল গীত সন্নিবিষ্ট হৈছে। ইতিমধ্যে ইদ্ৰিচ আলিৰ "নিৰিবিলি" (১৯৬৯) আৰু "সুৰমিতা" (১৯৭৫) নামেৰে দুখন গীতৰ পুথি ছপা হৈ ওলাইছে। "সুৰমিতা"ৰ সৰহভাগ গীতেই "নিৰিবিলি"ৰ তুলনাত অধিক পৈণত হৈছে আৰু সেইবোৰৰ মাজেদি গীতিকাৰৰ স্বকীয় বৈশিষ্ট্য বিৰিডি ওলাইছে। সাহিত্যিক গুণৰ ফালৰ পৰা বিৰিঞ্চি কুমাৰ মেধিৰ গীতেও সত্তৰৰ দশকতে সমাদৰ লাভ কৰিছে। তেওঁৰ কিছু সংখ্যক গীত ৰেডিঅ'ৰ যোগেহে শুনিবলৈ পাইছো,—কোনো সংকলন এতিয়াও হাতত পৰা নাই। নগেন বৰাৰ কিছু সংখ্যক গীতো একে সময়তে কাণত পৰিছিল আৰু

ভাৱে কিছুমান গীতৰ ৰচনা ভালো লাগিছিল। 'গীতি-গুঞ্জন' নামেৰে তেওঁৰ গীতৰ এটি সংকলন প্ৰকাশ হোৱা বুলি গম পাইছোঁ, কিন্তু পঢ়িবলৈ পোৱা নাই। হেমন্ত গোস্বামীৰ কিছু সংখ্যক গীতেও জনপ্ৰিয়তা লাভ কৰিছে। ১৯৭১ চনত "মনৰ ৰুদ্ধ-দ্বাৰ খুলিলো" নামেৰে তেওঁৰ গীতৰ এটি সংকলন প্ৰকাশ হৈছে। ৰচনাৰ কাৰিকৰী দিশৰ লগতে সাহিত্যিক গুণতো আৰু কিঞ্চিৎ উন্নত হলে হেমন্ত গোস্বামীৰ গীত আৰু মধুৰ হব পাৰে। বয়োজ্যেষ্ঠ

নবীন কাথহাজৰীকাৰ "পখিলা পাখিৰ নাও" নামেৰে এটি গীতৰ সংকলন প্ৰকাশ হৈ ওলাইছে সত্তৰৰ দশকতে। পুথিখন পঢ়িবলৈ পোৱা নাই। তাৰে দুই এটি গীত ৰেডিয়ো যোগেহে শুনিবলৈ পাইছো। ৰেডিয়ো যোগে দুই চাৰিটাকৈ ভাল গীত শুনিবলৈ পোৱা সত্তৰৰ দশকৰ আন কেইগৰাকীমান কনিষ্ঠ গীতিকাৰ হ'ল প্ৰশান্ত বৰদলৈ, হীৰেণ গোহাঁই, নলিনীৰঞ্জন বৰঠাকুৰীয়া, মহেন্দ্ৰ সভাপণ্ডিত, গুণমণি বৰা, হেমন্ত দত্ত, কীৰ্ত্তিকমল ভূঞা, পৰাগ ভট্টাচাৰ্য, হীৰেণ গোস্বামী, মন্মথ বৈশ্য, তপন নাথ, নীলকান্ত শৰ্মা, গুণীন বাৰুখোৱা, তৰুণ শৰ্মা, সূৰ্য্যকুমাৰ ৰাজা, অপূৰ্ব বেজবৰুৱা আদি। তেওঁলোকৰ কাৰো গীতৰ প্ৰকাশিত সংকলন আমাৰ হাতত পৰা নাই। ৰেডিয়োত শুনা কেইটামান গীতৰ ভিত্তিত তেওঁলোকৰ ৰচনাৰ গুণাগুণ বিচাৰ কৰা টান। একোজন গীতিকাৰৰ কোনোটি গীতে কেতিয়াবা আশাৰ সঞ্চাৰ কৰিছে যদিও আন এটি গীতে হয়তো সম্পূৰ্ণ হতাশ কৰিছে। গীতৰ উপযোগী ভাব আৰু ভাষাৰ দৈন্যৰ উপৰিও কিছুমান গীতত কাৰিকৰী দুৰ্বলতা ইমান প্ৰকট যে সেইবোৰ আকাশবাণী যোগে প্ৰচাৰ নহ'লেও অসমীয়া গীতি-সাহিত্যৰ কোনো ক্ষতি নহ'লহেঁতেন। সেই বিষয়ে গীতিকাৰ, সুৰকাৰ আৰু গায়ক-গায়িকা কোনোৱেই সচেতন যেন নালাগে। শ্ৰোতাৰ ৰুচি আৰু বুদ্ধিবৃত্তিৰ প্ৰতি কৰা পৰিবেশকসকলৰ এনে উদাসীন অৱহেলা জাতীয় জীৱনৰ বাবে নিশ্চয় শুভ নহয়। কেতিয়াবা কিছু গীতাংশৰ উদ্ধৃতিৰে এই বিষয়ে আলোচনা কৰাৰ মানস আছে।

সত্তৰৰ দশকত আকাশবাণীৰ জৰিয়তে নাম শুনিবলৈ পোৱা মহিলা গীতিকাৰসকলৰ ভিতৰত গীতা হাতীকাকতি, বিবিদেবী বৰবৰা, কবৰী হাজৰীকা, সন্ধ্যা দেবী আৰু দীপালি কাকতিৰ ৰচনাত গীতিসুলভ অনুভূতিৰ প্ৰকাশ দেখিবলৈ পাইছোঁ। এই সকলৰ ভিতৰত গীতা হাতীকাকতিৰ "কেকুটাচৰ গীত" (১৯৭৯) আৰু সন্ধ্যা দেবীৰ "খেয়ালী মনৰ ছবি" (১৯৮০) নামেৰে গীতৰ সংকলন দুটি প্ৰকাশ হৈছে। বিবিদেবী বৰবৰাৰ গীতত কাব্যিক অনুভূতিৰ অভাৱ নাই, কিন্তু ৰচনাৰ কাৰিকৰী দিশ নিমজ নহয়। সন্ধ্যা দেবীৰ কিছুসংখ্যক গীতত সাংগীতিক আৰু সাহিত্যিক গুণৰ সুন্দৰ সমন্বয় ঘটিছে। অৱশ্যে সংকলনটিৰ সকলো গীত সমানে নিখুঁত বুলি কব নোৱাৰি। থুলমূলকৈ উক্ত মহিলা গীতিকাৰসকলৰ ৰচনা প্ৰতিশ্ৰুতিপূৰ্ণ বুলি কব পাৰি।

ওপৰৰ আলোচনাটিৰ পৰা বুজিব পৰা যায় যে সত্তৰৰ দশকত প্ৰকাশিত পুথিৰ সংখ্যা নিচেই তাকৰ হলেও গীতৰ উৎপাদন নিচেই নগন্য নহয়, কিন্তু সাহিত্যিক আৰু সাংগীতিক গুণৰ ফালৰ পৰা অসমীয়া সাহিত্যৰ এই শাখাটোৰ অৱস্থা মুঠেই উৎসাহজনক নহয়। গীতবোৰৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে সাধাৰণতে নৰ-নাৰীৰ যৌৱন সুলভ প্ৰেম, দেশপ্ৰেম, প্ৰকৃতি প্ৰীতি আৰু কেতিয়াবা দুই এটি গীতত আধ্যাত্মিক ভাৱবো চকামকা প্ৰকাশ দেখা যায়। এইটো অস্বাভাৱিক যেন লাগিলেও সঁচা যে সমসাময়িক সামাজিক সমস্যা বা চিন্তাধাৰাৰ প্ৰতি



উদীয়মান গীতিকাৰসকল প্ৰায়ে উদাসীন। আনহাতে নিতান্ত টুলুঙা ভাব বা বহুল ব্যৱহৃত বস্তু-বস্তু লৈ প্ৰচুৰ পৰিমাণে গীত ৰচিত হৈছে। তাতে অনুকৰণৰ ব্যাধিয়ে কোনো গীতিকাৰৰ প্ৰতিভাক খৰ্ব কৰাও দেখা যায়। কোনো এগৰাকী গীতিকাৰৰ একোটা গীত বিশেষভাবে জনপ্ৰিয় হলে সেইটোৰ অনুকৰণত এলানি গীত ৰচনাৰ অসাৰ্থক উদ্যম সঁচাকৈয়ে বিৰক্তিকৰ। তদুপৰি গীত ৰচনাত কুম্ভীলক বৃত্তিও নোহোৱা নহয়। কোনো কোনো গীতিকাৰে কিছুমান বঙলা বা হিন্দী গীত অলপ ইফাল সিফালকৈ অসমীয়া ৰূপ দি নিজৰ ৰচনা বুলি চলাই দিয়াও কাণত পৰিছে। গীতবোৰত সুৰ সংযোগৰ ক্ষেত্ৰতো অনুকৰণপ্ৰিয়তা তথা মৌলিকতাৰ অভাৱ পৰিলক্ষিত হয়। এনেবোৰ গীতৰ মাজত গীতিকাৰৰ ব্যক্তিত্বৰ প্ৰকাশ বা বৈশিষ্ট্য বিচৰাটো পৰ্বতত কাচকণী বিচৰাৰ দৰে।

এইখিনিতে অসমীয়া গীতি-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিব লাগিব। বৰ্তমান আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰ দুটিয়েই অসমীয়া গীতিকাৰসকলৰ আত্মপ্ৰকাশ আৰু স্বীকৃতিৰ কেন্দ্ৰ স্বৰূপ হৈ পৰিছে। আকাশবাণীৰ কৰ্তৃপক্ষই অনুমোদন নকৰা কোনো গীতিকাৰৰ ৰচনা শিল্পীসকলে ৰেডিয়ো যোগে প্ৰচাৰ কৰিব নোৱাৰে। তেনে অনুমোদন নোপোৱা গীতিকাৰৰ ৰচনা কিতাপৰ আকাৰত ছপাই উলিয়ালেও মদাৰ ফুলৰ দৰে অনাদৃত হোৱাটোৱেই স্বাভাৱিক। এনে অৱস্থাত আকাশবাণীয়েই প্ৰকৃতপক্ষে আধুনিক অসমীয়া গীতি-সাহিত্যৰো গতি নিৰ্ণায়ক হৈ পৰিছে। এই কালৰ পৰা আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ কৰ্তৃপক্ষৰ কান্ধত এটি বৰ গধুৰ দায়িত্ব পৰিছেহি। তেওঁলোকে কি মানদণ্ডৰে জুখি বা কি গুণাগুণ বিচাৰ কৰি গীত আৰু গীতিকাৰ নিৰ্বাচন কৰে, সেইটো অসমীয়া সাহিত্য তথা সংগীতৰ বাবে অতি গুৰুত্বপূৰ্ণ বিষয়। সাম্প্ৰতিক কাললৈ আকাশবাণীৰ দ্বাৰা অনুমোদিত ছকুৰিৰো অধিক ন-পুৰণি গীতিকাৰৰ ভিতৰত দেৰকুৰিমান গীতিকাৰৰ ৰচনাহে কম-বেছি পৰিমাণে প্ৰচাৰ হোৱা শুনিবলৈ পোৱা যায়। কোনো কোনো গীতিকাৰৰ ৰচনাই দীৰ্ঘদিন ধৰি সুৰৰ পৰশ নোপোৱাকৈ আকাশবাণীৰ আলমাৰীতে নিৰবে পৰি আছে। আনহাতে কিছুমান মামুলি ধৰণৰ পদ্য গীত বুলি সঘনে প্ৰচাৰিত হৈ শ্ৰোতাৰ কৰ্ণপীড়াৰ কাৰণ হৈ পৰিছে। এই বিষয়ত গীতৰ ৰচনাৰ গুণাগুণৰ প্ৰতি এচাম শিল্পীৰ উদাসীনতা সঁচাকৈয়ে দুখ লগা ধৰণৰ। তেওঁলোকে ভাল ৰচনাত সুৰ দি গাবলৈ ললে অসমীয়া গীতি-সাহিত্যৰ সোঁতত উটি অহা আবৰ্জনাবোৰ আপোনা-আপুনি আঁতৰি যাব। আকাশবাণীয়ে গীত বা গীতিকাৰ নিৰ্বাচনৰ ক্ষেত্ৰত সম্ভাব্য আসোঁৱাহবোৰ ভালদৰে চালি-জাৰি চোৱাৰ একান্ত আৱশ্যক হৈ পৰিছে। এই বিষয়ত অমনোযোগিতা বা অৱহেলাৰ পৰিণাম ভয়ংকৰ হব পাৰে। এইটো অনস্বীকাৰ্য যে আধুনিক অসমীয়া গীতি-সাহিত্যৰ মান উন্নত কৰিবলৈ হলে আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই গীত আৰু গীতিকাৰ নিৰ্বাচনৰ বাবে এটি নিৰ্ভৰযোগ্য পদ্ধতি গ্ৰহণ কৰিব লাগিব।

●

শ্ৰীকুতুবুদ্দিন আহমেদ

# অসমৰ জাতীয় জাগৰণ আৰু সাহিত্যত ইয়াৰ প্ৰতিফলন

অৱহেলিত উত্তৰ পূৰ্বাঞ্চলৰ অন্তৰ্গত অসমৰ ভাষা-সংস্কৃতিৰ দৰে স্পৰ্শকাতৰ বিষয় বস্তু আৰু অনগ্ৰসৰ অৰ্থনীতিৰ ওপৰত কালৰাহুৰ কলীয়া ডাৱৰে আচ্ছন্ন কৰি ৰখাৰ পৰিপ্ৰেক্ষিততেই অসমৰ সাম্প্ৰতিক জাতীয় জাগৰণ যাৰ আমি নামকৰণ কৰিছো 'অসমৰ অস্তিত্বৰক্ষাৰ আন্দোলন ।

অষ্টাদশ শতিকাৰ তৃতীয় দশকত বঙালী আমোলাসকলৰ দ্বাৰা অধ্যুষিত আমাৰ ভাষা উদ্ধাৰৰ সময়তো এক নৱচেতনাৰ উন্মেষ হৈছিল । ! কিন্তু সেয়া আছিল ভাষিক দুৰ্যোগহে ।

কিন্তু সম্প্ৰতিৰ যি আন্দোলন সি কেৱল ভাষিকেই নহয়, ভাষা-সংস্কৃতিৰ লগত আমাৰ অৰ্থনৈতিক চেতনাও উজ্জীৱিত কৰি তুলিছে । আজি বছেৰেক ধৰি আমাৰ দেশৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত সঃ অঃ ছাঃ সন্থা আৰু সঃ অঃ গঃ সঃ পৰিষদৰ আহ্বানত সমগ্ৰ অসম জুৰি এক ব্যাপক জাতীয় জাগৰণ হৈছে । নদীৰ জোৱাৰ-ভাঁটাৰ দৰে জাতীৰ জীৱনতো জোৱাৰ-ভাটা আহে । কোনো কোনো যুগত জাতীয় জীৱন সংকুচিত হৈ কেৱল অভ্যাস-বশতঃ প্ৰৱাহিত হৈ থাকে, আকৌ যেতিয়া ইয়াৰ ওপৰেদি তৰংগ উচ্ছ্বাস প্ৰবাহিত হয় তেতিয়া দুয়োকূলত ফেনে-ফোটোকাৰে উপচি পৰি শক্তি আৰু প্ৰাণচাঞ্চল্য বিস্তাৰ কৰে ।

অসমত ধীৰে ধীৰে উদ্বোধিত হোৱা জাতীয়তাবোধে সাম্প্ৰতিক আন্দোলনৰ পৰিপ্ৰেক্ষিতত তীব্ৰ আৰু জ্বলন্ত হৈ উঠা দেখা গৈছে । অসাংবিধানিক সকলো ব্যৱস্থা প্ৰতিহত কৰি অসমীয়াৰ দেশ-প্ৰীতি সুপ্ৰতিষ্ঠিত হৈছে । চতুৰ ৰাজনীতিবিদ বা কোনো ৰাজনৈতিক দৰ্শনৰ প্ৰৱক্তাসকলে কোৱাৰ দৰে অসমৰ এই আন্দোলন উগ্ৰজাতীয়তাবাদী বা বিচ্ছিন্নতাবাদী আন্দোলন নহয় । শান্তিপূৰ্ণ আৰু অহিংস উপায়ে চলা অসমৰ আন্দোলনত বিভেদকামী শক্তিয়ে অদৃশ্য হাতৰ পৰশেৰে ঠায়ে ঠায়ে কালিমা সানিবলৈ চেষ্টা নকৰা নহয় । বহুজনে আঁহকলা বক্তব্যৰে আমাৰ মাজত থকা জনজাতীয় তথা



সাম্প্ৰাদায়িক ঐক্যৰ ভিকাচন ভাঙিবলৈ চেষ্টা কৰাত পৰিলক্ষিত হৈছে । আমাৰ সাত্ৰাম পুৰুষীয়া আদৰ্শনীয় ঐক্য আৰু সংহতিৰ সুদৃঢ় ভেটিটোক বিভেদকামী শক্তিয়ে বিভাজনৰ বীজ সিঁচি যাতে দুৰ্বল কৰিব নোৱাৰে তাৰ বাবে আন্দোলনৰ নেতৃত্ব বহন কৰা দুই প্ৰধান শক্তি ( সঃ অঃ ছাঃ সন্থা আৰু সঃ অঃ গঃ পৰিষদ ) যে আৰম্ভণীৰে পৰা ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে ।

আন্দোলনৰ উল্লেখিত ইতিবাচক পটভূমিৰ পৰিপ্ৰেক্ষিতত অসমীয়া সাহিত্যত তাৰ সদৃশ বিশ্লেষণ হৈছেনে ? স'চা অৰ্থত, অসমৰ জাতীয় জাগৰণ বৰ্ত্তমান সাহিত্যত কেনেদৰে প্ৰতিফলিত হৈছে তাৰ এক চমু লেখ লোৱাই এই ক্ষুদ্ৰ আলোচনাৰ উদ্দেশ্য ।

পুনৰ উল্লেখ কৰিছো যে সাংবিধানিক আইন ব্যৱস্থা অনুযায়ী অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰি ৰাজ্যখনৰ ভাষিক-অৰ্থ-নৈতিক আৰু সাংস্কৃতিক নাৰ্য্যস্বত্ব ৰক্ষাৰ হেতু ছাত্ৰ-ছাত্ৰী, পুৰুষ-মহিলাই আন্দোলনৰ প্ৰতিটো কাৰ্য্যসূচীতে অংশগ্ৰহন কৰি বিশ্ববাসীৰ আগত এক অবিমিশ্ৰ দৃষ্টান্ত দাঙি ধৰিছে ।

বিহু সংখ্যাৰ 'জনমভূমি'ত প্ৰকাশ পোৱা ড° লক্ষীনন্দন বৰাৰ 'আকৌ শৰাইঘাট' নামৰ উপন্যাসত আমাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামে কথা সাহিত্যত আত্মপ্ৰকাশ কৰিলে । ড° বৰাদেৱ নিজেই এগৰাকী জাতীয় প্ৰেমী লেখক হোৱা হেতু তেখেতৰ উপন্যাসৰ কেনভাচত কিছুমান সজীৱ চৰিত্ৰৰ মাধ্যমেৰে আন্দোলনৰ গতিৰেখা বন্দী হৈ ৰ'ল । আন্দোলনক উপজীব্য কৰি লৈ ৰচনা কৰাৰ বাবে সমগ্ৰ অসমত উপন্যাসখনি প্ৰচাৰ মাধ্যমেৰে মুখৰিত হৈ পৰিছিল । ধাইকৈ উজনি অসমৰ আন্দোলনৰ নেতৃবৰ্গক প্ৰধান চৰিত্ৰ কৰি উপন্যাসখনি ৰচিত হৈছে, গণ-আন্দোলনৰ সংগ্ৰামত দৃঢ়তা আৰু প্ৰত্যয় দেখা গ'লেও দেশৰ হকে উৎসৰ্গিত কেইটি মান চৰিত্ৰক প্ৰাণোচ্ছল ৰূপ পৰিগ্ৰহ কৰা দেখা নগল । কিন্তু আলোচ্য উপন্যাস খনিয়ে প্ৰতিগৰাকী অসমপ্ৰেমীৰ প্ৰাণবীনাৰ তন্ত্ৰীত জাতীয় জাগৰণৰ এটি মধুৰ মূৰ্চনা তুলিবলৈ সক্ষম হ'ল । •]

নামনি অসমৰ গুৱাহাটী চহৰত সান্ধ্য আইন অমান্য কৰি নাৰেভীলৈ কৰা শোভাযাত্ৰাৰ পটভূমিত ৰচনা কৰা হ'ল গমতৰ,' জাতীয় জাগৰণক উৰ্বৰা পটভূমি কৰি লৈ ঔপন্যাসিকে সমগ্ৰ জাতীয় প্ৰেমী ৰাইজকে গতিশীল চৰিত্ৰ হিচাপে অংকন কৰিছে ।

'বিস্ময়' আলোচনীত প্ৰকাশিত মাণিক বৰা প্ৰণিত উপন্যাস 'অ' মোৰ আপোনাৰ দেশ'ৰ পটভূমিও অসমৰ সাম্প্ৰতিক জাতীয় জাগৰণ, আবেগ আৰু যুক্তিৰ সমাহাৰে উপন্যাসখনি ৰসোত্তীৰ্ণ কৰাত সহায়ক হৈ উঠিছে ।

'প্ৰসংগিক' আলোচনীত প্ৰকাশিত জনপ্ৰিয় লেখক কুমাৰ কিশোৰৰ উপন্যাসখনিও অসমৰ জাতীয় জাগৰণৰ উৰ্বৰ পটভূমিত ৰচিত । চৰিত্ৰ সমূহৰ তথ্যানিৰ্ভৰ উক্তি প্ৰত্যুক্তিয়ে উপন্যাসখনিক মাজে মাজে নাটকীয়তা আনি দিলেও নিৰ্দিষ্ট লক্ষ্যত উপনীত হব পৰাকৈ লেখকে গতিময়তা প্ৰদান কৰিব পাৰিছে ।

পূজা সংখ্যাৰ 'দৃষ্টিপাত' আলোচনীত প্ৰকাশিত অমূল্য মজুমদাৰৰ 'দৃষ্টিপাত' শীৰ্ষক উপন্যাসিকাখনিৰো সম্বল আৰু প্ৰেৰণা বৰ্তমান অসমৰ জাতীয় জাগৰণ । উপন্যাসিকাখনিৰ কাহিনী ভাগ আৰু চৰিত্ৰ সম্পূৰ্ণ কাল্পনিক হলেও কামৰূপৰ খগৰীপাল, কুন্দীকাটা, সাতলল আদি কেইখনমান গাওঁৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামত অশেষ ত্যাগ স্বীকাৰ কৰা ৰাইজৰ চিত্ৰন বাস্তৱানুগত হৈছে । উপন্যাসিকাখনিত আশাবাদৰ সুৰ দৃষ্ট হলেও শেষখনি মৰাৰ কিটিপটো লেখকে আয়ত্ব কৰিব নোৱাৰিলে যেন বোধ হয় ।

তদুপৰি জাতীয় জীৱনক কঁপাই তোলা, আন্দোলনৰ আৰম্ভনি কালৰে পৰা বৰ্তমান পৰ্য্যায়লৈকে বিস্তৃত তথ্যপাতিৰে নিৰ্ভৰযোগ্য শতাধিক পুস্তিকা আৰু বহুতো উল্লেখযোগ্য পুথি প্ৰকাশিত হৈছে। ইয়াৰ ভিতৰত অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত একলিপচ্ ইন দি ইষ্ট, সদৌ যোৰহাট কলেজ শিক্ষক সমন্বয়ৰক্ষক সমিতিৰ 'এপীল টু ফেল' ইনদিয়ানচ্,' ললিত বৰুৱাৰ 'ৰক্তৰেখা,' দেবেশ্বৰ বৰাৰ 'অভূতপূৰ্ব গণ-আন্দোলন,' ত্ৰৈলোক্যনাথ শৰ্মাৰ 'সমস্যাৰ গৰ্ভত প্ৰান্তীয় অসম,' কুমাৰ কিশোৰ আৰু নীলিমা দত্তৰ সম্পাদনাত প্ৰকাশিত হোৱা পুস্তিকা 'এগনি অৱ আচাম' আদি উল্লেখযোগ্য। অসমৰ ভিতৰে বাহিৰে প্ৰচাৰৰ উদ্দেশ্যে আন্দোলন সম্পৰ্কীয় ঘটনা-পঞ্জী, তথ্য নিৰ্ভৰ বাবাতৰি আগশাৰীৰ সাংবাদিক তথা বাতৰিকাকতে আন্দোলনৰ সপক্ষে আগবঢ়োৱা যুক্তিপূৰ্ণ মতামতৰ ওপৰত নিৰ্ভৰ কৰিয়েই দ্বাইকৈ উল্লিখিত পুথিসমূহ ৰচিত হৈছে।

জাতীয় চৈতন্যক ধৰি ৰাখি ৰচনা কৰা প্ৰবন্ধ সংকলনৰ ভিতৰত জ্ঞিনেশ্বৰ গগৈৰ 'সাৱধান অসমীয়া' শীৰ্ষক সংকলনটি উল্লেখযোগ্য। অসমীয়া ভাষাকৃষ্টি আৰু অৰ্থনীতিৰ সদৃশ বিশ্লেষণ দাঙি ধৰি অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'আচাম এণ্ড দ্য আচামীজ মাইণ্ড' নামৰ পুথিখনিত অসমক কৰা অৱহেলাৰ বাবে অসমীয়া বাইজৰ ক্ষোভ আৰু হাহুতাশৰ চিত্ৰক সজীৱ কৰি তুলিব পৰা সৰাক্তকৈ উল্লেখযোগ্য প্ৰবন্ধৰ সংকলন। অসমৰ ভৌগোলিক আৰু নৃতাত্বিক সমন্বয়ে দৰাচলতে কেনেকৈ বাৰেবৰণীয়া অসমীয়া কৃষ্টি আৰু বিভিন্ন জাতি জনজাতিৰে সন্নিৱিষ্ট বৃহৎ অসমীয়া জাতি নিৰ্মানত অৰিহনা যোগাইছে তাৰো সম্যক আলোচনা দাঙি ধৰা হৈছে। বাবগৰাকী বিশিষ্ট আলোচকে বাৰটি বিভিন্ন দিশৰ পৰা ৰচনা কৰা আচাম এণ্ড দ্য আচামীজ মাইণ্ড'ত তথ্যৰ পুনৰাবৃত্তি ঘটা স্বত্বেও ইংৰাজীত লিখা এখনি উচ্চ মানবিশিষ্ট প্ৰবন্ধ সংকলন হৈছে বুলি আমি বিবেচনা কৰোঁ।

সাম্প্ৰতিক আন্দোলনক পটভূমি কৰি নললেও এই বছৰৰে মাৰ্চত প্ৰকাশিত আৰু প্ৰশংসাৰে বহুল অভিনীত অখিল চক্ৰবৰ্তীৰ নাটক "উত্তৰ পুৰুষ"ত আমাৰ করুণ বৰ্তমানটোক ধৰি ৰখা হৈছে। জাতীয় চেতনাৰে উদ্দীপ্ত হোৱা নাটখনি এক প্ৰত্যয়যুক্ত ভৱিষ্যত অসমীয়া জাতিৰ চেতনাক দেখা পোৱা গৈছে।

বিদেশী বহিষ্কৰণৰ দৰে ৰাষ্ট্ৰীয় সমস্যাটোৰ পটভূমিত বৰপেটাৰ শশীমোহন দাসে ৰচনা কৰিছে 'অসমা সুষমা অনুপমা' নামৰ গীতি নাটিকা খনি। ৰূপকোঁৱৰৰ—"শতাব্দী সুপ্তিৰ ছিঙ ভাঙ লোহাৰ শৃংখল, এদিনলৈ হ' উশৃংখল লুইতৰতে, জহি যাওক জড় অৱসাদ, সিংহৰ পোৱালী তই নবীন অসমীয়া, শুশোভিত কৰ তোৰ, অধিকাৰ বাদ বিপ্লৱী তূৰ্য্য নিনাদ' বোলা উজ্জল প্ৰোজ্জল বাক্যশাৰীৰ আট ধৰিয়েই ঘাইকৈ এই চিৰধৰ্মী গীতি নাটিকাখনি ৰচিত হৈছে।

সংগ্ৰামৰ পটভূমিতেই উদীয়মান নাট্যকাৰ ফুল বৰঠাকুৰৰ 'সীমান্তত জুই জ্বলিছে' আৰু ধ্ৰুৱজ্যোতি মহন্তৰ 'বিচাৰ লাগে'ৰ দৰে কেবাখনো একাংকিকা প্ৰকাশিত হৈছে। অসমৰ বিভিন্ন ৰঙ্গমঞ্চত হয়তো বহুতো নবীন নাট্যকাৰৰ একাংকিকা অভিনীত হৈছে; অৱশ্যে চমক লাগি যোৱাকৈ কোনো নাট্য সৃষ্টি আমাৰ চকুত পৰা নাই।



বহু খ্যাত-অখ্যাত ন-পুৰণি গল্পকাৰে অসমীয়া জাতীয় জাগৰণৰ পৰা সমল আৰু প্ৰেৰণা গ্ৰহণ কৰি গল্প সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত ড° লক্ষ্মীনন্দন বৰা; কুমাৰ কিশোৰ কেশৱ শইকীয়া, নীলিমা দত্তই পাঠক সমাজৰ মন আকৰ্ষণ কৰিছে বুলি কব পাৰি।

গীতিকাৰ নগেন বৰা; ড° নিৰ্মলপ্ৰভা বৰদলৈ আদিয়ে জাতীয় জাগৰণৰ পটভূমিত দেশাত্মবোধত ৰঞ্জিত প্ৰেৰণাদায়ক ভালেমান গীতৰচনা কৰিছে।

কবিতাৰ ক্ষেত্ৰত অসমৰ বৰ্তমান জাতীয় জাগৰণ সবাতোকৈ বেছি উৰ্বৰা ক্ষেত্ৰ হৈ পৰিছে বুলি কোৱাৰ থল আছে। দৈনিক অসম; দৈনিক জনমভূমি, সাপ্তাহিক জনমভূমি; নীলাচল, অগ্ৰদূত, অপৰূপ আদি কাকতৰ উপৰি দৈনিক প্ৰকাশিত হোৱা সকৰ অলেখ কবিতাৰ আলোচনীবোৰত জাতিৰ প্ৰতি কবি কণ্ঠৰ উদাত্ত আহ্বান ধ্বনিত হৈছে।

মালিগাঁৱৰ ৰামসাগৰ নাথৰ 'আলোক সন্ধান' বলমাৰ ভগু গগৈৰ 'আই অসমী' সোনাৰীৰ লোকনাথ ফুকনৰ 'মুক্তি সংগ্ৰামৰ সংখধ্বনি' বাহনাৰ মিনাৰাম কলিতাৰ 'জয়তু জননী অসমী' যোৰহাট আৰু আজীমুখৰ ক্ষিতীশ ফুকন, প্ৰফুল্ল হাজৰিকাৰ একে নামৰ 'জয় আই অসম', মাজুলীৰ আনন্দ কুমাৰ মুদৈৰ 'মোৰ দেশ আৰু শ্বহীদ বেদীত কবি কণ্ঠ' যোৰহাটৰ গনেশ শইকীয়া আৰু জেতৰন বৰুৱাৰ যথাক্ৰমে "নতুন দিগন্ত আৰু দাপোন" আদি অসংখ্য সৰু বৰ কবিতাৰ জন্ম জাতীয় জাগৰণৰেই দান। কেৱল গুৱাহাটী চহৰতে প্ৰায় তিনিকুৰিতকৈ অধিক কবিতাৰ পুস্তিকা প্ৰকাশ হোৱাটো এই প্ৰসংগত উল্লেখযোগ্য। দৰাচলতে, অসমৰ য'তেই এখন উচ্চ ইং বিদ্যালয় বা মহাবিদ্যালয় আছে তাৰ পৰাই উদ্যোগী অসমপ্ৰেমী যুৱক-যুৱতী সকলৰ দ্বাৰা কবিতা পুথি বা আলোচনী আদি প্ৰকাশ হৈছে বুলি ক'ব লাগিব। তদুপৰি অসমৰ প্ৰতিখন দৈনিক; সাপ্তাহিক, পষেকীয়া, মাহেকীয়া কাকত আৰু আলোচনীত জাতীয় জাগৰণৰ খাঙৰ সম্বলিত লিখা প্ৰকাশ হৈয়েই আছে।

দেখা গৈছে যে জাতীয় জাগৰণক প্ৰতিফলিত কৰিব বিচৰা সাহিত্যৰ বিভিন্ন বিভাগ-সমূহে মাজে মাজে আবেগ সৰ্বস্ব হৈ আত্ম প্ৰকাশ কৰে। বহু ৰচনাত নিঃসন্দেহে অসমীয়া ৰাইজৰ ক্ষোভ আৰু গণতান্ত্ৰিক আন্দোলন যে যুক্তিৰ ওপৰতে প্ৰতিষ্ঠিত সেই কথা আবেগিক মাত্ৰ নহৈ যুক্তিৰ জখটি শিলতো পৰীক্ষিত হৈছে।

বাৰে ৰহনীয়া জাতি-জনজাতি-সম্প্ৰদায়েৰে পুষ্ট হৈ এক মহান অসমীয়া জাতিৰ মাজত অনৈক্য আৰু বিভেদৰ অংকুৰ বোৱ নোহোৱা কৰি কেনেকৈ, এখনি সমৃদ্ধিশালী অসমীয়া সমাজ গঢ়িব পাৰি তাৰ ইতিবাচক সদৃশ বিশ্লেষণ আমাৰ লেখক লেখিকাসকলৰ দ্বাৰা আৰম্ভ হৈছে যদিও এতিয়াও বহু বাকী। আত্মিক যোগাযোগৰ উৰ্বৰা ক্ষেত্ৰত সমৃদ্ধিৰ সোণালী ফচল পাবলৈ হ'লে সাম্প্ৰতিক আন্দোলনৰ পটভূমিত উজ্জীৱিত হোৱা জাতীয় জাগৰণৰ পৰা লেখকসকলে তেখেতসকলৰ ৰচনাৰ প্ৰেৰণা আৰু সমল সংগ্ৰহ কৰি ভৱিষ্যতেও সুমহান সাহিত্য জাতিক দান কৰিব পাৰে। লক্ষ্য কৰিবলগীয়া এটি দিশ এয়ে যে, আন্দোলনৰ কালছোৱাত ৰসোত্তীৰ্ণ সাহিত্য সৃষ্টি নহবও পাৰে, কাৰোবাৰ নিৰ্দেশত বা আহ্বানত কালজয়ী সৃষ্টি নহবও পাৰে। আমি জানো যে কহ'ব প্ৰেৰণাময়ী লেখনিয়ে অৱশ্যম্ভাবী কৰু বিপ্লৱক বহুখিনি আগবঢ়াই আনিছিল। জ্যোতিপ্ৰসাদৰ প্ৰেৰণাময়ী ৰচনাই মুক্তি আন্দোলনৰ সময়ত

জনতাৰ হৃদয়ত বনজুইৰ দৰে বিয়পিছিল। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ অমৰ লেখনিয়েও সংগ্ৰামী যুৱশক্তিক উদ্দীপিত কৰিছিল। আন্দোলন সম্পৰ্কীয় লেখনিৰ প্ৰকাশৰ বেলিকা টলষ্টয়ৰ সাহিত্যকো আঙুলিয়াব পাৰোঁ। যুদ্ধৰ বহু বছৰ পিছত জীৱনৰ অভিজ্ঞতা সম্পূৰ্ণভাৱে অৰ্জন কৰিহে অমৰ সাহিত্যিক গৰাকীয়ে 'ৱাৰ এণ্ড পীচ' ৰচনা কৰিছিল। স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা 'মৃত্যুঞ্জয়' উপন্যাস একুৰি পাঁচবছৰ পাছতহে প্ৰকাশিত হৈছিল।

অসমৰ বৰ্তমান সংবাদ-পত্ৰ আৰু বাৰ্তালোচনীৰ প্ৰচলনৰ সমীক্ষা চলালে দেখা যাব ক্ৰমান্বয়ে এখন বহল পঢ়ুৱৈ সমাজ সৃষ্টি হ'ব ধৰিছে। আশা ৰাখিছোঁ, জাতীয় জাগৰণৰ পটভূমিত সৃষ্টি হোৱা এই অভিযান আৰু অভ্যাস অব্যাহত থাকিব। পুনৰ আশা ৰাখিছোঁ, আন্দোলনৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনাৱলী, পৰিপাৰ্শ্ব, সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থা, যশঃ অপযশ, আশা-আকাংক্ষা আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি থকা জনগণৰ আস্থাৰ পৰা লেখকসকলে ৰচনাৰ প্ৰেৰণা আৰু সমল গ্ৰহণ কৰিব আৰু বুদ্ধিদীপ্ত নেতৃত্বৰে ঐতিহাসিক গণ-সংগ্ৰামৰ ভেঁটি ততোধিক সবল কৰি তুলিব।



৩২ পৃষ্ঠা শেষাংশ :

বলি দিয়ে। মৃতকৰ কবৰৰ ওপৰত স্থাপন কৰা শিলৰ পিঠিত গাহৰিৰ মূৰটো থৈ দেউৰীয়ে মন্ত্ৰ মাতে আৰু ঠেং দুখন উৱলৰ খুন্দা বাৰীত কটকটীয়াকৈ বান্ধি লয়। মন্ত্ৰৰ শেষত আন এজন ব্যক্তিয়ে উৱলৰ বাৰীৰে গাহৰিটো মূৰত টিঙনিয়াই বধ কৰে। ছাগলিটো ডিঙিত চিপজৰী লগাই ঘৰৰ ভিতৰত থকা চটিত ওলোমাই বধ কৰে। মৃতকৰ চাতৰ আঙুলিবোৰ কাটি একেলগে দুখন হালধীয়া কাপোৰেৰে বুঢ়া আঙুলি দুটা বান্ধে। ইয়াৰ পাচত তিৰোতাসকলে মৃতাত্মাক স্তুতি কৰে। শ্মশানলৈ নিয়াৰ আগতে মৃতকৰ এড়ী কাপোৰখন সলনি কৰি, পুৰণা কাপোৰেৰে শটো ঢাকে। মাকিৰুনী তিৰোতা আৰু মৃতকৰ পিতৃয়ে শটো বহা অৱস্থান কৰি ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ উলিয়ায়। মদ আৰু ভাত থকা দুটা ঘট কবৰৰ ভিতৰত থোৱাৰ প্ৰথা আছে। গাঁতৰ ভিতৰত কাঠ এখন পাৰি শটো থৈ কাঠৰ টুকুৰাৰে ঢাকে আৰু তাৰ ওপৰত কাঠ এখন পাৰি আগতে কাটি থোৱা মখবোৰ পেলাই দিয়ে। শেষত মাটিৰে গাঁতটো পুতি, তিৰোতা এজনীৰ দ্বাৰা কবৰৰ ওপৰত পানী ছটিয়ায়। কবৰৰ ওপৰত এচটা শিল থয় আৰু এডাল বাঁহ পুতি তাৰ মূৰত এটা লবাতি ঝাঁৰি দিয়ে। ইয়াৰ উপৰিও দীঘল বাঁহ পুতি তাৰ মূৰত সৰু সৰু বাৰী ধনশীৰৰে ওলমাই দিয়ে। কবৰৰ চৌপাশে ধনুভিৰীয়াকৈ বাঁহৰ কামী পোতে। শ দাহনকাৰীসকলে উঠি, নৈ বা জুৰিত গা-ধুই আহি, মৃতকৰ গৃহত মদ-মাংস খায়। অৱশ্যে এই দ্ৰব্যবোৰ খোৱা ভাও ধৰি, মৃত্যু ঘটোৱা দেৱতা বা ভূতৰ উদ্দেশ্যে খাদ্য দ্ৰব্যবোৰ দলিয়াই পেলায়।

উত্তৰ কাছাৰৰ ডিমাছাই শ'ৰ গাত 'খিলা, খুন্দা ধৰিয়হ মুখ-মণ্ডলত কপাৰ কুলুম ঘঁহি গা ধুৱায়। প্ৰথমে ভৰিৰ ফালৰ পৰা মূৰৰ ফাললৈ গা-ধুওৱাৰ নিয়ম। ইয়াৰ পাচত পুৰণা সাজ সলাই নতুন সাজ পিন্ধায় আৰু পাগুৰিও দিয়াৰ প্ৰথা আছে। মৃতকৰ মূৰত ফনিয়াই দিয়ে। গাভৰু ছোৱালী হলে ৰঙীন সাজ পিন্ধায়; কিন্তু বুঢ়া সাজ নিপিন্ধায়। চাৰি-পাতি ওপৰত চাদৰ পাৰি শটো শুৱায়। চৰাই নেজৰ চানেকিৰে বোৱা চাদৰ পুৰুষৰ শ আৰু তিৰোতাৰ শ'ক ৰিহা-মেখেলা পিন্ধায় আৰু ঢাকে। শ'ৰ চকুত দুটা আৰু মুখত এটা চিকা ৰূপ থয়। তিৰোতাই এবাগাতেৰে শ'টো বিচি বিচি বিলাপ কৰি কান্দে। শ'টো দুৱাৰ দলি পাৰ কৰাওঁতে প্ৰথমে ভৰি উলিয়াব লাগে। শটো আধা বাহিৰলৈ আৰু আধা ভিতৰলৈ অনানিয়া কৰোঁতে ছে, পিনি, গাথাম, ৰিৰি, ৰঙা, ডো, সিসি বুলি কয়। শ'টো চতাল পালেই চাৰি কোনত থকা চাৰিজন মানুহে চাঙ্গীংম লাকন তুলি শ্মশানলৈ নিয়ে। শ'ৰ লগত বুঢ়াসকল আগত আৰু বাকীসকল পাচে পাচে যায়। এজনীয়ে ধান আৰু কপাহ মিহলোৱা পাচিটো লৈ হাতেপিনে সিঁচি যায় আৰু আন এজনীয়ে ঘৰত কটা এঁৰী সূতা টানি টানি লৈ যায়। ইয়াৰ তাৎপৰ্য হল, মৃতকৰ আত্মাৰ বাবে মঙ্গল সাজি দিয়া যাৰ মাধ্যমেদি মৃতকৰ আত্মাই ঘুনাই সেই পৰিয়ালত জন্ম লভিব। শটো কঢ়িয়াওঁতে কোনোৱে বাটৰ দুয়ো কাষে টকা পইচা ছটিয়ায় আৰু কোনোৱে কীৰ্তন কৰি গৈ থাকে। চিতাত ওপৰে ওপৰে সাতটা বাঁহ দিয়ে। মৃতক বুঢ়া বুঢ়ী হ'ল, বৰ পুত্ৰ বা তেওঁৰ অবিহনে আন পুত্ৰই চিতাত মুখাগ্নি কৰে। শ নিয়াৰ পিচত ঘৰটো লেপি-মচি সোণ-ৰূপ, তাম আৰু তুলসী পাত মিশ্ৰিত পানী ছটিয়ায়। দাহন কাৰ্যৰ শেষত চিতাৰ জুই পানী ঢালি নুমুৱায় আৰু হাড়-এঙাৰবোৰ নৈত পেলায় বা গাঁতত পুতি থয়। ডিমাছাই সাত দিনৰ মূৰত 'জু মাংচাউ কাইবা' ক্ৰিয়া কৰে অৰ্থাৎ সেইদিনা দাহ কৰা লোকক মদ খুৱায় আৰু পৰাপক্ষত গাওঁখনকো নিমন্ত্ৰণ কৰে। তেওঁলোকে এমাহ,

দুমাহ বা তিনি মাহৰ মূৰত শ্ৰাদ্ধ পাতে। অৱশ্যে কাছাৰ তথা ডেমা অঞ্চলৰ লোকে তেৰ দিনৰ মূৰত শ্ৰাদ্ধ পাতে। দ্বাদশ আদিত্য ব্ৰাহ্মণৰ যগমানীয়ে শ্ৰাদ্ধ কাৰ্য সমাপন কৰে। বাৰ্ষিক শ্ৰাদ্ধ কৰাৰ পাচতেই মৃতকৰ হৈ পত্তা সকলো উৎসৱৰ সামৰণি পৰে। উত্তৰ কাছাৰৰ ডিমাছাই দাঁত পজা সমানকো দাহ কৰে।

মনিপুৰী মৈতৈলোকে কোনো লোকৰ মুমূৰ্ষু অৱস্থাত বৈদক মাতে আৰু বৈদাই নাড়ীৰ স্পন্দন পৰীক্ষা কৰি মৃত্যুৰ আগ জাননী দিয়ে। মৃত্যুৰ আগতেই নাড়ীত ধৰি বৈদ্যই মাঙ্গকজনক চতাললৈ উলিয়ায়। চতালত এখন আগ কলপাত পাৰি শটো শুৱায় আৰু কলগছৰ টুকুৰাৰে গাৰু দিয়ে। আগতে সজা হৰণ পেৰৰ চাল দুপনৰে শটো দুয়োকালে ঢাকে। পঞ্জাঁইট শটোৰ কাষত বহি খোল-তাল বজাই নাম-কীৰ্তন কৰে। শটো চাঙীত তোলাৰ আগতে খাৰ পানীৰে গা ধুৱায় আৰু নতুন কাপোৰ পিন্ধায়। বাঁহ বা কাঠৰ চাঙীত তিনি তৰপকৈ বস্ত্ৰ পাৰি শটো শুৱায় আৰু গোঁসাই ঘৰৰ পৰা নিৰ্মালি আনি নতুন বস্ত্ৰৰে পাক বনাই মৃতকক দিয়ে। কপালত চন্দন ফোঁট, ডিঙিত ফুলৰ মালা আৰু ন-লগুণ দিয়াৰ প্ৰথা আছে। অৱশ্যে চাঙীত চাউল আৰু বন্ধা খাদ্য-দ্ৰব্য-খিনিও দিবলৈ নাপাহৰে। আবাল-বৃদ্ধ-বনিতাই খোল-তাল বজাই নাম প্ৰসংগৰে শটো মৰিশালিলৈ শোভা-যাত্ৰা কৰি নিয়ে। শ সংকাৰৰ বাবে তেওঁলোকে এডোখৰ মাটি কিনিব লাগে। তেওঁলোকৰ চিতা সজা আৰু শ সংকাৰ পদ্ধতি অসমীয়াৰ দৰে বুলিব পাৰি। অগ্নিদাহ কাৰ্য চলি থাকোঁতে শটোৰ পৰা এডোখৰ অস্থি সংগ্ৰহ কৰি বাঁহৰ চুঙাত ভৰাই, সেই ঠাইতে সংৰক্ষণ কৰি ৰাখে। মৃত্যুৰ পঞ্চম দিনা, অস্থি ডোখৰ পুৰোহিত'ৰ দ্বাৰা শোধন কৰি মৃতকৰ পুত্ৰ বা পৰিয়ালৰ যি কোনো এজনৰ ডিঙিত আঁৰি দিয়ে। হালধীয়া বস্ত্ৰৰে বান্ধি থোৱা অস্থি ডোখৰ সমজুৱাই নাম প্ৰসংগ কৰি থকা সময়ত এখন আগ কলপাতত উলিয়াই দিব লাগে। কীৰ্তনৰ শেষত, অস্থি ডোখৰ ৭টা পাত্ৰত ভৰাই দুৱাৰৰ আগত থকা ভেঁটীত পোতে। মৃতকৰ দহ দিনলৈকে পিণ্ডদান দিয়ে আৰু তেৰ দিনৰ মূৰত শ্ৰাদ্ধ পতালৈকে কীৰ্তন চলি থাকে। সেই দিনা অস্থি ডোখৰ পুনৰ পুৰোহিতৰ দ্বাৰা শোধন কৰি ঘৰৰ ভিতৰ ফালে চালত সংৰক্ষণ কৰে। অৱশ্যে সুবিধানুসাৰী অস্থি টুকুৰা গংগাত নি বিসৰ্জন দিয়া প্ৰথা আজিও মৈতৈ সমাজত প্ৰচলিত। কৰমকাৰীয়ে গামোচা এখন পিন্ধি, হাতত কটাৰী এখন, পানীৰে পূৰ্ণ ঘট এটা আৰু ঘটটো ঢাকিবলৈ বগা গামোচা এখন লবলৈকে নাপাহৰে।

* সহায়ক গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আদি :— Arunachal Panorama ; মিকিৰ জনজাতি ; গাৰো সংস্কৃতিৰ ৰূপৰেখা ; বড়ো-কছাৰী সমাজ আৰু সংস্কৃতি ; The Daflas ; ডিমাছা ; অসমৰ জনজাতি প্ৰথম বছৰৰ প্ৰথম সংখ্যা ; বিংছাং ৩য় সংখ্যা ; বি, বৰুৱা কলেজৰ আলোচনী ৯ম সংখ্যা ; যুগ্মা ; এখন জেমি নগাৰ জীৱন ( অসম বাণী ) সন্তোন বুঢ়াগোহাঁই ; ফাকেয়াল জাতিৰ চমু ইতিবৃত্ত গণেশ শৰ্মা আৰু সহায়ক ব্যক্তি চাপৰমুখৰ মৈতৈ সমাজৰ কীৰ্তি সিংহ।

শ্ৰীডিম্বেশ্বৰ দয়াল শৰ্মা

## বুৰঞ্জীসিংহ বেণুধৰ শৰ্মাৰ পুণ্য সোঁৱৰণত

অসমীয়া বুৰঞ্জী সাহিত্যৰ যাদুকৰ আৰু এক বিশিষ্ট প্ৰাণ পৰিভূৰ্গী অসমীয়া গদ্য-শৈলীৰ জনক কথাৰ সাগৰ বেণুধৰ শৰ্মাদেৱ আৰু আমাৰ মাজত নাই। যোৱা ২৬ ফেব্ৰুৱাৰীৰ ধলপুৱাতে এই মহিমামণ্ডিত আজীৱন সাহিত্যসাধকজনে সৌৰবৰ্ষ গণনামতে ৮৬ বছৰ ৩ মাহ ১৫ দিন আৰু চান্দ্ৰ বৰ্ষ গণনা মতে শতায়ু ভাগ কৰি অক্ষয় কীৰ্তি এৰি থৈ ইহলীলা ত্যাগ কৰিলে। আধুনিক অসমীয়া গদ্য সাহিত্যক যিসকল প্ৰতিভাশালী গদ্যকাৰে নিজস্ব গদ্য-শৈলীৰে গৰিমাময় কৰি তুলিছিল সেইসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা, অম্বিকাগিৰি ৰায়চৌধুৰী আৰু বেণুধৰ শৰ্মাৰ নাম বিশেষভাৱে লব পাৰি। বুৰঞ্জীৰ নিৰস দীঘলীয়া আৰু কঠ সত্য কথাবোৰো শৰ্মাদেৱে এক বিশিষ্ট ৰসাল আৰু ওজস্বী গদ্যশৈলীৰে গল্প বা উপন্যাসতকৈয়ো সুখপাঠ্য আৰু মনোৰম কৰি তুলিছিল। শৰ্মাদেৱৰ বুৰঞ্জীৰ গদ্যৰ প্ৰতিটো বাক্য প্ৰতিটো বাক্যাংশই পাঠকৰ শিৰত স্বদেশ গৌৰৱৰ তেজ বোৱাব পাৰিছিল। শৰ্মাদেৱৰ বিশিষ্ট বাক্যশৈলীৰ নিদৰ্শন স্বৰূপে তলত অসম সাহিত্য সভাৰ মুকলি অধিবেশন ( চিলং ১৯৫৩ চন )ৰ লগত অনুষ্ঠিত নৱম বুৰঞ্জী অধিবেশনত শৰ্মাদেৱে পাঠ কৰা সভাপতিৰ অভিভাষণৰ পাৰীচেৰেক তুলি দিয়া হ'ল।

(১) অসমৰ থল-পৰ্বতীত অতীত সভ্যতা সমাধিস্থ হৈ নিজান দি আছে। অসম দেশ 'স্বৰ্ণীয়া সঁফুৰা— বৌৰঞ্জিক আহিলা-পাতিৰে কুবেৰ ভঁৰাল অনুসন্ধিৎসুৰ কল্পতৰু বৃক্ষ মাগন্তাজনে যিহকে বিচাৰে তাকে পায়।

(২) তাৰোলগতে হে উঠিব পাৰে, এনে এজন লোকক ৰাজনৈতিক উদ্দেশ্য বা স্বাৰ্থ সিদ্ধিৰ নিমিত্তে সজাই-পৰাই বৈকুণ্ঠত ৰজা হবলৈ ঠেলি পঠিয়ালে ইকুল-সিকুল দুয়োকুল নষ্ট হোৱাৰ ভয় থাকে। বৈষয়িক পয়োভৰৰ পেথম ধৰি গুণে-জ্ঞানে বিমণ্ডিত বুলি মুখা পিন্ধি ফুৰা যাৰ সজ তেনেলোকৰ দ্বাৰায়ো বুৰঞ্জী প্ৰণয়ন কৰা সম্ভৱ নহয়। আমাক লাগিব এনেএটা সঙ্গুণী যি একদেৰ একসেৰ বুলি অনুক্ষণ বুৰঞ্জী চিন্তাতে ব্যাপিত থাকিব পাৰে।

(৩) চিত্তবিনোদনৰ নিমিত্তেই অতীতৰ কালে চকুফুৰাওঁতে, তাঁত বাতিৰ উধা ঘূৰাদি মোৰ মনটোও কিছুমান কথাত ঘূৰি থাকে, তাকে বেগ বুজি আপোনালোকৰ আগত এৰি দিলোঁ।

(৪) মণিৰাম দেৱান ৰৰভাণ্ডাৰ বৰুৱাই লেখিলে, "বুৰঞ্জী বিবেক ৰত্ন"— য'ত অসমৰ থান-সত্ৰ সমূহেইয়ে যে অসমীয়া জাতিৰ নাভি-কমল তাক বঢ়াই দেখুৱালে আৰু তাতে ৰাজনৈতিক দৃষ্টি পেলাই এইটোও জনালে যে অসম দেশ আইন দেশৰ দৰে দেশ মাৰি লোৱা দেশ নহয়, অসমীয়াই হাড়ক মাটিকৈ, তেজক পানীকৈ পাতিলোৱা এইখন 'হাড়কাটনীৰ' দেশ।

ইংৰাজীত কোৱা হয় "The style is the

man himself ” অর্থাৎ বিশিষ্ট লেখক সকলৰ যি নিজস্ব Style বা শৈলী থাকে সেইটো লেখকজনৰ পৰা পৃথক কৰিব নোৱাৰি।

এনে অননুকৰণীয় শৈলী ( Style) যি কেইজন লেখকৰ জীৱন অৱসানৰ লগতে শেষ হৈ গ'ল তাৰ ভিতৰত শেষৰ সৰ্বশ্ৰেষ্ঠ জনেই আছিল বেণুধৰ শৰ্মা।

বেণুধৰ শৰ্মাদেৱৰ জন্ম হৈছিল ১৮১৬ শক ( ১৮৯৪ চন ) ৰ কাতি মাহৰ ৩০ দিন যাওঁতে বুৰঞ্জীৰ ৰবধৰ স্বৰূপ শিবসাগৰৰ চাৰিঙত। গাৰ্গস্থি গোত্ৰৰ এটা-বিশিষ্টীয়া অধ্যাপকৰ ঘৰৰ পিতৃৰ নাম আছিল ভ্ৰিশ্বেশ্বৰ শৰ্মা আৰু মাতৃ আছিল কথাই কামে সমানে নিপুণা আদৰ্শ অসমীয়া গৃহিণী নাৰী তুলসীদেৱী। আহোম ৰাজহৰ কালছোৱাত চাৰিঙ আছিল এখন দ্বিতীয় ৰাজধানী স্বৰূপ গুৰুত্বপূৰ্ণ ঠাই। সাধাৰণতে ৰজাৰ দ্বিতীয় স্থানত থকা ৰাজপুৰুষজনেই চাৰিঙ অঞ্চলৰ শাসনকৰ্ত্তা আছিল আৰু এওঁকে চাৰিঙ ৰজা বুলিছিল। ৰজাৰ মৃত্যুত সাধাৰণতে চাৰিঙ ৰজাই সিংহাসন পাইছিল। ইংল্যাণ্ডৰ প্ৰিন্স অব ৱেলচৰ লগত অসমৰ চাৰিঙ ৰজাক বিজাব পাৰি। কাকতী চৰবা আদি অনেক ৰাজকীয় কৰ্মচাৰীথেলৰ লোক আৰু ৰাজবিষয়া সকলৰ নাতি-পুতিৰে বেণুধৰ শৰ্মাদেৱৰ জন্মৰ সময়ত চাৰিঙ ভৰি আছিল। কোৱা বাহুল্য যে অসমৰ কেবাগৰাকীও আগশাৰীৰ প্ৰতিভাশালী ব্যক্তি এই চাৰিঙতে জন্ম হৈছিল আৰু আন কেবাগৰাকীও কৃতীপুৰুষৰ পিতৃ পিতামহ এই চাৰিঙৰে আছিল। সেই সুনামধন্য সকল হল—মণিৰাম দেৱান, বজ্ৰকান্ত বৰকাকতি, যতীন্দ্ৰ নাথ দুৱৰা, ৰাগমীবৰ নীলমণি ফুকন, নকুল চন্দ্ৰ ভূঞা আদি। এনেহেন সুকীৰ্তি বিমণ্ডিত আৰু ৰজা দিনীয়া অগণন পথ, পুখুৰী, মৈদাম আদি কীৰ্তিচিহ্নেৰে উপচি থকা চাৰিঙত জন্ম আৰু ডাঙৰ-দীঘল হৈ প্ৰতিভাশালী বেণুধৰ সৰুতেই বুৰঞ্জী চৰ্চাৰ প্ৰতি আকৃষ্ট হৈ পৰে আৰু এই আকৰ্ষণকে মূলধন স্বৰূপে লৈ আজীৱন অধ্যয়ন আৰু গৱেষণা কৰি অসমীয়া সাহিত্যৰ ভঁৰালত ভালেমখিনি মূল্যবান মণি-মুকুতা এৰি থৈ যায়। 'Charity begins at home' বুলি ক'বৰ দৰে সকলো সৎকৰ্মই প্ৰথমে ঘৰতে জন্ম হয়। বেণুধৰ শৰ্মাদেৱেও ঐতিহ্যসম্পন্ন চাৰিঙৰ অনুধাৱণা আৰু সাধনাৰেই আৰম্ভ কৰি কেবাখনিও কালজয়ী গ্ৰন্থ পৰিণত বয়সত ৰচনা কৰি ৰাখিলে—তাৰ ভিতৰত সৰ্বাধিক উল্লেখযোগ্য গ্ৰন্থ দুখনি হ'ল — 'মনিৰাম দেৱান' আৰু 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত'। শেষৰখনিৰ বাবে ১৯৬০ চনত শৰ্মাদেৱে 'ভাৰতৰ সাহিত্য একাডেমী'ৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰি অসমীয়া সাহিত্যক গৌৰৱান্বিত কৰিলে। অসমীয়া সাহিত্যৰ বাবে এইটোৱেই আছিল সাহিত্য একাডেমীৰ দ্বিতীয় বঁটা। ইয়াৰ আগতে যতীন্দ্ৰ নাথ দুৱৰাই 'বনফুল'ৰ বাবে এই বঁটা লাভ কৰিছিল। উল্লেখযোগ্য যে দুৱৰা আৰু শৰ্মা দুয়োজনেই আছিল চাৰিঙৰে অৱদান।

শৰ্মাদেৱৰ শিক্ষা জীৱনো আছিল বৈচিত্ৰ্যময়। প্ৰথমতে চাৰিঙৰ চমাৰগাওঁ পঢ়াশালিত ঠাকুৰাম বৰুৱ শিক্ষকতাৰ তলত পঢ়া আৰম্ভ কৰে। সেইকালৰ শিক্ষা-জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ কথা শৰ্মাদেৱে 'মজিয়াৰ পৰা মেজলৈ' শীৰ্ষক মনোৰম গ্ৰন্থ ৰাজিৰ মাজেদি প্ৰকাশ কৰি গৈছে। তাৰ পাছত শিৱসাগৰত 'ছাত্ৰৰ ঘৰা'ত থাকি নিজে ৰান্ধি বাঢ়ি খাই চৰকাৰী হাইস্কুলৰ পৰা ১৯১৫ চনত দ্বিতীয় বিভাগত প্ৰবেশিকাত উত্তীৰ্ণ হৈ ১৯১৬ চনত কলিকতাৰ বঙ্গবাসী কলেজত পঢ়েগৈ। কলিকতাত চাৰিবছৰ আছিল যদিও 'নেচনেল লাইব্ৰেৰীৰ' আপুৰুগীয়া বুৰঞ্জীতত্ত্বমূলক গ্ৰন্থ কিছুমান পঢ়ি বুৰঞ্জী আৰু পুৰাতত্ত্ব চৰ্চাৰ বাবে নিজকে সাজু কৰিহে লব পাৰিলে। কিন্তু বঙ্গদেশত সেইকালত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ঢৌৱে ৰবকৈ কোবাইছিল স্বদেশপ্ৰেমিক শৰ্মাদেৱৰ পাঠ্যপুথিত মন নবহিল। বি, এ, পাছ নকৰাকৈয়ে অসমলৈ ঘূৰি আহি ১৯২১



চনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামত মনে প্ৰাণে যোগ দিয়েহি। মহাত্মাজীৰ অসম আগমনে তেজীমনৰ শৰ্মাদেৱক ৰবকৈ অনুপ্ৰাণিত কৰিলে আৰু শৰ্মাদেৱে ঘৰ এৰি কাৰাগাৰত সোমাল। কাৰাগাৰৰ পৰা ওলায়েই গাৱে ভূঞে মহাত্মাৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। দেকহা ঠাবি সিজোৱা মকৰা পেয়ান, ভকত গগৈ বাহাদুৰ, মৰীয়া বাহাদুৰ, হৰি গোহাই মাষ্টাৰ আদি অনেক বাস্তৱ চৰিত্ৰৰ লগত ঘনিষ্ঠ পৰিচয় হৈ আহি চাৰিং, আজী, আমগুৰি, গৌৰীসাগৰ আদি আশে পাশে থকা অঞ্চলবোৰত মহাত্মাৰ বাণীয়ে কেনে ৰূপ লৈছিল তাৰ জীৱন্ত বৰ্ণনা শৰ্মাদেৱে পাছত 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' নামেৰে বিখ্যাত গ্ৰন্থখনি ৰচনা কৰি সাহিত্য একাডেমীৰ বঁটা লাভ কৰি অসমীয়া চৰিত্ৰ আৰু অসমীয়া সমাজক সৰ্বভাৰতীয় মৰ্যাদা দান কৰে। বাস্তৱ চৰিত্ৰ সমূহকো নাটকীয় চৰিত্ৰৰ দৰে মনোৰঞ্জক কৰি তুলিব পৰা আৰু দৃষ্টিৰ অগোচৰত থকা সৰু সৰু কথা আৰু ঘটনাক উপন্যাসৰ দৰে মনোগ্ৰাহী কৰিব পৰাটো এই গ্ৰন্থৰ বিশেষত্ব। তেজী গদ্যশৈলীৰ এই বিখ্যাত গ্ৰন্থখনৰ অন্যতম প্ৰধান গুণ।

শৰ্মাদেৱৰ আনখন বিখ্যাত গ্ৰন্থ 'মনিৰাম দেৱান' চাৰিঙৰ পটভূমিতেই আৰম্ভ কৰা। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্যায়ত ( ১৮৫৭ চন ) বলেৰা হৈছিল মনিৰাম দেৱানৰ জন্মভূমি আছিল এই চাৰিঙতেই। মনিৰাম দেৱান আৰু পিয়লি বৰুৱা (এওঁৰ আচল নাম মহেশ্বৰ শৰ্মা বেজবৰুৱা)ৰ ফাঁচী হয় ১৮৫৮ চনৰ ২৮ ফেব্ৰুৱাৰীত যোৰহাট নগৰৰ মাজমজিয়াত অগণিত জনগণৰ চকুৰ আগত প্ৰকাশ্যে। বাহাদুৰ গাওঁবুঢ়া ( চেখ বাহাদুৰ খাঁ ), ফৰ্মুদ আলি আদি দেৱানৰ লগত জড়িত থকাৰ তথাকথিত অপৰাধত বিচাৰৰ ভেকো-ভাৱনা কৰি তেতিয়াৰ বৃটিছ চৰকাৰে বহুতকে নিৰ্বাসন দণ্ড বিহিলে। তেতিয়াৰ নাম মাত্ৰ ৰজা কন্দৰ্পেশ্বৰ সিংহও চৰকাৰী নিৰ্যাতনৰ পৰা বাদ নপৰিল। শৰ্মাদেৱে ডেৰকুৰি বছৰ কাল অক্লান্ত পৰিশ্ৰম কৰি নানা আপুৰুগীয়া তথ্যেৰে সমৃদ্ধ কৰি সুবৃহৎ 'মণিৰাম দেৱান' গ্ৰন্থখনি ৰচনা কৰে। এই গ্ৰন্থই অসমত বৃটিছ শাসনৰ প্ৰথম দুকুৰি বছৰ কালৰ ৰাজনৈতিক, আৰ্থিক, সামাজিক আদি সকলোদিশৰে এটি সজীৱ চিত্ৰ দাঙি ধৰিছে। 'মণিৰাম দেৱান' শৰ্মাদেৱৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ ( Master piece ) বুলি কব পাৰি। শৰ্মাদেৱে আন গ্ৰন্থ ৰচনা নকৰাহ"লেও অকল 'মণিৰাম দেৱানে' ই তেখেতক অসমীয়া সাহিত্যত অমৰ কৰি ৰাখিলেহেঁতেন। ১৯৩১ চনত শৰ্মাদেৱৰ বিচক্ষণ সংগঠন শক্তিৰ পৰিচয় স্ফুট উঠিছিল চাৰিঙত উদ্‌যাপন কৰা সাৰ্বজনীন 'মণিৰাম দেৱান' উৎসৱত। তেতিয়াৰ পৰা এতিয়ালৈকে যোৱা আঠকুৰি বছৰে চাৰিঙত এই উৎসৱ ধাৰাবাহিক ভাৱে পালিত হৈ আহিছে।

১৯২৭ চনত শৰ্মাদেৱে ডঃ জে. পি. ৱেডৰ ' Account of Assam ' নামৰ পুৰণি গ্ৰন্থখনি উদ্ধাৰ কৰি টীকা-টিপ্পনি সহ সম্পাদনাৰে প্ৰকাশ কৰে। শৰ্মাদেৱে অত্যন্ত যত্ন-সহকাৰে নানা আপুৰুগীয়া তথ্যেৰে ৰচনা কৰা জীৱনৰ শেষ বয়সৰ এখনি মূল্যবান গ্ৰন্থ হ'ল – 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী'। যোৱা চাৰিশ বছৰে অসমৰ ধৰ্ম, শিক্ষা, সংস্কৃতি আৰু সমাজত বিশেষ ভাৱে প্ৰভাৱ বিস্তাৰ কৰি অহা অসমৰ বৈষ্ণৱ সত্ৰ সমূহৰ ওপৰত এখনহে সম্পূৰ্ণাঙ্গ বুৰঞ্জী লিখিত হৈছে; তাৰে আনখন হল শ্ৰীতীৰ্থনাথ শৰ্মাৰ 'আউনিআটি সত্ৰৰ বুৰঞ্জী'। অসমৰ প্ৰাচীন ঐতিহ্যসম্পন্ন, ধৰ্ম আৰু সংস্কৃতিৰ ঐতিহ্যবাহী সত্ৰৰ সম্পূৰ্ণাঙ্গ বুৰঞ্জী এই দুগৰাকী বৰেণ্য লেখকৰ আহিত প্ৰণয়ন কৰিব পাৰিলে অসমৰ সমাজ, ধৰ্ম সাহিত্য আৰু সংস্কৃতিৰ ইতিহাস সম্পূৰ্ণ হ'ব বুলি ক'ব পাৰি।

ডেৰকুৰি খনতকৈও অধিক গ্ৰন্থৰ প্ৰণেতা শৰ্মাদেৱে বহুসংখ্যক মূল্যবান প্ৰবন্ধৰাজিৰে যোৱা তিনিকুৰি বছৰতকৈও অধিককাল অসমীয়া গদ্য সাহিত্য সমৃদ্ধ

কৰি আহিছে। শৰ্মাদেৱৰ মূল্যবান কামৰ পৰা ওলোৱা আন পানচেৰেক উল্লেখযোগ্য গ্ৰন্থ হ'ল — দুৰবীণ, অৰ্থাৱলী, সাতাবন ফাল, পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ফুলচন্দন, বাংপতা, বিহুৰ ভোগজৰা, চন্দন চ'ৰা, মঙ্গলতিৰ কঠীমালা, বগমুৱা নৌযাত্ৰাৰ আপদীয়া কাহিনী, গঙ্গা গোবিন্দ ফুকন, গোবিন্দ চন্দ্ৰ মেজৰবৰুৱা, ৰবিনচন ক্ৰুচ' আদি। 'ৰবিনচন ক্ৰুচ' নামে বিখ্যাত ইংৰাজী গ্ৰন্থখনি শৰ্মাদেৱে কলিকতাৰ কলেজত পঢ়ি থাকোতেই এজন সহপাঠীৰে সৈতে যুটীয়াভাৱে অনুবাদ কৰি উলিয়াইছিল। এইখনেই শৰ্মাদেৱৰ একপ্ৰকাৰ প্ৰথম গ্ৰন্থ হলেও ইয়াত শৰ্মাদেৱৰ বিশিষ্ট গদ্যশৈলীৰ চিনাকি নাই। 'বগমুৱা নৌযাত্ৰাৰ আপদীয়া কাহিনী' আৰু 'মঙ্গলতিৰ কঠীমালা' এই দুখনিও অনুবাদ গ্ৰন্থ। দ্বিতীয়খনি বিখ্যাত ইংৰাজী লেখক চাৰ আৰ্থাৰ কোনান ডইলৰ 'চাৰ্লক হোমচ' ৰহস্য কাহিনী মালাৰ অসমীয়া অনুবাদ। শৰ্মাদেৱৰ আলোড়ন সৃষ্টিকাৰী কিছুমান প্ৰবন্ধ হ'ল — বঙ্গালভৈৰবী লাচিত বৰফুকন, দেশদ্ৰোহী কোন? মনমনে পূৰ্ণানন্দ? কছাৰী-বীৰ তুলাৰাম সেনাপতি, গোৱা প্ৰথম স্বাধীনতাৰ যজ্ঞ, মোমাই তামুলী বৰবৰুৱা, জয়মতী কুৱঁৰী, টিকেন্দ্ৰজিৎ, জোনাকীযুগৰ সাৰথিসকল, অসমত কিৰিষ্টী আদি।

বৰেণ্য সাহিত্যিক শৰ্মাদেৱে ১৯৬৬ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী যুক্ত অধিৱেশনত সভাপতিত্ব কৰি এক উদাত্ত প্ৰাণস্পৰ্শী ভাষণেৰে অসমীয়া জাতিক নিজদেশৰ ঐতিহ্যত গৌৰৱান্বিত হৈ সমন্বয় মূলক জাতি গঠনত বৰঙণি যোগাবলৈ আহ্বান জনায়। ইয়াৰ আগতে শৰ্মাদেৱে ১৯৫৩ চনত অসম সাহিত্য সভাৰ চিলং অধিৱেশনৰ বুৰঞ্জী সন্মিলনৰ সভাপতিত্ব কৰি পাঠকৰা মূল্যবান ভাষণটি অসমীয়া বুৰঞ্জী আৰু প্ৰবন্ধ সাহিত্যৰ এক অমূল্য সম্পদ।

এসময়ত 'তৰুণ অসম', 'বাতৰি', অসমীয়া' আদি সংবাদ পত্ৰৰ সম্পাদনা বিভাগৰ লগত জড়িত থকা শৰ্মাদেৱে অসম সাহিত্য সভাৰ সাংবাদিক সন্মিলন এখনতো সভাপতিত্ব কৰিছিল। সাংবাদিক শৰ্মাদেৱে এসময়ত Assam Review, Statesman, Pioneer আদি ইংৰাজী কাকতত প্ৰবন্ধ লিখি অসমৰ বিষয়ে বহিৰ্জগতক জানিবলৈ দিছিল। শৰ্মাদেৱ আছিল সংবাদৰ ভঁৰাল, কথাৰ সাগৰ; কেতিয়াও নিজেই আছিল এক অনুষ্ঠান। সভাসমিতিৰ বক্তৃতা দিওঁতে শ্ৰোতা-মণ্ডলীক আৰু সাধাৰণ কথন মহলতো আগ্ৰহী শ্ৰোতাক আতানি লৈ যোৱা কথাসাগৰ ভৱানী-পুৰীয়া গোপাল আতাৰ দৰে শৰ্মাদেৱে আপোনভোলা তথা সমস্ত মনোযোগী কথন ভঙ্গীৰে কাহিনী দিনতে মতী কৰি বিস্ময়-বিমুগ্ধ কৰি ৰাখিব পাৰিছিল। তথ্য সংগ্ৰহ দিশত শৰ্মাদেৱৰ অসমৰ জীৱিত লোকসকলৰ ভিতৰত অদ্বিতীয় আছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামী, কলিধৰ চলিহা আদি অসমৰ জ্ঞানী গুণী বহুলোকৰ চিঠি-পত্ৰ আদি শৰ্মাদেৱে আজীৱন সংৰক্ষণ কৰি সেইবোৰৰ ভিত্তিত 'টোকোৰ বাঁহৰ কুটা' নামে আপুৰুগীয়া প্ৰবন্ধ মাজি লিখিছিল। এসময়ত বাগ্মীবৰ নীলমণি ফুকন সম্পাদিত 'বাতৰি'ৰ মূল্যবান সম্পাদকীয় বাজি এক-মাত্ৰ শৰ্মাদেৱেহে বহু যত্নেৰে সংৰক্ষণ কৰিছিল আৰু সেইবিলাকে সুসম্পাদন কৰি শৰ্মাদেৱে 'বাতৰিৰ বিভূতি' নামেৰে মূল্যবান সংকলনটি অসম সাহিত্য সভাক দান দি থব পাৰিছিল। শৰ্মাদেৱে বুৰঞ্জী বিষয়ৰ সৰ্বভাৰতীয় সন্মিলনত দিল্লী, কলিকতা আৰু আহমদাবাদত অসমক প্ৰতিনিধিত্ব কৰি অসম সম্বন্ধীয় মূল্যবান তথ্যৰ যোগান ধৰি অসমৰ ভাবমূৰ্তি উজ্জ্বল কৰিছিল। শেষ বয়সত শৰ্মাদেৱক অসমৰ বিভিন্ন ঠাইত অভিনন্দিত কৰা হৈছিল। তাৰ ভিতৰত কলিয়াবৰৰ সংস্কৃতিপ্ৰাণ ৰাইজে এখন অভিনন্দন গ্ৰন্থ (উপেন্দ্ৰ বৰকটকীৰ সম্পাদনাত) প্ৰকাশ কৰি শৰ্মা-



দেৱক সন্মানিত কৰে।

অলপতে দৈনিক জনমভূমিত প্ৰকাশিত অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰাক্তন সম্পাদক শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ এখন চিঠিত প্ৰকাশ পাইছে যে শেৱালি কবি ৰত্নকান্ত বৰকাকতিয়ে শৰ্মাদেৱক 'বুৰঞ্জী সিংহ' উপাধিৰে বিভূষিত কৰিছিল। আমিও 'বুৰঞ্জী-সিংহ' বেণুধৰ শৰ্মাদেৱৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাই প্ৰবন্ধটিৰ সামৰণি মাৰিলোঁ।

শ্ৰীপ্ৰহ্লাদ কুমাৰ বৰুৱা

# অষ্টম দশকৰ অসমীয়া চুটিগল্প

গল্পসাহিত্য যদি একপ্ৰকাৰ শিল্পকৰ্মই হয়; তেনেহলে শিল্পগুণৰ বাবেই কুৰি শতিকাৰ অষ্টম দশকৰ অসমীয়া চুটিগল্প আপোন বৈভৱেৰে সমৃদ্ধিশালী হৈ উঠিল। এইবাৰ কথা কোৱাৰ লগে লগে প্ৰশ্নও হয়—তেনেহলে ইয়াৰ আগৰ দশকৰ অসমীয়া চুটিগল্প ঐশ্বৰ্য্যশালী নাছিলনেকি ? আছিল—কিন্তু নগণ্য। দৰাচলতে শিল্পকৰ্মতকৈও আদৰ্শ প্ৰচাৰ-প্ৰৱণ ৰচনাৰ আস্ফালন হৈছিল সপ্তম দশকত। মাৰ্ক্সীয় তত্বকথাৰ অন্ধ অনুকৰণ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা ন লেখকৰ সমাজবাদী নীতিকথা সৰ্ব্বস্ব ৰচনাৰাজিয়ে সপ্তম দশকৰ অসমীয়া গল্পসাহিত্যৰ গতি মন্থৰ কৰি তুলিছিল। কিন্তু সুখৰ কথা—দশকটোৰ শেষৰ ফাললৈ এই সাময়িক উত্তেজনাৰ অৱক্ষয় ঘটিবলৈ ধৰে আৰু শিল্পগুণযুক্ত যথাৰ্থ গল্প সাহিত্য সৃষ্টিৰ পথ সুগম হৈ উঠে।

অষ্টম দশকত শিল্পকৰ্মৰ চাৰুতাৰে অনেক সফল গল্প সাহিত্যৰ সৃষ্টি হ'ল ; যিবিলাকে অসমীয়া সৃষ্টিশীল সাহিত্যৰ বুৰঞ্জীক ঐশ্বৰ্য আৰু বৈচিত্ৰ্যদান কৰিলে। প্ৰশ্ন হয়—চুটিগল্পৰ এই সফলতা নিৰ্ণয়ত কেনেধৰণৰ মাপ-কাঠি গ্ৰহণ কৰা হৈছে ?

সৃষ্টিশীল সাহিত্যৰ বিচাৰ-বিশ্লেষণ বহুদিশৰ পৰা কৰিব পৰা হয়। এই বিচাৰ সংক্ষেপতে কৰিব লগাৰ বাধ্যবাধকতাৰ বাবে কেইটিমান মাথো বিশেষ দিশৰ পৰাহে চাবলৈ যত্ন কৰা হৈছে আৰু অনিবাৰ্য কাৰণত এই দশকৰ শ্ৰেষ্ঠগল্প সমূহৰ বহল আৰু বস্তুধৰ্মী বিশ্লেষণ পৰিহাৰ কৰা হৈছে।

গল্পৰ সফলতা নিৰ্ভৰ কৰে বিষয়বস্তুৰ গভীৰতা আৰু শিল্পকৰ্মৰ চাৰুতাৰ ওপৰত। এনে বৈশিষ্টৰ বাবেই অষ্টম দশকৰ অসমীয়া চুটিগল্পই আগকালৰ চুটিগল্পতকৈ বহুখিনি আগুৱাই আছি অসমীয়া সৃষ্টিশীল সাহিত্যক ঐশ্বৰ্যশালী কৰি তুলিলে।

সামগ্ৰিক ভাবে চালে এই দশকৰ চুটিগল্পৰ কেইটামান দিশ দৃষ্টিগোচৰ হয়। সৰ্বোৎকৃষ্ট বৈশিষ্টটোৱেই হৈছে— শৈল্পিক চাৰুতাৰ সৈতে বৌদ্ধিকতাবাদ (intellectualism)ৰ সুষম সমন্বয়। একেই মানুহ, একেই প্ৰেম-প্ৰণয়, হতাশা আশা-নিৰাশা আৰু দাৰিদ্ৰ্যক লৈ আৰাহন যুগৰ পৰা গল্প ৰচনা কৰা হৈ আহিছে। কিন্তু অষ্টম দশকৰ কেইজনমান সৃষ্টিশীল লেখকৰ বৌদ্ধিকতাবাদী দৃষ্টিভঙ্গীত একেখিনি বিষয়—বস্তুৱেই নতুন ৰূপত নতুন বৈভৱেৰে প্ৰকাশ লাভ কৰিবলৈ ধৰে।

শিল্পচাতুৰ্যৰ মাজেদি জীৱনৰ বৌদ্ধিক বিশ্লেষণৰ ক্ষেত্ৰত হোমেন বৰগোহাঞিৰ সৃষ্টি নিঃসন্দেহে উল্লেখযোগ্য। 'প্ৰকাশ' আলোচনীত প্ৰকাশিত বৰগোহাঞিৰ 'ভয়' (প্ৰথম বছৰ প্ৰথমসংখ্যা) 'সত্যতা' (দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা) 'আনন্দৰ উৎস' (প্ৰথম বছৰ চতুৰ্থ সংখ্যা) আদি গল্প সকলো শ্ৰেণীৰ পাঠকৰ বাবে উপাদেয় নহব পাৰে; এইযাৰ কথা সঁচা। কিন্তু সাহিত্য যিদৰে কেৱল মনোৰঞ্জনৰ সামগ্ৰীয়েই নহয়; সেইদৰে আদৰ্শ প্ৰচাৰৰ মাধ্যমো নহয়। সাহিত্য





যুগমানসৰ বৌদ্ধিক অনুশীলন আৰু বিকাশৰ মাধ্যমো। বৰগোহাঞিৰ অষ্টম দশকৰ গল্পও মানৱ জীৱনক গভীৰ অন্তৰ্মুখীন দৃষ্টিৰে চোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। এইদিশত অসমীয়া গল্প সাহিত্যত বৰগোহাঞি নিতান্তভাৱে অকল্পনীয়া।

আৱাহন আৰু ৰামধেনু যুগৰ পৰা নিৰৱচ্ছিন্ন ভাৱে সৃষ্টি আৰু খ্যাতিৰে জনপ্ৰিয়তা অৰ্জন কৰি অহা লেখক সৈয়দ আব্দুল মালিকৰ গল্পয়ো অষ্টম দশকত বিকশিত ৰূপ লাভ কৰে। এই দশকত সৃষ্টি হোৱা মালিকৰ গল্প সমূহৰ ভিতৰত 'ক্ৰি কাপোৰ' (প্ৰকাশ, তৃতীয় বছৰ, দ্বিতীয় সংখ্যা) আৰু 'আঙোৰা' (প্ৰকাশ, দ্বিতীয় বছৰ, তৃতীয় সংখ্যা) সফল সৃষ্টি। মালিকৰ সকলোবোৰ সৃষ্টিতে লেখকজনৰ দৰদী হিয়াৰ উত্তাপ অনুভৱ হয়। দৰদী জীৱনবোধ আৰু সনাতন মানৱীয় সহানুভূতিশীলতাৰ বাবে আনবোৰ গল্পৰ তুলনাত এই দুটা গল্পৰ মূল্য পৃথক। বঢ়াই কোৱা নহয় যে, মালিকৰ এনেবোৰ গল্প ভাষান্তৰ কৰি অসমীয়া ভাষাৰ ভৌগলিক সীমা অতিক্ৰম কৰাই দিব পাৰিলে সকলো ঠাইৰ পাঠকে আপোনক্ৰমে গ্ৰহণ কৰিব। টলষ্টয় আৰু চেভৰ গল্পৰ বিশ্বজনীনতা আৰু সনাতন মানৱতাবোধজনিত আনুভূতিক আবেদন মালিকৰ এই কেইটা গল্পই নিঃসন্দেহে বহন কৰিছে। মালিকৰ দ্বাৰা পৰিপুষ্ট এই ধাৰাটো অষ্টম দশকটোৰ এটা শক্তিশালী ধাৰা, যিটো ধাৰাত ন-পুৰণি অনেক লেখকৰ গল্পই শাৰীত থিয় দিছেহি। কিন্তু মালিকৰ গল্পৰ সমানে শাৰীত থিয় হোৱা সকলোবোৰ গল্পই ভাববস্তুৰ মহত্ব আৰু শিল্পকৰ্মৰ চাৰুত্বৰ মহিমাৰে মহিমোজ্জ্বল হ'ব পৰা নাই। দাৰিদ্ৰ পীড়িত জীৱনৰ ছবিচিত্ৰণৰ অনুশীলনৰ ফালৰ পৰা যোগেশ দাসৰ 'চাল' (প্ৰকাশ, দ্বিতীয় বছৰ, চতুৰ্থ সংখ্যা), 'মৃত্যুত' (প্ৰকাশ, দ্বিতীয় বছৰ দ্বিতীয় সংখ্যা) আৰু 'বংশ ধ্বংসৰ ইতিবৃত্ত' (পৃথিৱীৰ অসুখ, ১৯৭৯) আদি গল্পৰ নাম উল্লেখযোগ্য। গল্প সাহিত্যৰ শিল্পকৰ্মৰ ফালৰ পৰা গুণগতভাৱে মালিকৰ গল্পৰ পৰা দূৰত বহুত বেছি যদিও অৰুণ গোস্বামীৰ "মাছ মৰীয়া ছোৱালীৰ সাজ" (প্ৰকাশ, প্ৰথম বছৰ, দ্বিতীয় সংখ্যা) নামৰ গল্পটোৰ বিষয়েও উল্লেখ কৰা সমীচীন। অন্ততঃ গল্পটোত মননশীলতা নাই যদিও অনুশীলন প্ৰচেষ্টা এটা লক্ষ্য কৰা যায়।

শিল্পও হ'ব লাগিব; কিন্তু শিল্পকৰ্মৰ যোগেদি মানবীয় আদৰ্শ প্ৰচাৰো হ'ব লাগিব— এই আদৰ্শ আগত ৰাখি গল্প ৰচনা কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই আন এটা ধাৰা অসমীয়া গল্প সাহিত্যত চলতিৰূপত ৰাখিছে। অষ্টমদশকত ভট্টাচাৰ্যৰ 'চাৰ্মন অন দ মাউন্ট' (প্ৰকাশ, তৃতীয় বছৰ, তৃতীয় সংখ্যা) আদি গল্পই অসমীয়া গল্প সাহিত্যৰ মান উন্নত কৰণত সহায় কৰিছে। সমকালীন যুগ-যন্ত্ৰণাৰ মাজতো মানৱ জীৱনৰ মহত্ব অমৰ হৈ থাকে; এইযাৰ কথা ভট্টাচাৰ্যৰ গল্পই ক'ব খোজে। ভট্টাচাৰ্যৰ অষ্টম দশকৰ গল্পই এইযাৰ কথাৰো প্ৰমাণ কৰে যে, ভট্টাচাৰ্যৰ গল্পত বক্তব্য আৰু শিল্পকৰ্মৰ সীমাৰেখাডাল নিঃচিহ্ন হৈ আহিছে, যাৰ বাবে ভট্টাচাৰ্যই গল্পই এই দশকটোৰ অসমীয়া গল্পৰ মূল্যমান উন্নত কৰি তুলিছে।

সামান্য পাৰ্থক্য থাকিলেও ভট্টাচাৰ্যৰ সমগোত্ৰীয় লেখক বীৰেশ্বৰ বৰুৱাই 'সাপ' (প্ৰকাশ, দ্বিতীয় বছৰ, প্ৰথম সংখ্যা) প্ৰতিচ্ছবি' (প্ৰকাশ, দ্বিতীয় বছৰ, চতুৰ্থ সংখ্যা), 'দূৰত্বৰ পৰিমাণ' (প্ৰকাশ, প্ৰথম বছৰ, দ্বিতীয় সংখ্যা) আদি গল্পৰ দ্বাৰা এই ধাৰাটোৰ গতিশক্তি প্ৰবল কৰি তুলিছে। এই সুঁতিটোৰ প্ৰতি সমৰ্থন আৰু সম্মোহন থকা অনেক লেখক আছে। মহিম বৰাৰ 'পঁইতা চোৰা' (প্ৰকাশ, প্ৰথম বছৰ, প্ৰথম সংখ্যা) ত্ৰৈলোক্য ভট্টাচাৰ্যৰ 'মই এটা গৰু' (অসমবাণী) আদি গল্পই এই দুজন লেখককো এইটো ধাৰাৰ অন্তভূক্ত কৰোৱায়।

জোঙা পেঞ্চিলৰ আগেৰে আঁকা অনেক টুকুৰা ছবিৰ থুপিৰ দৰে অনেক স্বচ্ছ ছবিৰে সজাই পৰাই লেখা গল্পৰ ক্ষেত্ৰত ভৱেন্দ্ৰনাথ শইকীয়া অননুকৰণীয়। 'তৰঙ্গ' পুথিত সন্নিবিষ্ট শইকীয়াৰ আলেখিনি ৰসোত্তীৰ্ণ গল্প অষ্টম দশকটোৰ সফল সৃষ্টি বুলিব লাগিব। শইকীয়াৰ গল্পত ঐতিহ্যৰ প্ৰতি এক নিৰ্লিপ্ত মোহ লক্ষ্য কৰা যায় আৰু এই মোহটোৱেই পৰিবৰ্তনমুখৰ সমাজৰ দ্বন্দ্বৰ মাজেদি আনুভূতিক কাৰুণ্যলৈ ৰূপান্তৰ হয়। এই ধাৰাটোত একাধিক লেখকে নানান গল্পৰ মাজেদি অনুশীলন কৰি আছে। সফলতাৰ চিন চাপিব পৰা লেখক সংখ্যাও তাকৰ যদিও লক্ষ্মীনন্দন বৰা, ভদ্ৰেশ্বৰ বাজখোৱা, ৰিজু হাজৰিকা আদি জন-দিয়েক লেখকে এই ধাৰাটোৰ ঐশ্বৰ্য বঢ়াইছে তাত সন্দেহ নাই।

অষ্টম দশকৰ অসমীয়া গল্প সাহিত্যত সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া আৰু কমল গোস্বামীৰ গল্পই আন সকলোবোৰ ধাৰাৰ প্ৰতি সাহসেৰে আওকাণ কৰি পৃথক ৰুচিবোধ প্ৰকাশ কৰি আছে। কিন্তু মন-কৰিবলগীয়া যে, উপৰোক্ত সহিত এই তিনিও গৰাকী লেখকৰ গল্প একে স্বাদৰ আৰু একে বৈশিষ্ট্যযুক্ত যেন ধাৰণা হয়; যিটো আচলতে নহয়। আধুনিক শিক্ষাৰে শিক্ষিত সমাজৰ অনিশ্চিত মানসিকতা, আধুনিক যন্ত্ৰ-নিৰ্ভৰ সমাজৰ অস্থিৰতা আৰু জটিল যুগমানসিকতা প্ৰকাশৰ ক্ষেত্ৰত কমবেছি পৰিমাণে তিনিওগৰাকী লেখকৰ মাজত সাদৃশ্য থাকিব পাৰে; কিন্তু তিনিও গৰাকী লেখকৰ গল্প পৃথক দৃষ্টিভঙ্গী আৰু স্বকীয়া ৰুচি-বোধৰ দ্বাৰা পৰিচালিত।

যুগৰ জটিলতাই সৃষ্টি কৰা নানান পৰিস্থিতি চিত্ৰণ আৰু অপৰিচিত অনেক পৰিস্থিতিত মানুহৰ মনৰ ৰহস্য-জনক অৱস্থাৰ শৈল্পিক প্ৰকাশ চলিহাৰ গল্পৰ বৈশিষ্ট্য। অষ্টম দশকত সৃষ্টি হোৱা 'বীণাকুটীৰ' ( সংলাপ, প্ৰথম বছৰ, প্ৰথম সংখ্যা ), 'ভ্ৰমণ বিৰতি' ( সংলাপ, প্ৰথম বছৰ, দ্বিতীয় সংখ্যা ) আৰু 'কুৰিৰ ভৰি দিঙ্‌ডতে' ( ৰামধেনু, প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১৯৭৯ ) আদি গল্প এই ক্ষেত্ৰত উল্লেখযোগ্য। কঠিন বাস্তৱতাৰ আঁৰত মানৱ জীৱনৰ স্থিতি আৰু সংশয় সম্পৰ্কে যৌক্তিক ধাৰণাৰ এক, শৈল্পিক প্ৰকাশ শইকীয়াৰ গল্পৰ বৈশিষ্ট্য। 'নিঃসঙ্গ অস্তিত্ব' ( অস্তিত্বৰ শিকলি, ১৯৭৬ ) 'মৃত্যুৰ মাজত দুখ' ( প্ৰকাশ, তৃতীয় বছৰ, প্ৰথম সংখ্যা ) 'পাৰ্থিৱ অপাৰ্থিৱ ( প্ৰকাশ, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা ), 'প্ৰতিভাসিক' ( ৰামধেনু, প্ৰথম বছৰ দ্বিতীয় সংখ্যা, ১৯৭৯ ) আৰু 'বিমূঢ়' ( অসম বাণী, বিশেষ সংখ্যা, ৰঙালী বিহু, ১৯৭৬ ) আদি গল্পৰ মাজেদি নগেন শইকীয়াই অচিনাকি স্বাদ এটি দিলে এইটো দশকৰ ভিতৰত। 'নিঃসঙ্গ অস্তিত্ব' নামৰ গল্পৰ চৰিত্ৰৰ উক্তি—

"উস! লাহে লাহে কি যন্ত্ৰণা আৰু আনন্দ আনন্দ আৰু বিষাদ, বিষাদ অথচ আকাংক্ষা।"

এইখিনি কথাৰ সাৰাংশই শইকীয়াৰ গল্পৰ বক্তব্য। মৃত্যুৰ দশাৱান বাস্তৱ জীৱন আৰু আবেগ প্ৰৱণতাৰ আঁৰকাপোৰৰ সিপাৰে থকা জীৱনৰ যৌক্তিক অনু-সন্ধানৰ শৈল্পিক প্ৰচেষ্টা শইকীয়াৰ গল্পত লক্ষ্য কৰা যায়। কমল গোস্বামীৰ গল্পতো জটিল যুগমানসিকতা নানান আচৰুৱা পৰিস্থিতিৰ মাজেৰে প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে। গোস্বামীৰ কোনো কোনো গল্পত সযত্ন অনুশীলনে শিল্পবৈভৱক ম্লান কৰিব খোজে যদিও 'আমাৰ টু ডিঙ্গ'ৰ ঘটনা' ( দুৱাৰ, ১৯৭৩ ) 'স্পন্দন' ( ৰামধেনু, প্ৰথম বছৰ' দ্বিতীয় সংখ্যা, ১৯৭৯ ) 'কঁকাল' ( দুৱাৰ, ১৯৭৩ ), 'সৰীসৃপ' ( দুৱাৰ ১৯৭৩ ) আদি গল্পই অষ্টম দশকৰ অসমীয়া গল্প সাহিত্যৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগালে।

সমকালীন সামাজিক ব্যাধিৰ প্ৰতি প্ৰখৰ চকুলোৰে আৰু প্ৰচ্ছন্ন অথচ মৃদু ব্যঙ্গাত্মক বৈশিষ্ট্য প্ৰধান গল্পৰ এসুঁতি একাধিক লেখকে বোৱাই ৰাখিছে। অতুলা-নন্দ গোস্বামী, শীলভদ্ৰ সদা শইকীয়া, ভুবনমোহন দাস, হৰেন্দ্ৰ কুমাৰ ভুঞাৰ গল্পত এই ধাৰা প্ৰবাহিত হৈ আছে। অৱশ্যে গভীৰ মননশীলতাৰ পৰা কিছু আঁতৰি থকাৰ বাবে এই কেইগৰাকী লেখকৰ ৰচনাই অষ্টম দশকৰ গল্প সাহিত্য সিমান ঐশ্বৰ্যশালী কৰি তুলিলে বুলি ক'ব পৰা নাযায়। তথাপি অতুলা-নন্দ গোস্বামীৰ 'নিগ্ৰো দম্পতিৰ শিৰসন্ধান' ( প্ৰকাশ প্ৰথম বছৰ, তৃতীয় সংখ্যা ) 'শুনাৰ বেচা' ( প্ৰকাশ, দ্বিতীয় বছৰ, তৃতীয় সংখ্যা ), ৰিজু হাজৰিকাৰ 'কাপুৰুষ' আৰু তাৰ ভৃত্য ( ৰামধেনু, প্ৰথম বছৰ, ষষ্ঠ সংখ্যা, ১৯৮০ ) বিৰিঞ্চি কুমাৰ মেধিৰ 'একান্ত অনুগত' ( ৰামধেনু প্ৰথম বছৰ, সপ্তম সংখ্যা, ১৯৮০ ), ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ 'গোলকী নদীৰ সিপাৰে' ( প্ৰকাশ, চতুৰ্থ বছৰ, প্ৰথম সংখ্যা ) ভূপেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'জেনআলাৰ' ( প্ৰকাশ, চতুৰ্থ বছৰ, ষষ্ঠ সংখ্যা ) অখিল চক্ৰৱৰ্তীৰ 'এক বৃদ্ধৰ আবেলি' ( জনমভূমি, বিশেষ সংখ্যা, ৰঙালী বিহু, ১৯৭৯ ) উদয়াদিত্য ভৰালীৰ 'মৰুভূমি এইদৰে আছে, ( অসমবাণী, ১৭ ডিচেম্বৰ, ১৯৭৬ ) 'এক এক গুণ এক' ( সাম্প্ৰতিক সাময়িকী, দ্বিতীয় বছৰ, পঞ্চম সংখ্যা ) আদি গল্প উল্লেখযোগ্য।

উক্তিয়াৰা পাৰহৈ যোৱা দশকটোত অনেক লেখক লেখিকাৰ হাতৰ পৰা উচ্চমান বিশিষ্ট গল্প আশা কৰিব পৰা নগ'ল। স্নেহ দেৱী, নীলিমা শৰ্মা, দীপালি দত্ত, নিৰুপমা বৰগোহাঞি আদি লেখিকা কেইগৰাকীৰ গল্পই দশকটোৰ গল্পক গুণগত ভাৱে চহকী কৰিব নোৱাৰিলে। পোলেন বৰকটকী, ভগৱান শৰ্মা, সত্য প্ৰসন্ন বৰুৱা, প্ৰণতি গোস্বামী, মীনাক্ষী চৌধুৰী আদি লেখক লেখিকাৰ হাতত যোৱা দশক-টোত যথেষ্ট সংখ্যক গল্প সৃষ্টি হ'ল। কিন্তু লেখকৰ বক্তব্যৰ উদ্ভাৱ উত্তাপ সিমান প্ৰখৰ; শিল্পগুণৰ সুষম প্ৰয়োগ সিমান অভাৱ হোৱাৰ বাবে এইখিনি গল্পই দশকটোৰ গল্প সাহিত্যৰ ঐশ্বৰ্য বঢ়োৱাত বিশেষ সহায়ক হৈ নুঠিল।



জীৱনৰ আশাভঙ্গৰ বেদনা আৰু হতাশাই যুগ যুগ ধৰি সাহিত্যত স্থান দখল কৰি আহিছে। আধুনিক যুগৰ সমস্যাই নতুন পুৰুষৰ মনত জীৱন সম্পৰ্কে যি নেতিবাচক ধাৰণাৰ জন্ম দিছে; সিয়ে বহু সময়ত নতুন পুৰুষৰ মন দ্বিধা আৰু সংশয়ে আচ্ছন্ন কৰি ৰাখিছে। লগে লগে নতুন পুৰুষৰ মনটো পৰিছে অনিশ্চয়তাৰে অস্থিৰ আৰু বিষাদগ্ৰস্ত। এনে বিষাদ-গ্ৰস্ততা আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা আশাভঙ্গৰ সৰ্বস্ব বিদ্ৰোহাত্মক উক্তি অনেক গল্পৰ মাজেদি প্ৰকাশিত হৈছে। কিন্তু সমকালৰ খাস প্ৰশ্বাসবোৰ যেতিয়া শিল্প গুণেৰে গুণান্বিত হৈ প্ৰকাশ নাপায়, তেতিয়া তেনেবোৰ ৰচনাই সাময়িক প্ৰচাৰ পত্ৰ শ্ৰেণীভুক্ত হবলৈ বাধ্য হয়; সেয়ে অষ্টম দশকত সৃষ্টি হোৱা এনে অনেক ৰচনাই পাঠকৰ মনত স্থায়ীত্ব অৰ্জন কৰিবলৈ সমৰ্থ নহ'ল। তথাপি ক'ব লাগিব—এই কোলাহলৰ মাজতো কিছু সংখ্যক গল্প সফলতাৰ চিন চাপিছিল। তাৰ ভিতৰত কমলা বৰগোঁহাইৰ 'মই এটা সাপ' ( মই এটা সাপ, ১৯৭৮ ) এ প্ৰতিশ্ৰুতি পূৰ্ণ সৃষ্টি; সেইদৰে অপৰ্ণ শইকীয়াৰ 'অজামিতিক' ( অসম বাণী )।

উপৰোক্ত সংক্ষিপ্ত আলোচনাৰে এই কথা স্পষ্ট কৰি তুলিবলৈ যত্ন কৰা হ'ল যে, অষ্টম দশকৰ অসমীয়া চুটি গল্পই ভাৱবস্তুৰ ফালৰ পৰা কেইবাটাও দিশত বৈচিত্ৰ্য প্ৰদৰ্শন কৰিছে। কিন্তু কেৱল ভাৱ-বস্তুৰ নতুনত্ব অথবা বৈচিত্ৰ্যৰ বাবেই সৃষ্টিশীল সাহিত্যৰ মহত্ব নিৰ্ণয় হয় জানো? যিহেতু কেৱল ভাৱ-বস্তুৰ বৈচিত্ৰ্য প্ৰকাশৰ বাবে প্ৰবন্ধ সাহিত্যই উপযুক্ত মাধ্যম; গল্প সাহিত্যৰ মাধ্যম গ্ৰহণ নকৰিলেও চলে। অষ্টম দশকৰ সফল চুটি গল্প বিলাকে ভাৱ-বস্তু আৰু শিল্পকৰ্মৰ মাজৰ ব্যৱধান প্ৰায় নিঃচিহ্ন কৰি আনি গল্পক শিল্পলৈ উন্নতি কৰাৰ পথ ৰচনা কৰিলে। জীৱন সম্পৰ্কে বৌদ্ধিক বিশ্লেষণ, যুগ সাপেক্ষ বাস্তৱ দৃষ্টিভঙ্গীৰ সূক্ষ্মতা আৰু শৈল্পিক চাকতাৰে অষ্টম দশকৰ অসমীয়া চুটি গল্পই আপোন

সাহিত্যৰ ইতিহাস যথেষ্ট সমৃদ্ধিশালী কৰি তুলিলে। ক'বই লাগিব — এই দশকৰ গল্পতেই মননশীলতাই সৰ্বাধিক গভীৰতাৰে যাব পাৰিছে। এনেবোৰ বৈশিষ্ট্যৰ বাবেই সাহিত্যৰ মৰ্যাদা লাভৰ ক্ষেত্ৰত অসমীয়া গল্প সাহিত্যৰ পথ বহুখিনি সুগম হৈ পৰিল। অষ্টম দশকৰ অসমীয়া গল্প সাহিত্যৰ গতিশীলতাই এই কথা ভাবিবলৈ বাধ্য কৰায় যে অসমৰ জাতীয় অনুষ্ঠান, বিত্তবান প্ৰকাশন অনুষ্ঠান, বাতৰি প্ৰতিষ্ঠান আৰু সমালোচক মণ্ডলীয়ে নিষ্ঠা সহকাৰে চেষ্টা কৰিলে অসমীয়া সাহিত্যই বিশ্ব-সাহিত্যৰ মৰ্যাদা লাভ কৰিব তাত সন্দেহ নাই।

---

ঊৰতীন বৰগোহাঞি

## সাম্প্ৰতিক আন্দোলন আৰু অসম সাহিত্য সভাই লব পৰা ভূমিকা

অসমৰ সাম্প্ৰতিক পৰিস্থিতিত এক ব্যাপক আলোচনাৰ আন্দোলন গঢ়ি উঠাৰ কাৰণসমূহ অনুসন্ধান কৰিলে আমি দেখা পাওঁ যে অকল বিদেশী প্ৰব্ৰজনেই নহয় অন্যান্য কিছুমান অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক কাৰণেও গণ-আন্দোলন গঢ়ি উঠাত ইন্ধন যোগাইছে। অৰ্থনৈতিক ক্ষেত্ৰত কেন্দ্ৰীয় শোষণ আৰু অবহেলা, শিল্পপতিশ্ৰেণীৰ তীব্ৰ শোষণ আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত অবহেলা, ব্যাপক নিবনুৱা সমস্যা, গাঁৱত ভূমিহীন আৰু দৰিদ্ৰ কৃষকৰ সংখ্যা বৃদ্ধি, বস্তুসমূহৰ তীব্ৰ মূল্যবৃদ্ধি আদিয়ে অসম তথা উত্তৰ পূব ভাৰতৰ জনগণক এক অগ্নিগৰ্ভ লৌহপিণ্ডত পৰিণত কৰিছে। সামাজিক ভাবে আমি দেখা পাওঁ পূৰ্বৰ কুসংস্কাৰ, সম্প্ৰদায় কেন্দ্ৰিক মনোবৃত্তিৰ ঠাইত এক জাতীয় চেতনাই গা কৰি উঠিছে; এফালে ই কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় ব্যৱসায়ী তথা শিল্পপতিশ্ৰেণীৰ শোষণৰ অৱসান বিচাৰিছে— আনফালে বিচাৰিছে বৃহত্তৰ জন-সাধাৰণৰ বাবে অৰ্থনৈতিক ন্যায়। সাংস্কৃতিক ক্ষেত্ৰতো আমি দেখা পাওঁ আজি নিয়া অগণতান্ত্ৰিক ভাষা-সংস্কৃতিৰ বিপৰীতে স্থানীয় ভাষা-সংস্কৃতিৰ বিকাশৰ এক তীব্ৰ আকাংক্ষাই গা-কৰি উঠিছে। এই পটভূমিত ব্যাপক বিদেশী-প্ৰব্ৰজন আৰু ভোটাৰ তালিকাত বিদেশীৰ নাম ভৰ্তিকৰণে চিপাহী বিদ্ৰোহৰ "জন্তুৰ চৰ্বি দৰে" কাম কৰিছে।

এই ব্যাপক জন-জাগৰণৰ পটভূমিত অসমৰ বৃহত্তম সাহিত্যিক আৰু সাহিত্যপ্ৰেমীৰ সংগঠন হিচাপে সাহিত্য-সভাৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। সাহিত্য-সভাই কি কৰিছে বা কি কৰিব পাৰে বুলি ডঃ ভূপেন হাজৰিকা তথা সৌৰভ কুমাৰ চলিহাৰ দৰে এচাম সাহিত্যিক আৰু বুদ্ধিজীৱীয়ে নানা ভাবেই প্ৰশ্ন তুলিছে যদিও সাহিত্য সভাই যে জটিল অৰ্থনৈতিক তথা সামাজিক সমস্যাসমূহ সমাধান কৰিব নোৱাৰে আমি সেই কথা পাহৰিলে নচলিব। সাহিত্য সভা নালাগে আন কোনো বুদ্ধিজীৱী বা বুদ্ধিজীৱীৰ সংগঠনে অকলে এই পৰিবৰ্তন সাধন কৰিব নোৱাৰে। এটা বুদ্ধিজীৱীৰ তথা শিল্পী সাহিত্যিকৰ সংগঠনে সমাজৰ জটিল সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কি কি কৰিব পাৰে সেই বিষয়ে আমি ভালদৰে বিবেচনা কৰি চোৱা উচিত।

আমাৰ ধাৰণা সাহিত্য সভাই — (১) জাতীয় সংকটৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাত জন সাধাৰণক সহায় কৰিব পাৰে— অৰ্থনীতি, সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত কেনে জটিলতা সৃষ্টি হৈছে সেই সম্পৰ্কে প্ৰকৃত তথ্য-পাতি সংগ্ৰহ আৰু প্ৰচাৰৰ যোগেদি জন সাধাৰণক সচেতন কৰি তুলিব পাৰে; (২) জাতীয় সমস্যা সমাধান কৰিবলৈ যাওঁতে উদ্ভৱ হ'ব পৰা প্ৰশ্নসমূহৰ বিষয়ে জনসাধাৰণক সাৱধান কৰি দিব পাৰে — বিশেষকৈ জাতীয় সমস্যাৰ সমাধানৰ ক্ষেত্ৰত অযথা বৰধৰ আৰু সংকীৰ্ণ নীতি গ্ৰহণ কৰিলে যে সাম্প্ৰদায়িক সংঘাত

বাচিব পাৰে আৰু তাৰ ফলত অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি হ'ব পাৰে সেই বিষয়ে আলোচনা আৰু প্ৰচাৰৰ জৰিয়তে জনসাধাৰণক সচেতন কৰি তুলিব পাৰে; (৩) অসমীয়া জাতিৰ প্ৰকৃত সামাজিক ঐক্য গঢ়ি তুলিবৰ বাবে ব্যাপক প্ৰচেষ্টা হাতত ল'ব পাৰে —বিশেষকৈ সম্প্ৰদায়সমূহৰ ভাষা-সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ প্ৰশ্নটো জৰুৰীভাৱে সমাধান কৰিবলৈ নিজাভাৱে প্ৰস্তুতি চলাব পাৰে তথা কেন্দ্ৰীয় চৰকাৰক এইবোৰ বিষয় নিষ্পত্তিৰ বাবে প্ৰকৃত গণতান্ত্ৰিক নীতি গ্ৰহণ কৰিবলৈ দাবী তুলিব পাৰে; (৪) বিদেশী প্ৰব্ৰজনৰ প্ৰশ্নটোৰ লগত যিহেতু আমাৰ ভাষাৰ প্ৰশ্নটো জড়িত হৈ আছে, গতিকে শিক্ষাৰ মাধ্যম, নিয়োগ সংক্ৰান্ত পৰীক্ষা তথা সাক্ষাৎকাৰৰ মাধ্যম, চৰকাৰৰ প্ৰচাৰ মাধ্যম আদিৰ ক্ষেত্ৰত স্থানীয় ভাষাৰ প্ৰকৃত আসন দাবী কৰিব পাৰে আৰু এইবোৰ প্ৰশ্নৰ দীৰ্ঘস্থায়ী সমাধানৰ বাবে প্ৰকৃত কাৰ্যকৰী ব্যৱস্থা ল'বলৈ চৰকাৰক বাধ্য কৰিব পাৰে; (৫) আন্দোলন সংক্ৰান্ত সমস্ত তথ্য-পাতি সংগ্ৰহ আৰু প্ৰচাৰৰ বাবে ব্যাপক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, আন্দোলন আৰম্ভ হোৱাৰ আগে-পিছে প্ৰকাশিত গুৰুত্বপূৰ্ণ প্ৰবন্ধসমূহ সংকলন কৰি অসমৰ বাহিৰত অন্য ভাষাত প্ৰকাশ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰিব পাৰে।

সাহিত্যসভাই কৰিব পৰা এই কামসমূহ 'ঠিকমতে' কৈছেনে নাই? উত্তৰ বিচাৰিলে আমি খুব সন্তোষজনক উত্তৰ নেপাওঁ। কাৰণ, যিদিনা কৰিছে সেয়া ৰীতিগত বুলিহে ভাবিব পাৰি। আমাৰ অৰ্থনৈতিটোক, সমাজধনক তথা সংস্কৃতিক সাম্প্ৰতিক আন্দোলনৰ পোহৰত সম্পূৰ্ণ নতুন দৃষ্টিভংগীৰে চাবলৈ সাহিত্য সভাই নিজকে সম্পূৰ্ণ গতিশীল কৰিব লাগিব। সাম্প্ৰতিক অগ্নিউত্তাপে অসমীয়া বুদ্ধিজীৱী তথা সাহিত্যিকসকলৰপৰা যি গতিশীলতা দাবী কৰিছে সেই গতিশীলতা সাহিত্য সভাই আমি দিব লাগিব।

সাহিত্য সভাই ইয়াৰ সাংগঠনিক ব্যাপকতা আৰু ঐতিহ্যমণ্ডিত শৃংখলাৰে জড়তাসমূহ জোকাৰি গুলাই আহিব পাৰিলে অতি সহজেই অসমীয়া জাতিৰ প্ৰয়োজন পূৰণ কৰিবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত সাহিত্য সভাই মনত ৰখা ভাল যে ব্যাপক ৰূপত অসমত আন কোনো বুদ্ধিজীৱী আৰু সাহিত্যিকৰ সংগঠন নাই—যি এই ঐতিহাসিক প্ৰয়োজন পূৰণ কৰিব পাৰে।

বিষয় দৰীয়াসকলকে ধৰি দুই-একৰ সক্ৰিয়তাৰ কথা বাদ দিলে যি কোনো সামাজিক-সাংস্কৃতিক সমস্যাৰ প্ৰতিষেই আমি সাহিত্য সভাক অলপ আওকণীয়া যেন দেখা পাওঁ। বিশ্বসাহিত্যৰ নিত্যনতুন প্ৰশ্ন সমূহ, নতুন কাব্য-আন্দোলন, নতুন নাট্য-আন্দোলন — এইবোৰেও আনকি সাহিত্য-সভাৰ মজিয়াত সহজে জোৰাঁৰ নোতোলে। নতুন সকলো কথাই কিয় সাহিত্য-সভাৰ বাহিৰত প্ৰথমে আলোচিত হয়, প্ৰচাৰিত হয়, আলোড়িত হয়? তৰুণসকলৰ মনত সঘনে এই প্ৰশ্ন উত্থাপন হয়। সাহিত্য সভাক বাহিৰৰপৰা সমালোচনাৰ দৃষ্টিৰে আৰু ভিতৰৰ পৰা এটা অন্যায সংঘাতপূৰ্ণ অনুধ্যৰে বুজিবলৈ চেষ্টা কৰি এই স্থবিৰতা তথা জড়তাৰ দুই-এটা কাৰণ মই দেখা পাইছোঁ। সেইবোৰ হ'ল— (১) বহু আদৰ্শৰ সংঘাত —যি বাওঁ, সোঁ সকলো ফালৰপৰাই সমস্যা সৃষ্টি কৰে, অনিবাৰ্য ফল আদৰ্শগত 'আপোচ' যে নানা স্বাৰ্থৰ সংঘাত — বিশেষকৈ আত্মপ্ৰতিষ্ঠাৰ হেঁপাহে সাহিত্য-সভাক এডাল 'ৰচনা' বিচাপে ব্যৱহাৰ কৰাত বহুতকে সুযোগ দিয়ে, ফলত বহুত অসন্তুষ্ট, ক্ষুদ্ৰ গোষ্ঠী আছে যি সাহিত্য-সভাৰ ভিতৰে-বাহিৰে অহৰহ ক্ৰিয়া কৰে—ক্ৰিয়া কৰে সাহিত্য সভা দখল কৰিবৰ বাবে। (৩) নতুনৰ সম্পৰ্কে ব্যাপক আলোচনা আৰু বুজাবুজিৰ অভাৱ। নতুনক এক প্ৰকাৰ 'এলেহুৱাৰ' দৃষ্টিৰে চোৱা হয়, পাছে অবিশ্বাস কৰা হয়। আদৰ্শগতভাৱে



নতুন প্ৰায়ে 'বিদ্ৰোহী' ('বিদ্ৰোহী হোৱাই স্বাভাৱিক)। কিন্তু বিদ্ৰোহী হোৱাটো পুৰণিসকলে একপ্ৰকাৰ 'ৰোগ' বুলি ভাবে। এই দৃষ্টি-ভংগী শেহতীয়াভাৱে কিছু পৰিমাণে সলনি হৈছে। হলেও সম্পূৰ্ণ গতিশীলতা আহিবলৈ এতিয়াও বাকী। নতুনে সদায় নতুনত্ব আনিব, তাক পুৰণি দৃষ্টি আৰু আদৰ্শৰে কটা-কুটা কৰা বা সলাই দিয়া সম্ভৱ নহয়। বৰং নতুনক বাট এৰি দিয়াহে গতিশীলতাৰ লক্ষণ।

আমি ওপৰত উল্লেখ কৰা সংঘাত আৰু বুজাবুজিৰ অভাৱৰ কথা সাহিত্য সভাৰ ভিতৰত সংগঠকৰ ভূমিকা লোৱা বহুতেই বুজি পাইছে আৰু সেইবোৰ দূৰ কৰিবলৈ প্ৰচেষ্টা কৰিছে। আমাৰ আশা, নিজৰ সংকীৰ্ণ স্বাৰ্থকহে বুজি পোৱাসকলে স্বাভাৱিক কাৰণতে এই বৃহৎ সংগঠনক লৈ হেতালি খেলাৰ অপচেষ্টা কৰাটো বাদ দিব আৰু নিঃস্বাৰ্থ, সংস্কাৰমুখী, গণতান্ত্ৰিক আৰু উদাৰসকলে 'নতুন' সকলোখিনিকে আকোৱালি ল'ব। গতিশীলতা তেহে আহিব।

অসমীয়া জাতি প্ৰাচীন, উদাৰ আৰু গতিশীল জাতি। সাহিত্য সভায়ো এই উদাৰতা আৰু গতিশীলতা বাদ দিব নোৱাৰে। অসমৰ অগ্নি-উদগীৰণকাৰী গণ-আন্দোলনৰ পটভূমিত সাহিত্য সভাই অসমৰ হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান, জৈন—সকলোৰে মাজত ধৰ্মীয় ঐক্য ৰক্ষা; চাহমজদুৰ, আহোম, কোঁচ, কছাৰী, কলিতা সকলোৰে মাজত সম্প্ৰদায়গত ঐক্য ৰক্ষা; মিচিং, বড়ো, তিৱা, কাৰ্বি আদি সকলো উপভাষাৰ লোকসকলৰ মাজত বৃহত্তৰ জাতীয় ঐক্য আৰু বুজাবুজিৰ ভাব বৃদ্ধি কৰা — মৌলিকভাৱে এক গণতান্ত্ৰিক দৃষ্টিভংগীৰে কাম কৰিব লাগিব। উদাৰতা কিন্তু ধ্বংসমুখী দুৰ্বলতাৰ নামান্তৰ হ'ব নোৱাৰে — বৰং ই ঐতিহ্য-সম্পন্ন শক্তি আৰু গতিৰ পৰিচায়ক হ'ব লাগিব।

অগণতান্ত্ৰিক ব্যৱস্থাত সাহিত্যসভাই যিমানেই আপোচকামীৰ দৃষ্টি গ্ৰহণ কৰিব, সিমানে নিজকে দুৰ্বল কৰিব। কাৰণ এই ব্যৱস্থাত সাহিত্য সভাৰ ভৰন কাঢ়ি লোৱা, তথা সাহিত্যিকসকলক কাৰাগাৰত নিক্ষেপ কৰা এটা স্বাভাৱিক ঘটনা। নিজৰ অভিজ্ঞতাৰ পৰাই সাহিত্য সভাই শিক্ষা গ্ৰহণ কৰা প্ৰয়োজন। তেহে আপোচহীনভাৱে ভৱিষ্যতে আন্দোলনৰ পদত নিজকে সক্ৰিয় নেতৃত্বত প্ৰতিষ্ঠিত কৰিব পাৰিব। 'চৰকাৰে ভাল পাওক' এই নীতি বাদ দি 'জনসাধাৰণে ভাল পাওক'—এই নীতিৰেহে সাহিত্য সভা পৰিচালিত হোৱা বাঞ্ছনীয়। এই আশাকে কৰি আমি ভৱিষ্যতলৈ বাট চাই ৰ'লো — ভৱিষ্যতে নিশ্চয় আহিব প্ৰখৰ গতি, শক্তি আৰু উদাৰতা।

ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

# সাহিত্য একাডেমী বঁটা বিজয়ী যোগেশ দাস: পৃথিৱীৰ অসুখ

১৯৭৯-৮০ চনৰ অসমৰ গণ-আন্দোলনৰ পটভূমিত সাহিত্যিক শুভ বাৰ্তা স্বৰূপে জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ সৰ্বভাৰতীয় স্বীকৃতিৰ লগতে সাহিত্য-একাডেমী বঁটা বিজয়ী কথা-সাহিত্যিক অধ্যাপক যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' (১৯৭৯, ডিচেম্বৰ) নামৰ গল্প-সংকলনে অসম তথা সৰ্ব ভাৰতীয় সাহিত্য-সেৱী সমাজত জাতীয় গৌৰৱৰ নতুন অধ্যায় সূচনা কৰিলে। এই ক্ষেত্ৰত সৰ্বসাধাৰণ পাঠক-পাঠিকাই ভাৰতীয় জ্ঞানপীঠ বঁটাৰ নিয়ম পদ্ধতি আৰু ভাৰতৰ সাহিত্য-একাডেমীৰ বঁটা-প্ৰদানৰ পূৰ্বাপৰ বিধি-বিধান কথাবোৰ নজনাকৈয়ে আৰু কিছুমান গোপনীয় প্ৰক্ৰিয়াৰ উমঘাম নোপোৱাকৈয়ে স্বগতঃ সন্তোষ-অসন্তোষ প্ৰকাশ কৰা দেখা যায়। আমি এই দুয়োবিধ বঁটা-প্ৰদানৰ আনুষ্ঠানিক নীতি-নিয়মৰ কিছু পৰিমাণে অৱগত হোৱা বুলিয়ে এই প্ৰসংগৰ অৱতাৰণা কৰি দৃঢ়ভাৱে কব পাৰো যে দুয়োজন অসমীয়া সাহিত্যিকেই এই বঁটাৰ বাবে উপযুক্ত লোক। এনে বঁটা ড° ভট্টাচাৰ্য আৰু অধ্যাপক দাসৰ ক্ষেত্ৰত যোৱাটো বছৰতহে মিলন ঘটিছে, আনুষ্ঠানিক 'নিমিলা অঙ্ক'ৰ সমদণ্ডত কেবা বছৰো আগেয়ে বা আগৰে পৰা এনে শাৰীৰ প্ৰস্তাৱ-অনুমোদন চলিয়ে আছিল। 'পৃথিৱীৰ অসুখ' নামৰ [illegible] পৃষ্ঠাৰ ষোলটা গল্প-সংকলন বঁটা-বিজয়ী নৱ সাহিত্যিক প্ৰতিভাৰ আংশিক নিদৰ্শনহে মাথোন।

গল্প-উপন্যাসৰ ৰচয়িতাৰূপে যোৱা প্ৰায় ত্ৰিশ বছৰে অসমৰ আলোচনী, বাতৰি কাকত আৰু অন্যান্য প্ৰেস প্ৰমুখ্যে বিভিন্ন প্ৰচাৰ মাধ্যমত যোগেশ দাসৰ নাম-যশ আছে। 'সঁহাৰি পাই' (১৯৫৩) উপন্যাসিকাৰে হাতে অসমীয়া সাহিত্যৰ ৰহঘৰত সামান্য সঁহাৰি দিয়াৰ পাছত দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত বাস্তৱধৰ্মী 'ডাৱৰ আৰু নাই' (১৯৫৫) উপন্যাসৰ যোগেদি কথা-সাহিত্যত মেঘমুক্ত কিৰণ বিতৰণ কৰিছে। উজনি অসমৰ চাহ বাগিচাৰ পটভূমিত শৈশৱ কৈশোৰ পাৰ কৰি চৌপাশৰ গণজীৱনৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখি ১৯৩৯-৪৫ চনৰ দ্বিতীয় মহা-সমৰৰ পটভূমিত ভাৰতীয় স্বাধীনতা আন্দোলনৰ অন্তঃসলিলা সোঁতৰ মাজতে শ্ৰীদাসে 'ডাৱৰ আৰু নাই'ৰ কাহিনী আৰু চৰিত্ৰৰ মধুৰ সমন্বয় ঘটাইছে। 'মৃত্যুঞ্জয়' উপন্যাসত আগষ্ট আন্দোলনৰ প্ৰকটতা, 'ডাৱৰ আৰু নাই' উপন্যাসৰ নায়িকাও চকুৰ আগতে ঘটা মহাৰণৰ ঠিকা-ঠিকণি মিলিটাৰীৰ হুলস্থুল, বোমা-বাৰুদৰ আতঙ্ক, জাপানী আক্ৰমণৰ বিভীষিকা আদিৰ জীয়া কাহিনী-বোৰে সেই যুগৰ ভাৰতীয় জন-মানসৰ অন্যতম ৰূপায়ণত 'ডাৱৰ আৰু নাই' উপন্যাসৰ যোগেদি সাৰ্থকতা লাভ কৰিছে। তাহানি কালৰ বাতৰি কাকতৰ 'পুথি-পৰিচয়', 'নৱ-পুথিৰ চিনাকি' আদিৰ যোগেদি ৰসাল পাঠকৰ চকু চিনাকিৰে 'ডাৱৰ আৰু নাই' জনপ্ৰিয় উপন্যাসৰূপে স্বীকৃত হ'ল। ইয়াৰ পিছত অধ্যাপক দাসৰ কেইখনমান উপন্যাস প্ৰকাশ হৈছে।



যেনে—জোনাকীৰ জুই (১৯৫৯), নিৰুপায় নিৰুপায় (১৯৬৩), এমুঠি ধূলি (১৯৬?), হেজাৰ ফুল (১৯৬৭), উৎকণ্ঠ উপকণ্ঠ (১৯৬৭), ছাঁ জুই খেদি (১৯৬৯), নেদেখা জুইৰ ধোঁৱা (১৯৭২), অবৈধ (১৯৭২), নৰেশ, মালতী আৰু (১৯৭৭) ইত্যাদি। এইবোৰ উপন্যাসে ইতিমধ্যে অসমীয়া জন-মানসত প্ৰৱেশ কৰিছে। বাহিৰে-ভিতৰে সৰল, অমায়িক আৰু গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী শ্ৰীদাসৰ মননশীলতা পাঠক সমাজে এই উপন্যাসবোৰত উপলব্ধি কৰিব পাৰিছে।

কথা-সাহিত্যিক যোগেশ দাস যে একেধাৰে এজন নিৰহ-নিপানী শিক্ষক, মাৰ্জিত ৰুচিৰ সাংবাদিক আৰু তথাকথিত সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰত থাকি শিক্ষা-সাংস্কৃতিৰ সমাজ-সেৱাৰে জীৱনাদৰ্শ স্থিৰ কৰি লোৱা—শ্ৰীমদ্ভাগৱত গীতাৰ দৃষ্টিৰে—'স্থিতপ্ৰজ্ঞলোক'—সেই কথা দাসৰ সান্নিধ্যলৈ অহা যি কোনো সাগ্ৰহী ব্যক্তিয়েই অনুভৱ কৰিব। প্ৰায় ত্ৰিশ বছৰৰো অধিক কাল—'উৎসৱে ব্যসনে চৈব দুৰ্ভিক্ষে ৰাষ্ট্ৰ-বিপ্লৱে, ৰাজদ্বাৰে শ্মশানে চ যঃ তিষ্ঠতি সঃ বান্ধৱঃ' — লগ পোৱা সতীৰ্থ সমযোগী এজনৰ বিষয়ে বাক্‌চতুৰ সভা সমিতিত কব লগীয়া বিষয়বস্তু যথেষ্ট সত্ত্বেও সজাগ আৰু সংযতৰূপেহে মতামত দিব লগীয়া হয়। সেয়েহে 'পৃথিৱীৰ অসুখ'ৰ সৰ্বভাৰতীয় স্বীকৃতিত সতীৰ্থসুলভ গৌৰৱ লাভৰ লগতে — 'পুথি পৰিচয়' ৰূপত আমাৰে কব পাৰি—এই গল্প সংকলন কথা-সাহিত্যিক দাসৰ শ্ৰেষ্ঠ সংকলন নহলেও, যোৱা দহ বছৰৰ ভিতৰৰ এখন মনোৰঞ্জক গল্প-সংকলন। লিখকজনৰ ধাৰাবাহিক গল্প-সৃষ্টিৰ পিনৰ পৰাও ইয়াত নৈতিক পৰিপুষ্টি সাধিত হৈছে বুলি কব পাৰি। কাৰণ অধ্যাপক দাসে ১৯৪৫ চন মানতে 'ধুমুহা আৰু তাৰ পিছত' শিৰোনামাৰে ওলোৱা গল্পটিৰে আৰম্ভ কৰি বৰ্তমানলৈকে গল্প লিখি আছে। তেওঁৰ গল্পৰ সংখ্যা তিনিশৰো ওপৰ হব। দাসে ছটা গল্প-সংকলন পঢ়ুৱৈ সমাজলৈ আগবঢ়াইছে: সেইবোৰ হ'ল—পপীয়া তৰা (১৯৫৩), আন্ধাৰৰ আঁৰে আঁৰে (১৯৩৮), ত্ৰিবেণী (১৯৬১), মানুহৰ বেদনা (১৯৬৩), হাজাৰ লোকৰ ভিৰ (১৯৬৫), আৰু পৃথিৱীৰ অসুখ (১৯৭৯)।

পৃথিৱীৰ অসুখৰ 'গদাধৰ টী ষ্টল'ৰ গদাধৰ দাস, বিপুলৰ কাকতি, 'আমাৰ চাহ'ৰ ধৰণীধৰ বৰুৱা, 'ক্ষুদ্ৰাতিক্ষুদ্ৰ'ৰ ডাঃ ৰূপালী কাকতি, ডাঃ সনৎ দত্ত, 'পৃথিৱীৰ অসুখ'ৰ নিবাৰণ বৰুৱা, মনোৰমা প্ৰমুখ্যে চৰিত্ৰ কেইটামানত ফুটি উঠা জীয়া জীৱন-বোধ আৰু চিনাকি পৰিৱেশে ওৰেতীয়া পাঠক সমাজত বিভিন্ন ৰসবোধ সৃষ্টি কৰাৰ সমচাৰ ইতিমধ্যে কেবাখনো সভা-সমিতিত শুনিবলৈ পোৱা গৈছে। গল্প-লেখকৰ নিজা বক্তব্যও দুই-এঠাইত শুনিছোঁ। বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাই সাহিত্যৰ মূলকথা বৰ্ণনা কৰি 'মাটিৰাম আৰু মালতীৰ প্ৰেমৰ কাহিনীয়ে বিশ্ব-সাহিত্যৰ সমল সৃষ্টি' কৰাৰ যি মানস কৰিছিল — 'মৃত্যুঞ্জয়' আৰু 'পৃথিৱীৰ অসুখে' সেই মানস পূৰ্ণ কৰাৰ পথত ক্ৰমে আশাজনক অৰিহণা যোগাইছে, ভৱিষ্যতে যাতে সাহিত্যিক প্ৰেৰণাৰ লুইতৰ ৰূপত ধাৰাৰ অবিৰতি সৃষ্টি কৰে—তাৰলৈকে আগ্ৰহেৰে বাট চাই থাকিলোঁ। কথা-সাহিত্যিক যোগেশ দাসৰ গল্প-প্ৰতিভাৰ বিষয়ে প্ৰাচ্য-পাশ্চাত্য সুলভ সমালোচনাৰ দৃষ্টিৰে বহল বিশ্লেষণ কৰাৰ নিশ্চয়কৈ অৱকাশ আছে।

উপন্যাসিক-গল্পকাৰ যোগেশ দাসৰ গঠনমূলক দৃষ্টিভঙ্গী তেওঁৰ ৰচিত অনেক প্ৰবন্ধত উদ্ভাসিত হৈ আছে। বৰদলৈৰ উপন্যাসৰ ৰচনা-ৰীতি, অসমীয়া উপন্যাসৰ বিস্তাৰ, অসমীয়া কথা-সাহিত্যত সমাজ সচেতনতা, অসমীয়া কাল্পনিক সাহিত্য প্ৰভৃতি চিন্তাগধুৰ প্ৰবন্ধ-ৰাজিত দাসৰ বিশ্লেষণী ক্ষমতা মনকৰিব লগীয়া। অসমৰ জন-সংস্কৃতিমূলক একক গ্ৰন্থৰ ৰুচিপূৰ্ণ সম্পাদক-ৰূপেও দাস ইতিপূৰ্বে সুপৰিচিত। চমুকৈ কবলৈ হলে, আধুনিক অসমীয়া কথা-সাহিত্যৰ বুৰঞ্জীত যোগেশ দাসৰ ৰচনাৱলী নিশ্চিতভাৱে অপৰিহাৰ্য সমল।

# ॥ পুথি-পৰিচয় ॥

**শঙ্কৰদেৱৰ সাহিত্য-প্ৰতিভা ( ১ম খণ্ড )**

লিখক— ড° হৰিনাথ শৰ্মাদলৈ

প্ৰকাশিকা—শ্ৰীশশীবালা দেৱী, বৰপেটা

প্ৰথম প্ৰকাশ – চেপ্তেম্বৰ ১৯৮০ ইং

পৃষ্ঠা-সংখ্যা—১০+২৬+২০১

মূল্য—১৬·০০ টকা।

ড° হৰিনাথ শৰ্মাদলৈৰ জিজ্ঞাসু আৰু বিশ্লেষণমূলক অধ্যয়নৰ শেহতীয়া ফল হৈছে 'শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা' ( ১ম-খণ্ড )। লিখকে মহাপুৰুষজনাৰ সাহিত্যৰ ওপৰত গুৰুত্ব দিছে যদিও প্ৰসঙ্গক্ৰমে অন্যান্য বিষয়ৰ ওপৰতো আলোচনা কৰিছে। ইয়াত কাব্য দহখন আৰু নাট সাতখনৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছে। কেইটামান অধ্যায় স্বকীয়াকৈ আগতে লিখা আৰু বিভিন্ন আলোচনীত প্ৰকাশ হোৱা ; তথাপি সেইবোৰ কিতাপখনৰ মূল আঁচনি আৰু উদ্দেশ্যৰ লগতে খাপ খোৱা। প্ৰথমৰ পৰা শেষলৈকে কিতাপখনৰ উপক্ৰমণিকাত আলোচনাৰ সুবিধাৰ্থে লিখকে শঙ্কৰদেৱৰ গ্ৰন্থসমূহক সাহিত্য-ৰূপৰ ওপৰত ভিত্তি কৰি কাব্য, নাটক আদি সাতোটা ভাগত ভগাইছে। গ্ৰন্থসমূহৰ পাঠ-নিৰ্ণয় আৰু কাল-নিৰূপণৰ সমস্যা সম্পৰ্কে চমুকৈ উল্লিখিত হৈছে। 'শঙ্কৰদেৱৰ সাহিত্যৰ সাধাৰণ লক্ষণ'—এই অধ্যায়টো ভাল হৈছে, কিন্তু 'শঙ্কৰদেৱেও সাহিত্য বিষয়-বস্তু কল্পনা-ৰাজ্যৰ পৰা যথাসম্ভৱ সংকোচন কৰি আনি শাস্ত্ৰমুখী কৰিছিল' এই উক্তিৰে কি বুজাব খুজিছে সেই কথা স্পষ্ট নহ'ল। শাস্ত্ৰৰ উদ্ধৃতি দি শঙ্কৰদেৱে বিষ্ণু-মাহাত্ম্য প্ৰতিষ্ঠা কৰিছিল। আকৌ লিখকে কহিয়াই দেখুওৱাৰ দৰেও বিভিন্ন শাস্ত্ৰৰ বস্তু কাব্য আৰু নাট্য-কলাৰ খাতিৰত আনি একত্ৰ কৰিছিল। সেইবিলাক বস্তুৰ ওপৰত কেতিয়াবা কল্পনাৰ ৰহণ চৰাওঁতে কোনো কোনো ঠাইত কলাকৃতিৰ সৌন্দৰ্য লাঘৱ হোৱা বুলিও লিখকে স্থানান্তৰত কৈছে। 'শংকৰী সাহিত্যৰ ভাষাত নতুনত্ব পোৱা নাযায়' — এই কথাখিনিও তৰ্কৰ অতীত নহয়। শংকৰদেৱে প্ৰয়োগ কৰা ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰেই এটা নতুনত্ব নহয় জানো? ব্ৰজাৱলী ভাষা কৃত্ৰিম, সাহিত্যৰ ভাষাও কৃত্ৰিম। কাব্য মূহ আলোচনাত লিখকে নিজেই শঙ্কৰদেৱৰ ধুনীয়া অলংকাৰ সমৃদ্ধ অনেক পংক্তিৰ উদ্ধৃতি দিছে। ভাষাৰ সঙ্গীত ধৰ্মিতা শঙ্কৰী কাব্য নাটক উভয়তে বৰ্তমান। তদুপৰি অসমীয়া ভাষাত প্ৰথম গদ্যৰ সূচনা কৰিলে শঙ্কৰদেৱে। গতিকে, কেবাটাও কাৰণত শংকৰী সাহিত্যৰ ভাষাত নতুনত্ব বিদ্যমান।

কাব্যৰ লক্ষণ নিৰ্ণয় কৰোঁতে এৰিষ্টটল আদিৰ মতৰ লোৱাটো প্ৰাসঙ্গিক হোৱা নাই। এই ক্ষেত্ৰত আলংকাৰীকসকলৰ মতৰ আধাৰত লিখকৰ অভিমতেই যথেষ্ট। গ্ৰন্থকাৰে আৰম্ভণি কাব্য আৰু অঙ্কীয়ানাট দুয়োটাৰে উৎস তথা উপাদানৰ কথা আলোচনা কৰোঁতে আলংকাৰীক সকলৰ ওপৰতে গুৰুত্ব দিছে।



কাব্য কেইখন বিশ্লেষণ কৰি লিখকে শঙ্কৰদেৱৰ প্ৰতিভাৰ ক্ৰমবিকাশৰ ধাৰা এটা দেখুৱাবলৈ চেষ্টা কৰিছে। যেনে, হৰিচন্দ্ৰ উপাখ্যানত শঙ্কৰদেৱে বিষয়-বস্তুৰ ক্ষেত্ৰত অনুকৰণ প্ৰৱণতা দেখুৱাইছে। মূল কাহিনীৰ প্ৰধান ঘটনাবোৰ বিশেষ অদল-বদল নকৰাকৈ ৰচনা কৰিছে। বিভিন্ন উৎসৰ সাৰভাগ আনি নিজৰ উদ্দেশ্যৰ লগতে খাপ খুৱাই কলাবস্তু সৃষ্টি কৰাটোৱেই শঙ্কৰদেৱৰ লক্ষণীয় বৈশিষ্ট্য। এই বৈশিষ্ট্যৰ অঙ্কুৰ যে হৰিচন্দ্ৰ উপাখ্যানতো আছে সেই কথা লিখকে কৈছে। ৰুক্মিণীহৰণ কাব্য যে এইক্ষেত্ৰত যথেষ্ট উন্নত তাক লিখকে প্ৰতিপন্ন কৰিছে। বলিছলনত শঙ্কৰদেৱৰ কাব্যৰ পূৰ্ণ বিকাশ ঘটিছে। অমৃত-মন্থন অনুবাদ প্ৰধান, কিন্তু তাতো মৌলিক প্ৰতিভাৰ চিন আছে। ভটি বয়সৰ ৰচনা কুৰুক্ষেত্ৰ আৰু অজামিল উপাখ্যান দুয়োখনেই ভক্তিৰস প্ৰধান গ্ৰন্থ। কবিৰ অন্তৰত ভক্তিৰ গাঢ়তা ক্ৰমে বঢ়াৰ ফলস্বৰূপে তেওঁৰ মনলৈ 'কাব্যৰস বিমুখতা নহলেও কি কাব্যৰস উদাসীনতা আহিছিল' তাক লিখকে বিশ্লেষণ কৰিছে।

কাব্যৰ মাধুৰ্য, বৰ্ণনা, চৰিত্ৰচিত্ৰণ আৰু কাহিনী নিৰ্মাণ ইত্যাদিত কবিয়ে দেখুওৱা মৌলিক প্ৰতিভা, দুৰ্বলতা দুয়ো দিশে লিখকে চকু দিছে। কেতবোৰ বৰ্ণনাক ( যেনে বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ যুদ্ধ, ৰুক্মিণীৰ ৰূপ, কাম ভৰ্জিত শিৱ ) সূক্ষ্ম ৰুচিকৰ নহয় বুলি লিখকৰ মত। কিন্তু তেনেবিধৰ বৰ্ণনাক কিয় সন্নিবিষ্ট কৰা হ'ল, ভাৰতীয় কাব্য পৰম্পৰাত তেনেবস্তুৰ স্থান আছে নে নাই, আৰু সামগ্ৰিক সত্তাৰ ( মানস-চৰিত্ৰৰ ) প্ৰকাশ তাৰ যোগেদি প্ৰকট হৈছে নে নাই আৰু শঙ্কৰী কলাৰ উদ্দেশ্য সাধনত সিবোৰে কি সহায় কৰিছে এনেবোৰ প্ৰশ্ন মনলৈ আহে। আকৌ লিখকে এঠাইত কৈছে, "কাব্যিক গুণ আৰু সৌন্দৰ্য বঢ়োৱাৰ কাৰণে সেইবোৰৰ ( কাব্য নাট আদি ) নানান ঠাইত লৌকিক বৰ্ণনাৰো সমাবেশ হৈছে। ... ... আনহাতেদি লৌকিকতা প্ৰধান কাব্যক শঙ্কৰদেৱে ভাল নোপোৱাৰ প্ৰমাণো পোৱা যায়।" লৌকিকতা বৰ্ণনা প্ৰধান ভাবে দিয়াৰ কাৰণে পীতাম্বৰ দ্বিজক বুলিলে তামসিক। অনন্ত কন্দলীৰ দশম পদ শুনি কলে, ভক্তি হ'ল চমু, যুদ্ধ হ'ল দীঘল। এইবিলাক কথা অতি তাৎপৰ্যপূৰ্ণ। মহাপুৰুষজনে ধৰ্ম প্ৰচাৰৰ আহিলা ৰূপে কাব্য আৰু নাটক ব্যৱহাৰ কৰিছিল। তেওঁৰ চকুৰ আগত আছিল অনাখৰী ৰাইজ। কাব্য-নাটক বিলাকৰ মৌলিকতা, সম্ভাব্য ভাৰতীয় পৰম্পৰাগত আৰু স্থানীয় উপাদান — এই আটাইবিলাক কথা চালি-জাৰি চালে মহাপুৰুষজনাৰ সাহিত্যৰ প্ৰতি সামগ্ৰিক দৃষ্টি স্পষ্ট হৈ ওলায়। লিখকে স্বকীয়াকৈ এই কাম হাতত লব পাৰে।

অঙ্কীয়া নাট বিলাকৰ আলোচনা কৰোঁতে লিখকে যথাযথ ভাবেই ভাৰতীয় নাটকৰ উৎপত্তি সম্বন্ধে পণ্ডিত-সকলৰ মতামত চালি-জাৰি চাইছে। অঙ্কীয়া নাটৰ সম্ভাব্য লৌকিক উপাদান যেনে দেওধনী নাচ, ওজাপালি, ঢুলীয়া নাচ, পুতলা নাচ, কাব্যৰ আবৃত্তি, তাৰ নাটকীয় ৰূপ-দানৰ ক্ষেত্ৰত সংস্কৃত নাটক, মঞ্চায়নৰ ক্ষেত্ৰত অসমৰ লৌকিক পদ্ধতি আৰু ভাষাৰ ক্ষেত্ৰত মৈথিলী নাটকৰ প্ৰভাৱ ইত্যাদিৰ কথা বিস্তৃত ভাবে আলোচনা কৰিছে। নাটক কেইখনৰ মাজতো লিখকে শঙ্কৰদেৱৰ নাট্যকলাৰ ক্ৰমবিকাশৰ ধাৰা এটা দেখুৱাবলৈ সমৰ্থ হৈছে। চৰিত্ৰ-চিত্ৰণ, কাহিনী নিৰ্মাণ আৰু ভাষাৰ মূল্যায়ন কৰিবলৈ চেষ্টা কৰিছে। শঙ্কৰদেৱৰ কাব্য আৰু নাটকৰ বিষয়বস্তু 'প্ৰখ্যাত'। বিষয়বস্তুক নিজৰ উদ্দেশ্যত লগোৱাৰ লগতে সুন্দৰ কলাত্মক ৰূপ দিব পৰাটোৱেই তেওঁৰ কৃতিত্ব। লিখকে এই দৃষ্টিৰেই কাব্য নাটক উভয়ৰে মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰিছে। মূল উৎসৰ সন্ধান কৰোঁতে প্ৰাসঙ্গিক উদ্ধৃতি দিয়াৰ নিমিত্তে অনুসন্ধিৎসু পাঠকৰ লাভ হব। তদুপৰি ঠায়ে ঠায়ে প্ৰসঙ্গ ক্ৰমে পাঠৰ পৰা উলিয়াই আনা মহা-

পূৰ্বৰ সুন্দৰ পংক্তিবিলাক বৰ্তমানৰ লিখকসকলেও প্ৰবচন হিচাপে ব্যৱহাৰ কৰিব পাৰে।

—শ্ৰীসুশীল কুমাৰ বৰঠাকুৰ।

প্ৰেক্ষাপট
সম্পাদনা: ড° নিশিপদ চৌধুৰী
শ্ৰীপ্ৰদীপ বৰদলৈ
প্ৰকাশক: শ্ৰীৰমেন কলিতা, বি, ই. সাধাৰণ সম্পাদক,
নিউ আৰ্ট-প্লেয়াৰ্চ, জোৰপুখুৰী:
গুৱাহাটী—১
প্ৰথম প্ৰকাশ, নৱেম্বৰ, ১৯৮০
মূল্য: পোন্ধৰ টকা
পৃষ্ঠা— ৮+১৮৬

একুৰি এজন লব্ধপ্ৰতিষ্ঠ লেখকৰ দ্বাৰা অসমীয়া নাট্য সাহিত্য সম্পৰ্কে আলোচিত একুৰি এটা বিভিন্ন বিষয়ৰ প্ৰবন্ধ সংকলনটি হ'ল 'প্ৰেক্ষাপট'। অসমৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান 'নিউ আৰ্ট প্লেয়াৰ্চে' প্ৰকাশ কৰা এই প্ৰবন্ধ সংকলনটিৰ বেটুপাত আঁকিছে হেমন্ত মিশ্ৰই। অনুষ্ঠানটিৰ ৰূপালী জয়ন্তী বৰ্ষৰ উপলক্ষে প্ৰকাশ কৰা এই সংকলনটি অসমীয়া সাহিত্যলৈ এটা উল্লেখযোগ্য অৱদান। সংস্কৃত নাট্য সাহিত্যৰ সৌষ্ঠৱ আৰু আধুনিক যুগত তাৰ প্ৰভাৱ, পুতলা নাচ আৰু ইয়াৰ ভবিষ্যত, অংকীয়া ভাওনা আৰু ইয়াৰ বৈশিষ্ট, শুদ্ধ নাট্যৰুচি আৰু নাট্যকাৰৰ সামাজিক দায়বদ্ধতা, ইউৰোপীয় আহিত গঢ় লোৱা অসমৰ আধুনিক নাট্য পৰম্পৰা আৰু সাম্প্ৰতিক সমস্যা, অসমীয়া নাটক আৰু অসমত নাট্য আন্দোলনৰ সম্ভাৱনা, কেইখন মৌলিক অসমীয়া নাটকৰ বিচাৰ, নাট্যকলা আৰু মঞ্চশিল্পৰ বিকাশত অসমৰ ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ ভূমিকা, শিশু-নাটক, একাঙ্কিকা নাটক-বৰ্তমান আৰু ভবিষ্যত, পাশ্চাত্য নাট্য আন্দোলনৰ পটভূমিত সাম্প্ৰতিক অসমীয়া নাট্য সাহিত্য, অসমীয়া নাটঘৰৰ আলোচনা, ৰেডিঅ' নাটক-ৰচনাশৈলী আৰু প্ৰযোজনা, মঞ্চসজ্জা আৰু ৰূপসজ্জা, অসমৰ নৃত্যকলা (ওজাপালি), সত্ৰীয় নৃত্য আৰু বিভিন্ন তালসমূহ, সাম্প্ৰতিক অসমীয়া নাট্য সাহিত্য, আধুনিক নাটকৰ আঙ্গিক আৰু কেইখনমান আধুনিক নাট—এই বিভিন্ন দিশবোৰত আলোচিত প্ৰবন্ধ সংকলনটি সুখপাঠ্য হৈছে আৰু অসমীয়া নাট্য সাহিত্য সম্পৰ্কে পাঠকে যথেষ্ট জ্ঞান আহৰণ কৰিব পাৰিব। ইয়াৰ উপৰিও অভিযোজিত বিদেশী নাটৰ পৰিপ্ৰেক্ষিতত তিনিখন বিশ্ৰুত নাটক আৰু কেৰালাৰ আধুনিক নাটৰ এটা বিশিষ্ট পৰীক্ষামূলক ধাৰা সম্পৰ্কীয় আলোচনাই সংকলনটিৰ সৌষ্ঠৱ আৰু বঢ়াইছে। কেৰালাৰ কুট্টিয়পলমত অৰ্থাৎ মঞ্চত অভিনয় কৰা চাৰিখন ছবিৰ সংযোজনাই পাঠকক সেই ঠাইৰ অভিনয় নাট্য সম্পৰ্কে সহজে অনুমেয় কৰি তুলিছে।

শ্ৰীভীমকান্ত বৰুৱা

স্মৃতি-চয়ন
সম্পাদনা: ড° নিশিপদ চৌধুৰী
শ্ৰীপ্ৰদীপ বৰদলৈ
প্ৰকাশক: নিউ আৰ্ট প্লেয়াৰ্চ', গুৱাহাটী—১
প্ৰকাশ কাল: ৰূপালী জয়ন্তী বৰ্ষ, ১৯৭৯
মূল্য: অনুল্লেখিত।

গুৱাহাটী তথা সদৌ অসমতে নাট্যৰসিক ৰাইজৰ সুপৰিচিত সাংস্কৃতিক অনুষ্ঠান 'নিউ আৰ্ট প্লেয়াৰ্চ'ৰ



ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত 'স্মৃতি চয়ন' ফলি-তাৰ্থত যদিও এটা অনুষ্ঠানৰ স্মৃতিগ্ৰন্থ মাথোন, তথাপি ইয়াত সন্নিবিষ্ট প্ৰবন্ধ, সোঁৱৰণি আদিত অসমৰ নাট-নাট্য জগতৰ বুৰঞ্জী লেখকৰ সমল কিছু পৰিমাণে সোমাই আছে।

'নিউ আৰ্ট প্লেয়াৰ্চ'ৰ স্থায়ী সভাপতি শ্ৰীমহেন্দ্ৰ কুমাৰ বৰুৱা আৰু অন্যতম কৰ্ণধাৰ শ্ৰীপ্ৰদীপ বৰদলৈৰ প্ৰবন্ধত অনুষ্ঠানটোৰ জন্ম কাহিনী আৰু আৰম্ভণিৰে পৰা ই সন্মুখীন হোৱা নানান অসুবিধা আৰু সমস্যাৰ মাজেদি কেনেকৈ প্ৰতিষ্ঠিত হ'ল তাৰে বৰ্ণনা থকাৰ উপৰি যোৱা পঁচিশ বছৰৰ আগলৈকে অসমৰ ৰক্ষণশীল সমাজে সহঅভিনেত্ৰীৰ প্ৰতি কেনে বিৰূপ ধাৰণা পোষণ কৰিছিল আৰু সেই বিষয়-বহীয়া আৰু শিল্পীসকলে কি সাহসেৰে বাধাৰ প্ৰাচীৰ ভাঙি অভিনয়ৰ পথ সুগম কৰিছিল' তাৰে বৰ্ণনা আছে। অৱশ্যে দুয়োটা প্ৰবন্ধতে লেখকদ্বয়ে অধিক আলোকপাত কৰা হলে ভাল আছিল।

'অসমীয়াত আমেৰিকীয় থিয়েটাৰ' শীৰ্ষক প্ৰবন্ধৰ লেখকে মাৰ্কিন নাট 'দলঙৰ পৰা দৰ্শন' (View from the Bridge)ৰ এই সভাই কৰা অভিনয়ৰ অকুণ্ঠ প্ৰকাশতে শেষ হোৱা নাই, আমাৰ বাহিৰৰ নাটকৰ বাবে হাত মেলা নাট্যকাৰ-প্ৰযোজক-অভিনেতাসকলৈ ভাল নাট পাব পৰা এটাৰ সন্ধান দিছে।

'প্লেয়াৰ্চে' ৰূপালী বৰ্ষৰ ভিতৰতে [illegible] কৰি অতি নিষ্ঠা আৰু সৎভাৱে কৰা কামটো হ'ল জ্যোতি-সংগীতৰ লংপ্লেয়িং ৰেকৰ্ডখনৰ সংকলন আৰু প্ৰকাশ। জ্যোতিসংগীতৰ কথা আৰু সুৰ লৈ বিভিন্ন জনে দিয়া মন্তব্য আৰু সমালোচনা, আৰু নিউ আৰ্ট প্লেয়াৰ্চৰ সভ্যসকলে সকলো সমালোচনা আমৰি শুদ্ধৰূপত কেইটামান বছা বছা গীত বাণীবদ্ধ কৰিবলৈ সিদ্ধান্ত লৈ গুণীজনৰ মতামতৰ বাবে কাম চাপিও শেষত সেই দিশত বাট বিচৰা হোৱাৰ [illegible] সম্পাদক শ্ৰী প্ৰদীপ শৰ্মাই যুক্তিৰে দাঙি ধৰিছে।

পঁচিশটা বছৰ কেনেকৈ পাৰ হৈ গ'ল তাৰ উমান নোপোৱা বুলি প্লেয়াৰ্চৰ সভ্যসকলে হৰ্ষ-মধুৰ ভাষাত প্ৰকাশ কৰিছে। 'প্লেয়াৰ্চ'ৰ আৰু তিনিটা পঁচিশ বছৰ পাৰ হৈ যাব; 'স্মৃতি-চয়ন'ৰ পাত তেতিয়ালৈ সোৱাবৰণীয়া হ'ব; কিন্তু ভাবীকালৰ সেই অনাগত সভ্যসকলৰ বাবে ই হেঁপাহৰ বস্তু হৈ থাকিব।

শ্ৰীকৈলাস শৰ্মা

শতিকাৰ অভিলেখ
সংগ্ৰাহিকা — শ্ৰীলখিমী বৰঠাকুৰ বি-ই,
প্ৰকাশক — বৰঠাকুৰ এজেন্সি, যোৰহাট—১
প্ৰথম প্ৰকাশ — ১৯৮০
মূল্য — ৭৫ টকা।

শিক্ষাব্ৰতী সুসাহিত্যিক শ্ৰীৰমা বৰঠাকুৰৰ কনিষ্ঠা কন্যা শ্ৰীমতী লখিমী বৰঠাকুৰে 'শতিকাৰ অভিলেখ' পুথিখন অশেষ কষ্ট কৰি ৰাইজৰ হাতত তুলি দিছে। ইয়াত সন্নিবিষ্ট কৰা মূল ঘটনাৰ জৰিয়তে যোৰহাট চহৰৰ তৰাজান উচ্চ ইংৰাজী বিদ্যালয়ৰ জীৱন কাহিনী আৰু অসমৰ বিভিন্ন অঞ্চলৰ সমসাময়িক ইতিহাস ফুটি উঠিছে। 'শতিকাৰ অভিলেখ'ৰ নায়ক যদি শ্ৰীৰমা বৰঠাকুৰ হয়, তেন্তে নায়িকা নিশ্চয় তেখেতৰ মানস-কন্যা তৰাজান উচ্চ বিদ্যালয় হ'ব। পুথিৰ বিভিন্ন চৰিত্ৰত আছে বৰঠাকুৰৰ লগত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু [illegible] ব্যক্তিসকল, তদুপৰি আছে অম্বিকাগিৰি ৰায়চৌধুৰী, ৺হেম বৰুৱা, শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীদেৱেশ্বৰ শৰ্মা প্ৰভৃতি অসমৰ বৰেণ্য ব্যক্তি বিশেষৰ জাতীয় চিন্তা-

ধাৰাৰ নিৰ্য্যাস।

এই পুথিত লিপিবদ্ধ কৰা জন্মবেণী সাহিত্যিক সকলৰ ক্ৰমানুসাৰে পাঠক-পাঠিকা সকলক আনন্দ দিব (পৃঃ ১৩১)। যেনে, বিনন্দ বৰুৱা—'কেৰপাই শৰ্মা', কমলেশ্বৰ চলিহা—'কং', হলিৰাম ডেকা— 'চিত্ৰসেন', অবিনাশ শৰ্মা 'সঞ্জয়' ইত্যাদি ইত্যাদি। তদুপৰি অসমৰ শৰ্মা অকাগিৰি ৰায় চৌধুৰীয়ে ১৯০০ চনত পদাৰ্পণ কৰাৰ কেতিয়াবাই ডেকা কালতে কি কাণ্ড কৰিছিল তাৰো আভাস পাব। এই পুথিয়ে সেই সময়ৰ যান-বাহন, আচাৰ ব্যৱহাৰ, বস্ত্ৰ-বেশ্যানিৰ দাম-দৰ, খেলা-ধেমালিৰ সা-সুবিধা আদিৰ স্পষ্ট চিত্ৰ দাঙি ধৰিছে। পুথিৰ ভিতৰত যোগ্যজন ফটো আছে। সেইসমূহ ডুকোফালে ওখন ফটো প্ৰদৰ্শন কৰাত আকৰ্ষণীয় হৈছে। সেয়েহে কবলৈ হলে, এশ বছৰৰ অতীত অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ঐতিহাসিক তথ্যৰ বাবে এই পুথিৰ মূল্য অধিক।

পুথিৰ ভিতৰ চৰাৰ ভুল ভ্ৰান্তিৰ বাবে ৬ পৃষ্ঠাৰ পৰিশিষ্ট দিয়া হৈছে। দুই চাৰি ঠাইত ব্যৱহাৰ কৰা ভট্টাচাৰ্যৰ সকলো শব্দৰ বদলি ব্যৱহাৰ কৰিলে বেছি গ্ৰহণযোগ্য হব বুলি ভাবিছো। পুথিখনৰ সাধাৰণ দোষ-ত্ৰুটি পৰিহাৰ কৰি বিচাৰ কৰিলে কব লাগিব যে সংগ্ৰাহিকাৰ প্ৰচেষ্টা ফলৱতী হৈছে। লক্ষ্মী পুথিখনৰ পৰশত উদ্ভাসিত হোৱা বিভোপণ লখিমী হাতেৰে সাহিত্যৰ উজ্জ্বল চাকি জ্বলক। ইয়াকেই আমি কামনা কৰিলো।

শ্ৰীভুবনেশ্বৰ পাঠক

'গতি ভাঙ্গ আৰু গতি'

লেখক : শ্ৰীদীন বন্ধু ডেকা,
প্ৰথম প্ৰকাশ : এপ্ৰিল ১৯৮০ চন,
দাম : তিনিটকা পঞ্চাশ পইচা।

'গতি, ভাঙ্গ, আৰু গতি' শ্ৰীদীন বন্ধু ডেকাৰ প্ৰথম প্ৰচেষ্টাৰ কবিতা পুথি। কবিৰ নিজৰ কথাত— 'জীৱনৰ বিভিন্ন সময়ত বিভিন্ন ধৰণে উপলব্ধি হোৱা সত্য অনুভূতিবোৰৰ অসম্পূৰ্ণ প্ৰকাশেই হৈছে মোৰ এইয়া তিনিকুৰি তিনিটা কবিতাৰ সমষ্টি 'গতি, ভাঙ্গ আৰু গতি।'

উদীয়মান কবিজনে তেওঁৰ অন্তৰ উপচি পৰা ভাবৰ সমষ্টিক তিনিটা বিশেষ স্তৰৰ মাজেৰে জীৱনৰ অভিজ্ঞতাৰ ৰূপে কাব্য ৰূপ দিছে। এই ৰূপে প্ৰেম অনুভূতিৰ মাজেদি প্ৰকাশ পাই জীৱন আৰু জগতৰ প্ৰতি সচেতনতাবোৰৰ মাজেদি আগবাঢ়ি সমাজখন চেতনাৰ উদ্বুদ্ধ হৈ নানান পৰিৱৰ্তনৰ ভিতৰেদি যোৱা সমাজৰ ভাঙি ছিঙি ৰূপ। নতুন সমাজ গঢ়াৰ আহ্বান জনাইছে। সেয়েহে কবিৰ লেখনীত ফুটি উঠিছে—

আমাৰ হাতৰ প্ৰতিটোৰ তপৰী লক্ষণৰ বীৰত্বৰে
গঢ়ো আহা আমাৰ বাঞ্চিত নতুন সমাজ।

এই নতুন সমাজখন গঢ়িবলৈ ইংৰাজ কবি শ্বেলীৰ দৰে ডেকাইও পুৰণতে পৃথিবীৰ ধ্বংস হোৱাৰ কামনা কৰিছে। কিয়নো ধ্বংসৰ ওপৰতহে নতুনৰ পাতনিৰ সম্ভাৱনা আছে। সেয়েহে কবিয়ে বিদ্ৰোহী ভাৱধাৰা প্ৰকাশ কৰি বিচাৰিছে ধ্বংস—

মই আজি ধ্বংসৰ ধুমুহা হুৰন্ত
ভাঙি ছিঙি একাকাৰ কৰি দিম
জগতৰ সকলো শ্ৰেণী বৈষম্য—।

কবি আশাবাদী। আশাবাদী কবিয়ে চেতনাৰ সাৰুৱা ভূমিত দেখিছে নতুন পুৰুষৰ হাতৰ শ্ৰমতেই লহপহকৈ দিনে দিনে বাঢ়ি আহিছে নতুন আশাৰ সোণোৱালী শস্য। এই সোণোৱালী শস্য পৃথিবীৰ বুকুত নতুন ৰূপ কৰি তুলিবলৈ ৰূপ পাব 'এটি নতুন সূৰ্য্য'।



দুখৰ তৰঙ্গৰ কাৰণত, কবিয়ে বিচিত্ৰ— যেনেৰ অনুভূতিবোৰ লাভ কৰিছে জীৱনৰ বাটত বিভিন্ন অভিজ্ঞতাৰ মাজেৰে আগবাঢ়ি যাওঁতে। জীৱনৰ গতিৰ মাজতে কৰবো মাটিৰ পৃথিবীৰ দুটি নাওবাই অন্তৰ উদ্‌চি পৰা ভাৱ অনুভূতি প্ৰকাশ কৰে। কবিৰ ভাষাত

কোজাগৰা জোনাকী বন্ধু পালেই
বুকু উজাৰ কৰি—
অন্তৰৰ বহু কথাই তেওঁক কও।

জীৱনৰ গতিশীলতাক প্ৰকাশ কৰা কবিয়ে আশা কৰে— কি জানিবা গতিৰ মাজতে অনাগত জীৱনৰ হেনা ফুলৰ সুগন্ধি তেওঁ পায়। এই হেনা ফুলৰ সুগন্ধি বিচাৰি তেওঁ তেওঁৰ পিতাৰে হৈছে যাৰ খুজিছে সেই পৰেদি—

যি পথ'— সৰল পথ
যি পথ মানুহৰ পথ
যি পথ আমাৰ পৃথিৱীৰ
ইয়াত মৃত্যু আছে—
কিন্তু অপমৃত্যু নাই।

পৃথিবীৰ মৃত্যুৰ স্বাভাবিকতা মানি লৈ অপমৃত্যু নিবিচৰা কবিয়ে নতুন পৃথিৱী গনৰ প্ৰথম প্ৰভাতৰ এটা উদাত্ত সুৰ শুনিবলৈ বিচাৰে।

এই সুৰ শুনিবলৈ গতি, ভাঙ্গ আৰু গতিৰ দ্বিতীয় স্তৰত কবি দাৰ্শনিক জিজ্ঞাসা লৈ আগ বাঢ়িছে জীৱনৰ বিভিন্ন সংঘাতৰ মাজেদি পৃথিৱীক সুন্দৰ কৰাৰ মানসেৰে। এই সুন্দৰৰ পৰিকল্পনাত কবিৰ জীৱনৰ আকৰ্ষণ বাঢ়িছে— পৃথিবীৰ মায়াময় সৌন্দৰ্যই তেওঁক উন্মনা কৰিছে। সেই কাৰণেই কবিয়ে কৈছে—

পৃথিবীৰ প্ৰান্তৰে প্ৰান্তৰে
সাগৰ মহাসাগৰৰ পাৰে পাৰে—
চিনাকি অচিনাকি জনতাৰ মাজে মাজে—
মই দেখা পাওঁ—
বহল অন্তৰৰ বিশাল বৈচিত্ৰ্য
অপৰূপ ৰূপেৰে জীৱনৰ মহত্ত্ব।

কবিৰ আত্ম জিজ্ঞাসাৰ শঙ্কাহীন প্ৰত্যয়ৰ মাজত, জীৱনৰ অসম্পূৰ্ণতাৰ মাজত সম্পূৰ্ণতাৰ পূৰ্ণ উপলব্ধি বিচাৰিছে। এই উপলব্ধিৰ কাৰণে কবিয়ে— 'চিৰকাম্য নতুন প্ৰভাত, নতুন দিন' বিচাৰিছে যত আছে 'এটাই প্ৰাৰ্থিত চিৰবৃত্তি চাৰিবৃত্তি।'

জীৱনৰ গতিক মনে— প্ৰাণে বিশ্বাস কৰা কবি ডেকাৰ প্ৰথম কাব্যিক প্ৰচেষ্টা আদৰণীয় এই কাৰণে যে তেওঁৰ প্ৰচেষ্টাত কাব্যিক ব্যঞ্জনা আছে, প্ৰাণ প্ৰাচুৰ্য্য আছে, চিন্তা আৰু অনুভূতিৰ গতিশীলতা আছে। কবি ডেকাৰ ইয়াৰ পিছৰ কাব্য সৃষ্টিত হয়তো পাঠকে উল্লেখযোগ্য কাব্য-সম্ভাৰ আৰু মিলনৰ সুৰত পঢ়িবলৈ পাব।

শ্ৰীবীৰেণ বৰকটকী

আজি তুপৰীয়া

ৰচোতা— শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা
প্ৰকাশ— অক্টোবৰ, ১৯৮০
মূল— চাৰিটকা

১৯৭২ চনৰ ৩০ জুলাইৰ 'দৈনিক অসম'ত শ্ৰী যজ্ঞেশ্বৰ শৰ্মাই যতীন দুৱৰাৰ 'কথা কবিতা আৰু কবিতা' নামৰ এটি প্ৰবন্ধ লিখিছিল। সেই মূল্যবান প্ৰবন্ধটিত তেওঁ উল্লেখ কৰিছিল যে 'কথাকবিতা' জাতীয় ৰচনাত পোন প্ৰথমতে টলষ্টয়ে হাত দিছিল আৰু 'টলষ্টয়ে টুৰ্গেনিভক এনে জাতীয় ৰচনাত মন দিবলৈ পৰামৰ্শ আগবঢ়ালে বুলি উল্লেখ কৰিলে। 'আজি তুপৰীয়া' নামৰ পুথিখনি হাতত পৰাৰ পিছত প্ৰবন্ধটোলৈ মনত পৰিল এই কাৰণেই যে এই পুথিখনিও 'সাহিত্য আশ্ৰিত' গদ্য ৰচনা। 'প্ৰচুৰ' প্ৰায়ৰ কথা'ত, অৰ্থাৎ পুথিখনিৰ পাতনিতে লেখকে 'সৰু সৰু প্ৰবন্ধ'

বুলি উল্লেখ কৰিছে। সাধাৰণ পাঠকে পুথিখনি দেখি লগেই কবিতাৰ পুথি নিশ্চিত ভাৱে ভুল কৰিব। কিন্তু, 'কবিতা' বুলি পঢ়িবলৈ লৈ পাঠকে দেখিব উভুটি যাব লগীয়া হ'ব — তেতিয়াহে উপলব্ধি হ'ব যে এয়া যথাৰ্থ কবিতা নহয় বা হ'ব নোৱাৰে। আনহাতে, 'আজি ফুলবাৰীয়া'ৰ লেখাখিনি (পুথিখনিৰ আৰম্ভণীতে 'দক সক প্ৰবন্ধ' বুলি লেখকে উল্লেখ কৰিলেও শেষৰ ফালে 'টীকা টোকা'ত 'কবিতা' শব্দটো ব্যৱহাৰ কৰিছে। গতিকে, ধাৰণা হয় — 'কবিতা' বুলিয়েই 'আজি ফুলবাৰীয়া' লেখকে প্ৰকাশ কৰিছে। এই যুক্তি স্বৰূপে 'কবি পুৰ সকলৈ' বুলি পুথিখনিৰ আৰম্ভণীতে লিখা দুই এটা ছন্দোবদ্ধ পংক্তি কেইশাৰীলৈও আঙুলিয়াব পাৰি।)

পুথিখনি ৩২ পৃষ্ঠাৰ। তিনিবুৰি 'পাঠ' আছে। বেটুপাতৰ পিচৰ পৃষ্ঠাটোত 'গদ্য প্ৰবন্ধৰ সংগ্ৰহ' বুলি উল্লেখ কৰিছে। লিখক নিজেই প্ৰকাশক। মূল্য চাৰিটকা। ছপা কৰিছে নগাঁও পুথিঘৰ প্ৰেছত।

পুথিখনিৰ লিখা সমূহ আৰম্ভ হৈছে 'আজি ফুলবাৰীয়া'ৰ পৰা। কেটুপাতৰ ছবিত 'আজি ফুলবাৰীয়া'ৰ মৰ্মাৰ্থ বুজাবলৈ চেষ্টা কৰা হৈছে যদিও সেইটো কিবা ভাৱত কৰিবৰ কোনো বাঞ্ছনা নাই। পাঠ, নং ২ 'কাপোৰত জুইবোৰ বং, 'সোহৰৰ পেন দিব এজোৰা মেঘ' আদি বাক্য, অনুপৰি 'কৰ কৰা ভাত খাইছা' বাবলি, শুকাৰ খৰিকা খাৰি ব্যৱহাৰৰ যোগেদি 'গদ্য পদ্য' লেখকে অসমৰ ঐতিহ্যৰ ধাৰণা (আঁচ ভুলত পৰা প্ৰশ্ন নেথেলা) এটা দিব খুজিলেও কোনওবে পাঠক বিভ্ৰান্ত হ'ব। আধুনিক কবিতা মানেই দুৰ্বোধ্য—সেই ধাৰণাৰে যদি পাঠক বহে যদে থাকে —সেয়া সুকীয়া কথা।

'আজি ফুলবাৰীয়া'ৰ মন কৰিব লগীয়া বৈশিষ্ট্য হৈছে এয়ে যে ইয়াত সন্নিবিষ্ট লিখাবোৰ চুটি-চুটি। 'কাহিনী-গীত' বা 'গদ্য-গীতিৰ' ধাৰণা ইয়াত বৰ্জিত হোৱা নাই। কেইটামান লিখা সম্পূৰ্ণৰূপে ফুলবাৰীয়া। (ৰবীন্দ্ৰনাথৰ অনুকৰণ যেনেকৰাই ফুলবাৰীয়া কবি লিখিছিল বুলি সমালোচক সকলে কব খোজে)। জাপানী 'হাইকু'ৰ গাবীত এই লিখা পেলাব নোৱাৰি। 'লেডী কম্প'টনৰ' নামৰ লিপাটোত অহংজ 'কম্প'টনৰ' গৰাকীৰ জীৱন গাথা প্ৰকাশ হৈছে — কিন্তু লিখাৰ বীতি অত্যন্ত গদ্যহুলত হোৱাৰ বাবে লিখাৰ আবেদন প্ৰায় কঠিন। 'স্পাবাসা' ১৪ পদীয়া। কক, খখ, গগ/কক, খখ, ঙঙ, চচ মিলৰ। গতিকে চতুৰ্দশ পদী কবিতা বুলি কব নোৱাৰি। অষ্টক-ষষ্টকৰ ভাগ নাই। ইয়াৰ আবেদনো সাধাৰণ ধৰণৰ পদ্য ধৰ্মী। 'পাৰযোৰ' কবিতাটি বেৰবকৰাৰ 'লাওপাত' জুৰিলৈ মনত পেলায়। এইদৰে বিশ্লেষণ কৰি চালে 'আজি ফুলবাৰীয়া'ৰ লিখা সমূহে পাঠকৰ মনলৈ বিশেষ অভিব্যঞ্জনা আনিব নোৱাৰে।

শ্ৰীকেশৱ শইকীয়া

প্ৰবন্ধ-প্ৰদীপিকা (প্ৰবন্ধ-সংকলন)

লিখক : ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য

প্ৰকাশক : গ্ৰন্থপীঠ, শুক্ৰেশ্বৰ, গুৱাহাটী —১

প্ৰথম প্ৰকাশ : জুন, ১৯৭৯

পৃষ্ঠা-সংখ্যা : ৪ + ২১২

মূল্য : পকাবন্ধা পোন্ধৰ টকা।

প্ৰবীণ সাহিত্যিক ড° হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ এইখন প্ৰবন্ধ সংগ্ৰহ পুথিখনৰ অধিকভাগ ৰচনাই নাটকক লৈ লিখা। 'কৰ্মবাদ জগত আৰু একাঙ্কিকা'ত তেওঁ যোৱা কেই দশকমানত অভাৱনীয় ৰূপে জনপ্ৰিয় হৈ উঠা অসমীয়া একাঙ্কিকাৰ উৎস বিচাৰিছে। একাঙ্কিকাৰ 'কথা-বহস্যৰ' অন্য স্ফূৰ্তি' এটালৈকে আঙুলিয়াইছে আৰু এই নাটকৰ প্ৰবিষ্ট থকা অন্যান্য



আনুষঙ্গিক কাৰণ সমূহৰ ওপৰতো আলোকপাত কৰিছে। লিখকৰ সৃষ্টিধৰ্মী বিশ্লেষণ প্ৰশংসনীয়। অসমীয়া মঞ্চৰ সমস্যাৰ ওপৰতো তেওঁ কিঞ্চিৎ আলোচনা কৰিছে। 'অসমীয়া একাঙ্কিকা'ক বহলাই লিখিবৰ থল আছিল, তথাপি তাৰ ঠেক পৰিসৰৰ মাজতে লিখকে এইবিধ নাটকৰ আকৃতি-প্ৰকৃতিৰ চমু আভাস দি সুবিধ পত্ৰিকাৰ দ্বিতীয় দশকৰ পৰা বৰ্তমানলৈকে ছপা হোৱা একাঙ্কিকাৰ তালিকা এখন দিছে। তালিকাখন সম্পূৰ্ণ নহলেও তাৰ ঐতিহাসিক মূল্য আছে। আন এটি প্ৰবন্ধত অসমীয়া অভিনয়-সঙ্গীতৰ চমু আভাস দিয়া হৈছে। 'অঙ্কীয়া নাট' এটি তথ্য-সমৃদ্ধ প্ৰবন্ধ। ইয়াত লিখকে অঙ্কীয়া-নাটৰ উৎস, লৌকিক উপাদান, ৰচনাৰ মৌলিকতা, উদ্দেশ্য, কলা-কৌশল, ভাষা আৰু প্ৰকাশভঙ্গী আদি বিৱিধ দিশ আলোচনা কৰিছে। 'অঙ্কীয়া নাটক ৰচনা শৈলীত পৰিবৰ্তনৰ সূচনা,' 'পচতি' অঙ্কীয়া নাট্যাভাস-সম্বন্ধ সংকেত নাট' চমু হলেও গুণসমৃদ্ধ প্ৰবন্ধ অষ্টাদশ শতিকাত অসমত ৰচিত হোৱা সংস্কৃত নাটকৰ ওপৰত শংকৰী পৰম্পৰাৰ অঙ্কীয়া নাটে কি হবে প্ৰভাৱ কৰিছি লক্ষিত গভীৰ অধ্যয়নৰ বিষয়। 'ধেমালি' প্ৰবৰ্তিত ধেমালিৰ লগত লৈ মহাপুৰুষ ভুলনাই কি হবে বাইজৰ মাজত ধৰ্মৰ ঢৌল বাৰিছিল তাক কবলৈ গৈ লিখকে, আমি মন নকৰা বহুতো সামাজিক কথা আৰু কৰণীয়ৰ পগ্গাটৈক বুজাই দিছে।

অন্যান্য সাহিত্য মূলক প্ৰবন্ধৰ ভিতৰত 'পুৰাণ' আৰু গঙ্গা-পুৰাণত কেইবাখনো পুৰাণ- উপ পুৰাণ আৰু সংহিতাৰ চমু পৰিচয় দিয়া হৈছে। 'অসমীয়া লোকসাহিত্য আৰু লোক কথা'ত আগৰ দিনৰ কেতবোৰ আচাৰ-ব্যৱহাৰ আৰু লৌকিক প্ৰথাৰ মূল্যমূল বৰ্ণনা আৰু সংশ্লিষ্ট লোক সাহিত্যৰ নিদৰ্শন দিয়া হৈছে। 'অগ্নিসেৱা', 'অসমীয়া মন্ত্ৰ সাহিত্য' আৰু 'কটেলি'তো অসমৰ লোক সংস্কৃতিৰ অনেক মূল্যবান তথ্য সন্নিবিষ্ট হৈছে। প্ৰবন্ধবোৰ প্ৰধানকৈ লিখকৰ বিস্তৃত অধ্যয়ন আৰু সূক্ষ্ম নিৰীক্ষণৰ পৰিচয় দিয়ে। প্ৰবন্ধ সমূহত প্ৰকাশ হোৱা কোনো মতামতক কোনোবাই নতুন নেদেখিবও পাৰে, কিন্তু সাহিত্য, নৃতত্ত্ব আৰু সমাজতত্ত্বৰ ছাত্ৰই অধ্যয়নৰ অনেক সম্বল পাব।

'এখন অসমীয়া নাম' পঢ়ি নাধু কথা শুনাৰ হেঁপাহ লাগিল। 'তুইৰ পৰা ভুৱেঙাৰ' আৰু 'নাজিৰাত মঞ্চৰ' এই দুই প্ৰবন্ধতো বিষয়বস্তু বাকীবোৰ সৰহকৈ সুকীয়া। প্ৰথমটি পাইতে নগিৰে হোৱাকৈ কলেজৰ জন্ম আৰু বিকাশৰ খতিয়ান যদিও লগতে অসমত স্ত্ৰীশিক্ষাৰ আন্দোলনৰো এটি মূল্যবান দলিল। গোপীনাথ বৰদলৈয়ে কলেজখনক কিয় মহাত্মাৰ পৰা একবাৰ আকৌ বাইজৰ হাতত গাঁথিলে তাক আমি সঠিককৈ নাজানিলো। বৰ্তমান দেশৰ ৰাজনীতি দলীয় ৰাজনীতিৰ স্তৰলৈ নামিছে। এনে পৰিস্থিতিত বাইজে নিজ হাতেৰে গঢ়া সামাজিক অনুষ্ঠানবিলাক চৰকাৰী কবলত সমৰ্পে মানে দেশৰ বাবে মঙ্গল

'নাজিৰাত মঞ্চৰ'ত বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা চতুৰ্থ দশকলৈকে লিখকে নাজিৰা চহৰৰ কেইটা ওঙ্ডচিত্ৰ আঁকিছে। নাজিৰাৰ কেইটামান বাজহুৱা অনুষ্ঠানৰ জন্ম আৰু বিকাশৰ কাহিনী আৰু কেইজনো বদান্য পুৰুষৰ ব্যক্তিগত জিলিকনিৰেও ৰচনাৰ বহল চৰাইছে।

স. কু. দ

সপোনৰ ফলাফল

লিখক অয়কান্ত নাথ।

প্ৰকাশক : শ্ৰীযতীন চন্দ্ৰ নাথ, উমেশ বুক ষ্টল, নগাঁও।

প্ৰথম প্ৰকাশ : আগষ্ট, ১৯৮০ চন। মূল্য—দুটকা

শ্ৰীঅয়চন্দ্ৰ নাথৰ ৰচিত 'সপোনৰ ফলাফল' আৰু কিতাপখন অসমীয়া ভাষাৰ এক অনীয়া প্ৰেৰণা

পুথি। সপোন সম্পৰ্কীয় এনে পুথি অসমীয়া ভাষাত নাই বুলিলেই কব পাৰি। বৰ্তমান যুক্তি সৰ্বস্বতাৰ বৈজ্ঞানিক যুগত নতুন পুৰুষে সপোনৰ ওপৰত বা তাৰ ফলাফলৰ ওপৰত বৰ বিশেষ গুৰুত্ব দিব খোজোকে। তথাপি মানুহৰ অচেতন মনৰ বহুত খিনি ক্ৰিয়া আৰু সপোনত যে প্ৰতিফলিত হয় তাকো যুক্তি সৰ্বস্বতাৰ নতুন পুৰুষে অস্বীকাৰ নকৰে। সেয়ে হিচাপত এই পুথি খনে পাঠক সমাজত সমাদৰ লাভ কৰিব বুলি আশা কৰিব পাৰি।

লিখকে পুথি খনৰ আদিতে সপোন আৰু সপোনৰ তাৎপৰ্য্য সম্পৰ্কে কিছু আলোচনা কৰি পুথিখনৰ বিষয়-বস্তুৰ গভীৰতা পাঠকৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছে। তদুপৰি এই অংশটো আৰু বহল-ভাবে আলোচনা কৰা হ'লেহেঁতেন কিতাপখনৰ বিষয় বস্তুৰ প্ৰতি পাঠকৰ মনত সহজে আগ্ৰহ আৰু বিশ্বাস বাঢ়িল হেঁতেন।

পুথি আখৰ অনুসৰি ক্ৰমিক সপোনৰ ফল দিয়া হৈছে। এনে কৰাৰ ফলত পুথিখন পঢ়িবলৈ সুবিধা হৈছে। স্বৰবৰ্ণৰ ক্ষেত্ৰত হবে 'ঋ' বৰ্ণৰ বাহিৰে বাকী আটাইকেইটা বৰ্ণ অনুযায়ী সপোনৰ ফলাফল বৰ্ণনা কৰা হৈছে; ব্যঞ্জনবৰ্ণৰ 'ক' বৰ্ণতে লিখকে পুথিখন সামৰিছে। লিখকে প্ৰতিবৰ্ণত আৰু অলপ বেছিকৈ সপোনৰ ফল লিখিব পাৰিলেহেঁতেন।

যি কি নহওক, অসমীয়া সাহিত্যৰ ভঁৰালত এনে ধৰণৰ শ্ৰেণীৰ পুথিৰ সংযোজনৰ বাবে লিখক প্ৰশংসাৰ পাত্ৰ।

—শ্ৰীমতী কবিতা দাস

---

প্ৰাপ্তি স্বীকাৰ :—

১। **জীৱন বীণাৰ সুৰ** ( কবিতা-সংকলন )
লিখক—শ্ৰীপৰেশ চন্দ্ৰ চক্ৰৱৰ্ত্তী
প্ৰকাশক শ্ৰীপ্ৰফুল্ল কুমাৰ চক্ৰৱৰ্ত্তী, পাঞ্জিপাৰ
মূল্য তিনি টকা পঞ্চাশ পইচা।

২। **কুসুমিতা** ( কবিতা-সংকলন )
লিখক আৰু প্ৰকাশক—শ্ৰীউত্তম দাস
কলীবাৰী, তেজপুৰ।
প্ৰথম প্ৰকাশ : ৮ চেপ্তেম্বৰ, ১৯৮০
মূল্য - দুই টকা।

৩। **নতুন সুৰুয** ( কবিতা-সংকলন )
লিখক শ্ৰীৰবীন্দ্ৰনাথ শৰ্মা
প্ৰকাশিকা—শ্ৰীমতী ভানু দেৱী,
উত্তৰ গুৱাহাটী।
প্ৰথম প্ৰকাশ—জুলাই ১৯৮০
মূল্য—তিনি টকা মাত্ৰ।

৪। **সোণৰ সাতসৰী** (তিনিমহীয়া আলোচনী)
সম্পাদক—শ্ৰীধ্ৰুৱজ্যোতি ভূঞা
প্ৰকাশক—প্ৰফুল্ল কুমাৰ বৰুৱা
নাৰায়ণপুৰ।
প্ৰথম প্ৰকাশ—১ম বছৰ ১ম সংখ্যা ১৯৮০
মূল্য তিনি টকা মাত্ৰ।

৫। **সময়ৰ সুৰ** ( কবিতা সংকলন )
লিখক আৰু প্ৰকাশক—শ্ৰীললিত কুমাৰ দত্ত
প্ৰথম প্ৰকাশ—অক্টোবৰ, ১৯৮০
মূল্য—দুই টকা।

৬। **স্পন্দন** কবিতা সংকলন )
লিখক—শ্ৰীব্ৰজেন ৰায়চৌধুৰী
প্ৰকাশক—সুৰ মন্দিৰ, দিচপুৰ, গুৱাহাটী
প্ৰথম প্ৰকাশ—নবেম্বৰ, ১৯৮০
মূল্য- এটকা মাত্ৰ।

৭। **উৰ্ব্বীজা**
(১ম ব. ১ম সংখ্যা আলোচনী, ১৯৮০)
সম্পাদক - শ্ৰীকান্তেশ্বৰ পাঠক
প্ৰকাশক— ঢুলীয়াজান শাখা-সাহিত্য সভা
মূল্য—তিনি টকা।

৮। **এয়া কি নতুন শব্দ** (কবিতা সংকলন)
লিখক—শ্ৰীজগন্নাথ দেৱমহন্ত
প্ৰকাশক— সোণালী প্ৰকাশন, যোৰহাট
প্ৰথম প্ৰকাশ - ডিচেম্বৰ, ১৯৮০
মূল্য – ১.৫০ টকা।

৯। **বৈচিত্ৰময় ইউৰোপ** ভ্ৰমণ কাহিনী।
লিখক—শ্ৰীবিচিত্ৰ তালুকদাৰ
প্ৰকাশক—শ্ৰীগৌৰী প্ৰকাশন, গুৱাহাটী
প্ৰথম প্ৰকাশ : ১৯৭৯
মূল্য : দহ টকা।

১০। **মন্বন্তৰ** (উপন্যাস)
লিখক—শ্ৰীমনোজ কুমাৰ শৰ্মা
প্ৰকাশক - শ্ৰীগৌৰী প্ৰকাশন, গুৱাহাটী
দ্বিতীয় প্ৰকাশক— নবেম্বৰ, ১৯৮০
মূল্য - তিনি টকা পঞ্চাশ পইচা।

১১। জোনাকী (কবিতা-সংকলন)
সম্পাদনা : শ্ৰীবিনোদ গগৈ,
শ্ৰীলোহিত দুৱৰা,
প্ৰকাশক : শ্ৰীদুৰ্গা হাজৰিকা,
মাৰ্ঘেৰিটা সাহিত্য সভা,
প্ৰথম প্ৰকাশ : ১৬ নবেম্বৰ, ১৯৮০
মূল্য : চাৰি টকা।

১২। **নীৰৱ মঙ্গলৰ আৰ্তি** (কবিতা-সংকলন)
লিখক : শ্ৰীপ্ৰতাপ গোস্বামী
প্ৰকাশক : 'দীপ-জ্যোতি'
গোস্বামী পৰিয়াল পুথিভঁৰাল
মূল্য : – দুই টকা।

# অসম সাহিত্য সভা প্ৰকাশন

( বৰ্তমান মজুত থকা পুথি )

| | | |
|---|---|---|
| ১। | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ২। | চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০·০০ |
| ৩। | দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫·০০ |
| ৪। | কালিৰাম মেধি ৰচনাৱলী | ২১·০০ |
| ৫। | ভাষণাৱলী ( ৪ৰ্থ খণ্ড ) | ২০·০০ |
| ৬। | ষ্টাডিজ অন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০·০০ |
| ৭। | অসম সাহিত্য সভাৰ ৰূপৰেখা | ১৬·০০ |
| ৮। | মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ |
| ৯। | গোৱালপৰীয়া লোকগীত | ১৬·০০ |
| ১০। | কামৰূপী লোকগীত | ১৬·০০ |
| ১১। | প্ৰবন্ধ সঙ্কলন | ১৫·০০ |
| ১২। | নলিনীবালা দেৱী | ১২·০০ |
| ১৩। | কালিৰাম মেধি স্মৃতিমালা | ১২·০০ |
| ১৪। | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ১৫। | অসমীয়া লোকগীতি সংগ্ৰহ | ১২·০০ |
| ১৬। | আনন্দৰাম ঢেকিয়াল ফুকন : এ প্লি ফৰ আচাম এণ্ড আচামীজ | ১২·০০ |
| ১৭ | নগালেণ্ড | ১০·০০ |
| ১৮। | অসমীয়া গল্পগুচ্ছ | ১০·০০ |
| ১৯ | বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০·০০ |
| ২০। | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ২১। | টিহু লখিমী | ১০·০০ |
| ২২। | লংকাকাণ্ড ৰামায়ণ | ১০·০০ |
| ২৩। | ডেভেলপমেণ্ট অৱ স্ক্ৰিপ্ট ইন এনচিয়েণ্ট কামৰূপ | ১০·০০ |
| ২৪। | বেজবৰুৱাৰ দিনলেখা (২য় খণ্ড) | ১০·০০ |
| ২৫। | তৰুণৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ২৬ | হেম বৰুৱা | ১০·০০ |
| ২৭। | চেক্সপীয়েৰ | ১০·০০ |
| ২৮। | ৰাভা জনজাতি | ৭·০০ |
| ২৯। | অসমীয়া প্ৰাচীন লিপি | ৭·০০ |
| ৩০। | জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী | ৪০·০০ |
| ৩১। | ৰামচৰিত মানস | ৩০·০০ |
| ৩২। | পাৰ্বতীপ্ৰসাদ বৰুৱা ৰচনাৱলী | ২০·০০ |
| ৩৩। | গুৱালকুছি | ৮·০০ |
| ৩৪। | আধুনিক পাশ্চাত্য চিত্ৰশৈলী | ১২·০০ |
| ৩৫ | জোনাকীৰ আভা | ১০·০০ |
| ৩৬। | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭·০০ |
| ৩৭। | আৰিষ্টটলৰ কাব্য-জিজ্ঞাসা | ৬·০০ |
| ৩৮। | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৩৯ | টলষ্টয় | ৬·০০ |
| ৪০। | তিস্তাৰৰ সৌৰৱণ | ৬·০০ |
| ৪১। | পৰমাচাৰ্য্য পণ্ডিত হেম চন্দ্ৰ গোস্বামী | ৬·০০ |
| ৪২। | বিশ্বেশ্বৰ বৰবৰুৱাৰ স্মৃতিমালা | ৬·০০ |
| ৪৩। | অসম সাহিত্য সভাৰ সুবচনী | ৬·০০ |
| ৪৪। | অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬·০০ |
| ৪৫। | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৪৬। | জগন্নাথ বৰুৱা | ৫·০০ |
| ৪৭ | তিৱা সম্প্ৰদায় | ৫·০০ |
| ৪৮ | এনেলচ অৱ আচাম সাহিত্য সভা | ৫·০০ |
| ৪৯ | স্নেহৰ অৰুণাচল | ৫·০০ |
| ৫০। | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ৫১। | চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫·০০ |
| ৫২। | দেমুৰেল জনচনৰ জীৱনী | ৫·০০ |
| ৫৩ | চুটি গল্প | ৫·০০ |
| ৫৪। | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ৫৫। | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৫৬ | সোণোৱালৰ সাধু | ৫·০০ |
| ৫৭। | দেউৰী চুতীয়া | ৪·০০ |
| ৫৮। | কাৰ্বি জনগোষ্ঠী | ৪·০০ |
| ৫৯ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৬০। | ডিমাছা | ৪·০০ |
| ৬১। | আউটলুক অন নেফা | ৪·০০ |
| ৬২। | অসম সাহিত্য সভা বাৰ্ষিকী, বৰ্ডিয়া | ৪·০০ |
| ৬৩ | চুফি আৰু চুফিবাদ | ৫·০০ |
| ৬৪। | ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৬৫। | ৰাভা সাধু | ৪·০০ |
| ৬৬। | শিখধৰ্মীয় সাধু | ৪·০০ |
| ৬৭। | বড়ো সাধু | ৪·০০ |
| ৬৮। | কথা-ভক্তি ৰত্নাকৰ | ৬·০০ |
| ৬৯। | দেউৰী শব্দমালা | ৩·০০ |
| ৭০। | আলোচনা চয়নিকা | ৫·০০ |
| ৭১। | অসম সাহিত্য সভাপত্ৰিকা প্ৰবন্ধপঞ্জী | ৪·০০ |
| ৭২। | বাৰ্তাৰ বিভক্তি | ৪·০০ |
| ৭৩। | অসমৰ বনৌষধি | ৪·০০ |
| ৭৪। | নিবেদন | ৪·০০ |
| ৭৫। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪·০০ |
| ৭৬। | অসমীয়া সংগীতৰ ঐতিহ্য | ৪·৫০ |
| ৭৭ | ৰাসায়নিক আবিষ্কাৰ আৰু আমি | ৩·০০ |
| ৭৮। | অসমৰ খনিজ সম্পদ | ৪·৫০ |
| ৭৯। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩·৫০ |
| ৮০। | বহিম ৰূপবানৰ সাধু | ৩·৫০ |
| ৮১। | জীৱনী | ৩·০০ |
| ৮২। | ত্ৰিলিফিকেচন অৱ লণ্ড এণ্ড ডিভেলপমেণ্ট | ৩·০০ |
| ৮৩। | মদাৰাক্ষস | ৩·০০ |
| ৮৪। | কৰ্পূৰমঞ্জৰী | ৩·০০ |
| ৮৫। | অসম সাহিত্য সভা বাৰ্ষিকী : নৱাপেটী | ৩·০০ |
| ৮৬। | ,, ,, ,, ,, : শিং | ৩·০০ |
| ৮৭। | ,, ,, ,, ,, : মাকুম | ৪·০০ |
| ৮৮। | ,, ,, ,, ,, : তেজপুৰ | ৩·০০ |
| ৮৯। | লিপি সমস্যা | ৩·০০ |
| ৮৯। | হাই ভাষা | ৩·০০ |
| ৯০। | প্ৰুশ্নী | ৩·০০ |
| ৯১। | বঙ্গলাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ |
| ৯২। | তৰুণৰাম ফুকন | ৩·০০ |
| ৯৩। | দাদাৰ কথা | ৩·০০ |
| ৯৪। | কাৰবি সাধু | ৩·০০ |
| ৯৫। | সামেং সীমান্তৰ সাধু | ৩·০০ |
| ৯৬। | দেউৰী সাধু | ৩·০০ |
| ৯৭। | অভিলেখ | ৩·০০ |
| ৯৮। | কিম্বদন্তীৰ সাধু | ৩·০০ |
| ৯৯। | কাৰ্যালয়ৰ হাত-পুথি | ৩·০০ |
| ১০০। | নৱমী | ২·০০ |
| ১০১। | চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু | ২·০০ |
| ১০২। | নৃতত্ত্বৰ চমু আভাস | ২·০০ |
| ১০৩। | মিছিং সাধু | ২·০০ |
| ১০৪। | শাখা সভাৰ পৰিচয় | ২·৫০ |
| ১০৫। | সাগৰৰ কথা | ১·৫০ |
| ১০৬। | বৌদ্ধ জাতকৰ সাধু | ২·০০ |
| ১০৭। | আপনি অসমীয়া | ২·০০ |
| ১০৮। | আনীমগাৰী অসমীয়াকো স্কিয়ানি | ২·০০ |
| ১০৯। | অসমীয়া না বড়ো হানে অসমীয়া | ২·০০ |
| ১১০। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ১·০০ |
| ১১১। | নৌকাদল পাঠ | ১·০০ |
| ১১২। | কৰম পৰ্ব আৰু মাদৰ গীত | ২·০০ |
| ১১৩ | সভাপতিৰ অভিভাষণ : ড: নেওগ | ১·০০ |
| ১১৪। | মাপিন টিজন | ২·০০ |
| ১১৫। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণানুক্ৰমিক তালিকা | ১·৫০ |
| ১১৬। | অসম সাহিত্য সভা পৰিচিতি | ১·০০ |
| ১১৭। | চন্দ্ৰধৰ বৰুৱা মহাপুৰুষ | ০·৫০ |
| ১১৮। | লক্ষ্মীনাথ বেজবৰুৱা | ০·৫০ |
| ১১৯। | বেজবৰুৱাৰ বাণী | ০·৫০ |
| ১২০। | ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ৩০·০০ |
| ১২১। | শ্ৰী মহাভাৰত | ১০·০০ |
| ১২২। | শ্ৰীৰাম গ্ৰন্থাৱলী | ২৫·০০ |
| ১২৩। | মোৰ জীৱন যাত্ৰাৰ কথা | ৩·০০ |
| ১২৪। | আচাম এণ্ড দি আচামীজ মাইণ্ড | ১০·০০ |
| ১২৫। | বাগ্মীৰ নীলমণি ফুকন | ১০·০০ |
| ১২৬। | অধুনিক অসমীয়া কবিতা | ১৫·০০ |
| ১২৭ | গিৰিধৰ শৰ্মা | ১৬·০০ |

**প্ৰাপ্তি স্থান ঃ**

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—৭৮৬০০১, ফোন ৩৭৬

(খ) গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—৭৮১০০১, ফোন—২৪৭৭৬

# অসম সাহিত্য সভাৰ প্ৰকাশন

★ অসম সাহিত্য সভাৰ প্ৰকাশন মানেই প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ প্ৰকাশন ।

★ ★ ★ ★

★ মফিজুদ্দিন আহমদ হাজৰিকা, ৰজনীকান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, চন্দ্ৰধৰ বৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, কালিৰাম মেধি, ৰঘুনাথ চৌধাৰী —এই সকলৰ মূল্যবান ৰচনাৱলীৰ কেইবাখনো এতিয়া দুষ্প্ৰাপ্য, বাকী কেইখনো দুষ্প্ৰাপ্য হ'ব । ইচ্ছুক সকলে সময় থাকোঁতেই সংগ্ৰহ কৰা বাঞ্ছনীয় হ'ব ।

★ ★ ★ ★

★ সভাৰ একেবাৰে নতুন প্ৰকাশন—হস্তমুক্তাৱলী, আধুনিক অসমীয়া কবিতা, আছাম এণ্ড দি আছামীজ মাইণ্ড, মৌ-মহাভাৰত, গিৰিধৰ শৰ্মা, বাগ্মীবৰ নীলমণি ফুকন, ৰহাব ৰেঙনি, কাৰ্বি-অসমীয়া পাঠ আৰু অভয়াপুৰী ।

★ ★ ★ ★

★ পাৰ্বতিপ্ৰসাদ বৰুৱা গ্ৰন্থাৱলী আৰু জ্ঞানদাভিৰাম বৰুৱা গ্ৰন্থাৱলী সমন্বিতে আৰু প্ৰায় কুৰিখন গ্ৰন্থ প্ৰকাশ হৈ গলাব ।

প্ৰাপ্তি স্থান :

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৬০০১
ফোন নং-৩৭৬

(খ) গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন নং-২৪৭৭৬